● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

কোনো কাৰণ নোহোৱাকৈ আনৰ প্ৰতি ঘৃণাৰে মন-মস্তিষ্ক পূৰ হৈ থকা এজন আত্মৰম্ভী ব্যক্তি কেতিয়াও জ্ঞানী হ'ব নোৱাৰে, তেওঁ কেৱল আত্মৰম্ভী হ'বহে পাৰিব।

জন কীট্‌ছ
ইংৰাজ কবি

www.dainikagradoot.in

৭ জাৰ্মানীত এদিনতে ক'ভিডত আক্ৰান্ত ৬০ হেজাৰ
১৫ ডাবলছৰ ফাইনেলত, একককৰ ছেমিত অসমৰ কৃষ্টি
4 আদৰ্শৰ গ্ৰহণযোগ্যতা আৰু গণেশৰ বিসদৃশ ৰূপ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৪৩তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৯ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 19 November 2021 মূল্য ঃ ৯.০০ টকা

■ ভাৰতৰ লগতে ভূটানৰ ভূমিও বেদখল কৰি চাৰিখন গাঁও ■ চলিত বৰ্ষতে শ্বি-য়'মি জিলাত ৬০টা অট্টালিকা নিৰ্মাণৰ তথ্য উপগ্ৰহৰ ছবিত ■ সীমান্তৰ সাত কিলোমিটাৰ ভিতৰলৈ প্ৰৱেশ

অৰুণাচলত চীনৰ দ্বিতীয় গাঁও স্থাপন



উপগ্ৰহৰ জৰিয়তে উপলব্ধ হোৱা অৰুণাচলত চীনৰ দ্বিতীয়খন গাঁও স্থাপনৰ ছবি।

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ ভাৰতক চৌপাশৰ পৰা ঘেৰি ধৰি আগ্ৰাসী ৰূপ লৈছে চুবুৰীয়া চীনে। ভাৰতৰ অংগৰাজ্য অৰুণাচল প্ৰদেশৰ ভূমিত চীনে এখনৰ পাছত আনখন গাঁও স্থাপনৰ নিত্য-নতুন তথ্য পোহৰলৈ আহিছে। ইপিনে, ভাৰতৰ আশ্ৰিত ৰাষ্ট্ৰ ভূটানৰ ভূমিতো চীনে গাঁও নিৰ্মাণ কৰাটো ভাৰতৰ বাবে উদ্বেগৰ বিষয় হৈ পৰিছে। নতুনকৈ উদ্ধাৰ হোৱা উপগ্ৰহৰ ছবিত দেখা গৈছে যে চীনে অৰুণাচল প্ৰদেশত দ্বিতীয়টো বৃহৎ চৌহদ অৰ্থাৎ কমেও ৬০টা বিল্ডিঙেৰে আৰৱা বৃহৎ অঞ্চল নিৰ্মাণ কৰিছে। ২০১৯ত সংগৃহীত ছেটেলাইটৰ ছবিত এই নতুন নিৰ্মাণৰ কোনো অৱস্থিতি নাছিল। এবছৰ পাছত দেখা গৈছে এই নিৰ্মাণ কাৰ্য। অৰুণাচল প্ৰদেশত স্থাপিত প্ৰথমখন চীনা গাঁৱৰ ৯৩ কিলোমিটাৰ পূৱত এই বৃহৎ বেদখল হৈছে। কিছুদিন পূৰ্বে আমেৰিকাৰ মাৰ্কিন প্ৰতিৰক্ষা বিভাগৰ প্ৰতিবেদনত নিৰ্মাণ কৰা চীনা প্ৰথমখন গাঁৱৰ উপস্থিতি নিশ্চিত কৰা হৈছে। এই বৃহৎ *আঠ পৃষ্ঠাত চাওক*



ভাঙি যোৱা শিক্ষা

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য

দক্ষিণ আফ্ৰিকাৰ এখন বিশ্ববিদ্যালয়ৰ পদূলিতে এখন ডাঙৰ ব'ৰ্ডত লিখা আছে এনেকৈ— এখন দেশক ধ্বংস কৰিবলৈ এটম বোমাৰ প্ৰয়োজন নাই। এটম বোমা এটা নুফুটোৱাকৈয়ে এখন দেশ ধ্বংস হ'ব পাৰে। শিক্ষাৰ মান অধোগামী হ'লে, তললৈ গ'লেই দেশ এখনো তললৈ যায়। শিক্ষা ব্যৱস্থা এটা ধ্বংসৰ মুখলৈ গ'লেই দেশ এখনো ধ্বংস হৈ যায়। শিক্ষা ব্যৱস্থা এটা বেয়া হ'লে, *১০ পৃষ্ঠাত চাওক*

অভিনেত্ৰী কংগনা ৰণৌটৰ বিৰুদ্ধে প্ৰদেশ কংগ্ৰেছৰ গোচৰ

'পদ্মশ্ৰী' সন্মানৰ গৰিমা লাঘৱ কৰিলে

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ নৱেম্বৰ ঃ সততে ৰাজনৈতিক মন্তব্য প্ৰকাশ কৰি বিতৰ্কত সাঙোৰ খাই পৰা বলিউডৰ মোহময়ী অভিনেত্ৰী কংগনা ৰণৌটৰ শেহতীয়া *১০ পৃষ্ঠাত চাওক*

বিলাসীপাৰাৰ পৰা আলফাত যোগদান কৰিবলৈ আহি জাগুনত আটক

সেনাৰ জালত যুৱক

অগ্ৰদূত বাৰ্তা
মাৰ্ঘেৰিটা, ১৮ নৱেম্বৰ ঃ আলফা (স্বাঃ)-ই একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰাৰ সময়তে নিষিদ্ধ সংগঠনটোত নতুন সদস্যভৰ্তি অব্যাহত আছে। *১০ পৃষ্ঠাত চাওক*

1800 313 1212

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৯°	১৭°
ডিব্ৰুগড়	২৮°	১৫°
দিল্লী	২৪°	১৯°
কলকাতা	২৯°	১৯°
মুম্বাই	৩৪°	২৭°
চেন্নাই	২৮°	২৫°
বাংগালুৰু	২২°	২১°
শ্বিলং	২১°	১০°

১৮ নৱেম্বৰ, ২০২১

চেঙা তেল



এই মৃতকৰ মূৰ্তিয়েও যে কেতিয়াবা ক্ষমতাৰ পথ মুকলি কৰিব কেতিয়ানো ভাবিছিলো!

ফেৰী দুৰ্ঘটনাত পতিত লোকক উদ্ধাৰকাৰীক ২৫ হেজাৰ টকা প্ৰদান

■ ৫০খন মঞ্চৰাসক ৫০ হেজাৰ টকাকৈ সাহায্য আগবঢ়ালে ড° শৰ্মাই

সমগ্ৰ ভাৰততে মাজুলীৰ ৰাস উৎসৱৰ জাগৰণ অনা হ'ব ঃ আশ্বাস মুখ্যমন্ত্ৰীৰ

অগ্ৰদূত বাৰ্তা
কমলাবাৰী, ১৮ নৱেম্বৰ ঃ 'মাজুলীৰ ৰাসৰ এটা আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্য আছে। অহা বৰ্ষসমূহত মাজুলীৰ ৰাসক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰতবৰ্ষতে এক জাগৰণ অনাৰ কাৰণে ৰাজ্য চৰকাৰে পৰ্যটন বিভাগৰ সহযোগত কাম কৰিম। যোৱা দুটা বছৰ ক'ভিডৰ কাৰণেই মাজুলীৰ ৰাস সেমেকি আছিল। এইবাৰো নিমাতীৰ ফেৰী *আঠ পৃষ্ঠাত চাওক*

দিছপুৰৰ সকলো সিদ্ধান্ত মানি ল'ব নোৱাৰি

চৰকাৰে জনজাতিৰ ভূমি সুৰক্ষাৰ নামত ৰাজনীতিহে কৰি আছে ঃ খাখলাৰী

অগ্ৰদূত বাৰ্তা
কাজলগাঁও, ১৮ নৱেম্বৰ ঃ 'অসম চৰকাৰে সময়ে সময়ে জনজাতীয় লোকসকলৰ ভূমি সুৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন ভাষ্য দি কেৱল ৰাজনীতিহে কৰি আছে। বিগত সময়ত অসম চৰকাৰে কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা আমি দেখিছো। সকলো সিদ্ধান্ত আমি মানি ল'ব নোৱাৰো। শদিয়া আৰু মুৰ্কংচেলেকৰ লগতে চিচিটঙানি আবেষ্টনীত আহোম, মৰাণ, মটক, চুতীয়াক সংৰক্ষিত শ্ৰেণীত অন্তৰ্ভুক্তি কৰিছে।' এই ভাষ্য অসম ট্ৰাইবেল সংঘৰ উপদেষ্টা আদিত্য খাখলাৰীৰ। কালিৰে পৰা *১০ পৃষ্ঠাত চাওক*

ভ্ৰাতৃত্বৰ বাণী কঢ়িয়াই গুৰুদ্বাৰত স্থান দিলে নামাজৰ

■ নিউজ ব্যুৰ'
গুৰুগ্ৰাম, ১৮ নৱেম্বৰ ঃ ৰাজধানী দিল্লীৰ গাতে লাগি থকা গুৰুগ্ৰামৰ সদৰ বজাৰৰ গুৰুদ্বাৰ সংস্থাই শুকুৰবাৰৰ নামাজৰ বাবে ইছলামধৰ্মীলৈ খুলি দিলে দুৱাৰ। সংস্থাই ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ শুকুৰবাৰৰ নামাজৰ বাবে গুৰুদ্বাৰৰ চৌহদ ব্যৱহাৰ কৰিবলৈ দিয়াৰ*আঠ পৃষ্ঠাত চাওক*

■ উপাচাৰ্যৰ বিৰুদ্ধে একনায়কত্ববাদৰ অভিযোগত সৰৱ ছাত্ৰ-ছাত্ৰী

আঠটা দাবী লৈ কটন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদত শিক্ষাৰ্থী

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ নৱেম্বৰ ঃ ৰাজ্যৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে একনায়কত্ব চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শিক্ষাৰ্থীৰ সমস্যাক আওকাণ কৰি উপাচাৰ্যই মইমতালিৰে বিশ্ববিদ্যালয় পৰিচালনা কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে কটনিয়ানে। উপাচাৰ্যৰ এনে নীতিৰ বিৰুদ্ধে আজি কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানখনৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। দিনৰ এক বজাৰ পৰা কে'বা শতাধিক *১০ পৃষ্ঠাত চাওক*

মূল্যবৃদ্ধিৰ অঘোষিত প্ৰতিযোগিতা পাইকাৰী-খুচুৰা বিক্ৰেতাৰ ■ যোগান মন্ত্ৰীলৈ অংগুষ্ঠ

■ ২০ টকাৰ ফুলকবি ৬০ টকাত, ৫২ টকাৰ বিলাহী ৮০ টকাত বিক্ৰী ■ পাচলিৰ বতৰতে ত্ৰাহি মধুসুদন সুঁৱৰিছে গ্ৰাহকে ■ উৎপাদনকাৰী কৃষকৰ পৰিৱৰ্তে লাভৱান অসাধু ব্যৱসায়ী

বজাৰত পাচলিৰ দামৰ বৃহৎ তাৰতম্য

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
নগাঁও/চামগুৰি, ১৮ নৱেম্বৰ ঃ যোগানমন্ত্ৰীৰ ঘোষণালৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি নগাঁৱৰ পাচলিৰ বজাৰত জুই জ্বলাইছে এচাম অসাধু ব্যৱসায়ীয়ে। মন্ত্ৰীৰ নিৰ্দেশক অসাৰ কৰি পাইকাৰী আৰু খুচুৰা বিক্ৰেতাই চলোৱা অঘোষিত মূল্যবৃদ্ধিৰ প্ৰতিযোগিতাৰ পাকচক্ৰত পৰি এতিয়া ত্ৰাহি মধুসুদন সুঁৱৰিবলগীয়া হৈছে সাধাৰণ ক্ৰেতাই। যাৰ বাবে আজিও বহু দৰ্শকে নগাঁও জিলাৰ বিভিন্ন পাচলিৰ বজাৰৰ পৰা খালী হাতেৰে উভতিবলগীয়া হয়। বিশেষকৈ শাক-পাচলিৰ বৃহৎ উৎপাদনৰ বাবে পৰিচিত জিলাখনত এতিয়া পাচলিৰ বতৰতে বজাৰত জুই লগাত চৰকাৰৰ বিভাগীয় মন্ত্ৰী-বিষয়াৰ দক্ষতাৰ প্ৰতিও সাধাৰণ গ্ৰাহক সন্দিহান হৈ পৰিছে। *আঠ পৃষ্ঠাত চাওক*

প্ৰবীণ সাংবাদিক আপকুৰ প্ৰতিষ্ঠাপক সম্পাদক ভবেশ বৰুৱাৰ মৃত্যু

মুখ্যমন্ত্ৰীকে ধৰি বিভিন্নজনৰ শোক প্ৰকাশ



অগ্ৰদূত বাৰ্তা
আজাৰা/পলাশবাৰী, ১৮ নৱেম্বৰ ঃ প্ৰবীণ সাংবাদিক, আপকুৰ প্ৰতিষ্ঠাপক সম্পাদক, মফচলীয়া সাংবাদিকৰ সংগ্ৰামী সত্তা তথা বৰ্তমানৰ উপদেষ্টা *১০ পৃষ্ঠাত চাওক*

মাধ্যমিক শিক্ষা সঞ্চালয়কালয়ত ২২ নৱেম্বৰত হাজিৰ হোৱাৰ নিৰ্দেশ

দুটা চাকৰিৰ দৰমহা ভোগ কৰি অহা ৭০ শিক্ষকলৈ জাননী জাৰি বিভাগৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ নৱেম্বৰ ঃ লাখ লাখ শিক্ষিত নিবনুৱাই এটা চাকৰি বিচাৰি হাহাকাৰ কৰি থকা এইখন অসমত দুটাকৈ চাকৰিৰ দৰমহা লৈ থকা ৭০ গৰাকী ঠিকাভিত্তিক শিক্ষকক অহা ২২ নৱেম্বৰত উপযুক্ত নথিপত্ৰসহ সোঁশৰীৰে হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰিছে কাহিলীপাৰাস্থিত অসম মাধ্যমিক শিক্ষা সঞ্চালকালয়ে। অভিযুক্ত এইসকল হাইস্কুলৰ ঠিকাভিত্তিক শিক্ষকক উল্লিখিত দিনটোত দিনৰ ১১ বজাত শুনানিৰ বাবে উপস্থিত হ'বলৈ পিচি/এমআইএছচি/১/২০২০/৪৫ নম্বৰৰ এক জাননীৰ জৰিয়তে আজি নিৰ্দেশ প্ৰেৰণ কৰিছে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক মমতা হোজাইয়ে। উল্লেখ্য যে ২০১০ত তদানীন্তন কংগ্ৰেছ চৰকাৰ দিনত প্ৰায় ৮,৫০০ গৰাকী যুৱক-যুৱতীয়ে হাইস্কুলত ঠিকাভিত্তিক শিক্ষকৰূপে নিযুক্তি লাভ কৰিছিল। ইয়াৰ ভিতৰত ৪,৯৭০ গৰাকী শিক্ষকৰ চাকৰি ২০১৯ত নিয়মীয়া কৰে শিক্ষা *১০ পৃষ্ঠাত চাওক*

৫০ সংখ্যক জন্মদিনত ইউটিউব চেনেল মুকলি জুবিন গাৰ্গৰ, মহানগৰীত।

মৰিগাঁৱত দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিল কৰ্মচাৰী

৩৫শ টকা উৎকোচ লওঁতেই গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
মৰিগাঁও, ১৮ নৱেম্বৰ ঃ উৎকোচ লোৱা অৱস্থাতে আজি হাতে-লোটে ধৰা পৰিল মৰিগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ৰ মীন বিভাগৰ এজন জ্যেষ্ঠ সহায়ক। দুৰ্নীতি নিবাৰক শাখাই আজি হাতে-লোটে কৰায়ত্ত কৰা কৰ্মচাৰীজন হৈছে জ্যেষ্ঠ সহায়ক হৰেন্দ্ৰ কুমাৰ *১০ পৃষ্ঠাত চাওক*

২৬ নৱেম্বৰত দেশজোৰা প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৃষক সংগঠনৰ

বৰ্ষজোৰা আন্দোলনলৈ চৰকাৰৰ অৱহেলা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ নৱেম্বৰ ঃ দেশৰ অন্নদাতা কৃষক সমাজৰ এবছৰীয়া ধাৰাবাহিক আন্দোলন আৰু ন্যায়সংগত দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ অৱজ্ঞাসূচক মনোভাবৰ বিৰুদ্ধে সংযুক্ত কিষাণ মৰ্চাই অহা ২৬ নৱেম্বৰত *১০ পৃষ্ঠাত চাওক*

প্ৰমোদ বড়োক মিছলীয়া আখ্যা বিৰোধীৰ

শাসক-বিৰোধীৰ বাক-বিতণ্ডা-সদন ত্যাগৰে অন্ত বিটিআৰৰ অধিবেশনৰ

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ১৮ নৱেম্বৰ ঃ শাসক-বিৰোধীৰ বাক-বিতণ্ডা আৰু বিৰোধীৰ সদন ত্যাগৰ মাজেৰে আজি সামৰণি পৰে বিটিআৰ পৰিষদৰ শীতকালীন অধিবেশনৰ। লগতে আজি বিটিচিৰ পাঁচখনকৈ বিধেয়ক গৃহীত হয়। বিধেয়ককেইখন হ'ল ক্ৰমে বড়োলেণ্ড চিকিৎসা বিধেয়ক, বড়োলেণ্ড লেগেল মেট্ৰ'লজি বিধেয়ক, বড়োলেণ্ড চেণ্ট্ৰেল *আঠ পৃষ্ঠাত চাওক*

■ ৰুছ ক্ষেপণাস্ত্ৰৰ আঘাতত চূৰ্ণ-বিচূৰ্ণ কৃত্ৰিম উপগ্ৰহই বিপদ মাতিলে ■ শংকাত ভাৰতীয় বংশোদ্ভূত ৰাজা চাৰিও

যিকোনো মুহূৰ্তত হতাহত হ'ব পাৰে সাত মহাকাশকাৰী

ভাৰতীয় বংশোদ্ভৱ ৰাজা চাৰি।

■ নিউজ ব্যুৰ'
হিউষ্টন, ১৮ নৱেম্বৰ ঃ ভয়াৱহ বিপদৰ আগমন ঘটিছে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰলৈ। যিকোনো মুহূৰ্ততে এই মহাকাশ কেন্দ্ৰটোত সংঘটিত হ'ব পাৰে ভয়াৱহ দুৰ্ঘটনা। এই দুৰ্ঘটনাত মৃত্যুও হ'ব পাৰে মহাকাশচাৰীৰ। অথবা সমগ্ৰ জীৱনৰ বাবে পংগু হ'ব পাৰে কোনো মহাকাশচাৰী। এই আশংকাতে সম্প্ৰতি প্ৰহৰ গণিছে ভাৰতীয় বংশোদ্ভূত ৰাজা চাৰিসহ সাতজন মহাকাশচাৰীয়ে। সম্প্ৰতি এই সাত মহাকাশচাৰীয়ে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত বাহৰ পাতি আছে। ভূপৃষ্ঠৰ পৰা প্ৰায় চাৰিশ কিলোমিটাৰ উচ্চতাত আছে মানৱ নিৰ্মিত এই আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰটো। মহাকাশত পৃথিৱীৰ কক্ষপথত ভৰশূন্য অৱস্থাত পৃথিৱীক প্ৰদক্ষিণ কৰি মহাকাশ কেন্দ্ৰটো সক্ৰিয় হৈ আছে। উল্লেখ্য যে যোৱা ১৫ নৱেম্বৰত ৰাছিয়াই চাৰিটাকৈ ক্ষেপণাস্ত্ৰ মহাকাশলৈ উৎক্ষেপণ *১০ পৃষ্ঠাত চাওক*

অসমতো সীমান্তৰ পৰা ৫০ কিলোমিটাৰ ভিতৰলৈ কৰ্তৃত্ব লাভ বিএছএফৰ

'সীমান্তকেন্দ্ৰিক অপৰাধ নিয়ন্ত্ৰণ সম্ভৱ হ'ব'

অগ্ৰদূত বাৰ্তা
আজাৰা, ১৮ নৱেম্বৰ ঃ 'কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ ভাৰত-বাংলাদেশ আৰু ভাৰত-পাকিস্তান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নিৰাপত্তা আৰু পহৰাৰ দায়িত্বত থকা সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ)ক পূৰ্বৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা ১৫ কিলোমিটাৰ পৰ্যন্ত সংশ্লিষ্ট *আঠ পৃষ্ঠাত চাওক*

PRESS RELEASE OF SHORT TENDER NOTICE

Sealed Short Tender affixing court fee stamp of Rs. 8.25 (Rupees eight and paise twenty five) only non-refundable are invited from reputed Govt. approved printing presses registered under Govt. of Assam in Printing & Stationery Department, Dispur for printing of the subsequent 2 (two) volumes of Data Book on the history and events of Assam Agitation as mentioned in the Short Tender Notice in all respects and the tender will be received up to 2-00 P.M. on 26/11/2021 in the Office of the undersigned.

The specifications of the works and terms & conditions for submission of tenders can be collected from the office of the undersigned during the office hours on all working days.

Director
Printing & Stationery, Assam
Guwahati-21

Janasanyog/C/7972/21

ASSAM ELECTRICITY GRID CORPORATION LIMITED

TIME EXTENSION-I

The following modifications may be noted against this office tender notices as mentioned below:

NIT NO.: AEGCL/DGM/UA T&C and Comm./DBR/2021/T-23/800 Date: 27.10.2021

Name of the Work: Repairing of Office Building and Fixing of Partition Wall at O/o the AGM, T&C Division, AEGCL, Dibrugarh at Tinsukia.

The corrections/amendments are as follows:

1. **The last date of submission of the Bid Documents for the above mentioned tenders has been extended up to 13:00 Hrs. (IST) of 25.11.2021.**
2. **The techno-commercial Bid opening date has been modified as 25.11.2021 at 14:00 Hrs. (IST).**
3. **The Price Bid opening date and time will be notified later after evaluation of technical Bids.**

All other terms and conditions shall remain same.

Sd/-, Deputy General Manager,
UA T&C and Comm. Circle, AEGCL, Dibrugarh

T-872/PR/2021/Camp/31

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING TENDER

1. **Bid Identification No.:** AEGCL/DGM/LAC/TT/TLS-69/2021/553; Dtd.17/11/2021
2. **Name of Work:** Providing PCC, Earthing & Cable trench slab at 132/33 KV Chandrapur GSS, AEGCL.
3. **Cost of Bid document:** Rs. 2000.00
4. **Tender Start Date and Time:** 20.11.2021 from 11 Hrs : 00 Mins

Interested bidders may download the bid documents from AEGCL's website: **www.aegcl.co.in** and/or e-tender portal- **assamtenders.gov.in**

Sd/-, Deputy General Manager,
Lower Assam T&T Circle, AEGCL, Narengi, Guwahati-26

T-872/PR/2021/Camp/30

প্ৰত্যক্ষ সাক্ষাৎকাৰ

উত্তৰ পূব সীমান্ত ৰেলৱেৰ অন্তৰ্গত ৰঙিয়া মণ্ডলত পূৰ্ণকালীন ঠিকাৰ আধাৰত ঠিকাভিত্তিক চিকিৎসক পদৰ বাবে "প্ৰত্যক্ষ সাক্ষাৎকাৰ"

অধিসূচনা নং. ০২/২০২১ তাৰিখঃ ১০-১১-২০২১

সাক্ষাৎকাৰৰ তাৰিখঃ ২৬-১১-২০২১, সময়ঃ ১০.০০ বজাত। স্থানঃ মুখ্য চিকিৎসা অধীক্ষক কাৰ্যালয়, ৰঙিয়া, উঃ পূঃ সীমান্ত ৰেলৱে, ৰঙিয়া- ৭৮১৩৬৫। পদৰ সংখ্যাঃ ০৩ (তিনি), সম্প্ৰদায় ভিত্তিত বিভাজন - ইউআৰ- ০২, এছছি- ০, এছটি- ০ আৰু অ'বিচি- ০১। মাহিলি পাৰিশ্ৰমিকঃ বিশেষজ্ঞ চিকিৎসকৰ বাবে (পূৰ্ণকালীন)ঃ ৯৫,০০০/- টকা, (প্ৰতি মাহ) (প্ৰথম বছৰৰ বাবে), ১,০৫,০০০/- টকা ঃ (প্ৰতি মাহ) (দ্বিতীয় বছৰৰ বাবে), জেনেৰেল ডিউটিৰ বাবে (পূৰ্ণকালীন)ঃ ৭৫,০০০/- টকা, (প্ৰতি মাহ),

চিকিৎসালয়ৰ নামঃ

ক্ৰমিক সংখ্যা	চিকিৎসালয়/এইচইউৰ নাম	পদৰ সংখ্যা	শাখা
১	নিউ বঙাইগাঁও চিকিৎসালয়	০১	স্ত্ৰী ৰোগ বিশেষজ্ঞ (চিএমপি)
২	নিউ বঙাইগাঁও চিকিৎসালয়	০১	অস্থি ৰোগ বিশেষজ্ঞ (চিএমপি)
৩	সৰভোগ হেল্‌থ ইউনিট	০১	জিডিএমঅ' (চিএমপি)

বিস্তৃত অধিসূচনাখন www.nfr.indianrailways.gov.in (general info-departments-personnel-walk in interview) অত উপলব্ধ আছে।

মাণ্ডলিক ৰেলৱে প্ৰবন্ধক (পি), ৰঙিয়া

উত্তৰ পূব সীমান্ত ৰেলৱে

"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

২ আঘোণ শুকুৰবাৰ ১৯ নৱেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৫।৪৮।৪৯, **সূৰ্যাস্ত ঃ** ঘঃ ৪।৩০।৬। **তিথি ঃ** পূৰ্ণিমা, দং ১৮।২৮।৪১ ঘঃ ১।১২।১৭ **নক্ষত্ৰ ঃ** কৃত্তিকা, দং ৫৬।২৬।৩১ শেষ ৰাঘঃ ৪।২৩।২৫। **যোগ ঃ** পৰিঘ, দং ৫৬।০।১ ৰাঘঃ ৪।১২।৪৯। **কৰণ ঃ** বৱ। **জন্মত ঃ** মেষৰাশি, ক্ষত্ৰিয়বৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, মেষৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী ৰবিৰ দশা, ঘঃ ৮।১৭।৩ যোৱাত বৃষৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, শেষ ৰাঘ ৪।২৩।২৫ যোৱাত মনুষ্যগণ, সাপৰ অস্থি, বিংশোত্তৰী চন্দ্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** ৭ দিনীয়া পতিহিতা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, শেষ ৰাঘ ৪।২৩।২৪ যোৱাত নাই। **যোগিনী ঃ** বায়ুকোণত, ঘঃ১।১২।১৭ যোৱাত পূৱত। **যাত্ৰাঃ** নাই, ঘঃ ১।১২।১৭ যোৱাত শুভ, পূৱত নাই। **শুভকৰ্ম ঃ** গৰ্ভাধান, আৰোগ্যস্নান। **ভক্ষাভক্ষ্য ঃ** মাছ-মাংস, তেল খোৱা আৰু প্ৰায়শ্চিত্ত, ঘঃ ১। ১২।১৭ যোৱাত কোমোৰা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰি উপকৃত হব। কৰ্মস্থানত আনন্দ। শুভ ৰং ৰঙা, শুভ সংখ্যা ৭।

বৃষ ঃ বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। শুভ ৰং বগা, শুভ সংখ্যা ৩।

মিথুন ঃ মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। বিদ্যাত শুভ। শৰীৰ মধ্যম। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৫।

কৰ্কট ঃ সহযোগীৰ সহায়ত উৎসাহ। প্ৰতাৰকৰ বাবে দুশ্চিন্তা। কৰ্মস্থানত আয় বৃদ্ধি। প্ৰেমত নিৰাশা। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৬।

সিংহ ঃ আচৰিত কথাৰ সম্ভেদ পাব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ। নীলা শুভ ৰং, ৩ শুভ সংখ্যা।

কন্যা ঃ মজলীয়াভাৱে দিনটো পাৰ হ'ব। প্ৰেম-প্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম। দাম্পত্য জীৱন পূৰ্বনুৰূপ। ৰঙা শুভ ৰং। ৯ শুভ সংখ্যা।

তুলা ঃ শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। উচ্চ বিদ্যাত সাফল্য। কোন প্ৰিয় লোকৰ যোগাযোগত আনন্দ। বগা শুভ ৰং। ৪ শুভ সংখ্যা ।

বৃশ্চিক ঃ কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিৱেশ কৰিব। ভ্ৰমণত সাৱধান। আকাশী শুভ ৰং। ৮ শুভ সংখ্যা।

ধনু ঃ শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বৃদ্ধিৰ যোগ। পিতৃৰ পৰা সহানুভূতি লাভ কৰিব। হালধীয়া শুভ ৰং, সংখ্যা ৭।

মকৰ ঃ নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য্য ধৰক। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। শুভ ৰং মাটিয়া, সংখ্যা ১।

কুম্ভ ঃ ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া শুনাত শুভ। পিতৃ-মাতৃৰ চিন্তা। শুভ ৰং ক'লা, সংখ্যা ২।

মীন ঃ যত্নৰ দ্বাৰা বিদ্যাত সাফল্য। আৰ্থিকত ব্যয় বৃদ্ধি। কোন দূৰ বাৰ্তাত আনন্দ। বেংক কৰ্মচাৰীৰ শুভ। শুভ ৰং সোণালী, সংখ্যা ৩।

---

১৮ মাইলৰ হোটেলত ধনদাবী কৰি গ্ৰেপ্তাৰ যুৱক

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১৮ নৱেম্বৰ ঃ শোণিতপুৰৰ চাৰিদুৱাৰ থানাৰ অন্তৰ্গত ১৮ মাইলৰ এখন হোটেলত ধনদাবী কৰাৰ অভিযোগত আৰক্ষীয়ে তেজপুৰৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে দুজনৰ সন্ধান অব্যাহত ৰাখিছে। চাৰিদুৱাৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, গ্ৰেপ্তাৰ হোৱা যুৱকজন দীপাংকৰ শইকীয়া আৰু তেওঁৰ ঘৰ তেজপুৰৰ ইন্দিৰানগৰত। ঘটনা সন্দৰ্ভত চাৰিদুৱাৰ থানাৰ আৰক্ষী বিষয়া আলিমুদ্দিন আহমেদে প্ৰকাশ কৰা অনুসৰি শাৰদীয় দুৰ্গা পূজাৰ পূৰ্বে যোৱা ১১ অক্টোবৰত ১৮ মাইলৰ ৰয় লাইন হোটেলত ভাত খাবলৈ যায় দীপাংকৰ শইকীয়া, বিকি দাস আৰু এটা প'ৰ্টেলৰ সাংবাদিক বুলি পৰিচয় দিয়া পৰাগ শইকীয়া নামৰ যুৱককেইজন। তেওঁলোকৰ মাজৰ দীপাংকৰে খোৱা ভাতৰ পাতত জেঠীৰ নেজ ওলোৱা বুলি হুলস্থুল লগায় আৰু দীপাংকৰে নিজকে শোণিতপুৰ জিলাৰ 'এছ পিৰ অডিটৰ' বুলি চিনাকি দি হোটেল বন্ধ কৰি দিয়াৰ ধমকি দিয়ে বুলি প্ৰকাশ কৰি আৰক্ষীয়ে জনোৱা অনুসৰি বিষয়টো বুজাবুজিৰ বাবে হোটেলৰ মালিকক দুই লাখ টকা দাবী কৰে। হোটেলৰ মালিকে সেইদিনাই ৪০ হেজাৰ টকা তেওঁলাকক দিয়ে আৰু ১২ নৱেম্বৰত পুনৰ তেজপুৰত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখত এখন স্কুটীত অহা বিকি নামক যুৱকজনৰ হাতত ৪৫ হেজাৰসহ মুঠ ৮৫ হেজাৰ টকা দিয়ে। পাছত হোটেলৰ গৰাকীয়ে এই বিষয়ে শোণিতপুৰৰ আৰক্ষী অধীক্ষকক অৱগত কৰাৰ লগতে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰাত চাৰিদুৱাৰ আৰক্ষীয়ে অনুসন্ধান চলাই তেজপুৰৰ ইন্দিৰা নগৰৰ ঘৰৰ পৰা অভিযুক্ত দীপাংকৰক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে অডিট বিভাগৰ কৰ্মচাৰী দীপাংকৰে এই ঘটনাৰে আন দুই অভিযুক্তইহে তেওঁক জালত পেলোৱা বুলি উল্লেখ কৰে আৰু তেওঁৰ স'তে আন দুজনৰ কোনো পৰিচয় নাই বুলি প্ৰথম অৱস্থাত প্ৰকাশ কৰাৰ লগতে পাছত এই ঘটনাত তেজপুৰৰ পৰাগ শইকীয়া নামৰ যুৱকজন জড়িত বুলি প্ৰকাশ কৰি বিকিৰ নামেই নজনা বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। ইপিনে, ঘটনা সন্দৰ্ভত দুজন যুৱক পলাতক অৱস্থাত আছে। এই ধনদাবীৰ ঘটনাত ব্যৱহৃত এ এছ ১২ এম ৫৪২২ নম্বৰৰ এখন বাহনো আৰক্ষীয়ে জব্দ কৰিছে। উল্লেখ্য যে শেহতীয়াকৈ তেজপুৰত আন একাংশই ভুৱা পৰিচয়ৰে ধনদাবীৰ একাধিক ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উঠিছে। অখ্যাত প'ৰ্টেল আৰু সাংবাদিকতাৰে জড়িত নথকাকৈ সাংবাদিক বুলি পৰিচয় দি ফুৰা একাংশই মাজতে তেজপুৰৰ পৰমাইঘূলিত এজন গুৰুতৰভাৱে অসুস্থ যুৱকৰ চিকিৎসাৰ সাহায্য বিচাৰি এক ৰাজহুৱা আহ্বান প্ৰচাৰৰ বাবেও ধনদাবী কৰা বুলি অভিযোগ উঠিছে। পাছত অসুস্থ যুৱকজনৰ মৃত্যু ঘটে।

Guwahati Metropolitan Development Authority

STATFED Building, Bhangagarh, Guwahati - 781005
Website: **www.gmda.co.in** Tel: 0361-2529650/9824
E-mail: **ceo.gmda-as@nic.in** Fax: 0361-2529991

No. GMDA/DEV/76/2020/05 **Dated: 18-11-2021**

NOTICE INVITING TENDER

Sealed tender in prescribed format affixing non-refundable court fee stamp of ₹8.25 (Rupees eight and paisa twenty five) only from APWD (Electrical)/ APDCL registered contractors only are invited by the undersigned at the office of the Guwahati Metropolitan Development Authority for execution of the following works. The tender will be received up to **2.30 PM on 07-12-2021** and will be opened at **3.00 PM** on the same day. In case of unscheduled holiday on the date of opening of the tender, the tenders will be opened on the next working day at the same time and place. The detailed tender papers may be obtained on all working days from **22-11-2021 to 06-12-2021** on payment of ₹1000.00 (Rupees One Thousand) only in cash at GMDA's Cash Counter from **10.00 AM to 2.30 PM** only.

Sl. No.	Name of Work	NIT Value
1	Installation of High Mast Lights at Jalukbari LAC, Guwahati, Assam (3 Nos. of 25m height)	₹24.5 Lakhs
2	Installation of High Mast Lights at East Guwahati LAC, Guwahati, Assam (3 Nos. of 25m height)	₹24.5 Lakhs
3	Installation of High Mast Lights at West Guwahati LAC, Guwahati, Assam (3 Nos. of 25m height)	₹24.5 Lakhs
4	Installation of High Mast Lights at Dispur LAC, Guwahati, Assam (3 Nos. of 25m height)	₹24.5 Lakhs

Sd/- **(Kausar J. Hilaly, ACS)**
Chief Executive Officer
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 781005

শব্দ-বেহু ঃ ১৯নবেম্বৰ ২০২১



@ সব্যসাচী

পথালিয়ে ঃ

২। আগৰ দিনত মাটিৰ জোখ-মাখ লিখা কৰ্মচাৰী (৫)
৪। ইহুদি জাতিৰ লোক আৰু তেওঁলোকৰ ভাষা (২)
৫। একেডাল ঠাৰিতে থোপা পাতি লগা ফলৰ সমূহ (২)
৬। বৰ্তমানৰ দক্ষিণ বিহাৰৰ পৌৰাণিক নাম (৩)
৮। গাত ডাঠ হৈ চামনি বন্ধা মলি (৩)
১১। ঋণ, ধাৰ, দেনা (২)
১২। তাঁতশালৰ দুয়োফালৰ খুঁটাৰ ওপৰত পথালিকৈ দিয়া কেইবা খাজযুক্ত মাৰি (৪)
১৪। শাৰী পাতি যোৱা মানুহৰ দল, শোভাযাত্ৰা (৪)
১৬। ফৰকাল বা উজ্জ্বল নোহোৱা, গোমোঠা (২)
১৭। আনৰ বদনাম আলোচনা কৰা, বেয়া চৰ্চা কৰা (৩)
১৯। জাগি থকা, সাৰে থকা, সাৱধান (৩)
২২। পৰ্বতীয়া জাতি-বিশেষৰ সমাজত থকা গাৱঁৰ মুখিয়াল লোক (২)
২৩। দৰৱ খুন্দা শিলৰ সৰু দীঘলীয়া খণ্ড (২)
২৪। তিৰোতাৰ স্তন, পয়োধৰ, পিয়াহ (৫)

থিয়কৈ ঃ

১। কাপোৰ বৈ শেষ কৰাৰ পাছত তাঁতশালত দীঘলকৈ বৈ যোৱা সূতাখিনি (৪)
২। নিজৰ হাড়েৰে বজ্ৰাস্ত্ৰ নিৰ্মাণ কৰিবলৈ হাড়বোৰ ইন্দ্ৰ দেৱতাক অৰ্পণ কৰা এজন ঋষি (৩)
৩। পথাৰৰ পানী যোৱা বাট বা লিক (৩)
৭। পুৰুষৰ অণ্ড বা অণ্ডৰ জোলোঙা (৩)
৯। সৈন্যৰ কাৰণে যোগোৱা খাদ্য-সামগ্ৰী, দৈনিক সিধা (৩)
১০। আনন্দিত, সন্তুষ্ট, সুখী (২)
১৩। ভাৰতবৰ্ষৰ এখন বিখ্যাত কাৰাগাৰ (৩)
১৪। একাধিক পদ বা শব্দ লগ লগাই এটা পদ কৰা নিয়ম, একপদীকৰণ (৩)
১৫। গৰ্ভৰ সন্তান আৱৰি ৰখা পাতল ছালৰ জোলোঙা, যিটো প্ৰসৱৰ পাছত বাহিৰ হয় (২)
১৮। নাগালেণ্ডৰ এক বিদ্ৰোহী সংগঠনৰ দ্বাৰা প্ৰস্তাৱিত এক কাল্পনিক নাগাভূমি (৪)
২০। পুৰিলে ঢোকা গোন্ধ ওলোৱা আকৰত পোৱা এবিধ মৌলিক পদাৰ্থ (৩)
২১। ভিতৰত আলু পিটিকা আৰু তেতেলীৰ পানী সুমাই প্ৰস্তুত কৰা মুখৰোচক খাদ্য (৩)

উত্তৰ অহা সংখ্যাত

১৮ নবেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ

পথালিয়ে ঃ ১। ডলাৰ ৩। চণ্ডাল ৫। গবা ৭। শিখণ্ডী ৮। কাপ ১০। বৰাক ১১। ডকা ১২। টাব ১৪। কন্ধ ১৫। গুৱা ১৬। চাটু ১৭। পোৱা ১৯। লৰী ২১। বাক্য ২২। জমনি ২৪। ডক ২৬। মেঠোন ২৭। তৌজি ২৯। বচুল ৩০। দছেৰা

থিয়কৈ ঃ ১ । ডংকা ২। ৰগ ৩। চণ্ডী ৪। লাটিকা ৬। বাব ৭। শিকৰ ৯। পটা ১১। ডগুৱা ১৩। বকটু ১৫। গুৱাল ১৬। চাণক্য ১৮। ভজন ২০। বীড ২১। বাবৰ ২৩। নিতৌ ২৫। কৰ্কৰা ২৬। মেল ২৮। জিদ

নাম সলনি

মই কৱিতা দাস, স্বামী গণেশ দাস, ঠিকনা উদয়ন নগৰ, খানাপাৰা, ডাক-খানাপাৰা, থানা বশিষ্ঠ, জিলা-কামৰূপ (ম) যোগেদি সম্পন্ন কৰা এক শপতনামাৰ দ্বাৰা মোৰ পুত্ৰৰ নাম চিন্ময় দাসৰ পৰা জ্যোতিষ্মান দাস কৰিলো। এতিয়াৰে পৰা তেওঁ সকলো ক্ষেত্ৰতে জ্যোতিষ্মান দাস হিচাপে জনা যাব।

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

AFFIDAVIT

I Sri Upen Basumatary S/O Mantala Basumatary, Vill-Ujanpara, P.O-Rainadabri, P.S & Dist-Kokrajhar, declare that in my Vote Card No DBG3737675 my name recorded as Sanjil Basumatary instead of Upen Basumatary. Sanjil Basumatary & Upen Basumatary are one & same person declared by an affidavit before Notary Pubilc Bilasipara on 17/11/2021.

No. ACE- 29/TECH/MSLPR/IFB/Pt-I/ 2019-20/83 *Dated Kokrajhar the 18/11/2021*

TENDER NO. 49 OF 2021-22

PRESS NOTICE

The Addl. Chief Engineer cum Director, PWD, BTC, Kokrajhar invites bids for 3 (three) nos. of work under **Mushalpur (R&B) Division** under SOPD fund in BTC, Kokrajhar for the financial year 2021-22, total bid amount of Rs.2,36,36,827.00 (Rupees two crore thirty six lakh thirty six thousand eight hundred and twenty seven) only from the registered contractors of Class-II & Class-I (A, B & C) category of Assam PWD (Roads)/BTC.

Details may be seen at website http://assamtenders.gov.inand also at the office of the undersigned during office hours.

Sd/-
Addl. Chief Engineer, Cum Director,
PWD, BTC, Kokrajhar

IPR(BTC)-400/2021

No.ACE-35/TECH/UDL(R&B)/IFB/2018-19/196 *Dated Kokrajhar the 17/11/2021*

Tender No. 45 of 2021-22

PRESS NOTICE

The Addl. Chief Engineer-cum-Director, PWD, BTC, Kokrajhar invites bids from approved and eligible contractors registered with Assam PWD (Roads)/BTC for the work "Impt. of road from Kunderbil Chowk to Tangla Line via Baorajan village under SOPD for the year 2021-22" amounting to Rs. 1,44,79,000.00 (Rupees one crore forty four lakh and seventy nine thousand) only in **Udalguri (R&B) Division** under SOPD fund in B.T.C, Kokrajhar.

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

Sd/-
Addl. Chief Engineer, Cum Director,
PWD, BTC, Kokrajhar

IPR(BTC)-399/2021

No.DIR/PHED/KOR/TC-43 (Pt-II)/2021 -22/ *Dtd.17/11/2021*

SHORT NOTICE INVITING TENDER

NO. 3 of 2021-22

Sealed tender in prescribe form eventually to be drawn in APWD F-2 Form affixing non-refundable court fee stamp worth Rs.8.25 (Rupees eight and paisa twenty five) only for the following group is hereby invited from the reputed contractors/ Firms/ Registered contractors under Public Health Engineering Department (Class-I/Class-II) /Other Engineering Department, Govt. of Assam. The Tender will be received by the undersigned in this office at Kokrajhar up to **2.00 P.M. of 29.11.2021** and will be opened on the same date and place at 2.30 P.M. In case the opening day becomes a holiday, the tender will be opened on the next working day. The Tenderers or their authorized agent may remain present at the time of opening Tender.Detail Notice Inviting Tender, specification etc. for the work may be had from the office of the undersigned during any working days up to **2.00 P.M. of 26.11.2021.** The rate must be quoted in both words and figure. Separate sealed Tender must be given for each group.The undersigned reserve the right to accept or reject any or all tenders and he does not bind himself to accept the lowestrate.

Name of work, programme & Division.	Gr. No.	Name of Work	Estd. Amount	Time of Completion
Repairing & Renovation of office building under SOPD for 2021-22 of Tangla (PHE) Division	1	Repairing & Renovation of O/O the Assistant Executive Engineer (PHE) Udalguri Sub-Division.	Rs.37,93,250.00	60 Days
Construction of Store and Other infrastructure at Kajalgaon PWSS under SOPD,2021-22 of Kokrajhar Division No-II	2	Construction of Store and Other infrastructure of PHE Kokrajhar Sub-Division No-II at Kajalgaon	Rs.49,93,500.00	60 days

Sd/-
Addl. Chief Engineer (PHE) cum
Director, PHED, BTC, Kokrajhar.

IPR(BTC)-396/2021

No.JDF/BTC/09/2021-22/ 896 *Dated, Kokrajhar, the 15th November/2021.*

NOTICE INVITING QUOTATION

Sealed quotation affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight & paisa twenty five) only with a validity period of 180 days are invited from reputed/Registered Firm/Dealer/quotationer having MSME for **Supply of item of materials/inputs/fish Seeds for the following schemes under SOPD-2021-22 for BTC area.** The quotations will be received by the undersigned up to 2-00 p.m. of 01-12-2021 and will be opened on the same day at 2-30 p.m. The quotationers will have to submit their quotations separately & the envelop should be superscripted as "Quotation for Supply of item of materials/inputs/fish seeds for ……… scheme under SOPD-2021-22 for BTC area".

Detailed quotation particulars may collect in all working days during office hours from 15/11/2021 to 30/11/2021 in the office of the undersigned. The quotationers should submit attested copy of latest Registration/License certificate, Trade License, latest clearance certificate of Income tax and sales tax, PAN Card, GST registration along with the quotation. In case the office remains closed on quotation receiving/opening date the same will be received/opened on the next working day. The quotationers should deposit 2% (1% for SC/ST/OBC/MOBC) offered value as earnest money in the form of DCR/Bank draft in favour of the Joint Director cum CHD, Fishery Department, BTC, Kokrajhar. The quotationers or their representatives may be present at the time of opening of tender paper.

The undersigned reserved the right to accept or reject any or all quotations without assigning any reason thereof.

Items to be supplied:-

Sl No		Name of Item with specification		Quantity	Remarks
1		3		4	5
1	Monoculture of Air Breathing Fish culture of Magur at Kokilabari Fish Seed Farm of Baksa district.	i)	Magur Fish Seed (8-12 gm each)	12,000 nos.	
		ii)	Lime	160.00 Kg.	
		iii)	Formulated Fish Feed (40% protein) powder.	20.00 Kg.	
		iv)	Pelleted Feed (30% protein).	160.00 Kg.	
		v)	Cowdung	2000.00 Kg.	
		vi)	Miscellaneous (Erection of Signboard)	Rs. 600.00	
2	Polyculture of Fresh Water Prawn with Carps at Kokilabari Fish Seed Farm of Baksa district.	i)	Juvenile Prawn Seed	12,000 nos.	
		ii)	Zeolite	81.00 Kg.	
		iii)	Pelleted Feed (22% protein).	4,100.00 Kg.	
		iv)	Probiotics (For Ammonia Reducers) powder.	20.00 Kg.	
		v)	Mollasses	54.00 Kg.	
		vi)	Fish Seeds (Advanced fingerling) Catla, Rohu & Grass Carp)	2,800 nos.	
		vii)	Prophylactic measures including netting & harvesting etc.	Rs.4,350.00	
3	Construction of Bio-floc Fish Farming (Small) in BTC area.	i)	Tarpaulin /Fibre tanks with set up.	20 nos.	
		ii)	Shed material and accessories including fixing etc.	3000.00 m^2	
		iii)	Water supply bore well (3 HP)	20 nos.	
		iv)	PVC pipe fittings for air, water flow	Rs.2,00,000	
		v)	Nets & accessories	20 nos.	
		vi)	Blower (1 HP), Air stones and other accessories.	20 nos.	
		vii)	Electrification	Rs.40,000.00	
		viii)	Power Generator (2 KVA)	20 nos.	
		ix)	Weighing balance	20 nos.	
		x)	Fish Seed Fingerling size (Vietnam Kawai/Magur/Singhi/Tilapia) including transportation.	1,00,000 nos.	
		xi)	Pelletted Feed (22-25% protein) including transportation.	14,000.00 Kg.	
		xii)	Probiotics, Mollasses and raw salt etc.	Rs.20,000.00	
		xiii)	Test kits (Water quality and bio-floc quantity)	Rs.40,000.00	
		xiv)	Power charges	Rs.60,000.00	
		xv)	Miscellaneous including erection of signboard.	Rs.1,00,000.00	

Quantity may increase or decrease depending on the requirement of the scheme for the year 2021-22.

Terms & Conditions:-

1) The items to be supplied at the Fishery site of the beneficiary in good quality & full quantity.
2) Fish Seed to be supplied in alive condition at the Fishery site of the beneficiary.
3) Department will not be responsible for any loss, damage, theft etc. during the transit.
4) Rate should be quoted inclusive all taxes prevails in the State of Assam.

Sd/-
(U.K. Basumatary)
Joint Director cum CHD,
Fishery Department,
BTC, Kokrajhar.

IPR(BTC)-398/2021

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৯ নৱেম্বৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

মৈৰাবাৰীৰ আৰক্ষীৰ জালত তিনি চাইবাৰ অপৰাধী

■১২ টা ম'বাইল■১৭৬ খন ছীম কাৰ্ড■২১ খন পাণ কাৰ্ড■১০ খন আধাৰ কাৰ্ড■ পাঁচখন এ টি এম কাৰ্ড জব্দ

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ১৮ নৱেম্বৰ ঃ দীৰ্ঘদিনৰ পৰা আনৰ নামত অনলাইন ঋণ লৈ সাধাৰণ লোকক পণবন্দী কৰি ছাইবাৰ অপৰাধ সংঘটিত কৰি অহা তিনি ছাইবাৰ অভিযুক্তক যোৰা নিশা মৰিগাঁও জিলাৰ *ছয় পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে


চিন্তা নকৰিবা, মহানগৰখন পৰিষ্কাৰ ৰাখিবলৈ কেৱল আমাক ভোটাৰবিলাকক হুকুম হৈছে !

■ সংগঠন-ভুক্তভোগী ৰাইজৰ প্ৰতিবাদেৰে উত্তাল নগৰ

বিধ্বস্ত ঘাইপথ মেৰামতিৰ দাবীত গহপুৰত আছুৰ গণবিক্ষোভ

অগ্ৰদূত বাৰ্তা

গহপুৰ, ১৮ নৱেম্বৰ ঃ গহপুৰৰ পৰা বিশ্বনাথ চাৰিআলিলৈকে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দীৰ্ঘদিনীয়া দুৰৱস্থা শীঘ্ৰে দূৰ কৰাৰ দাবীত গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা বিভিন্ন দল-সংগঠন, ভুক্তভোগী ৰাইজৰ সহযোগত আজি গহপুৰ *ছয় পৃষ্ঠাত চাওক*

মৌলিক চাহিদা পূৰণ কৰাত চৰকাৰে গুৰুত্ব দিছে ঃ সোণোৱাল

বিশেষ সংবাদদাতা

■ ডিব্ৰুগড়ত প্ৰধানমন্ত্ৰী আৱাস যোজনা মুকলি ■ হিতাধিকাৰীক চেক প্ৰদান

ডিব্ৰুগড়, ১৮ নৱেম্ফৰ ঃ প্ৰতিটো পৰিয়ালে মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰাৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা আচনি গ্ৰামীণ আৰু চহৰৰ বাবে মুকলি কৰি আজি দুই শতাধিক হিতাধিকাৰীলৈ এই আচনি প্ৰদান কৰা হয়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাত যুটীয়াভাৱে সফল কৰি তোলাৰ বাবে সকলোলৈকে আহ্বান জনায় কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড়ত আজি হিতাধিকাৰী সজাগতা সভা আৰু আচনি মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ, জল পৰিবহণ আৰু আয়ুষ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আনুষ্ঠানিকভাৱে উক্ত চেক বিতৰণ কাৰ্যসূচীৰ আৰম্ভ কৰি কয় যে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত আৰ্থিকভাৱে পিছপৰা *ছয় পৃষ্ঠাত চাওক*

তৰাণি বনাঞ্চলত সাংবাদিকক আক্ৰমণ দুৰ্বৃত্তৰ

অগ্ৰদূত বাৰ্তা

মাৰ্ঘেৰিটা/তিনিচুকীয়া, ১৮ নৱেম্বৰ ঃ তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অধীনৰ ফিল'বাৰী-পেঙেৰী সংযোগী পথৰ তৰাণি বনাঞ্চলত ডকাইতিৰ ঘটনাৰে বাতৰিৰ শিৰোনাম দখল কৰি অহাটো কোনো নতুন ঘটনা নহয়। ঘন জংঘলৰ সুবিধা লৈ বজাৰলৈ যোৱা ব্যৱসায়ীক প্ৰায়েই লুটপাটৰ দৰে ঘটনা সংঘটিত হৈ আহিছে এই ঘন *ছয় পৃষ্ঠাত চাওক*

জাগীৰোডত দুই তীৰ ব্যৱসায়ীসহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ১৮ নৱেম্বৰ ঃ মৰিগাঁও জিলাত চলি অহা তীৰ খেলৰ ৰমৰমীয়া বেহাৰ বিৰুদ্ধে শেহতীয়াভাৱে আৰক্ষীয়ে অভিযান চলাইছিল। কালি লাহৰীঘাটত এজন তীৰ মাফিয়াৰ পৰা ২৯ লক্ষাধিক ধন জব্দ কৰাৰ লগতে দুজন খেলুৱৈক গ্ৰেপ্তাৰৰ পাছত যোৱা নিশা জাগীৰোডত অভিযান চলাই দুই তীৰ ব্যৱসায়ীক নগদ ধনসহ আটক কৰে। জাগীৰোড চহৰৰ মাজমজিয়াত শিলভঙাত মৰিগাঁও আৰু জাগীৰোড আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই মফিজুদ্দিন আৰু ফজলুদ্দিন নামৰ ব্যৱসায়ী *ছয় পৃষ্ঠাত চাওক*

■ স্বয়ম্ভূ ঠিকাদাৰৰ দৌৰাত্ম্য ■ খাগৰিজান উন্নয়ন খণ্ডত ভুৱা জবকাৰ্ডৰ পয়োভৰ

এনৰেগাৰ নামত কোটি টকাৰ লুণ্ঠন

বিশেষ সংবাদদাতা

নগাঁও, ১৮ নৱেম্বৰ ঃ দুৰ্নীতি-অনিয়মৰ প্ৰকোপৰ বাবেই নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডত প্ৰায় প্ৰহসনত পৰিণত হৈছে এম জি এনৰেগা আঁচনিখন। উন্নয়ন খণ্ডটোত এম জি এনৰেগা আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ দৰিদ্ৰ ৰাইজ বিশেষ উপকৃত হ'ব পৰা নাই। লগতে উন্নয়ন খণ্ডটোৰ অন্তৰ্গত ১১ টাকৈ পঞ্চায়ত অঞ্চলকে বিধ্বস্ততা গুচা নাই। কিন্তু আঁচনিখনৰ ধনেৰে বেচ উপকৃত হৈছে খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তা, গাণনিক, পঞ্চায়তৰ সচিৱ, জি আৰ এছ আৰু পঞ্চায়তৰ প্ৰতিনিধিসকল। এই অভিযোগ উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়তৰ একাংশ ৰাইজৰ। তথ্য জনাৰ অধিকাৰ আইন–২০০৫ জৰিয়তে লাভ কৰা তথ্য অনুসৰি, খাগৰিজান উন্নয়ন খণ্ডই ২০১৯-২০,২০২০-২১ বিত্তীয় বৰ্ষ দুটাত এম জি এনৰেগা আঁচনিৰ অধীনত ১৩ কোটি ৩৫ লাখ ৪০ হেজাৰ টকা আবন্টন লাভ কৰিছিল। ইয়াৰে ২০১৯-২০২০ বৰ্ষত পাঁচ কোটি ৬৪ লাখ ১০ হেজাৰ টকা আৰু ২০২০-২০২১ বৰ্ষত সাত কোটি ৭১ লাখ ৪০ হেজাৰ টকা আবন্টন লাভ কৰিছিল।

আৰ টি আই তথ্য অনুসৰি, খাগৰিজান উন্নয়ন খণ্ডই ২০১৯-২০২০ বিত্তীয় বৰ্ষত আবন্টন লাভ কৰা ধনেৰে উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বেবেজীয়া ডিমৌ বাংঠাই পঞ্চায়তত এম জি এনৰেগাৰ দুখন আঁচনি ৰূপায়ণৰ নামত ২৬.৩৩ লাখ টকা, ভকতগাঁও পঞ্চায়তত ৯৯ খন আঁচনিৰ কামৰ বাবদ ৯০.২১ লাখ টকা, বৰভেটি পঞ্চায়তত ৰপ্তখন আঁচনিৰ বাবে ৬২.৫৮ লাখ টকা, ডিমৰুগুৰি পঞ্চায়তত তিনি খন আঁচনিৰ বাবদ ২৩.৩৮ লাখ টকা, ডিফলু পঞ্চায়তত ৩০ খন আঁচনিৰ বাবে ২০.৮ লাখ টকা, হেৰাপট্টি পঞ্চায়তত ১৩৭ খন আঁচনিৰ বাবে ১০৭.০৩ লাখ টকা, কাছমাৰী পঞ্চায়তত ৩২ খন আঁচনিৰ বাবদ ৪৬.৬ লাখ টকা, লাওগাঁও পঞ্চায়তত ৩২৪ খন আঁচনিৰ বাবদ ৮২.৫ লাখ টকা, ৰঙাগড়া হুজ পঞ্চায়তত দুখন আঁচনিৰ বাবদ ২৭.৩ লাখ টকা আৰু শেনচোৱা পঞ্চায়তত নখন আঁচনিৰ বাবদ ১৯.১৪ লাখ টকা আবন্টন দিয়া হৈছিল। ঠিক একেদৰে ২০২০-২০২১ বিত্তীয় বৰ্ষটো খাগৰিজান উন্নয়ন খণ্ডই এম জি এনৰেগাৰ অধীনত বেবেজীয়া ডিমৌ বাংঠাই পঞ্চায়তত ১২খন এনৰেগাৰ আঁচনিৰ কামৰ *ছয় পৃষ্ঠাত চাওক*

নিমাটিঘাটৰ পৰা মাজুলিলৈ ৰাস উপলক্ষে যাত্ৰীৰ ভিৰেৰে ফেৰীৰ যাত্ৰা, বৃহস্পতিবাৰে।

■ ৯৪বছৰীয়া ডেকাৰগাঁও ৰাসৰ আয়োজক-ভাৱৰীয়াৰ ক'ভিড পৰীক্ষা ■ পিঠাখোৱাত স্বয়ংক্ৰিয়ভাৱে মুকলি হ'ব কাৰাগাৰৰ দ্বাৰ ■ ৰাসৰ মঞ্চত প্ৰথমবাৰলৈ গুৰু শংকৰ

কৃষ্ণ বন্দনাৰে মুখৰিত তেজপুৰ

অগ্ৰদূত বাৰ্তা,

তেজপুৰ ১৮ নৱেম্বৰ ঃ আজিৰে পৰা তেজপুৰৰ বিভিন্ন প্ৰান্তত আৰম্ভ হৈছে মহাৰাসৰ। চৌপাশ মুখৰিত হৈছে কৃষ্ণ বন্দনাৰে। মাজগাঁও, ডেকাৰগাঁও, বালিপুখুৰী তিনিআলি, মিলনপুৰ, বিহগুৰি কলিতা চুবুৰি, পিঠাখোৱা আদিত বৰ্তমান ৰাসৰ পূৰ্ণ প্ৰস্তুতি চলিছে। ইতিমধ্যেই ৰাস উদ্‌যাপন সমিতিসমূহে কাৰ্য তথা মঞ্চ সজ্জাকে আদি কৰি যাৱতীয় বিভিন্ন কাম সম্পন্ন কৰাৰ সমান্তৰালকৈ অব্যাহত ৰাখিছে আখৰা । খোল তালৰ শব্দই ৰজনজনাইছে ৰাসৰ মণ্ডপ । ইয়াৰ অংশ হিচাপে তেজপুৰ ডেকাৰগাঁৱতো ৯৪ বছৰীয়া ৰাস উদ্‌যাপনৰ বাবে ইতিমধ্যেই প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীত এইখন ৰাসৰ শংখচূড়ৰ দৃশ্য সংযোজিত কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। ইংৰাজৰ দিনৰে বিগুলৰ শব্দত গাঁৱৰ তৰুণ তথা অশীতিপৰ বৃদ্ধলৈকে ওলাই অহা এইখন ৰাস তেজপুৰত ধাৰাবাহিকভাৱে উদযাপন হৈ থকা আটাইতকৈ পুৰণা ৰাস। আটক ধুনীয়া মঞ্চসজ্জাৰে দশাৱতাৰসহ প্ৰদৰ্শিত এইখন ৰাস চীনাযুদ্ধৰ সময়ত এবাৰলৈ স্থগিত হোৱাৰ বাহিৰে আৰু কেতিয়াও যতি পৰা নাই। উল্লেখ্য যে ঐতিহ্যমণ্ডিত ডেকাৰগাঁও উষা নাট্য মন্দিৰত *ছয় পৃষ্ঠাত চাওক*

জামুগুৰিহাটত পুনৰ সক্ৰিয় গৰু চুৰি চক্ৰ

নাৱৰে জীয়াভৰলী নৈ পাৰ কৰে চোৰাং গৰু

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৮ নৱেম্বৰ ঃ জামুগুৰিহাটত পুনৰ সক্ৰিয় হৈ পৰিছে গৰু চুৰি চক্ৰ। যোৱা নিশাৰ পৰা জামুগুৰিহাটৰ পৰা অঞ্চলটোৰ কোৱামৰা গাঁৱৰ নিৰঞ্জন দাস নামৰ ব্যক্তিজনৰ গোহালি ঘৰৰ পৰা এজনী গাইগৰুসহ দুটা বলদ গৰু চুৰি কৰি নিয়ে চোৰে। গৰুৰ গৰাকী দাসে জানিবলৈ দিয়া মতে, নিশা গাড়ীত উঠাই গৰুসমূহ চুৰি কৰি নি নিশা নাৱৰে জীয়াভৰলী নদী পাৰ কৰি *ছয় পৃষ্ঠাত চাওক*

সৰুপেটাৰ বিশিষ্ট বাঁওপন্থী নেতা শংকৰ পাঠকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ১৮ নৱেম্বৰ ঃ সৰুপেটাৰ নতুন টাঙলাপাৰা গাঁৱৰ বাসিন্দা, বিশিষ্ট বাঁওপন্থী নেতা শংকৰ পাঠকৰ আজি দিনৰ প্ৰায় এক বজাত ৬৪ বছৰ বয়সত বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, প্ৰয়াত পাঠক দীৰ্ঘদিন মেনিলা ৰোগত আক্ৰান্ত হৈ আছিল। আজি পুৱা প্ৰয়াত পাঠকে অসুস্থতা অনুভৱ কৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক বৰপেটাৰ হাস্পতাললৈ নিয়ে আৰু তাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে সৰুপেটা হাইস্কুলত পঢ়া কালতে সদৌ অসম ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য প্ৰয়াত পাঠক ১৯৭৪ত বজালী মহাবিদ্যালয়ৰ নামভৰ্তি কৰোৱাৰ পাছতেই বাঁওপন্থী নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হয় আৰু বাঁওপন্থী ছাত্ৰ সংগঠন ভাৰতৰ ছাত্ৰ ফেডাৰেছন এছ এফ আইৰ সদস্য পদ গ্ৰহণ কৰে আৰু মহাবিদ্যালয়খনত বাঁওপন্থী ছাত্ৰ আন্দোলন গঢ়ি *ছয় পৃষ্ঠাত চাওক*

সাংসদ তপন গগৈৰ মাতৃৰ বিয়োগ

বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

অগ্ৰদূত বাৰ্তা

সোণাৰি, ১৮ নৱেম্বৰ ঃ যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈৰ মাতৃ সৰুমাই গগৈ (৫৬)ৰ আজি দিনৰ প্ৰায় ১১.৪৫ বজাত মৃত্যু হয়। উল্লেখ্য যে সাংসদ গগৈৰ মাতৃ সৰুমাই গগৈয়ে *ছয় পৃষ্ঠাত চাওক*

গুৰু নানক জয়ন্তী
১৯ নৱেম্বৰ, ২০২১
গুৰু নানক জয়ন্তীত মৈত্ৰী আৰু মানৱতাৰ মহান দূত গৰাকীলৈ অসমবাসীৰ হৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ ।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
জনসংযোগ/ডি/৯৮২৩/২১
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

দৈনিক অগ্রদূত

গুৱাহাটী শুকুৰবাৰ ২ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৯ নৱেম্বৰ ২০২১

সহানুভূতিৰ প্ৰয়োজন

অসমত ইমান বেছি ড্ৰাগছ অথবা বিভিন্ন নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় চলাৰ কাৰণ কি? এই ক্ষেত্ৰত বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত তথ্যই দেখুৱায়, ৰাজ্যখনৰ যুৱ প্ৰজন্মৰ মাজত বিভিন্ন ধৰণৰ ড্ৰাগছ আসক্তৰ সংখ্যা ব্যাপক হাৰত বৃদ্ধি পাইছে। একাংশ যুৱক-যুৱতীয়ে ঘৰুৱা বা পাৰিবাৰিক অশান্তি, হতাশগ্ৰস্ততাৰ দৰে পৰিৱেশৰ বাবে ড্ৰাগছ সেৱন কৰিবলৈ লৈছে যদিও বেছিভাগ ড্ৰাগছ সেৱনকাৰীয়ে অষ্টমৰ পৰা দশম শ্ৰেণীত অধ্যয়ন কৰি থকা সময়ৰে পৰাই কৌতুহলবশতঃ ড্ৰাগছ সেৱন আৰম্ভ কৰাৰ কথা পোহৰলৈ আহিছে। বন্ধু-বান্ধৱ নাইবা কিছুমান লগৰীয়াৰ পৰাই ড্ৰাগছ সেৱন কৰিবলৈ আৰম্ভ কৰে সুখ আৰু আনন্দৰ অভিজ্ঞতা লাভৰ আশাত। এবাৰ বা দুবাৰ এনে নিচাযুক্ত দ্ৰব্য সেৱন কৰাৰ পাছত কিশোৰ-কিশোৰীসকলে সেই নিচাৰ পৰা আঁতৰি অহাটো অতি কঠিন হৈ পৰে আৰু পিতৃ-মাতৃৰ অজ্ঞাতে তেওঁলোক আসক্ত হৈ পৰে। ড্ৰাগছ আসক্তিৰ কথা পিতৃ-মাতৃ বা অভিভাৱকসকলে যেতিয়া গম পায় তেতিয়ালৈ সেই ল'ৰা-ছোৱালীসকল সম্পূৰ্ণ নিচাসক্ত হৈ পৰে আৰু তেওঁলোকক গালি পাৰি বা শাস্তি বিহিলেও কোনো সুফল পোৱা নাযায়। অসমত আজিলৈকে কোনো স্বতন্ত্ৰ সংস্থা বা সংগঠনে ড্ৰাগছ আসক্ত যুৱক-যুৱতীৰ সংখ্যাৰ বাবে কোনো বিজ্ঞানসন্মত জৰীপ বা অধ্যয়ন চলোৱা আৰু এই সন্দৰ্ভত সঠিক নিৰ্ভৰযোগ্য তথ্য প্ৰকাশ কৰা নাই। কিন্তু হেজাৰ হেজাৰ ড্ৰাগছ আসক্ত কিশোৰ-কিশোৰী যুৱক-যুৱতী থকা বুলি সন্দেহ কৰা হৈছে। বেছি ভাগেই মনোৰোগ চিকিৎসকৰ ওচৰলৈ তথা এইদৰে আসক্তসকলৰ চিকিৎসা প্ৰতিষ্ঠানলৈ নাযায়। চিকিৎসকৰ ওচৰ চপাসকলৰ বেছিভাগেই স্থায়ীভাৱে সুস্থ হোৱাও দেখা নাযায়। অৱশ্যে এনে ধৰণৰ আসক্তিত ভোগাসকলৰ বেছিভাগেই দেশৰ উন্নত চিকিৎসা প্ৰতিষ্ঠানত দীৰ্ঘকাল থকাৰ পাছত সুস্থ হৈছে। অসমত মানসিক ৰোগীৰ চিকিৎসাৰ বাবে চিকিৎসালয় আছে, কিন্তু ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্য সেৱনত আসক্ত হৈ পৰাসকলৰ চিকিৎসাৰ বাবে উন্নত চিকিৎসা প্ৰতিষ্ঠানৰ অভাৱ। বেছি ভাগ পিতৃ-মাতৃয়েই বহিঃৰাজ্যৰ প্ৰতিষ্ঠানত নিজৰ সন্তানক চিকিৎসাৰ বাবে পঠিয়াব নিবিচাৰে। কিছুমানৰ হয়তো ধনৰো অভাৱ। চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে ব্যাপক অভিযান চলোৱাটো নিশ্চয় এক প্ৰশংসনীয় পদক্ষেপ; কিন্তু এই অভিযান আৰক্ষীয়ে কিমান দিনলৈ চলাই থাকিব? অৱশ্যে এনে অভিযানৰ মাজতে ড্ৰাগছৰ সৰবৰাহ, ব্যৱসায় অব্যাহত আছে। সমান্তৰালভাৱে অব্যাহত আছে ড্ৰাগছ সেৱনো। ড্ৰাগছ মাফিয়া চক্ৰও সক্ৰিয় হৈয়ে আছে। সেয়ে চৰকাৰে অসমত উন্নত মানৰ এনে চিকিৎসা প্ৰতিষ্ঠান গঢ়ি তোলাৰ প্ৰয়োজন য'ত সকলো ধৰণৰ ড্ৰাগছত আসক্তক দীৰ্ঘ দিনৰ বাবে ৰখা আৰু সুচিকিৎসাৰ সকলো ব্যৱস্থা উপলব্ধ হয়।

ড্ৰাগছ নাইবা নিচা জাতীয় দ্ৰব্যত আসক্ত ল'ৰা-ছোৱালী অথবা যুৱক-যুৱতী নাইবা প্ৰাপ্তবয়স্ক ব্যক্তিসকলৰ প্ৰতি কৰুণা আৰু সহানুভূতিৰ দৃষ্টিৰ অত্যন্ত প্ৰয়োজনীয়। এইসকল লোকক সমাজে ঘৃণা নাইবা নিষ্ঠুৰ আচৰণ কৰা উচিত নহয়। নিচাসক্তসকলক দোষী বা অপৰাধী হিচাপে চোৱা বা গণ্য কৰা হ'ব অবিবেচকৰ কাম। প্ৰকৃততে এই সমস্যাৰ বাবে সমাজখনেই দায়ী। কোমলমতীয়া কিশোৰ-কিশোৰী নাইবা অপৰিপক্ক অনভিজ্ঞ যুৱক-যুৱতীসকলক প্ৰয়োজনৰ সময়ত সহৃদয়তাৰে, সহানুভূতিৰে সহায় কৰিব নোৱৰা আৰু শুদ্ধ পথ দেখুৱাব নোৱৰাৰ ফলতে আমাৰ ল'ৰা-ছোৱালীহঁত বিপথগামী হৈছে। বিদ্যালয়বিলাকত এগৰাকীকৈ মনোৰোগ বিশেষজ্ঞ বা চিকিৎসক সকলো সময়তে থাকিব লাগে; কিন্তু অভিজ্ঞ মনোচিকিৎসক বিদ্যালয় বিলাকত নথকাৰ ফল ভুগিবলগীয়া হৈছে একাংশ ছাত্ৰ-ছাত্ৰী। ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান সফল হ'বলৈ হ'লে এই দিশবিলাক গুৰুত্ব সহকাৰে বিবেচনাৰ প্ৰয়োজন।

খোলা মঞ্চ

অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?

খনীন্দ্ৰ নাথ দাস, লেখক

১৯৮৩ত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ আহ্বানত অসমৰ পৰা বিদেশী বহিষ্কাৰ, দ্বি-নাগৰিকত্বৰ দাবীত ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকৰ মাজত বিয়পাই দিয়াৰ উদ্দেশ্যে দিল্লীৰ যন্তৰ-মন্তৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণত ময়ো অংশ লৈছিলো। ধৰ্ণা চলি থকাৰ মাজতে এগৰাকী সুঠাম দেহৰ নাৰী আহি আমাৰ মাজত উপস্থিত হৈ ধৰ্ণাত অংশ লৈছিল। সুন্দৰী মহিলাগৰাকীৰ পিন্ধনত ফুলবছা সুন্দৰ ৰিহা-মেখেলা, দেখনিয়াৰ খোপা, পৰিপাটি সা-সজ্জাৰে আমাৰ আটাইৰে স'তে চা-চিনাকি হোৱাৰ কথা পাহৰিব নোৱাৰো। গম পালো তেওঁ সাংসদ। ভাষণতো তেওঁ সাজ-সজ্জা পৰিধানৰ কথা ক'ব নাপাহৰিলে। অসমীয়া ৰিহা-মেখেলা, পাট-মুগাৰ আদৰ কোনোদিনে নেহেৰায়, বৰঞ্চ বাঢ়িবহে বুলি তেওঁ উল্লেখ কৰিছিল। তেওঁৰ সাজ-সজ্জাৰ পৰিধানৰ ওপৰত বিভিন্নজনে দৃষ্টি নিক্ষেপ কৰিছিল। তেওঁ আন কোনো নহয়, সাংসদ বিজয়া চক্ৰৱৰ্তী বাইদেউ। জানিব পাৰিলো তেওঁ অসমীয়া মহিলাৰ সাজ-সজ্জা, ৰিহা-মেখেলা, পাট-মুগাৰ মেখেলা-চাদৰ পৰিধান কৰি সংসদত উপস্থিত হৈ ভাষণ দান কৰে। মন্ত্ৰী হৈ থকা সময়তো তেওঁ সদায় অসমীয়া সাজ-পাৰ পিন্ধিয়েই কাৰ্য পৰিচালনা কৰাৰ কথা জানিব পাৰিছো। আজিও তেওঁ সেই পৰম্পৰা অক্ষুণ্ণ ৰাখিছে। বৰ্তমান সময়ত আমাৰ গাভৰু-বোৱাৰী-জীয়ৰীসকলে পাশ্চাত্যৰ সাজ-পাৰৰ প্ৰতি আকৰ্ষিত হৈ জিনছ চাৰ্ট-পেন্ট পিন্ধি নিজকে আপ-টু ডেট বোলোৱা দেখা গৈছে। কিছুৱে ১০ হেজাৰটকীয়া শাৰী পিন্ধিব পাৰিছে; কিন্তু ১,৫০০, ২,০০০/- টকীয়া মেখেলা-চাদৰ পিন্ধিব বাদ দিছে। ই জাতিৰ বাবে ক্ষতিকৰ। অসমীয়া জাতি হিচাপে বিশ্বৰ দৰবাৰত পৰিচয় দিব লাগিলে অসমীয়া সাজ-পাৰ পৰিধান কৰিব লাগিব। বিহু-উছৱ, বিবাহ-সবাহ আদিতহে অনিচ্ছা সত্বেও বেছিভাগেই ৰিহা-মেখেলা, পাট-মুগাৰ কাপোৰ আদি পিন্ধা দেখা যায়। সাধাৰণভাৱে শাৰীৰ প্ৰতি বেছি মনোযোগ আমাৰ জীয়ৰী-বোৱাৰীৰ। পুৰুষসকলেও ধুতি-পাঞ্জাবী পৰিধান কৰাৰ সলনি লংপেন্ট-জিনচ পেন্ট আদিৰেহে নিজৰ শৰীৰ ঢাকি ভাল পায়। ৰিহা-পাট-মুগা নাইবা সূতাৰে তৈয়াৰী মেখেল-চাদৰহে অসমীয়া জীয়ৰী-বোৱাৰীৰ আচল সাজ-পাৰ। ৰজা-মহাৰজাৰ দিনৰ পৰা এই সাজপাৰ অসমীয়া সমাজত চলি আহিছে। ছাঁতে শুকোৱা, মুঠিতে লুকুৱা পাট-মুগাৰ কাপোৰৰ মহিমাই সুকীয়া। মহাত্মা গান্ধীয়েও অসমীয়া মহিলাৰ সাজ-পাৰৰ বিষয়ে ভূয়সী প্ৰশংসা কৰি গৈছে। গান্ধীৰ মতে তাঁতৰ পাটত অসমীয়া মহিলাই সপোন ৰঁচে। পাট-মুগাৰ প্ৰচলন লাহে লাহে কমি অহাৰ কাৰণ অত্যধিক দাম। মিউজিয়ামত (যাদুঘৰত) পুৰণিকলীয়া ৰজা-মহাৰজাৰ সাজ-পোছাক (ধুতি-হাতদীঘল চোলা) মহিলাসকলৰ সাজ-পোছাক, আ-অলংকাৰ নিভাঁজ অসমীয়া। সেইবোৰ আজিও দৰ্শনাৰ্থীৰ চকুৰ আগত জিলিকি আছে। দক্ষিণ ভাৰতীয় লোকে ধুতি পিন্ধে দুই জাঁপ কৰি আৰু মহিলাসকলে শাৰী পৰিধান কৰি নিজকে তামিল, তেলেগু, মালায়ালাম বুলি পৰিচয় দিব পাৰিছে। আমাৰ উপ-ৰাষ্ট্ৰপতি ভেংকটা নাইডুৱেও দুই জাঁপ কৰি ধুতি পিন্ধি (নিজ ৰাজ্যৰ পোছাক) বিভিন্ন দেশত ভ্ৰমণ কৰে। দেশ কঁপোৱা বিদেশী বহিষ্কাৰ আন্দোলনত অৱশ্যে ৭০ শতাংশ ছাত্ৰীকে আদি কৰি আন আন মহিলা অংশগ্ৰহণকাৰীসকলে মেখেলা-চাদৰ পৰিধান কৰি অসমীয়া জাতীয় সত্ত্বা জাগৰিত কৰিব পাৰিছিল। ১৯৬০ত ভাষা আন্দোলনৰ সময়তো তেনেকুৱা এটা জাতীয় ভাবাবেগৰ সৃষ্টি হৈছিল, ফলত বংগীয় ভাষাত 'মেখেলা পৰা মেয়ে'ৰ দৰে সাহিত্য ৰচনা হৈছিল। অৱশ্যে গ্ৰাম্য অঞ্চলত জীয়ৰী-বোৱাৰী-ছাত্ৰী আদি সকলোৱেই মেখেলা-চাদৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি অসমীয়াৰ মান-মৰ্যাদা ৰক্ষা কৰিছে। কেৱল উছব-পাৰ্বণত জাতীয় সাজ-পাৰ পিন্ধি অসমীয়া বুলি পৰিচয় দিব নোৱাৰি। এই ক্ষেত্ৰত পৰ্বতীয়া ভাই-ভগ্নী সম্পূৰ্ণ সচেতন।

নিখিল বড়ো ছাত্ৰ সন্থাই পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত বহু সময়ত নজিৰ সৃষ্টি কৰা দেখা যায়। বড়ো চিখলাৰ (ছাত্ৰীৰ) যি ৰঙৰেই নহওক কিয় 'দখনা' পৰিধান বাধ্যতামূলক। পুৰুষৰ ক্ষেত্ৰত যদিও ধুতি তথাপি আজি-কালি লংপেন্টৰ প্ৰচলনহে অত্যধিক। সেয়েহে ক'ব পাৰি জাতীয় চানেকি দাঙি ধৰে 'সাজ-পোছাকেহে'। আধুনিকতাৰ ধামখুমীয়াত পৰি নিজকে স্মাৰ্ট-ৰূপহী সজাবলৈ গৈ যাতে নিজস্ব গৌৰৱ হানি নহয়, তাৰ বাবে তৰুণ প্ৰজন্মৰ যুৱক-যুৱতীসকলে দৃঢ় পদক্ষেপ ল'ব লাগিব।

ভগৱানৰূপে পূজিত শ্ৰীকৃষ্ণৰ আদৰ্শ ল'লেও সহস্ৰ গোপীৰ লগত ক্ৰীড়া কৰাৰ দৰে সাধাৰণ মানুহেও কৰিব খুজিলে বিপদ আছে

আদৰ্শৰ গ্ৰহণযোগ্যতা আৰু গণেশৰ বিসদৃশ ৰূপ



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

বিজ্ঞানৰ ভাষাত পৃথিৱীৰ কোনো এজন মানুহেই অন্য এজনৰ লগত সম্পূৰ্ণ একে নহয়; কথাষাৰ বহলাই নি ক'ব পাৰি যে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৰেই আন এটাৰ পৰা পৃথক। এই কথাটো পূৰ্বতেও লিখা হৈছিল। আধুনিক কালত প্ৰযুক্তি বিদ্যাৰ কৃপাত যন্ত্ৰৰে একে ধৰণৰ অসংখ্য সামগ্ৰী নিৰ্মাণ কৰি পেলাব পাৰি— যন্ত্ৰৰ বিভিন্ন অংশ, পাত্ৰ, বিভিন্ন সঁজুলি, ম'বাইল, গাড়ী আদিৰে উদাহৰণ দিব পৰা সামগ্ৰীৰ সীমা-সংখ্যা নাই। এইবোৰ একে ধৰণৰ বস্তুৰ মাজত সাধাৰণ দৃষ্টিৰে পাৰ্থক্য ধৰিব নোৱাৰি যদিও সূক্ষ্মৰ পৰা সূক্ষ্মতৰ বা অণু-পৰমাণুৰ সাজন প্ৰণালীৰ পৰ্যায়লৈ আগবাঢ়িলে দুটা এনে বস্তুৰ মাজতো বিস্তৰ পাৰ্থক্য ওলাব। একে বস্তুৰ পৰা পাৰ্থক্য থকা এটা (বা একাধিক)ক বিচাৰি উলিওৱাৰ এটা পুৰণি অংকৰ সাঁথৰ আছে। সম্পূৰ্ণ সাদৃশ্য থকা নটা মাৰ্বলৰে এটাৰ ওজন কিছু বেছি। এখন তৰ্জু দিয়া হৈছে— যিখনেৰে মাত্ৰ দুবাৰ জুখি গধুৰ মাৰ্বলটো নিশ্চিতভাৱে বিচাৰি উলিয়াব লাগে, যিকোনো ধৰণৰ দগা ব্যৱহাৰ কৰিব পাৰিব। অংকটো বঢ়াই নিবও পাৰি; যেনে— ২৭টা একে ধৰণৰ মাৰ্বলৰ পৰা মাত্ৰ তিনিবাৰ জুখি, গধুৰটো উলিয়াব লাগে, ৮১টা মাৰ্বলৰ পৰা মাত্ৰ চাৰিবাৰ জুখি ২৪৩টা মাৰ্বলৰ পৰা পাঁচবাৰ জুখি একমাত্ৰ গধুৰটো উলিয়াব লাগে ইত্যাদি। অৱশ্যে অংকৰ এই তাত্ত্বিক পদ্ধতি পাৰ্থক্য উলিওৱাৰ সকলোতে নচলে।

বস্তু বা মানুহ একে নোহোৱাৰ দৰে সাধাৰণতে ঘটনাবোৰো একে ধৰণে নঘটে, 'বুৰঞ্জীৰ পুনৰাবৃত্তি ঘটে' বোলাটোও স্থূলভাৱে দিয়া মন্তব্যহে। মনুষ্যসৃষ্ট ঘটনাবোৰো সাধাৰণতে একে ধৰণে নঘটে বা পুনৰাবৃত্তি কৰিব নোৱাৰি, স্থূলভাৱে অৱশ্যেই পাৰি, যেনে— একে ধৰণে দুবাৰ জাঁপ মাৰিব পাৰি, লাঠিৰে একে ঠাইতে দুবাৰ আঘাত কৰিব পাৰি, ইত্যাদি— এইবোৰত পাৰ্থক্যও উলিয়াব পাৰি। ব্যৱহাৰিক জীৱনত সাদৃশ্য বা পাৰ্থক্যবোৰৰ ক্ষেত্ৰত বেছি সূক্ষ্মভাৱে বিচাৰ কৰাৰ দৰকাৰো নপৰে। সেয়েহে উদাহৰণৰ সৃষ্টি হয়, পৰৰ কামৰ আদৰ্শ ল'বলৈ সেইবোৰে উদাহৰণ দিয়া হয়। পিছে সকলোবোৰ উদাহৰণতে কিছুমান বিশেষ গুণহে লোৱাৰ কথা থাকে। ভগৱানৰূপে পূজিত শ্ৰীকৃষ্ণৰ আদৰ্শ ল'লেও সহস্ৰ গোপীৰ লগত ক্ৰীড়া কৰাৰ দৰে সাধাৰণ মানুহেও কৰিব খুজিলে বিপদ আছে। সেই বিষয়ে শাস্ত্ৰতেই সাৱধান কৰি দিয়া আছে— 'তেজস্বীসকলে যি ইচ্ছা কৰিলেও দোষ নাই', সাধাৰণ লোকৰ ক্ষেত্ৰত সেয়া নচলিব। নেহৰুৰ আদৰ্শ গ্ৰহণীয় হ'লেও সকলোৱে বিলাতী মদ খোৱাৰ 'আদৰ্শ' ল'লে নহ'ব।

'বিদেশীৰ সকলো ভাল, ভাৰতীয়বোৰ বেয়া'— এই ধাৰণাও শুদ্ধ নহয়। দ্বিতীয় মহাযুদ্ধত জাপানত পাৰমাণৱিক বোমা পৰাৰ পাছৰ অৱস্থাত চৰকাৰে পংগুসকলকো খাদ্য উৎপাদন কৰিবলৈ বাধ্য কৰাইছিল— এই উদাহৰণ আগতে দিয়া হৈছিল। কৰ্মসংস্কৃতিৰ এই আদৰ্শ অসমীয়াই ল'ব পাৰিলে ভাল যদিও দিনে ১৮ ঘন্টাকৈ কাম কৰা, অত্যধিক আত্মসন্মানবোধৰ বাবে সামান্যভাৱে আঘাত লাগিলেও আত্মহত্যা কৰা জাপানীৰ আদৰ্শ ল'লে নহ'ব। পৰৰ আদৰ্শ গ্ৰহণৰ ক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱৰ এষাৰি ঘোষা আছে— 'অধমে কেৱল দোষ/লৱয় মধ্যমে গুণ/ দোষ লৱে কৰিয়া বিচাৰ। উত্তমে কেৱল গুণ/ লৱয়ে উত্তমোত্তমে / অল্পগুণ কৰয় বিস্তাৰ।' (ঘোষা-১২০)। উত্তম, মধ্যম আৰু অধম শীৰ্ষক তিনিবিধ গুণৰে মানুহক শাস্ত্ৰই বিভাগ কৰিছে, এইবোৰ ভাগৰ আধাৰ অৱশ্যেই বেলেগ বেলেগ। মহাপুৰুষে 'উত্তমোত্তম' শীৰ্ষক চতুৰ্থ ভাগ এটাও কৰিছে। এই ভাগটোৰ বাবেই মানুহ সভ্যতাৰ জখলাত আগবাঢ়ি গৈছে। বিজ্ঞানৰ কথাই ধৰা যাওঁক— পানী উতলালে ভাপ হয় আৰু ভাপৰ গুণ এটা হ'ল ইয়াৰ শক্তি। এই শক্তি মানুহে কামত লগাই অৰ্থাৎ 'অল্পগুণ বিস্তৰ কৰি' মানৰ জাতিক আগুৱাই লৈ গ'ল। চুম্বকৰ কাষত ধাতুৰ তাঁৰ লৰালে বিদ্যুৎ উৎপন্ন হয়— চুম্বক-ধাতু-গতি— এই তিনিটাৰ সমন্বয়ত এটা বিশেষ গুণৰ সৃষ্টি হয়, সেই গুণৰ বিস্তৃতি ঘটাই আজি মানুহে কি কৰিছে, কাকো বুজাই ক'বৰ দৰকাৰ নাই। ভাপেই হওক বা বিদ্যুতেই হওক বা পাৰমাণৱিক শক্তিৰেই হওক, ভাল গুণৰ লগতে দোষো আছে। ভালখিনি বিচাৰি ল'লে উত্তম, বেয়াখিনি ল'লে অধম আৰু গুণখিনিৰ বিস্তৃতি ঘটাব পৰাজন উত্তমোত্তম। মহাপুৰুষে অৱশ্যে বস্তুৰ গুণৰ কথা কোৱা নাছিল, মানুহৰ কথাহে কৈছিল।

যিকোনো ধৰ্মৰ প্ৰাচীন শাস্ত্ৰই হওক বা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰেই হওক, মানুহৰ বাবে বহুতো নীতি-শিক্ষা আগবঢ়ায়। সেইবোৰৰ স্থান-কাল-পাত্ৰভেদে মূল্যায়নো বেলেগ হয়। তেনে মূল্যায়ন নকৰি পুৰণি কথা যথাযথভাৱে মানি চলিলে লাভ নহ'বও পাৰে।



আমোদজনক কথাটো হ'ল আজি-কালি দেশ-বিদেশৰ বিদ্বানসকলে বিভিন্ন ক্ষেত্ৰত শাস্ত্ৰৰ কাহিনীৰ নতুন ব্যাখ্যা কৰি পৰিশোধিত ৰূপত ব্যৱহাৰ কৰে। তাৰে এটা উদাহৰণ আছে গণেশৰ হাতীৰ শুঁৰক লৈ। সাধাৰণতে ভাৰতীয় দেৱ-দেৱীসকল মানুহৰ আকাৰৰ আৰু দেখিবলৈ ধুনীয়া। কালী, যম আদি কেটোৰ ক'লা হ'লেও মুখৰ আকৃতি ধুনীয়া। দেৱতাৰ ভিতৰত গণেশৰ চেহেৰা তেনেই ব্যতিক্ৰম। এওঁৰ নামত গানপত্য নামেৰে হিন্দুধৰ্মৰ পাঁচোটা শাখাৰে অন্যতম এটা ধৰ্মও আছে; পিছে মূৰটো হাতীৰ, তলৰ ডোখৰ মানুহৰ দৰে যদিও এওঁৰ চেহেৰা বাৰুকৈয়ে বিসদৃশ। পেটটো বৃহৎ আৰু ওলমি পৰা, ভৰি দুখন মঙহাল হ'লেও চুটি। এওঁ উঠি ফুৰে এটা এন্দুৰত, প্ৰিয় খাদ্য মোদক আৰু মিঠাই। হাতীমূৰত দুটাৰ ঠাইত এটাহে দাঁত আছে ইত্যাদি। গণেশৰ মূৰটো হাতীৰ কেনেকৈ হ'ল তাৰ বহুত কাহিনী আছে, যিবোৰৰ কিছুমান পূৰ্বতে বিবৃত কৰা হৈছিল। শিৱই পাৰ্বতীৰ আঁচলেৰে কুণ্ডলী পকাই শিশুৰ ৰূপ দিলে। বস্ত্ৰৰ মূৰ্তিয়েই প্ৰাণ পালে, পিছে ৰিষ্টদোষত মূৰটো ছিগি গ'ল। শিৱৰ আদেশত অনুচৰ নন্দীয়ে ইন্দ্ৰৰ ঐৰাৱত হাতীৰ মূৰটোকে কাটি আনি মুণ্ডহীন শিশুৰ দেহত লগাই দিওঁতে গণেশ হ'ল। নন্দীৰ অস্ত্ৰৰ আঘাতত হাতীৰ এটা দাঁত ভাগিল— সেয়েহে গণেশৰ নাম একদন্তী। এয়া মাৰ্কণ্ডেয় পুৰাণৰ কাহিনী। স্কন্ধ পুৰাণৰ কাহিনীত পাৰ্বতীয়ে নিজৰ গাৰ মলিৰে এটা শিশু গঢ়িলে, পিছে মলি কম হোৱাত মূৰটো সাজিবলৈ নাটিল। কাৰ্তিকক কোৱাত হাতীৰ মূৰ এটা কাটি লগাই দিলে। ব্ৰহ্মবৈৱৰ্ত পুৰাণমতে কৃষ্ণ আহি পাৰ্বতীৰ পুত্ৰৰূপে জন্ম ল'লে। গ্ৰহৰাজ শনিয়ে আহি কেৰাহীকৈ চাওঁতেই মূৰটো সৰি পৰিল। কৃষ্ণই হাতীৰ মূৰ কাটি লগালে। আন এটা কাহিনী মতে শিৱ-পাৰ্বতীয়ে হস্তী-হস্তীনীৰ ৰূপ ধৰি মিলনত ৰত হোৱাৰ ফলত হাতীমূৰীয়া সন্তানৰ জন্ম হ'ল। সেইদৰে আন এখন পুৰাণৰ মতে দেৱতাই শিৱক অনুৰোধ কৰিলে যাগ-যজ্ঞ, পূজা-পাতলত বিঘিনি নঘটাৰ ব্যৱস্থা কৰিবলৈ। তেতিয়া শিৱই হাঁহি মাৰোতে এটি অপূৰ্ব সুন্দৰ বালকৰ আৱিৰ্ভাৱ হ'ল। সকলোৱে লগতে পাৰ্বতীও থৰ লাগিল বালকৰ ৰূপ দেখি। পাৰ্বতীয়ে শিৱক বাদ দি অন্য পুৰুষলৈ চোৱাত, সেয়া লাগে বালকেই হওক, শিৱৰ ঈৰ্ষা হ'ল আৰু মুখৰ পৰা অভিশাপ ওলাল— 'বালকৰ মূৰ হাতীৰ হওক, পেট ওলমি পৰক' ইত্যাদি। কাহিনীৰ ইমানবোৰ বিচিত্ৰতাৰ মাজত এটা তথ্যই একে— সেয়া হ'ল গণেশৰ মূৰ হাতীৰ আৰু দেহো বিসদৃশ।

গণেশৰ হস্তীমুণ্ডক হেনো বিজ্ঞ লোকে 'মেনেজমেন্ট'ৰ শ্ৰেণীৰ বক্তৃতাত ব্যৱহাৰ কৰে। এইজনৰ হাতীৰ মূৰটো বৃহৎ, গতিকে ইয়াত সোমাই থাকে অসংখ্য তথ্য, সেই মতে এই মূৰে ভাবিবও পাৰে বেছিকৈ। অৱশ্যে মানুহৰ ভিতৰত যাৰ মূৰটো ডাঙৰ, তেওঁৰ মগজ বেছি— এই ধাৰণা কিছু কালৰ আগলৈকে কিছুমানৰ আছিল— কথাটো জীৱ-বিজ্ঞানৰ ফালৰ পৰা সত্য নহয়। ধাৰণাটো সত্য হোৱাহেঁতেন হাতী আটাইতকৈ বুধিয়ক হ'লহেঁতেন। গণেশৰ ক্ষেত্ৰত কথাটো হেনো বেলেগ— এই ক্ষেত্ৰত শৰীৰৰ তুলনাত মূৰটো যথেষ্ট ডাঙৰ, গতিকে এই শিৰে 'লাভ'ৰ কথা বেছিকৈ ভাবিব পাৰে। 'মেনেজমেন্ট'ৰ লক্ষ্যও হ'ল অধিক লাভ। বৃহৎ হস্তীমুণ্ডত চকুটো যথেষ্ট সৰু, অৰ্থাৎ যিকোনো বস্তু সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ চকুটো সৰু কৰি আনি এঠাইত নিৱদ্ধ কৰিব লাগিব। কাৰ্যক্ষেত্ৰত বহুতো সম্ভাৱনা বা পদ্ধতিৰ মাজৰ পৰা কোনটোক প্ৰাধান্য দিব লাগিব, সেয়া বৃহৎ মূৰৰ বুদ্ধিৰ লগত সৰু চকুৰে সামঞ্জস্য ঘটাব লাগিব।

হাতীয়ে বেছিকৈ খাদ্য বা শস্য খোৱাৰ দৰে এন্দুৰেও শৰীৰৰ তুলনাত অত্যধিক শস্য খায়। গণেশৰ বৃহৎ শৰীৰৰ তুলনাত এন্দুৰ তেনেই সৰু; সেয়েহে গণেশ এন্দুৰত উঠিলে অৱস্থা কি হ'ব সকলোৱে জানে। পিছে দেৱতাৰ বাহনৰ কথাটো ভাৱবোধক, সকলোতকৈ ভাৰী দেৱতাৰ সকলোতকৈ ক্ষুদ্ৰ বাহন দিয়াৰ তাৎপৰ্য অদ্ভুত বৈপৰিত্যৰ সমাহাৰৰ মাজত বিচাৰি পোৱা যায়

বৃহৎ শিৰত সৰু চকু, কিন্তু কাণ দুখন যথেষ্ট বহল। মেনেজমেন্ট পঢ়ি এজন ছাত্ৰই যেতিয়া কোনো কোম্পানীৰ পৰিচালক হ'ব, তেতিয়া তেওঁ বিভিন্নজনৰ পৰামৰ্শবোৰ বৃহৎ কাণেৰে শুনিব লাগিব। নতুন পৰামৰ্শ, সহকৰ্মী আৰু অধস্তনসকলৰ সুবিধা-অসুবিধা, কোম্পানীৰ সাৰ্বিক উন্নতি ধৰণৰ সকলো কথাই শুনিব লাগিব। প্ৰাচীন কালত কোৱা হৈছিল যে ৰজাই কাণেৰে 'দেখে'। গণেশৰ বৃহৎ কাণ দুখন 'দেখা'ৰেই প্ৰতীক। কাণ ডাঙৰ হ'লেও হাতীৰ মুখ সৰু আৰু ঢাক খোৱা। মেনেজমেন্টৰ উৰ্ধতন বিষয়াই সকলো কাণ দি 'দেখিব', বৃহৎ মগজুত সেইবোৰ সুমুৱাই ৰাখিব আৰু প্ৰায় বন্ধ মুখেৰে কথা কমকৈ ক'ব। হাতীৰ মূৰ থাকিলেও গণেশৰ ভৰি দুটা চুটি আৰু মঙহাল। হাতীৰ দৰে চাৰিটা ঠেং নাই; কিন্তু দুটা শক্তিশালী ভৰিৰে দৃঢ় অথচ গহীন-গম্ভীৰ খোজেৰে গণেশে আগবাঢ়ে। কোম্পানীৰ বিষয়াইও কামৰ বৃহৎ বোজা লৈ ধীৰ-স্থিৰভাৱে আগবাঢ়িব লাগিব। গণেশৰ বাহন হ'ল এন্দুৰ বা মুষিক। ইতৰ প্ৰাণীৰ ভিতৰত এন্দুৰ বুদ্ধিমান, কুশলী আৰু সকলো ঠাই ভালদৰে লক্ষ্য কৰিহে ই চলা-ফিৰা কৰে। কেৱল অহা-যোৱাৰ ক্ষেত্ৰতেই নহয়, সকলো কামতেই এন্দুৰৰ সদা জাগ্ৰত সতৰ্কতা থাকে। এইবোৰক শাস্ত্ৰই আখ্যা দিছিল— 'মুষিকগুণ'। এন্দুৰে পাৰিপাৰ্শ্বিক সকলো পৰিৱৰ্তনতেই নিজকে খাপ খুৱাই চলিব পাৰে। এন্দুৰক এইবোৰ গুণৰ প্ৰতীক হিচাপেই হেনো গণেশৰ বাহনৰূপে দিয়া হৈছিল। পৰিচালনা আৰু প্ৰশাসনিক দিশ নিয়ন্ত্ৰণ কৰাসকলৰ 'মুষিকগুণ' থাকিব লাগিব। সদা সতৰ্কতা, সকলো দিশ চালি-জাৰি চোৱা, পৰিৱেশৰ লগত খাপ খুওৱা ধৰণৰ গুণবোৰ এওঁলোকৰ থাকিলে প্ৰতিষ্ঠানৰ উন্নতি অনিবাৰ্য।

শাস্ত্ৰৰ মতে গণেশৰ লগত শস্যৰ সম্বন্ধ আছে। হাতীয়ে বেছিকৈ খাদ্য বা শস্য খোৱাৰ দৰে এন্দুৰেও শৰীৰৰ তুলনাত অত্যধিক শস্য খায়। গণেশৰ বৃহৎ শৰীৰৰ তুলনাত এন্দুৰ তেনেই সৰু; সেয়েহে গণেশ এন্দুৰত উঠিলে অৱস্থা কি হ'ব সকলোৱে জানে। পিছে দেৱতাৰ বাহনৰ কথাটো ভাৱবোধক, সকলোতকৈ ভাৰী দেৱতাৰ সকলোতকৈ ক্ষুদ্ৰ বাহন দিয়াৰ তাৎপৰ্য অদ্ভুত বৈপৰিত্যৰ সমাহাৰৰ মাজত বিচাৰি পোৱা যায়।

দেৱতাও মানুহৰ দৰেই। তাৰ মাজতে হাতীৰ মূৰ, বৃহৎ পেট, চুটি ভৰিৰ দেৱতা গণেশ হৈছে ব্যতিক্ৰম। বাস্তৱত এনে ব্যক্তি থকাটো অসম্ভৱ; পিছে এইবোৰৰ পৰাই প্ৰাচীন কালতেই হওক বা আধুনিক কালতেই হওক ব্যৱহাৰিক ধাৰণা বিচাৰি উলিওৱাতহে মানুহৰ কৃতিত্ব। অবাস্তৱতাৰ মাজতে বাস্তৱতাৰ সংকেত দিব পৰাটো শাস্ত্ৰকাৰৰো কৃতিত্ব। গণেশৰ ধাৰণাৰ ব্যৱহাৰিক গুণবোৰ নিবিচাৰি হাতীৰ মূৰ কেনেকৈ মানুহৰ দৰে দেহত সংযোগ কৰিলে বা প্ৰাচীন কালত মানুহ বা দেৱতাই হাতীৰ কটা মূৰ মানুহৰ দেহত সংযোগ কৰাৰ অস্ত্ৰোপচাৰ জানিছিল বুলি ব্যাখ্যা কৰিলে নহ'ব। প্ৰতীকধৰ্মী কথাবোৰৰ শুদ্ধৰূপ নিবিচাৰি যথাযথ ব্যাখ্যা কৰিবলৈ আধুনিক এচামে চেষ্টা কৰাৰ ফলত প্ৰাচীন শাস্ত্ৰৰ মাহাত্ম্য ক্ষুণ্ণ হৈছে।

ফোন ঃ ৮১৩৫৮৩৫২১৯

পথাৰ, বজাৰ সকলো গ'ল বুলি চিঞৰি থাকিলে কি হ'ব!

পথাৰ-বজাৰ কোনেও কাঢ়ি নিয়া নাই ঃ এয়া অকৰ্মণ্যতাৰহে ফল

হেমেন কুমাৰ দাস

আজিকালি প্ৰায়বোৰ দল-সংগঠনৰ নেতাৰ মুখত আঁখে ফুটাৰ দৰে ফুটা এষাৰ কথা হ'ল 'আমাৰ পথাৰখন-বজাৰখন কাঢ়ি লৈ গ'ল।' সঁচাকৈয়ে জানো কোনোবাই আমাৰ পথাৰখন, আমাৰ বজাৰখন কাঢ়ি নিলে? অপ্ৰিয় হ'লেও সঁচা কথাটো হ'ল— আমাৰ পথাৰখনো কোনেও কাঢ়ি লৈ যোৱা নাই আৰু বজাৰখনো কোনেও বলপূৰ্বক দখল কৰা নাই। এয়া আমাৰ অকৰ্মণ্যতাৰ ফল। আমাৰ ৰাইজমখা এলেহুৱা হ'ল। কৰ্মসংস্কৃতিৰ অভাৱ ঘটিল। কামৰ প্ৰতি শ্ৰদ্ধা নোহোৱা হ'ল। বহু গাঁৱত কৰ্মঠ লোকৰ অভাৱ ঘটিল। কৃষিখণ্ডত উন্নত প্ৰযুক্তিৰ আগমন ঘটা সত্বেও কৃষি-কাৰ্যৰ প্ৰতি আগ্ৰহ নোহোৱা হ'ল নতুন প্ৰজন্মৰ। এনেকুৱা এটা ধাৰণাৰ সৃষ্টি কৰা হ'ল যে কৃষি-কৰ্মৰ জৰিয়তে স্বচ্ছল জীৱন-যাপন কৰা অসম্ভৱ। অৱশ্যে এই ধাৰণাটো কেৱল থলুৱা অসমীয়া লোকৰ একাংশৰ মাজতহে বিৰাজমান। ফলত চাকৰিমুখী হৈ পৰিল গ্ৰামাঞ্চলৰ অধিকাংশ পৰিয়াল। পিতৃ পুৰুষৰ কৃষিভূমি বিক্ৰী কৰি একাংশই চহৰত ঘৰ সজালে, একাংশই নামী-দামী গাড়ী কিনিলে। যেন সোণ বেচি লংকা যাত্ৰা ঃ তাহানিতে চৰকাৰী চাকৰিয়ালসকলৰো অধিকাংশই প্ৰত্যক্ষভাৱে কৃষি-কৰ্মৰ স'তে জড়িত আছিল। কাহিলীপুৱাতে পথাৰলৈ গৈ হাল বাই ন বজাৰ আগতে ঘৰলৈ ওভতি আহি গা-পা ধুই ভাত-পানী খাই চাকৰিলৈ গৈছিল; কিন্তু এতিয়া সমাজত এনেকুৱা এটা ধাৰণাৰ সৃষ্টি হৈছে যেন চৰকাৰী চাকৰিয়ালে খেতি কৰিব নাপায়। অৱশ্যে এই ক্ষেত্ৰত সময়ৰ নাটনিয়েও প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰা নহয়। প্ৰায় ৯৫ শতাংশ চৰকাৰী চাকৰিয়ালেই পথাৰত প্ৰত্যক্ষভাৱে খেতি কৰিবলৈ বাদ দিলে। তেওঁলোকৰ লগতে আন বহুতেই পথাৰৰ মাটি আধি দি পথাৰৰ পৰা বিদায় ল'লে। এনেকৈয়ে অধিকাংশ থলুৱা অসমীয়া কৃষিজীৱী পৰিয়ালে পথাৰৰ পৰা বিদায় লোৱাত সেই পথাৰসমূহলৈ আগমন ঘটিল একাংশ পমুৱা মুছলমানৰ। এয়া নগাঁও জিলাৰ কেতবোৰ অঞ্চলৰ দৃশ্যপট। এই কৰ্মঠ মুছলমান কৃষকসকলে কোনো থলুৱাক বলপূৰ্বক খেদি পথাৰ দখল কৰা নাই। বৰঞ্চ তেওঁলোকক সেই পথাৰ দিয়া হ'ল। এনেকৈয়ে যুগ যুগ ধৰি থলুৱা অসমীয়াই দপ্দপাই থকা পথাৰখন তেওঁলোকৰ হাতৰ পৰা গুচি যায়; কিন্তু এই কৰ্মহীন লোকসকলৰ অকৰ্মণ্যতাক দোষাৰোপ নকৰি বিভিন্ন দল-সংগঠনে অনাৱশ্যক চিঞৰি থাকে 'পথাৰখন গ'ল' বুলি।

পিতৃ পুৰুষৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা পথাৰখন হাতৰ পৰা যোৱাৰ লগে লগে স্বাভাৱিকতে বজাৰখনো হাতৰ পৰা গুচি যায়। যদি পথাৰখনেই নিজৰ হাতত নাথাকে বজাৰখন নিজৰ হাতত থাকিবইবা কেনেকৈ? ফলত বিক্ৰেতা গঞা ৰাইজ সেই একেখন বজাৰতে ক্ৰেতালৈ ৰূপান্তৰিত হ'ল। ইয়াৰ বিপৰীতে সেই একেখন পথাৰতে হাড়ভঙা পৰিশ্ৰমেৰে বিভিন্ন খেতি কৰি লাখ লাখ টকা উপাৰ্জন কৰিছে পমুৱা মুছলমান সম্প্ৰদায়ৰ একাংশ লোকে। এই কৃষকসকলৰ বহুতৰেই ঘৰত এতিয়া দুই-তিনিখনকৈ বিভিন্ন বাহন। কৃষিকাৰ্যক লৈ হীনমন্যতাত ভোগা থলুৱা অসমীয়াৰ বাবে ই এক পৰিতাপৰ বিষয়।

পথাৰখন গ'ল, বজাৰখন গ'ল বোলা কথাষাৰৰ প্ৰসংগত আমাৰ মনত পৰিছে নগাঁও জিলাৰ ধিঙৰ বিৰিঙাবাৰী, ফাকলি পথাৰ, গতিকৰা, কাজলি পথাৰ, চাউলদৈ পথাৰ, লহকৰ বাওতলী পথাৰ প্ৰমুখ্যে বিভিন্ন কৃষি পথাৰলৈ। ৮০ দশকৰ আগলৈকে সেই পথাৰসমূহত খিলঞ্জীয়া অসমীয়া কৃষকে দপদপাই আছিল। বিৰিঙাবাৰী, গতিকৰা, ফাকলি পথাৰ, কাজলি পথাৰত খেতি কৰিছিল লহকৰ, আঠগাঁও, নিজধিং, ভকতগাঁও, বেতকাটি, বিলতীয়া আদি গাঁৱৰ ৰাইজে। লহকৰ বাওতলী পথাৰত খেতি কৰিছিল আঠগাঁও আৰু লহকৰৰ ৰাইজে। আনহাতে, চাউলদৈ পথাৰত খেতি কৰিছিল আঠগাঁও আৰু লহকৰৰ ৰাইজে। সেই সময়ত সেই পথাৰসমূহত আহুধান, বাওধান, শালিধান, মগু মাহ, মাটি মাহ, মচুৰ মাহ, সৰিয়হ, মটৰ, জলকীয়া, মৰাপাট আদিৰ খেতি কৰা হৈছিল। পৰ্যাপ্ত পৰিমাণে শস্য উৎপাদন হৈছিল। বিভিন্ন ঠাইৰ কৃষকসকলে বিৰিঙাবাৰী, গতিকৰা, কাজলি পথাৰ, ফাকলি পথাৰলৈ লহকৰৰ ৰিজাৰ্ভৰ মাজেৰেই আহ-যাহ কৰিছিল। তেতিয়া কোনো নিৰ্মিত সুচল পথ নাছিল। খেতি চপোৱাৰ বতৰত নিতৌ শ শ কৃষক, অসংখ্য গৰু-ম'হৰ গাড়ী লহকৰৰ ৰিজাৰ্ভৰ মাজেৰেই আহ-যাহ কৰিছিল। সেই আহ-যাহৰ ফলত লহকৰ ৰিজাৰ্ভ (লহকৰ বাকৰি বুলি ৰাইজে কৈছিল)ত কে'বাটাও গাড়ীৰ চকাৰ লীকৰ সৃষ্টি হৈছিল। লহকৰ ৰিজাৰ্ভৰ উত্তৰ-পূব দিশত বিলতীয়া, ভকতগাঁও আৰু বেতকাটি গাঁৱৰ লীক, দক্ষিণ-পশ্চিম দিশত নিজধিং, আঠগাঁও আৰু লহকৰৰ গাড়ীলীকসমূহ আছিল। সেই নিৰ্দিষ্ট গাড়ীলীকেৰেই কাহিলিপুৱাতে গৰু-ম'হৰ গাড়ী লৈ কৃষকসকল পথাৰলৈ গৈছিল। তেতিয়া তেওঁলোকৰ কণ্ঠত শুনা গৈছিল ঘোষা আৰু নাম। আনহাতে, সন্ধিয়া পথাৰৰ পৰা গৰু গাড়ী, ম'হৰ গাড়ী লৈ ওভতাৰ সময়ত কৃষকসকলে চিঞৰি চিঞৰি গাই গৈছিল ভাওনাৰ পয়াৰ, বিলাপ, লেছাৰী, মুক্তাৱলী আদি। স্মৰ্তব্য যে সেই সময়ত বিৰিঙাবাৰী, গতিকৰা, ফাকলি, কাজলি পথাৰত কৃষক ৰাইজৰ অসংখ্য পামঘৰ আছিল। খেতিৰ কাম বেছি হ'লে সেই পাম ঘৰসমূহতে এসপ্তাহ পৰ্যন্ত আছিল। তেতিয়া সেই পথাৰত নগণ্য সংখ্যক মুছলমান কৃষকে খেতি কৰিছিল। ইয়াৰ অধিকাংশই আছিল ভাগিদাৰী; কিন্তু পৰৱৰ্তীকালত নিজধিং, আঠগাঁও, ভকতগাঁও, বিলতীয়া, বেতকাটি আদি অঞ্চলৰ একাংশ লোকে তেওঁলোকৰ কৃষি ভূমি মুছলমান সম্প্ৰদায়ৰ একাংশ লোকক আধি আৰু পৰৱৰ্তী সময়ত বন্ধকত দিবলৈ আৰম্ভ কৰে। পাছলৈ এই লোকসকলৰ ৯৫ শতাংশ লোকেই পৈত্ৰিক সম্পত্তি কৃষিভূমিসমূহ একাংশ পমুৱা মুছলমান লোকক বিক্ৰী কৰে। আনহাতে, পাছলৈ আন বহুতো লোকেই বিভিন্ন কাৰণত পথাৰৰ মাটি বিক্ৰী কৰে। এসময়ত পথাৰত উৎপাদিত বিভিন্ন শস্যৰে ধিং-মৈৰাবাৰী বজাৰত দপ্দপাই থকা এই কৃষকসকলৰ পৰিয়ালে মাটি বিক্ৰী কৰাত স্বাভাৱিকতেই বজাৰ দুখনত থলুৱা অসমীয়াৰ প্ৰভাৱ নাইকিয়া হৈ পৰে। অনুৰূপ দশা হয় ধিঙৰ বাওতলী, চাউলদৈ, শিঙিমাৰী, বৰবিল, শলগুৰি, নিজধিং, বৰভেটি পথাৰৰ ক্ষেত্ৰতো। সেই পথাৰকেইখনৰ পৰাও কোনো থলুৱা অসমীয়া কৃষকক খেদি পঠিওৱা নাছিল। বৰঞ্চ কৃষিকাৰ্যৰ প্ৰতি অনীহা প্ৰদৰ্শন কৰি চাকৰিমুখী, চহৰমুখী হৈ অথবা বহু অকৰ্মণ্য লোকে কৰ্মহীনতাৰ বাবে অভাৱ-অনাটনত পৰি পিতৃ পুৰুষৰ মাটি সম্পদ বিক্ৰী কৰি সেই কৃষিভূমি হস্তান্তৰ কৰে একাংশ পমুৱা মুছলমান সম্প্ৰদায়ৰ লোকক। তাৰ মাজতো লহকৰ আৰু আঠগাঁৱৰ একাংশ লোকে পথাৰকেইখনৰ পিতৃ পুৰুষৰ কৃষিভূমি নিজৰ দখলতে ৰাখিবলৈ সক্ষম হৈছে। লহকৰৰ কেইজনমান কৃষকে সেই পথাৰসমূহত নিজে খেতি কৰে যদিও বাকীসকলে সেই মাটি আধি দিয়া পৰিলক্ষিত হৈছে। এতিয়া যিহেতু সেই পথাৰসমূহ থলুৱা অসমীয়াৰ সলনি পমুৱা মুছলমান সম্প্ৰদায়ৰ লোকৰ হাতলৈ যায় সেয়েহে বজাৰসমূহো তেওঁলোকৰ দখলত। এনে পৰিস্থিতিত আমি পথাৰ গ'ল, বজাৰ গ'ল বুলি চিঞৰি থাকিলে জানো লাভ আছে? পথাৰ গ'ল, বজাৰ গ'ল বুলি কৈ আমি জানো নিজৰ অকৰ্মণ্যতাকেই নিজে প্ৰকট কৰা নাই। দল-সংগঠনসমূহে 'আমাৰ পথাৰ গ'ল, আমাৰ বজাৰ গ'ল' বুলি কৈ প্ৰকৃততে কি বাৰ্তা বিয়পাব বিচাৰিছে সেয়াও চিন্তনীয়। তেওঁলোকে তেনে বাৰ্তা নিবিয়পাই নতুন প্ৰজন্মক কৃষি-কৰ্মৰ প্ৰতি আগ্ৰহী কৰিলেহে সমাজে সুফল পাব। অৱশ্যে অসম আন্দোলনৰ কিছু কুপ্ৰভাৱতো একাংশ পথাৰৰ পৰা থলুৱা অসমীয়া কৃষক আঁতৰি থাকিবলগীয়া হৈছিল। তেতিয়া যি আঁতৰিল আৰু পৰৱৰ্তী সময়ত পথাৰলৈ প্ৰত্যাৱৰ্তন নঘটিল। বহু ক্ষেত্ৰত অৱশ্যে পথাৰ এৰিবলগীয়া হোৱাসকলে পমুৱা মুছলমানসকলৰ মাজৰেই একাংশ দুষ্ট প্ৰকৃতিৰ লোকে কৃষিভূমিত কৰা নানা অত্যাচাৰকো দোষাৰোপ কৰে।



তাহানিৰ দিনত গঞা সমাজত বজাৰৰ পৰা কিনি অনা চাউলৰ ভাত খোৱাটো লজ্জাজনক বিষয় হিচাপে গণ্য কৰা হৈছিল; কিন্তু এতিয়া গ্ৰামাঞ্চলৰেই প্ৰায় ৯০ শতাংশ পূৰ্বৰ কৃষক পৰিয়ালে বজাৰৰ চাউলৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছে। এইবোৰ জানো এটা জাতিৰ বাবে শুভ লক্ষণ? এতিয়াও সময় উকলি যোৱা নাই। থলুৱা অসমীয়া যুৱকে বৈজ্ঞানিক পদ্ধতিৰে কৃষিকাৰ্যত জড়িত হৈ এক নতুন সেউজ বিপ্লৱৰ সূচনা কৰিব পাৰে। অৱশ্যে শেহতীয়াকৈ একাংশ শিক্ষিত নিবনুৱা যুৱকে নিজকে কৃষিকাৰ্যৰ স'তে জড়িত কৰি আদৰ্শ দেখুৱাইছে। তেওঁলোকে পথাৰলৈ গ'লে বজাৰখন আপোনা-আপুনি নিজৰ দখললৈ আহিব। এই ক্ষেত্ৰত চৰকাৰৰো সদিচ্ছা আৰু সহযোগিতাৰ প্ৰয়োজন।

শেহতীয়াকৈ ৰাজ্য চৰকাৰে বেদখলী চৰকাৰী ভূমিৰ পৰা বেদখল উচ্ছেদৰ কাম হাতত লৈছে। বেদখল উচ্ছেদ কৰা ভূমিত যদি সংঘবদ্ধভাৱে নিবনুৱা যুৱকসকলক কৃষিকাৰ্যত জড়িত কৰায়, যদিহে তেওঁলোকে কৃষি বিভাগকে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ পৰা প্ৰয়োজনীয় সহায়-সহযোগিতা লাভ কৰে তেতিয়া নিশ্চয় অসমত এক নতুন সেউজ বিপ্লৱৰ সূচনা হ'ব। কৃষিকাৰ্যৰ জৰিয়তে লাভৰ মুখ দেখিলে কৃষিৰ নামত নাক-মুখ কোচোৱাসকলেও উদ্যমেৰে কৃষিকাৰ্যত জড়িত হৈ পৰিব। তেতিয়া আৰু কোনেও চিঞৰিবলৈ সুবিধা নাপাব 'আমাৰ পথাৰ গ'ল, বজাৰ গ'ল' বুলি।

ফোন ঃ ৯৪৩৫০৬২১২৭

অভিনেত্ৰী-ৰাজনীতিক স্মৃতি এইবাৰ সাহিত্যিক হ'ল ঃ প্ৰকাশৰ পথত প্ৰথম উপন্যাস

নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ অভিনয় জগতৰ পৰা ৰাজনীতিত প্ৰৱেশ কৰি কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা স্মৃতি জুবিন ইৰানীয়ে এইবাৰ সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰিব। ইতিমধ্যে স্মৃতিয়ে ৰচনা কৰি উলিয়াইছে তেওঁৰ প্ৰথমখন উপন্যাস। অহা ২৯ নৱেম্বৰত প্ৰকাশিত হ'ব অভিনেত্ৰী-ৰাজনীতিকগৰাকীৰ লিখিত প্ৰথমখন উপন্যাস 'লাল চালাম'। উপন্যাসখন প্ৰকাশ কৰিছে ৱেষ্টলেণ্ড নামৰ প্ৰকাশন গোষ্ঠীটোৱে। ২০১০ত ডাণ্টেৱাড়াত মাওবাদীৰ আক্ৰমণত ৭৬ জন চি আৰ পি এফৰ জোৱান ছহিদ হৈছিল। এই ঘটনাৰ আলমতে স্মৃতিয়ে ৰচনা কৰিছে এইখন উপন্যাস। অৰ্ধসামৰিক বাহিনীৰ জোৱান বিক্ৰম প্ৰতাপ সিং হৈছে এইখন উপন্যাসৰ মূল চৰিত্ৰ। কৰ্মসূত্ৰে সিঙে কেনে ধৰণৰ ৰাজনৈতিক হেঁচা আৰু দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ কৰিব লগা হৈছিল, সেইসমূহ অভিজ্ঞতাৰ কথা এই উপন্যাসত দাঙি ধৰা হৈছে।

আন্তৰ্জাতিক আদালতৰ হেঁচাত মৃত্যুদণ্ডৰ বিৰুদ্ধে আবেদনৰ অধিকাৰ লাভ কুলভূষণৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ পাকিস্তানৰ কাৰাগাৰত বন্দী হৈ থকা মৃত্যুদণ্ডৰ ৰায়প্ৰাপ্ত ভাৰতীয় নাগৰিক কুলভূষণ যাধৱৰ গোচৰে নতুন মোৰ ল'লে। আন্তৰ্জাতিক আদালতৰ সিদ্ধান্তক মান্যতা দিলে পাকিস্তানৰ সংসদে। পাকিস্তানৰ সংসদত শেহতীয়াভাৱে গৃহীত হোৱা নতুন বিধেয়ক অনুসৰি, কুলভূষণে তেওঁৰ বিৰুদ্ধে পাকিস্তানৰ সামৰিক আদালতে দিয়া মৃত্যুদণ্ডৰ ৰায়ৰ বিৰুদ্ধে আবেদন দাখিল কৰিব পাৰিব। উল্লেখ্য যে ২০১৭ বৰ্ষত গুপ্তচৰ বৃত্তি আৰু সন্ত্ৰাসত জড়িত থকাৰ অভিযোগত কুলভূষণক পাকিস্তানৰ সামৰিক আদালতে মৃত্যুদণ্ডৰ ৰায় দিছিল। এই ৰায়ৰ বিৰুদ্ধে ভাৰতে আন্তৰ্জাতিক আদালতৰ দ্বাৰস্থ হৈছিল আৰু আদালতে ভাৰতৰ সপক্ষে ৰায় দি গোচৰৰ পুনৰ বিচাৰ চলাবলৈ পাকিস্তানক নিৰ্দেশ দিছিল।

দেশত ক'ভিডৰ পাছত ব্যক্তিগত শিক্ষানুষ্ঠানত অধ্যয়নৰত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পালে

বেচৰকাৰী বিদ্যালয়ৰ তুলনাত ভিৰ বাঢ়িছে চৰকাৰী শিক্ষানুষ্ঠানত

নিউজ ব্যুৰ'
নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ কৰ'নাৰ দৌৰাত্ম্যৰ ফলত বিগত ডেৰ বছৰৰো অধিক সময় ভাৰতত শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছিল। মধ্যবিত্ত আৰু নিম্নবিত্তৰ বাবে ক'ভিডৰ এই সময়ছোৱা আছিল আৰ্থিকভাৱে যথেষ্ট জঞ্জালৰে ভৰা। ক'ভিডে অন্যান্য বিভিন্ন ক্ষেত্ৰৰ লগতে দেশৰ শিক্ষা ক্ষেত্ৰতো সৰ্বাধিক প্ৰভাৱিত কৰিলে। বৰ্তমানে দেশৰ প্ৰায়বোৰ ৰাজ্যতে বিদ্যালয় পুনৰ মুকলি কৰা হৈছে। কিন্তু ক'ভিডোত্তৰ পৰিস্থিতিত স্পষ্ট হৈছে যে ব্যক্তিগত খণ্ডৰ পৰিবৰ্তে সম্প্ৰতি চৰকাৰী খণ্ডত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে। ৰাজধানী দিল্লীৰ লগতে পশ্চিমবংগতো মহামাৰী পৰৱৰ্তী আৰ্থিক অৱস্থাত শিক্ষাৰ্থীৰ সংখ্যা ব্যক্তিগত বিদ্যালয়ৰ পৰিবৰ্তে চৰকাৰী শিক্ষানুষ্ঠানত অধিক হোৱাটো প্ৰত্যক্ষ হৈছে। 'এনুৱেল ষ্টেটাছ অৱ এডুকেচন ৰিপ'ৰ্ট' শীৰ্ষক প্ৰতিবেদনৰ তথ্য অনুসৰি, ২০২০ বৰ্ষত মহামাৰী আৰম্ভ হোৱাৰ সময়ৰ পৰাই ব্যক্তিগত শিক্ষানুষ্ঠানৰ অধ্যয়নৰত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছিল। আনকি অনেক ক্ষেত্ৰত শিক্ষাৰ্থীয়ে আনুষ্ঠানিক শিক্ষা ত্যাগ কৰিবলৈকো বাধ্য হৈছিল। এই প্ৰতিবেদন অনুসৰি, বেচৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস বৰ্তমানেও অব্যাহত আছে আৰু ক্ৰমে দেশৰ চৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। প্ৰতিবেদনটোত ইয়াৰ কাৰণ হিচাপে ৪০ শতাংশই মত পোষণ কৰি কৈছে যে ব্যক্তিগত বিদ্যালয়ত বিগত ডেৰ বছৰে শিক্ষাদান সঠিকভাৱে হোৱা নাই। আনহাতে, ১৫ শতাংশৰ মতামত অনুসৰি, শিক্ষাৰ্থীৰ সংখ্যা ব্যক্তিগত বিদ্যালয়ত হ্ৰাস হোৱাৰ কাৰণ হৈছে ব্যাপক হাৰত হোৱা প্ৰব্ৰজন। ৬২ শতাংশ লোকৰ মতে, আৰ্থিক দুৰৱস্থাৰ ফলত শিক্ষাৰ্থীক বেচৰকাৰী বিদ্যালয়ৰ পৰা চৰকাৰী বিদ্যালয়লৈ স্থানান্তৰিত কৰিবলৈ অভিভাৱকসকল বাধ্য হৈছে। ৫০ শতাংশই কয় যে চৰকাৰী বিদ্যালয়ত বিনামূলীয়া সা-সুবিধা লাভ কৰাৰ কাৰণতো ব্যক্তিগত বিদ্যালয়ৰ পৰা শিক্ষাৰ্থীৰ ব্যাপক প্ৰব্ৰজন হৈছে। ২০১৮ বৰ্ষত চৰকাৰী বিদ্যালয়ত ভৰ্তি হোৱা শিক্ষাৰ্থীৰ সংখ্যা আছিল ৬৩ শতাংশ আৰু ২০২১ বৰ্ষত ই ৭২ শতাংশলৈ বৃদ্ধি পালে। স্কুলীয়া শিক্ষাৰ বাহিৰত থকা শিশুৰ অনুপাতো ২০২০ বৰ্ষৰ তুলনাত ১.৪ শতাংশ বৃদ্ধিৰে ৪.৬ শতাংশ হ'ল। দেশৰ উত্তৰ প্ৰদেশ, ৰাজস্থান, পঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, কেৰালা আৰু অন্ধ্ৰ প্ৰদেশত চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা বিগত ডেৰ বছৰত যথেষ্ট বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে উত্তৰ-পূব ভাৰতৰ কে'বাখনো ৰাজ্যত এই সময়ছোৱাত চৰকাৰী বিদ্যালয়ত নামভৰ্তিৰ সংখ্যা হ্ৰাস পোৱাৰ লগতে বিদ্যালয়ত নামভৰ্তি নকৰা শিশুৰ অনুপাত বৃদ্ধি পালে।



দিল্লীৰ বায়ু প্ৰদূষণক লৈ আমূল ইণ্ডিয়াৰ কাৰ্টুন হ'ল ভাইৰেল

নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ বায়ু মণ্ডল বিষাক্ত হোৱাৰ কাৰণত দিল্লীৰ সকলোবোৰ শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰিলে দিল্লী চৰকাৰে। দীপাৱলীৰ পৰৱৰ্তী সময়ৰ পৰা দিল্লীৰ বায়ু প্ৰদূষণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ৰাজধানী চহৰখনত সম্প্ৰতি বায়ু প্ৰদূষণ ইমানে বাঢ়িছে যে শ্বাস-প্ৰশ্বাস লোৱাৰ বাবেও পৰিৱেশ প্ৰতিকূল হৈ উঠিছে। দিল্লীৰ এই প্ৰদূষণক লৈ আমূল ইণ্ডিয়াই প্ৰকাশ কৰা এক কাৰ্টুন চিত্ৰই সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। আমূলৰ কাৰ্টুন চিত্ৰত সদা পৰিচিত কণমানি কন্যাৰ মুখত আছে মাস্ক, লগতে এই কাৰ্টুনত লিখা আছে 'এটমছফিয়েৰ' (বতাহত ভয়)। আমূলৰ কাৰ্টুন চিত্ৰই পূৰ্বৰে পৰা বিশেষ চৰ্চা লাভ কৰি আহিছে। কিয়নো দেশৰ প্ৰতিষ্ঠিত দুগ্ধজাত খাদ্য সামগ্ৰী প্ৰস্তুতকাৰক প্ৰতিষ্ঠানটোৱে সদায়ে ব্যতিক্ৰমী কাৰ্টুন চিত্ৰৰ জৰিয়তে আমূলৰ বিজ্ঞাপন প্ৰচাৰ কৰি আহিছে। এইবাৰো দিল্লীৰ বায়ু প্ৰদূষণক লৈ অৰ্থৱহ আৰু চিন্তাকৰ্ষক কাৰ্টুনৰে সামাজিক মাধ্যমত আমূলে বিশেষ চৰ্চা লাভ কৰাৰ লগতে বৰ্ধিত প্ৰদূষণৰ সন্দৰ্ভত দেশবাসীক সজাগ-সচেতন কৰাৰ পদক্ষেপ ল'লে।

গ্লাছগ' সন্মিলনত অংশ লৈ কৰ'নাত আক্ৰান্ত ৩০০ জন অংশগ্ৰহণকাৰী

নিউজ ব্যুৰ', গ্লাছগ', ১৮ নৱেম্বৰ ঃ জি-২০ সন্মিলনৰ পাছত গ্লাছগ'ত অনুষ্ঠিত বিশ্ব জলবায়ু সন্মিলনত অংশ লৈছিল ২০০ ৰো অধিক দেশৰ প্ৰতিনিধিয়ে। তদুপৰি এই সন্মিলনত উপস্থিত আছিল পৰিৱেশ কৰ্মী আৰু বিশেষজ্ঞ। প্ৰকাশিত বাতৰি অনুসৰি গ্লাছগ'ৰ পৰিৱেশ সন্মিলনত অংশ লোৱাৰ পাছত ৩০০ ৰো অধিক অংশগ্ৰহণকাৰী ক'ভিড-১৯ত আক্ৰান্ত হ'ল। স্কটলেণ্ডৰ ফাৰ্ষ্ট মিনিষ্টাৰ নিক'লা ষ্টাৰজিয়নে প্ৰকাশ কৰা অনুসৰি, আক্ৰান্তৰ সংখ্যা অধিক বৃদ্ধি হ'ব পাৰে। উল্লেখ্য যে গ্লাছগ' সন্মিলনত অংশ লোৱা বহু ৰাষ্ট্ৰনেতাই মাস্ক পৰিধান কৰা নাছিল। তদুপৰি এইসকল ৰাষ্ট্ৰনেতাই সামাজিক দূৰত্ব বিধিও উলংঘন কৰিছিল। ইয়াৰ পৰিণতিতে ৩০০ৰো অধিক অংশগ্ৰহণকাৰী কৰ'নাত আক্ৰান্ত হ'ল বুলি ধাৰণা কৰা হৈছে।

সুস্থ ব্যক্তি-শিশুক কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধকৰ প্ৰয়োজন নাই

নিউজ ব্যুৰ'
জেনেভা, ১৮ নৱেম্বৰ ঃ সুস্বাস্থ্যৱান ব্যক্তি আৰু শিশুসকলক কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ প্ৰয়োজন নাই। বিশ্ব স্বাস্থ্য সংস্থা (হু)ই এই কথা প্ৰকাশ কৰি কয় যে কেৱল বিভিন্ন ৰোগত আক্ৰান্ত ব্যক্তি আৰু বয়োজ্যেষ্ঠ নাগৰিককহে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক হিচাপে তৃতীয় পালি টিকাকৰণ কৰা উচিত। হুৱে লগতে আক্ষেপ কৰি কয় যে এতিয়াও বিভিন্ন দেশত স্বাস্থ্যকৰ্মী, জ্যেষ্ঠ নাগৰিক আদিয়ে ক'ভিডৰ প্ৰথম পালি প্ৰতিষেধক লাভ কৰা নাই। সেয়েহে সকলো লোকে প্ৰতিষেধক লাভ নকৰালৈকে একাংশ লোকক তৃতীয় পালি প্ৰতিষেধক অপ্ৰয়োজনীয়ভাৱে প্ৰদান কৰাটো উচিত নহ'ব বুলি বিশ্ব স্বাস্থ্য সংস্থাই মত পোষণ কৰে।

জাৰ্মানীত এদিনতে ক'ভিডত আক্ৰান্ত ৬০ হেজাৰ, চতুৰ্থ ঢৌ আৰম্ভ

নিউজ ব্যুৰ', বাৰ্লিন, ১৮ নৱেম্বৰ ঃ জাৰ্মানীত যোৱা বুধবাৰে ক'ভিডৰ দৈনিক সংক্ৰমণে নতুন অভিলেখ ৰচিলে। দেশখনত বুধবাৰে মুঠ ৬০,৭৫৩ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছিল। মহামাৰীৰ আগমনৰ পাছত প্ৰথমবাৰৰ বাবে জাৰ্মানীত ক'ভিড আক্ৰান্তৰ সংখ্যাই ৬০ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। যোৱা ২৪ ঘণ্টাত দেশখনত ২৪৮ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। ইফালে, জাৰ্মানীৰ বিশিষ্ট সংক্ৰমণ ৰোগ বিশেষজ্ঞ ক্ৰিচিয়ান ডাষ্টনে আশংকা কৰা মতে, আগন্তুক দিনত দেশখনত ক'ভিডত এক লাখ লোকৰ মৃত্যু হোৱাৰ সম্ভাৱনা আছে। বৰ্তমানে দেশখনত ৫.১৬ লাখ সক্ৰিয় ক'ভিড ৰোগী আছে। জাৰ্মানীৰ ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰ চেঞ্চেলৰ এঞ্জেলা মৰ্কেলে কয় যে জাৰ্মানীত সম্প্ৰতি ক'ভিডৰ চতুৰ্থটো ঢৌ অব্যাহত আছে আৰু কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ হ'লে দেশখনত ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদান অভিযান ব্যাপক কৰি তুলিব লাগিব। দেশখনৰ সকলো বাসিন্দাক অনতি বিলম্বে ক'ভিডৰ প্ৰতিষেধক ল'বলৈকো মৰ্কেলে আহ্বান জনাইছে।

বিশ্বত ক'ভিড আক্ৰান্ত সংখ্যা ২৫.৫৭ কোটিলৈ বৃদ্ধি, ৫১.৩৮ লাখ লোকৰ মৃত্যু

নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৮ নৱেম্বৰ ঃ বিশ্বৰ বিভিন্ন দেশত ক'ভিডৰ সংক্ৰমণ এতিয়াও ব্যাপক হাৰত অব্যাহত আছে। জাৰ্মানী, ফ্ৰান্স আদিত শেহতীয়া সংক্ৰমণে নতুন শংকাৰ সৃষ্টি কৰিছে। বিশ্বজুৰি বৰ্তমানলৈকে ২৫.৫৭ কোটি লোক ক'ভিডত সংক্ৰমিত হ'ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিশ্বৰ বিভিন্ন দেশত বাস কৰা মুঠ ৫১.৩৮ লাখ লোকৰ প্ৰাণ কাঢ়িলে। নেদাৰলেণ্ডছ, ব্ৰিটেইন, পোলেণ্ড, ৰাছিয়াতো ক'ভিডৰ সংক্ৰমণ শেহতীয়াভাৱে বৃদ্ধি পাইছে। উল্লেখ্য যে এইসমূহ দেশৰ মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশৰ সম্পূৰ্ণ টিকাকৰণৰ পাছতো ক'ভিডৰ সংক্ৰমণ পুনৰ ঊৰ্দ্ধমুখী হৈছে। ব্ৰিটেইনত বুধবাৰে ৩৮ হেজাৰৰো অধিক লোক ক'ভিডত আক্ৰান্ত হোৱাৰ লগতে ২০২ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। বেলজিয়ামতো ক'ভিডৰ চতুৰ্থটো ঢৌ আৰম্ভ হৈছে।

দৈনিক আক্ৰান্ত পুনৰ বৃদ্ধি, মৃত্যুও বাঢ়িল ৪৭০ জনলৈ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ দেশৰ দৈনিক ক'ভিড সংক্ৰমণ মঙল আৰু বুধবাৰৰ তুলনাত বৃদ্ধি পালে বৃহস্পতিবাৰে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১১,৯১৯ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে দেশৰ বিভিন্ন ৰাজ্যত তিনি কোটি ৪৪ লাখ ৭৮ হেজাৰ ৫১৭ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। আক্ৰান্তৰ লগতে বিগত দুদিনৰ তুলনাত ভাৰতত ক'ভিডত দৈনিক মৃত্যুও বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত প্ৰাণ হেৰুৱাল ৪৭০ জন লোকে। কেৱল কেৰালাতে মৃত্যু হ'ল ৩৮৮ জন ক'ভিড ৰোগীৰ। মহাৰাষ্ট্ৰত ৩২, তামিলনাডুত ১৩ জন ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত ২০৭ জন সক্ৰিয় ৰোগী দেশত বৃদ্ধি পালে। বৰ্তমানে ভাৰতত এক লাখ ২৮ হেজাৰ ৭৬২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। দেশৰ মুঠ দৈনিক আক্ৰান্তৰ অৰ্দ্ধেকাংশই হৈছে কেৰালাৰ বাসিন্দা। মহাৰাষ্ট্ৰত এহেজাৰ, তামিলনাডু-পশ্চিমবংগত ৭০০-৮০০ৰ ভিতৰত আৰু মিজোৰামত ৫০০ৰ ভিতৰত দৈনিক আক্ৰান্ত ধৰা পৰিছে।

ভয়াৱহ খৰাংৱস্থাত কেনিয়াত জীৱ-জন্তুৰ মৃতদেহৰ শাৰী

নিউজ ব্যুৰ', নাইৰ'বি, ১৮ নৱেম্বৰ ঃ আফ্ৰিকাৰ দেশ কেনিয়াত সম্প্ৰতি খৰাংৱস্থাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দীৰ্ঘদিন ধৰি দেশখনত খৰাংৱস্থা অব্যাহত আছে। বৰষুণৰ অভাৱত কেনিয়াৰ বিভিন্ন অঞ্চলত ভূমি ফাটি চিৰাল মাৰিছে। প্ৰচণ্ড উত্তাপৰ ফলত দেশবাসীয়ে দুৰ্বিসহ জীৱন যাপন কৰাৰ সময়তে কেনিয়াৰ বিভিন্ন অঞ্চলত ভয়াৱহ খৰাংৱস্থাত অগণন জীৱ-জন্তুৰ মৃত্যু হৈছে। দেশখনৰ গ্ৰামাঞ্চলত সম্প্ৰতি অতি ভয়াৱহ অৱস্থাৰ সৃষ্টি হৈছে। প্ৰচণ্ড উত্তাপ আৰু পানীৰ অভাৱত বিভিন্ন অঞ্চলত জীৱ-জন্তুৰ মৃত্যু হোৱাৰ ফটো শেহতীয়াভাৱে সামাজিক মাধ্যমত ভাইৰেল হৈছে। প্ৰকাশিত বাতৰি অনুসৰি ছেপ্টেম্বৰৰ পাছৰে পৰা কেনিয়াত স্বাভাৱিকতকৈ ৩০ শতাংশ কম বৃষ্টিপাত হৈছে।

বিশ্বৰ বাবে উদ্বেগজনক ১০ দেশৰ তালিকা ঘোষণা আমেৰিকাৰ

নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৮ নৱেম্বৰ ঃ আমেৰিকাই ধৰ্মীয় স্বাধীনতা উলংঘন কৰা বিশ্বৰ ১০খন দেশৰ এখন তালিকা প্ৰকাশ কৰিলে। মাৰ্কিন বৈদেশিক সচিব এণ্ট'নী ব্লিংকনে প্ৰকাশ কৰা এই তালিকাখনত বিশ্বৰ বাবে উদ্বেগৰ কাৰণত পৰিণত হোৱা মুঠ ১০খন দেশক অন্তৰ্ভুক্ত কৰা হৈছে। তালিকাখনৰ শীৰ্ষ স্থানত আছে ম্যানমাৰ। বিশ্বৰ বাবে উদ্বেগৰ কাৰণত পৰিণত হোৱা ৰাষ্ট্ৰৰ তালিকাত স্থান লাভ কৰা আন ৰাষ্ট্ৰকেইন হৈছে চীন, ইৰিট্ৰিয়া, ইৰান, উত্তৰ কোৰিয়া, পাকিস্তান, ৰাছিয়া, ছৌদি আৰব, তাজিকিস্তান আৰু তুৰ্কমেনিস্তান। এই আটাইকেইখন ৰাষ্ট্ৰতে সংখ্যালঘু লোকসকলে ধৰ্মীয় স্বাধীনতাৰ পৰা বঞ্চিত হৈছে বুলি আমেৰিকাই অভিযোগ কৰিছে। ধৰ্মীয় স্বাধীনতাৰ লগতে মানৱাধিকাৰৰ পৰাও উক্ত ১০ ৰাষ্ট্ৰত বাস কৰা সংখ্যালঘুসকল প্ৰায়ে বঞ্চিত হৈ আহিছে বুলি মাৰ্কিন বৈদেশিক সচিবে অভিযোগ কৰে।

ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত দাবী ঃ চাৰি কোটি আফগান নাগৰিক হ'ব অতি দৰিদ্ৰ

নিউজ ব্যুৰ'
নিউ য়ৰ্ক, ১৮ নৱেম্বৰ ঃ তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছৰে পৰা দেশখনৰ অৰ্থনৈতিক অৱস্থা দিনক দিনে দুৰ্দশাগ্ৰস্ত হ'বলৈ ধৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰব্ৰজন সংস্থাই আফগানিস্তানত উদ্ভৱ হোৱা সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰিলে। প্ৰব্ৰজন বিষয়ক সংস্থাটোৱে কয় যে একে সময়তে মানৱীয়, আৰ্থিক আৰু ৰাজনৈতিক সংকট দূৰ কৰাৰ বাবে তৎকালীনভাৱে বিশেষ উপায় অৱলম্বন নকৰিলে আফগানিস্তানত ২০২২ বৰ্ষৰ ভিতৰত অতি দৰিদ্ৰতাই ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে। ইণ্টাৰনেচনেল অৰ্গেনাইনেচন ফ'ৰ মাইগ্ৰেচন (আই অ' এম)-এ বুধবাৰে প্ৰকাশ কৰা এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, আফগানিস্তানত প্ৰায় চাৰি কোটি লোকে বাস কৰে আৰু তৎকালীনভাৱে দেশখনত দেখা দিয়া মানৱীয়, আৰ্থিক আৰু ৰাজনৈতিক সংকট দূৰ কৰাৰ ব্যৱস্থা নল'লে ২০২২ বৰ্ষৰ মাজভাগৰ ভিতৰত এই চাৰি কোটি জনসংখ্যা অতি দৰিদ্ৰ লোকত পৰিণত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। একেখন প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, তালিবানৰ কাবুল দখলৰ পাছৰে পৰা আফগানিস্তানৰ অত্যাৱশ্যকীয় সকলো সেৱা বাধাগ্ৰস্ত হৈছে। দেশখনত সম্প্ৰতি মূল্যবৃদ্ধিয়ে আকাশলংঘী ৰূপ লৈছে আৰু একে সময়তে জীৱিকা আহৰণৰ সমস্যাই দেখা দিছে। ক'ভিড-১৯ৰ সংক্ৰমণৰ ফলতো আফগান অৰ্থনীতি নেতিবাচকভাৱে প্ৰভাৱিত হৈছে। তদুপৰি কমেও ৫৫ লাখ আফগান নাগৰিক সম্প্ৰতি গৃহহাৰা হৈছে।

ফিলিপাইন্সৰ নৌকাত আক্ৰমণ চীনা উপকূলৰক্ষী বাহিনীৰ

নিউজ ব্যুৰ', মানিলা, ১৮ নৱেম্বৰ ঃ দক্ষিণ চীন সাগৰত পুনৰ নিজৰ আগ্ৰাসী স্থিতি প্ৰদৰ্শন কৰিলে চীনে। এইবাৰ বিনা প্ৰৰোচনাত ফিলিপাইন্সৰ পণ্যবাহী জাহাজত আক্ৰমণ সংঘটিত কৰিলে চীনৰ উপকূলৰক্ষী বাহিনীয়ে। এই ঘটনাৰ পাছত দক্ষিণ চীন সাগৰত চীনৰ আধিপত্যক লৈ সংঘাত বৃদ্ধি পালে। ফিলিপাইন্সৰ বৈদেশিক মন্ত্ৰী টিওড'ৰো লকচিনে প্ৰকাশ কৰা অনুসৰি যোৱা ১৬ নৱেম্বৰত চীনৰ উপকূলৰক্ষী বাহিনীয়ে দক্ষিণ চীন সাগৰত যাত্ৰা কৰা ফিলিপাইন্সৰ এখন পণ্যবাহী জাহাজত অপ্ৰৰোচিতভাৱে আক্ৰমণ কৰিছিল। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা নাছিল। চীনৰ এই আচৰণৰ পাছৰে পৰা দেশখনৰ স'তে ফিলিপাইন্সৰ সংঘাত বৃদ্ধি পাইছে।

টাইৱানৰ বায়ুসেনাত অন্তৰ্ভুক্ত হ'ল অত্যাধুনিক এফ ১৬ যুঁজাৰু বিমান

নিউজ ব্যুৰ', টাইপে, ১৮ নৱেম্বৰ ঃ টাইৱানে দেশখনৰ বায়ুসেনাত এফ-১৬ যুঁজাৰু বিমানৰ সবাতোকৈ অত্যাধুনিক সংস্কৰণ সংযোজন কৰিলে। স্বশাসিত দ্বীপ ৰাষ্ট্ৰখনে চীনৰ পৰা লাভ কৰি অহা ভাবুকিৰ পৰিপ্ৰেক্ষিতত এই অত্যাধুনিক মাৰ্কিন বিমান দেশখনৰ নিৰাপত্তাত নিয়োজিত কৰিবলৈ সিদ্ধান্ত ল'লে। আমেৰিকাই অতি উন্নত এফ-১৬ যুঁজাৰু বিমান টাইৱানক যোগান ধৰিলে। উল্লেখ্য যে অলপতে আমেৰিকাই ঘোষণা কৰি কৈছিল যে টাইৱানৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে মাৰ্কিন সেনাই সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব। এই প্ৰতিশ্ৰুতি ৰক্ষা কৰি পেন্টাগনে টাইৱানক এফ-১৬ যুঁজাৰু বিমান প্ৰদান কৰিলে।

পাকিস্তানত সংখ্যালঘুৰ ধৰ্মীয় স্বাধীনতা হৈছে হৰণ ঃ আমেৰিকাৰ উদ্বেগ

নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৮ নৱেম্বৰ ঃ পাকিস্তানত সংখ্যালঘুৰ ধৰ্মীয় স্বাধীনতা হৰণৰ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰিলে আমেৰিকাই। আমেৰিকাৰ বৈদেশিক সচিব এণ্টনী ব্লিংকনে পাকিস্তানত সংখ্যালঘুসকলে ধৰ্মীয় স্বাধীনতাৰ পৰা বঞ্চিত হোৱাৰ প্ৰসংগত মন্তব্য কৰি কয় যে পাকিস্তানত বসবাস কৰা সংখ্যালঘুসকলে নিজৰ ধৰ্মীয় অধিকাৰৰ পৰা বাধাগ্ৰস্ত হোৱাটো সঁচাকৈয়ে পৰিতাপৰ ঘটনা। পাকিস্তানৰ লগতে তালিবানৰ সন্দৰ্ভতো মাৰ্কিন বৈদেশিক সচিবজনে উদ্বেগ প্ৰকাশ কৰি কয় যে আফগানিস্তান আৰু পাকিস্তান উভয় ৰাষ্ট্ৰতে ইছলামৰ বাহিৰে আন ধৰ্মৰ লোকসকলে শংকাৰ মাজত জীৱন যাপন কৰিব লগা হৈছে।

২০২৫ৰ ভিতৰত যমুনা পৰিষ্কৰণৰ বাবে দিল্লী চৰকাৰৰ 'একচন প্লেন' প্ৰস্তুত

নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি ৰাজধানী চহৰখনত থকা লেতেৰা নলা-নৰ্দমা আৰু যমুনা নদীৰ পৰিষ্কৰণৰ সন্দৰ্ভত এখন সংবাদমেল অনুষ্ঠিত কৰে। এই সংবাদমেলত মুখ্যমন্ত্ৰীজনে ঘোষণা কৰি কয় যে ২০২৫ৰ ভিতৰত যমুনা সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰা হ'ব। যুদ্ধকালীন তৎপৰতাৰে যমুনা পৰিষ্কৰণৰ বাবে পৰিকল্পনা যুগুত কৰা হৈছে বুলি জানিবলৈ দি কেজৰিৱালে কয় যে ইয়াৰ বাবে এখন 'একচন প্লেন' ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। দিল্লীৰ সকলোবোৰ নলা-নৰ্দমাৰ লেতেৰা আৱৰ্জনা নিষ্কাশনৰ বাবেও বিশেষ আঁচনি যুগুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীজনে সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

মৈৰাবাৰীৰ আৰক্ষীৰ জালত তিনি

তিনি পৃষ্ঠাৰ পৰা মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। মৈৰাবাৰী থানাৰ অন্তৰ্গত তাঁতীকটা গাঁৱৰ পৰা ক্ৰমে ইজাজুল হক, আতাবুৰ ৰহমান আৰু ছাদ্দাম হুছেইনক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজনৰ পৰা আৰক্ষীয়ে ১২ টা ম'বাইল, ১৭৬ খন ছীম কাৰ্ড, ২১ খন পাণ কাৰ্ড, পাঁচখন এ টি এম কাৰ্ড আৰু ১০ খন আধাৰ কাৰ্ড জব্দৰ লগতে ভালেমান আপত্তিজনক তথ্য উদ্ধাৰ কৰিছে। মৈৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত যোৱা দলে তিনিওজনকে আটক কৰি পৰৱৰ্তী সময়ত মৈৰাবাৰী আৰক্ষী থানাত ৰুজু হোৱা ভাৰতীয় দণ্ড বিধিৰ ৪১৯/৪২০/৪৬৮/৩৪ৰ অধীনত ৪৭৯/২১ নম্বৰত আজি আদালতত হাজিৰ কৰি জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে মৈৰাবাৰীত পূৰ্বতে ভালেসংখ্যক ছাইবাৰ অপৰাধীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে যদিও নিতৌ নতুন নতুন কৌশল প্ৰয়োগ কৰি ছাইবাৰ অপৰাধ সংঘটিত কৰি আহিছে। এনে চক্ৰসমূহে আনৰ বেংকত জমা থকা ধন লুট কৰাৰ লগতে তেওঁলোকৰ নামত অনলাইন ঋণ লৈ পণবন্দী কৰি আহিছে।

তৰাণি বনাঞ্চলত সাংবাদিকক আক্ৰমণ

তিনি পৃষ্ঠাৰ পৰা বনাঞ্চলত। আজি পুনৰ তেনে এক ডকাইতিৰ দৰে ঘটনাৰ সন্মুখীন হয় ফিল'বাৰীৰ এজন যুৱ সাংবাদিক। ফিল'বাৰী-পেঙেৰী সংযোগী পথৰ তৰাণি বনাঞ্চলৰ মাজত নিৰ্জনতাৰ সুবিধা লৈ আজি চোকা অস্ত্ৰধাৰী দুই অচিনাক্ত দুৰ্বৃত্তই ফিল'বাৰীৰ সাংবাদিক ঘনশ্যাম ছেত্ৰীক আক্ৰমণৰ চেষ্টা চলায়। মটৰ চাইকেলেৰে বাতৰি সংগ্ৰহৰ বাবে উক্ত পথেদি পেঙেৰীলৈ গৈ থকা অৱস্থাত তৰাণি জংঘলৰ মাজত মুখত ক'লা কাপোৰ বন্ধা দুৰ্বৃত্তৰ দলটোৱে সাংবাদিকজনক আক্ৰমণ কৰে। সাংবাদিকজনে চিঞৰ-বাখৰ কৰাত অচিনাক্ত অস্ত্ৰধাৰী দলটো জংঘলৰ মাজলৈ পলায়ন কৰে। দুৰ্বৃত্তৰ আক্ৰমণত যুৱ সাংবাদিকজন কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হোৱাৰ লগতে মটৰ চাইকেলখনো চোকা অস্ত্ৰৰে ভাঙি চূৰমাৰ কৰে। ঘটনা সংঘটিত হোৱাৰ লগে লগে পেঙেৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্বৃত্তৰ সন্ধানত বনাঞ্চলখনত অভিযান চলাই যদিও বৰ্তমানলৈকে দুৰ্বৃত্তৰ কোনো সন্ধান লাভ কৰা নাই। সাংবাদিক ছেত্ৰীয়ে ইতিমধ্যে ঘটনা সম্পৰ্কে পেঙেৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে।

সাংসদ তপন গগৈৰ মাতৃৰ বিয়োগ

তিনি পৃষ্ঠাৰ পৰা আজি পুৱাৰ ভাগত কিছু অসুস্থতা অনুভৱ কৰে। চিকিৎসাৰ বাবে ততালিকে চৰাইদেউ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও আদবাটতে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে বিভিন্ন সামাজিক কামত সক্ৰিয়, সৰবৰহী মহিলা সৰুমাই গগৈয়ে এটা সময়ত গ্ৰামসেৱিকাৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ স্বামী নগেন গগৈ, একমাত্ৰ পুত্ৰ সাংসদ তপন গগৈ, বোৱাৰী সৃষ্টিবকুল বিনীতা আৰু বিবাহিতা কন্যা-জোঁৱাই নাতি-নাতিনীসহ বহুতো আত্মীয়- স্বজনক এৰি গৈছে। উল্লেখ্য যে সাংসদ গগৈৰ মাতৃ বিয়োগৰ খবৰ পোৱা মাত্ৰকে গুণমুগ্ধ বিভিন্নজনে সাংসদজনৰ বিমলাপুৰ তিনিআলিস্থিত বাসভৱনত ভিৰ কৰে। বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, বিজেপিৰ জিলা, মণ্ডলৰ কাৰ্যকৰ্তাৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি-কৰ্মীয়ে শেষ শ্ৰদ্ধা অৰ্পণ কৰে। ইফালে, সাংসদ গগৈৰ মাতৃৰ বিয়োগত বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আছু, আটাছু, টাইপা, আটছা, আগছুৰ লগতে চৰাইদেউ প্ৰেছ গীল্ড, সোণাৰি প্ৰেছ ক্লাব, চৰাইদেউ জিলা সাহিত্য সভা, সাপেখাতী প্ৰেছ ক্লাব, জিলা ক্ৰীড়া সন্থা আদিয়ে শোক প্ৰকাশ কৰিছে। আনহাতে, প্ৰাক্তন মন্ত্ৰীদ্বয় শৰৎ বৰকটকী আৰু হিৰণ্য কোঁৱৰ, মন্ত্ৰী যোগেন মহন আদিয়েও সাংসদ মাতৃৰ বিয়োগত শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

সৰুপেটাৰ বিশিষ্ট বাঁওপন্থী নেতা শংকৰ

তিনি পৃষ্ঠাৰ পৰা তোলাত আত্মনিয়োগ কৰে। ইয়াৰ পৰৱৰ্তী ১৯৭৫ত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা গঠনৰ উদ্দেশ্যে হোৱা নিৰ্বাচনত সাধাৰণ আৰু বিশেষ পৰিস্থিতিত হোৱা মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উপ-নিৰ্বাচনত তেওঁ দুবাৰকৈ মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হয়। তাৰ পাছতেই ১৯৭৭ত অসম আন্দোলনৰ আৰম্ভণিৰ সময়ছোৱাত বাঁওপন্থী নীতি আদৰ্শৰ বিৰুদ্ধাচাৰণকাৰী একাংশ ছাত্ৰ সংগঠনৰ নেতৃত্বত লক্ষ্য হৈ পৰে প্ৰয়াত বাঁওপন্থী নেতাজন। ফলত মেধাৱী ছাত্ৰৰূপে খ্যাত প্ৰয়াত পাঠকৰ স্নাতক ডিগ্ৰী লোৱাৰ বাসনা অপূৰণ হৈ ৰয়। অৱশেষত অলেখ ঠাইত আত্মগোপন কৰিও নিজৰ নিৰাপত্তা সুনিশ্চিত নোহোৱাত প্ৰয়াত পাঠকে মেঘালয়ৰ তুৰাত কে'বছৰো ঠিকাদাৰৰ অধীনত কাম কৰি নিজৰ পৰিয়ালক পোহপাল দিবলৈ বাধ্য হয়। অৱশ্যে পৰিস্থিতি শাম কটাত অসমলৈ উভতি আহি জীৱন-ধাৰণৰ কাৰণে নিজকে তেওঁ বিভিন্ন কামত ব্যস্ত ৰাখে। সমান্তৰালকৈ অঞ্চলটোত বাঁওপন্থী আন্দোলন সংগঠিত কৰাৰ কামতো তেওঁ আত্মনিয়োগ কৰে। আজি বাঁওপন্থী নেতাজনৰ মৃত্যুৰ সংবাদ পোৱাৰ লগে লগেই অসংখ্য গুণমুগ্ধ বিশেষকৈ বাঁওপন্থী নীতিৰ অনুগামী লোকসকলে তেওঁৰ বাসভৱনত ভিৰ কৰা পৰিলক্ষিত হয়। প্ৰাক্তন সাংসদ তথা বৰ্ষীয়ান বাঁওপন্থী নেতা উদ্ধৱ বৰ্মন, চি পি আই (এম) দলৰ কেন্দ্ৰীয় কমিটীৰ সদস্য তথা সাপ্তাহিক 'গণশক্তি' কাকতৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰ, চি পি আই (এম) দলৰ বৰপেটা জিলা কমিটীৰ সম্পাদক আজিজুৰ ৰহমান, কয়াকুছি আঞ্চলিক কমিটীৰ সম্পাদক পিয়াৰুল ইছলাম, ভৱানীপুৰ, আঞ্চলিক কমিটীৰ নেতা চিত্তৰঞ্জন দাস, অক্ষয় ডেকা, বিশ্বজিৎ পাঠক, নবীন দাস, নজৰুল ইছলাম আৰু ইমান আলীকে ধৰি অনেকেই প্ৰয়াত পাঠকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। চি পি আই (এম) দলৰ বৰপেটা জিলা কমিটী আৰু ভৱানীপুৰ আঞ্চলিক কমিটীয়ে প্ৰয়াত পাঠকৰ মৃতদেহত দলীয় পতাকা অৰ্পণ কৰাৰ উপৰি পুষ্পাৰ্ঘ নিবেদন কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত পাঠকে পত্নীৰে স'তে দুগৰাকী কন্যা, দুজন পুত্ৰ, জ্যেষ্ঠ ভ্ৰাতৃক এৰি যায়।

এনৰেগাৰ নামত কোটি টকাৰ লুণ্ঠন

তিনি পৃষ্ঠাৰ পৰা লাখ টকা, ডিফলু পঞ্চায়তত ৫১খন আঁচনিৰ বাবদ ৩১.০৫ লাখ টকা, হেৰাপট্টি পঞ্চায়তত ২৩ খন আঁচনিৰ বাবদ ১৪১.২৭ লাখ টকা, কাছমাৰী পঞ্চায়তত ১১খন আঁচনিৰ বাবদ ৬০.৫৬ লাখ টকা, কেন্দুগুৰি পঞ্চায়তত ৩৮খন আঁচনিৰ বাবদ ৩২.৮৪ লাখ টকা, লাওগাঁও পঞ্চায়তত ১১৪খন আঁচনিৰ বাবদ ১০২.৪২ লাখ টকা, ৰঙাগড়া হুজ পঞ্চায়তত ২২খন আঁচনিৰ বাবদ ৪৭.৯১ লাখ টকা আৰু শেনচোৱা পঞ্চায়তত ১৫খন আঁচনিৰ বাবে ৪৬.৮২ লাখ টকা আবন্টন দি মোকলাই দিয়া হৈছিল। বিভাগীয় তথ্যত প্ৰকাশ পোৱা অনুসৰি, দুয়োটা বিত্তীয় বৰ্ষতে আবন্টন লাভ কৰা সমূদায় ধন এনৰেগাৰ ১০১৭খন আঁচনিৰ কাম কৰাৰ নামত ব্যয় কৰা দেখুওৱা হৈছে। উন্নয়ন খণ্ডটোৰ ১১টা গাঁও পঞ্চায়তৰ বিভিন্ন ৰাইজে অভিযোগ কৰা অনুসৰি, উন্নয়ন খণ্ডটোৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহত এম জি এনৰেগাৰ আঁচনিসমূহ ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈছিল। আঁচনিৰ বিপৰীতে আবন্টন দিয়া ধনৰ ৬০ শতাংশ ধনো প্ৰকৃততে ব্যয় হোৱা নাছিল। অসংখ্য ভুৱা জবকাৰ্ডৰ ভুৱা শ্ৰমিকৰ নাম ব্যৱহাৰ কৰি একাংশ মধ্যভোগী আৰু স্বয়ম্ভূ ঠিকাদাৰৰ জৰিয়তে এনৰেগাৰ ধনৰ ওপৰত সামূহিকভাৱে লুণ্ঠন চলোৱা হৈছিল। বিভিন্ন পঞ্চায়তত যিসকল জবকাৰ্ডৰ শ্ৰমিকে এনৰেগাৰ কাম কৰা দেখুৱাই তেওঁলোকৰ একাউণ্টৰ জৰিয়তে ধন উঠোৱা হৈছিল তেওঁ লোকৰ ৮০ শতাংশ লোকেই কোনো কাম কৰা নাছিল বৰঞ্চ তেওঁ লোকৰ জবকাৰ্ডসমূহহে ব্যৱহাৰ কৰা হৈছিল বুলি ৰাইজে অভিযোগ তুলিছে। পঞ্চায়তৰ এনৰেগাৰ কামত ঠিকাদাৰী ব্যৱস্থা নিষিদ্ধ যদিও খাগৰিজান উন্নয়ন খণ্ডত একাংশ পঞ্চায়ত প্ৰতিনিধিৰ অঙহী-বঙহী আৰু তেওঁলোকৰ ঘনিষ্ঠ লোকেই স্বয়ম্ভূ ঠিকাদাৰৰ ৰূপত অৱতীৰ্ণ হৈ এনৰেগাৰ কামসমূহ কৰাৰো অভিযোগ উত্থাপিত হৈছে। ৰাইজৰ অভিযোগ অনুসৰি, এনৰেগাৰ কোনো এখন আঁচনিৰ কামেই সঠিকভাৱে হোৱা নাছিল। লাভৰ অংকক অধিক প্ৰাধান্য দিয়া হেতুকে অধিকাংশ আঁচনিয়েই বিভাগীয় প্ৰাককলন অনুসৰি হোৱা নাছিল। ইপিনে, উন্নয়ন খণ্ডটোৰ ১১টা গাঁও পঞ্চায়তত এম জি এনৰেগা আঁচনিৰ কামত সামগ্ৰীৰ শিতানতেই সৰ্বাধিক দুৰ্নীতি সংঘটিত হোৱা বুলিও ৰাইজে অভিযোগ তুলিছে।

উল্লেখ্য যে খাগৰিজান উন্নয়ন খণ্ডত মুঠ ১১খন গাঁও পঞ্চায়ত আছে যদিও এম জি এনৰেগাৰ আঁচনি ধৰা আৰু ধন আবন্টনৰ ক্ষেত্ৰত চৰম বৈষম্য কৰা পৰিলক্ষিত হৈছে। ২০১৯-২০২০ বিত্তীয় বৰ্ষত লাওগাঁও পঞ্চায়তত এনৰেগাৰ ৩২৪ খন আঁচনি ধৰি ৮২.৫ লাখ টকা, হেৰাপট্টি পঞ্চায়তত ১৩৭খন আঁচনি ধৰি ১০৭.০৩ লাখ টকা আৰু ভকতগাঁও পঞ্চায়তত ৯৯খন আঁচনি ধৰি ৯০.২১ লাখ টকা আবন্টন দিয়া হয় যদিও ইয়াৰ বিপৰীতে কাছমাৰী পঞ্চায়তত এখন, ৰঙাগড়া হুজ পঞ্চায়তত দুখন আৰু ডিমৰুগুৰি পঞ্চায়তত তিনিখন আঁচনিৰ বাবেহে এনৰেগাৰ সামান্য ধন মোকলাই দিয়া হৈছিল। ঠিক একেদৰে ২০২০-২০২১ বিত্তীয় বৰ্ষতো লাওগাঁও পঞ্চায়তত এনৰেগাৰ ১১৪খন আঁচনিৰ অধীনত ১০২.৮৪ লাখ টকা, হেৰাপট্টি পঞ্চায়তত ২৩ খন আঁচনিৰ অধীনত ১৪১.২৭ লাখ টকা, বৰভেটি পঞ্চায়তত ৩৩ খন আঁচনিৰ অধীনত ১০৪.৭৮ লাখ টকা আবন্টন দিয়াৰ বিপৰীতে বেবেজীয়া ডিমৌ বাংঠাই পঞ্চায়তত ৰচখন আঁচনিৰ অধীনত ৩৮.৬৮ লাখ টকা, ডিফলু পঞ্চায়তত ৫১খন আঁচনিৰ অধীনত ৩১.০৫, ৰঙাগড়া হুজ পঞ্চায়তত ২২খন আঁচনিৰ অধীনত ৪৭.৯১ লাখ টকাহে আবন্টন দিয়া হয়। এনৰেগাৰ আঁচনি ধৰা আৰু ধন আবন্টনৰ নামতো খাগৰিজান উন্নয়ন খণ্ডত চৰম বৈষম্য হোৱা বুলি ৰাইজে অভিযোগ তুলিছে।

কৃষ্ণ বন্দনাৰে মুখৰিত তেজপুৰ

তিনি পৃষ্ঠাৰ পৰা এইবাৰ ৰাইজৰ দীৰ্ঘদিনীয়া এক আশাও পূৰণ হৈছে আৰু এই ৯৪বছৰত প্ৰথমবাৰলৈ স্থায়ী মঞ্চত প্ৰদৰ্শিত হ'ব এইখন বিশেষ ৰাসৰ দশাৱতাৰৰ অংশ। উল্লেখ্য যে সমুহীয়া শ্ৰমদানৰে ৰাইজে ৰাসৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ লগতে ইতিমধ্যেই পৰিচালনা সমিতি, স্বেচ্ছাসেৱক, ভাৱৰীয়া আৰু গায়ন বায়ন সহ মুঠ ১৭০জনৰ ক'ভিড পৰীক্ষা সম্পন্ন কৰাৰ লগতে এইবাৰ এইখন ৰাসত শিশুক ভাও দিয়া হোৱা নাই ক'ভিড বিধিৰ বাবে। তেজপুৰীয়া ৰাইজৰ অন্যতম আকৰ্ষণ এই ৰাস উৎসৱ আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে । আজি পুৱা পাঁচ বজাত ঊষা কীৰ্তনৰে আৰম্ভ হয় কাৰ্যসূচী। কাইলৈ দ্বিতীয় দিনা বিয়লিৰ প্ৰসংগ আৰু নাম-কীৰ্তন আৰু ৰাস ভাওঁনা । একেদৰে তেজপুৰৰ দ্বিতীয়খন পুৰণা ৰাস ৮৬ সংখ্যক মিলন বাকৰি ৰাস মহোৎসৱ তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে ১৭, ১৮ আৰু ১৯ নৱেম্বৰত । ৰাইজৰ ব্যাপক সহযোগত এইখন ৰাসো সুন্দৰভাৱে অনুষ্ঠিত হৈ আহিছে। যোৱা নিশা ইয়াত গন্ধৰ্ব খোল-বাদনৰে আৰম্ভ হোৱা ৰাস মহোৎসৱত ১৮ নৱেম্বৰত পুৱা পাঁচ বজাত ঊষা কীৰ্তনৰ পিছতেই ৰাস মহোৎসৱৰ পতাকা উত্তোলন , বৃক্ষৰোপণ , খোল-বাদন, ৰাস পুজা অনুষ্ঠিত হয়। প্ৰথম নিশাৰ পাছত ৰাসৰ পাছত দ্বিতীয় দিনা পুৱাৰ গীত, ভকত বৈষ্ণৱৰ নাম কীৰ্ত্তন, খোল-বাদন আৰু মূল ৰাস ভাওনা আৰম্ভ হ'ব ক'ভিড মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ নীতি-নিৰ্দেশনা মানি চলিয়েই এইবাৰ ৰাস ভাওঁনা অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিয়ে কয়। চহৰখনৰ মাজগাঁও বৰনামঘৰতো দুদিনীয়াকৈ অনুষ্ঠিত হৈছে ৰাস ভাওঁনা। চহৰখনৰ সমীপৱৰ্তী ৰাধিকাপুৰ, বেছেৰীয়া, পৰ্বতীয়া আদি বিভিন্ন অঞ্চলতো ৰাস ভাওঁনা অনুষ্ঠিত হ'ব। ৰাসক কেন্দ্ৰ কৰি তিনিআলিতো ৰাইজৰ মাজত এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে । বালিপুখুৰী তিনিআলিৰ ৰাজহুৱা নামঘৰত ১৮ আৰু ১৯নৱেম্বৰত অনুষ্ঠিত ৰাসত প্ৰথম ১০গৰাকী শ্ৰেষ্ঠ গোপীলৈ বস্ত্ৰ উপহাৰ হিচাপে আগবঢ়োৱা হৈছে। ইপিনে পিঠাখোৱা কৃষক পুথিভঁৰাল প্ৰাংগনত ২২আৰু ২৩ নৱেম্বৰত অনুষ্ঠিত হ'ব ৰাস উৎসৱ। উল্লেখ্য যে, এই ৰাসত কেৱল মহিলাসকলেহে অভিনয় কৰিব। পিঠাখোৱাৰ মহিলা ৰাসত শ্ৰীকৃষ্ণৰ জন্মবৃত্তান্ত তথা কংস বধলৈকে মঞ্চায়ন কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে কাৰিকৰী পৰিকল্পনাৰ ৰূপ দিয়াত ব্যস্ত হৈ পৰিছে কৰ্মকৰ্তাসকল। কংশৰ কাৰাগাৰৰ দুৱাৰ স্বতঃস্ফূৰ্তভাৱে খোল খোৱাৰ লগতে যোগমায়া কংশৰ হাতৰ পৰা শূন্যলৈ ওপঙি যোৱা তথা বৈকুণ্ঠ, ব্ৰহ্মলোক, কৈলাসৰ মঞ্চায়নৰ বাবে ইতিমধ্যেই স্থানীয় শিল্পী ভাস্কৰ নাথে দিনে নিশাই কাম অব্যাহত ৰাখিছে। উল্লেখ্য যে বিহগুৰি কলিতা চুবুৰিৰ ৰাস উৎসৱত ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক নৃত্য-নাটিকাৰ জৰিয়তে উপস্থাপন কৰা হ'ব। ইন্দুকল্প হাজৰিকাৰ ৰচনা আৰু পৰিচালনাৰে এই ব্ৰহ্মাণ্ড বিশাল চৰিত্ৰক নাট্য ৰূপ দি গুৰুজনাৰ দৰ্শনক নৱপ্ৰজন্মৰ আগত তুলি ধৰা এই প্ৰয়াস 'মই শংকৰে কৈছো' এইবাৰ এইখন পুৰণা ৰাসৰ অন্যতম উল্লেখনীয় দিশ। তদুপৰি আজিৰে পৰা কমাৰ চুবুৰি নামঘৰ মহিলা সমিতিৰ উদ্যোগতো প্ৰথম বাৰ্ষিক ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। মহিলাৰ এইখন ৰাস তেজপুৰৰ সত্ৰিয়া সংস্কৃতিৰ এগৰাকী সাধক তথা ঐতিহ্যমণ্ডিত নিকামূল সত্ৰৰ বৰ বায়ন শ্ৰীকুমাৰ বৰুৱাৰ পৰিচালনাত প্ৰদৰ্শিত হ'ব। বৰুৱাৰ পৰিচালনাতে নিজ গৰৈমাৰী বেতনিঝাৰ ৰাস মহোৎসৱৰো আখৰা অব্যাহত আছে। স্থানীয় প্ৰেক্ষাগৃহত প্ৰদৰ্শিত হ'বলগীয়া এইখন ৰাস ২৬আৰ ২৭নৱেম্বৰত অনুষ্ঠিত হ'ব। আজি পুৱাৰে পৰাই তেজপুৰৰ চৌদিশে ৰাসৰ বাবে এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

নামেৰী ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীৰ গুলিচালনা

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১৮ নৱেম্বৰ ঃ জৈৱ-বৈচিত্ৰ্যতাৰে ভৰা নামেৰী ৰাষ্ট্ৰীয় উদ্যানত বন্য জন্তু বধৰ উদ্দেশ্যে প্ৰৱেশ কৰা এটা চোৰাংচিকাৰী দলৰে স'তে ৰাষ্ট্ৰীয় উদ্যানখনৰ বনৰক্ষী অভিযানকাৰী দলৰ মুখামুখি সংঘৰ্ষ সংঘটিত হোৱাৰ এক ঘটনা পোহৰলৈ আহিছে। উল্লেখ্য যে শোণিতপুৰৰ অসম-অৰুণাচল সীমান্তৰ ৰাষ্ট্ৰীয় উদ্যানখনত এটা চোৰাংচিকাৰীৰ দলে প্ৰৱেশ কৰাৰ বিষয়ে ১৪ নৱেম্বৰত নামেৰী বনাঞ্চলিক বিষয়াই আগতীয়া তথ্য লাভ কৰিছিল আৰু সেই অনুসৰি ৰাষ্ট্ৰীয় উদ্যানখনত বনকৰ্মীয়ে চোৰাংচিকাৰীৰ সন্ধান আৰম্ভ কৰে। 15 নৱেম্বৰৰ নিশা প্ৰায় 12–30 বজাত অৰুণাচল সীমান্তলৈ প্ৰায় ডেৰ কিলোমিটাৰমান দূৰত্বত উদ্যানখনৰ মাজৰ বিজি নলা নামৰ স্থানত চোৰাংচিকাৰীৰ অৱস্থিতি উদ্ধাৰ কৰে বনৰক্ষীৰ দলে। লগে লগে তিনিজনীয়া চোৰাংচিকাৰী দলটোৱে বনৰক্ষীৰ দললৈ লক্ষ্য কৰি গুলিচালনা কৰে আৰু লগে লগে বনৰক্ষীসকলেও প্ৰত্যুত্তৰ দিয়ে। বনৰক্ষীৰ প্ৰত্যাক্ৰমণত তিষ্ঠিব নোৱাৰি চোৰাংচিকাৰীৰ দলে অন্ধকাৰৰ সুযোগ লৈ পলায়ন কৰিবলৈ সক্ষম হয় যদিও বৰক্ষীয়ে শোণিতপুৰ হস্তনিৰ্মিত বন্দুকসহ বহু আপত্তিজনক সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। বনৰক্ষীৰ দলটোৱে চোৰাংচিকাৰীয়ে এৰি যোৱা দুটা হস্তনিৰ্মিত বন্দুকসহ 12 জাঁই গুলিৰ লগতে আন আপত্তিজনক সামগ্ৰী জব্দ কৰে। উল্লেখ্য যে বহু মূল্যৱান জীৱ-জন্তু, পক্ষী, পখিলা, অৰ্কিড, গছ আৰু সৰীসৃপৰে ভৰা এইখন ৰাষ্ট্ৰীয় উদ্যানত প্ৰয়োজনীয় বনকৰ্মীৰ অভাৱ। আন্তঃৰাজ্যিক সীমালৈকে বিস্তৃত ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰত 25টা বনৰক্ষী শিৱিৰ আছে যদিও এই শিৱিৰ আছে যদিও ইয়াত প্ৰয়োজন অনুসৰি বনৰক্ষী নিয়োগতে সমস্যাৰ উদ্ভৱ হৈ আহিছে। বৰ্তমান এই ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ বাবে আৰু কমেও 40–50জন বনকৰ্মীৰ অতি আৱশ্যক যদিও এই ক্ষেত্ৰত চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। বেদখল, জীয়াভৰলীত শিল বালিৰ চোৰাং বেহাকে ধৰি ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰৰ মূল্যৱান গছ আৰু পহু তথা গাহৰি হত্যা কৰাৰ উদ্দেশ্যে চোৰাংচিকাৰীয়ে সঘনাই সুযোগ লোৱাৰ চেষ্টা কৰে বনৰক্ষীৰ অভাৱৰ বাবেই। ব্যঘ্ৰ সংৰক্ষিত ৰাষ্ট্ৰীয় উদ্যান হোৱা সত্ত্বেও এইখন ৰাষ্ট্ৰীয় উদ্যানক চৰকাৰীভাৱে অৱহেলা কৰা হৈছে বুলিও বহুসংখ্যক বন্যপ্ৰাণীপ্ৰেমীয়ে দীৰ্ঘদিনৰ পৰাই আক্ষেপ প্ৰকাশ কৰি আহিছে।

ঠেলামৰাৰ বৰগাঁও প্ৰাথমিক বড়ো সাহিত্য সভাৰ সোণালী জয়ন্তী অনুষ্ঠানৰ সামৰণি

বড়ো ভাষা অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাইছে ঃ প্ৰশান্ত বড়ো

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৮ নৱেম্বৰ ঃ

'বড়ো ভাষাৰ স্বীকৃতি পোৱা প্ৰায় কুৰি বছৰ হ'বৰ হ'ল যদিও বড়ো ভাষা সাহিত্য আজি যিদৰে গতিশীল হ'ব লাগিছিল ঠিক তেনেদৰে নহ'ল। সমান্তৰালকৈ বড়ো ভাষাৰ প্ৰতি চৰকাৰৰ কৰণীয় যথেষ্ট আছে যদিও এই ভাষা-সাহিত্যক ত্বৰান্বিত কৰাত চৰকাৰৰ সদিচ্ছা যথেষ্ট কম। যাৰ বাবে আজি এই ভাষা-সাহিত্য যথেষ্ট লেহেমীয়া গতিত আগবাঢ়িছে। এই মন্তব্য বড়ো সাহিত্য সভাৰ সম্পাদক প্ৰধান প্ৰশান্ত বড়োৰ। উল্লেখ্য যে বড়ো সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে বৰগাঁও প্ৰাথমিক বড়ো সাহিত্য সভাই আয়োজন কৰা সোণালী জয়ন্তীৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই মন্তব্য প্ৰদান কৰে। ১৫, ১৬ আৰু ১৭ নৱেম্বৰত শোণিতপুৰ জিলাৰ ঠেলামৰা ৰাজহ চক্ৰ অঞ্চলৰ শিলিখাবাৰীৰ মৌচুম পথাৰত আয়োজিত এই সমাৰোহত অংশগ্ৰহণ কৰি তেওঁ বড়ো মাধ্যমৰ প্ৰতি বড়ো ৰাইজৰ অনীহাত উদ্বেগ প্ৰকাশ কৰে। এই ভাষা অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে কমি যোৱা বিষয়টো যথেষ্ট চিন্তনীয়। সময় থাকোতেই যদি বড়ো জনগোষ্ঠীৰ ভাষা সাহিত্য কৃষ্টি-সংস্কৃতিৰ প্ৰতি সজাগ সচেতন নহয় তেন্তে জনগোষ্ঠীৰ যথেষ্ট ক্ষতি হ'ব বুলি উল্লেখ কৰি আৰু কয় যে এই ক্ষেত্ৰত বড়ো সাহিত্য সভাই বড়ো ভাষা, সাহিত্য, সংস্কৃতি আৰু শৈক্ষিক ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ দায়িত্ব গুৰু দায়িত্ব বহন কৰিব লাগিব বুলি উল্লেখ কৰে। আনহাতে, এই মুকলি সভাত উপস্থিত থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ফাগুনা বৰমহলীয়াই যুৱ প্ৰজন্মক বড়ো সাহিত্য সংস্কৃতিৰ উন্নতিৰ বাবে অধ্যয়ন আৰু অধিক চৰ্চা কৰিবলৈ আহ্বান জনায়। বড়ো ভাষাত অধ্যয়ন কৰিও বিশ্বৰ যিকোনো ঠাইত প্ৰতিষ্ঠা লাভ কৰিব পাৰি। বৰ্তমান বড়ো ভাষা অষ্টম অপসূচীত স্বীকৃতিপ্ৰাপ্ত ভাৰতীয় ভাষা বুলি উল্লেখ কৰে। ইফালে, বড়ো চলচ্চিত্ৰ শিল্পী জংশ্বাৰ ব্ৰহ্মই বড়ো সাহিত্য-সংস্কৃতি উত্তৰণৰ বাবে আজিৰ যুৱ প্ৰজন্মই বড়ো ভাষাক যিদৰে প্ৰাধান্য দিব লাগিছিল তাৰ ইয়াৰ বিপৰীতে ইংৰাজী মাধ্যমৰ ভাষাতহে যথেষ্ট প্ৰাধান্য দিয়া দেখা যায়। ই জাতিৰ বাবে শুভ লক্ষণ নহয় বুলি উল্লেখ কৰে। এই মুকলি সভাতেই সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সনালু আৰু বৰগাও প্ৰাথমিক বড়ো সাহিত্য সভাৰ ছানজাৰাং নামে দুখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। বৰগাঁও আঞ্চলিক বড়ো সাহিত্য সভাৰ উদ্যোগত তিনিদিনীয়াকৈ অনুষ্ঠিত এই সোণালী জয়ন্তী সমাৰোহৰ অন্তিম দিনৰ মুকলি সভাত অতিথি হিচাপে উপস্থিত থাকে চিদলি সমষ্টিৰ বিধায়ক জয়ন্ত বড়ো, সদৌ চাওতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি মিন্টু হেমৰম,বড়ো সাহিত্য সভাৰ আজীৱন সদস্য লীলাধৰ বড়ো, গাভৰুপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি বদন কেওট,বড়ো সাহিত্য সভাৰ শোণিতপুৰ জিলাৰ উপ-সভাপতি মদন বসুমতাৰীৰ লগতে ভালেসংখ্যক ব্যক্তিয়ে।

জাগীৰোডত দুই তীৰ ব্যৱসায়ীসহ

তিনি পৃষ্ঠাৰ পৰা দুজনক আটক কৰাৰ লগতে দুয়োৰে পৰা নগদ ৪০ হেজাৰ টকা জব্দ কৰে। তদুপৰি দুয়োজনৰ পৰা তীৰ খেলুৱৈৰ টিকট আৰু বেংক পাছবুক জব্দ কৰে। অভিযোগ মতে, দুয়োজনে শিলভঙাত দীৰ্ঘদিনৰ পৰা অবৈধভাৱে তীৰ খেলৰ ঘাটি পাতি আহিছিল। ইফালে, নিশাই আন এক অভিযান চলাই আৰক্ষীয়ে হুছেইন আলী নামৰ এজন ড্ৰাগছ ব্যৱসায়ীক আটক কৰে। ড্ৰাগছ ব্যৱসায়ীজনৰ পৰা আঠটা ড্ৰাগছ কণ্টেইনাৰ জব্দ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে তিনিওকে জেললৈ প্ৰেৰণ কৰিছে।

জামুগুৰিহাটত পুনৰ সক্ৰিয় গৰু

তিনি পৃষ্ঠাৰ পৰা নিছে। কোৱামৰা গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক প্ৰসন্ন দাসেও বিগত সময়ছোৱাত গাঁওখনৰ পৰা বহুতো গৰু চুৰি হৈছে বুলি উল্লেখ কৰি আনকি বিগত বছৰত তেওঁৰ গোহালিৰ পৰা দুটা হালোৱা গৰুও চুৰি কৰি নিয়ে বুলি সদৰী কৰিছে। বলেৰ' পিকআপ ভানত আহি গৰুসমূহ চুৰি কৰি নিয়ে গৰু চুৰি চক্ৰটোৱে। এই গৰু চুৰি চক্ৰটোৰ স'তে এটা বৃহৎ চক্ৰ জড়িত হৈ আছে বুলিও তেওঁ অভিযোগ কৰে। উল্লেখ্য যে জামুগুৰিহাটত দক্ষিণ পশ্চিম প্ৰান্তত ২০ টাৰো অধিক চৰ চাপৰিত একাংশ সন্দেহজনক লোকে বাস কৰি আহিছে। এইসকল লোকৰ ছত্ৰছায়াতে গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে বুলি তেওঁলোকে অভিযোগ কৰে। এই ক্ষেত্ৰত প্ৰশাসনক কঠোৰ ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

মৌলিক চাহিদা পূৰণ কৰাত

তিনি পৃষ্ঠাৰ পৰা লোকলৈ আৰ্থিক সহযোগিতা আগবঢ়োৱা হৈছে যাতে সেইসকল লোকে সামাজিক মৰ্যাদা অটুট ৰাখি, নিজ স্বাভিমান ৰক্ষা কৰি সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে। প্ৰধানমন্ত্ৰীৰ মোদীৰ এনে পদক্ষেপক সকলোৰে শলাগ ল'বই লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে মন্তব্য কৰে। অন্ন-বস্ত্ৰ-বাসস্থান মানুহৰ মৌলিক চাহিদা। সেয়ে এই চাহিদা পূৰণ কৰিবলৈ বিজেপি চৰকাৰ সদায়ে দায়বদ্ধ। এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সকলো হিতাধিকাৰীক পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে অৰ্থৰ সদ্ব্যৱহাৰ কৰিবলৈকো আহ্বান জনায় কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে। ডিব্ৰুগড়ত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণ আৰু গাঁও পৰিকল্পনা বিভাগৰ সৌজন্যত চহৰখনৰ আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত সজাগতা অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, ভাৰপ্ৰাপ্ত উপায়ুক্ত সঞ্জয় দত্ত, জিলা আৰক্ষী অধীক্ষক শ্বেটাং মিশ্ৰাৰ লগতে অন্যান্য সকল উপস্থিত থাকি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ চহৰাঞ্চলৰ হিতাধীকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ সভাপতি অসীম হাজৰিকাই কয় যে আজি এক ঐতিহাসিক দিন। আজিৰ এই অনুষ্ঠানৰ জৰিয়তে 811 গৰাকী হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন মুকলি কৰি দিয়া হৈছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনৰ লাইখুঁটাস্থলী পৰিদৰ্শন আছুৰ নেতৃবৰ্গৰ

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ১৮ নৱেম্বৰ ঃ ২০২২ৰ চাৰি ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়াকৈ নাহৰকটীয়া ৰাঙলী পথাৰৰ ককা বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিবেশন। অধিবেশনলৈ অহা লাখ লাখ ভকতক সদৌ অসম ছাত্ৰ সন্থাই কিদৰে আপ্যায়ন কৰিব পৰা যাব সেই সন্দৰ্ভত আলোচনা কৰিবলৈ আজি নাহৰকটীয়া ৰাঙলী পথাৰত থকা উদ্‌যাপন সমিতিৰ অস্থায়ী কাৰ্যালয়ত উপস্থিত হয় আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। তেওঁ শ্ৰীমন্তশংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলাৰ সভাপতি কুল হাজৰিকা, সম্পাদক ভবেশ ভূঞা, উদ্‌যাপন সমিতিৰ সভাপতি জয়ন্ত নাথ, সাধাৰণ সম্পাদক হৰি প্ৰসাদ গগৈ, সহকাৰী সম্পাদক আদিত্য নিৰ্মলীয়াসহ বিষয়ববীয়াসকলৰ লগত মত বিনিময় কৰাৰ উপৰি অধিবেশনস্থলী পৰিদৰ্শন কৰে। তেওঁ কয়, আছুই অধিবেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ কোনো ধৰণৰ কুণ্ঠাবোধ নকৰে।' সন্থাৰ কৰ্মকৰ্তাসকলে অধিবেশনলৈ অহা লাখ লাখ ভকতক আদৰিবলৈ সাজু হোৱাৰ লগতে শ্ৰমদানৰ জৰিয়তে অধিবেশনখন সাফল্যমণ্ডিত কৰিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ পাছতে ছাত্ৰনেতাজনে ছহিদ পূৰ্ণকান্ত নিৰ্মলীয়াৰ অসুস্থ মাতৃ প্ৰমিলা নিৰ্মলীয়াৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে তেওঁৰ আশু আৰোগ্য কামনা কৰে। উক্ত কাৰ্যসূচীত বৰুৱাৰ লগত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক তচেন ডেকা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত, সাধাৰণ সম্পাদক অৱনী গগৈ, উপ-সভাপতি জয়ন্ত কোঁৱৰ প্ৰমুখ্যে নাহৰকটীয়া, নামৰূপ আৰু দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

বৰভাগ গ্ৰন্থমেলাৰ ধীৰেশ্বৰাচাৰ্য সোঁৱৰণী ক্ষেত্ৰত গ্ৰন্থপ্ৰেমীৰ ভিৰ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৮ নৱেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগত চলি থকা বৰভাগ গ্ৰন্থমেলা-২১ৰ আজি তৃতীয় দিনা ৰাতিপুৱাৰে পৰা শিশুৰ কলৰৱেৰে মুখৰিত হৈ পৰে। পুৱাৰে পৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু গ্ৰন্থক্ৰয়ৰ বাবে বিপণীসমূহত বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহজনক উপস্থিতিয়ে বিপণীৰ স্বত্বাধিকাৰী আৰু আয়োজক সমিতিক উৎসাহিত কৰা পৰিলক্ষিত হয়। আজি দিনৰ ভাগৰ তুলনাত সন্ধিয়াৰ ভাগত গ্ৰন্থমেলাত ১০ খন গ্ৰন্থ বিপণীতে গ্ৰন্থপ্ৰেমীৰ ভিৰে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। প্ৰতিখন বিপণীতে বিক্ৰী সন্তোষজনক আছিল। পুৱা ১০ বজাৰ পৰাই গ্ৰন্থমেলা থলীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ ছাত্ৰী আৰু পঢ়ুৱৈ আহি বিপণীসমূহত ভিৰ কৰা পৰিলক্ষিত হয়। নৱপ্ৰজন্মৰ উৎসাহজনক সহাৰিয়ে আয়োজক সমিতিৰ লগতে গ্ৰন্থ প্ৰকাশনৰ স্বত্বাধিকাৰী সকলকো আনন্দিত কৰে। এই ক্ষেত্ৰত পাণ বজাৰৰ বান্ধৱ প্ৰকাশনৰ স্বত্বাধিকাৰী পংকজ শৰ্মাই আজি 'দৈনিক অগ্ৰদূত'ৰ আগত কয় বৰভাগৰ নিচিনা গ্ৰামাঞ্চলত গ্ৰন্থমেলাৰ সঁহাৰিয়ে আমাক উৎসাহিত কৰিছে। নৱপ্ৰজন্মৰ পৰা ব্যাপক সঁহাৰি পাইছো। ৰেখা প্ৰকাশনৰ কল্যাণ কলিতায়ো সমানে উৎসাহী হৈছে। তেওঁ গ্ৰামাঞ্চলত গ্ৰন্থৰ যি বিক্ৰী সঁচাকৈয়ে ভাল লাগিছে। গল্প উপন্যাসৰ বিক্ৰীৰ তুলনাত শিশু পুথিৰ বিক্ৰী আশাব্যঞ্জক বুলি উল্লেখ কৰে। গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা অসম প্ৰকাশন পৰিষদৰ পুলকেশ মিশ্ৰই কয়, 'যোৱা দুদিনৰ তুলনাত আজি আমি আশা দেখিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি পাইছো।' তেওঁ কয় যে আয়োজন সুন্দৰ। কাইলৈৰ সামৰণিৰ দিনা আৰু সঁহাৰি পোৱাৰ আশা কৰিছো। উল্লেখ্য যে গ্ৰন্থমেলাত নগাঁৱৰ শংকৰদেৱ প্ৰকাশন, গুৱাহাটীৰ প্ৰজ্ঞা মিডিয়া হাইফ, পাঞ্চজন্য প্ৰকাশন, নলবাৰীৰ শৰ্মা প্ৰকাশন, নৱোদয় প্ৰকাশন আৰু সেউজী সেউজী প্ৰকাশনেও বৰভাগৰ নিচিনা গ্ৰামাঞ্চলত আয়োজিত গ্ৰন্থৰ উৎসৱে উৎসাহিত কৰা বুলি মত ব্যক্ত কৰে। উল্লেখ্য যে বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহামহোপাধ্যয় ধীৰেশ্বৰাচাৰ্য সোঁৱৰণী ক্ষেত্ৰত আজি পুৱা ন বজাত ৰং উৰে পাখি মেলি শীৰ্ষক চিত্ৰাংকন প্ৰতিযোগিতাত জিলাখনৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি গ্ৰন্থমেলাথলীক এক অনন্য মাত্ৰা প্ৰদান কৰে। উল্লেখ্য যে ৰং উৰে পাখি মেলি শীৰ্ষক এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাজ্যিক বটাঁপ্ৰাপ্ত অৱসৰী শিক্ষক জ্যোতিষ চন্দ্ৰ ভূঞাই। উদ্বোধন কৰি অৱসৰী কৃতী শিক্ষকজনে কয় যে চিত্ৰ শিল্পই শিশুসকলৰ মন-মগজু উৰ্বৰ কৰে। চিত্ৰ অংকনৰ জৰিয়তে শিশুসকলৰ প্ৰাথমিক জ্ঞানৰ ধাৰণা সুদৃঢ় হয়। সেয়ে শিশুসকলক সৰুৰ পৰাই অভিভাৱকসকলে ঘৰত অথবা প্ৰশিক্ষণ কেন্দ্ৰত শিক্ষা দিব লাগে। ভাষণত তেওঁ পুনৰ কয় যে প্ৰথমবাৰৰ বাবে অনুষ্ঠিত বৰভাগ গ্ৰন্থমেলাত ৰং উৰে পাখি মেলি শীৰ্ষক অনুষ্ঠানে গ্ৰন্থমেলাক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট চিত্ৰশিল্পী অবিনাশ মজুমদাৰ। শিল্পীজনে অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক উদেশ্যি চিত্ৰকলাৰ ওপৰত বিষদ বাখ্যা আগবঢ়ায়। ১০-৩০ বজাত জিজ্ঞাসা শীৰ্ষক বীণা লহকৰ সোঁৱৰণী সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা প্ৰায় দুই শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতা পৰিচালনা কৰে দৈনিক অসম কাকতৰ উপ-সম্পাদক তথা কুইজ মাষ্টাৰ দীপাংকৰ কৌশিক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ দেৰাজউদ্দিন আহমেদে। দিনৰ দুই বজাত আৰম্ভ হয় 'বিশ্লেষণ' শীৰ্ষক বৰভাগ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ কনক চন্দ্ৰ হালৈ সোঁৱৰণী আলোচনা চক্ৰ। 'অন্ধবিশ্বাস-কুসংস্কাৰ দূৰীকৰণ আৰু বৈজ্ঞানিক মানসিকতা দূৰীকৰণত সামাজিক আন্দোলনৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰখন মুকলি কৰে লেখক সমীন্দ্ৰ মহন্তই। সন্ধিয়া 'মোৰ মাটিৰ গান' শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠানেৰে তৃতীয় দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে।

বাগানপাৰাত হাতীৰ গছকত মৃত্যু

অগ্ৰদূত বাৰ্তা

বাগানপাৰা, ১৮ নৱেম্বৰ ঃ বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত নিছলামাৰীত আজি নিশা ১০ বজাত হাতী খেদিবলৈ গৈ এজন লোকৰ মৃত্যু হয়। এটা হাতীৰ জাকে অঞ্চলটোত বিগত এমাহ ধৰি উপদ্ৰৱ চলাই আছিল। আজি নিশা ধান খাই থকা অৱস্থাত হাতীৰ জাকটোক খেদিবলৈ যোৱাৰ সময়তে প্ৰহ্লাদ বৈশ্য (৪০) নামৰ এজন লোকক হাতীয়ে আক্ৰমণ কৰাত তেওঁৰ মৃত্যু হয়।

অধ্যাপক প্ৰয়াত ড০ ভাৰত কলিতাৰ দুখন গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৮ নৱেম্বৰ ঃ ভাৰতীয় ইতিহাসবিদ, স্তম্ভ লেখক, ভাৰতীয় প্ৰতিৰক্ষা শৈক্ষিক প্ৰতিষ্ঠানৰ অধ্যাপক প্ৰয়াত ড০ ভাৰত কলিতাৰ আজি প্ৰথম বাৰ্ষিক আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰাক্তন অধ্যক্ষ ড০ গজেন্দ্ৰ অধিকাৰীয়ে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত পৰিয়ালবৰ্গৰ হৈ ড০ জুৰী ভাৰত কলিতা, জুমি কলিতা আৰু ভুবেশ ডেকাৰ সমূহীয়া প্ৰচেষ্টাত দুখনকৈ গ্ৰন্থ তেওঁৰ বাসভৱনত উন্মোচন কৰা হয়। ১৯৮৬ত প্ৰকাশিত তেওঁৰ গৱেষণা গ্ৰন্থ মধ্যযুগত অসমৰ সামৰিক কাৰ্যকলাপৰ 'মিলিটাৰী এক্টিভিটিজ ইন মেডিএভেল আছাম' নামত আজি পুনৰ তৃতীয়বাৰৰ বাবে প্ৰকাশ পায়। লগতে বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ পটভূমিত তেওঁ লিখা 'এ মোল ই এ ব্ৰেষ্ট' শীৰ্ষক গ্ৰন্থখনৰ দীপক ঠাকুৰীয়াই অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থ 'বক্ষ চিহ্ন' উন্মোচন কৰা হয়। এই গ্ৰন্থ দুখন উন্মোচন কৰে বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু দক্ষিণ-পূব ভাৰত সপ্তাহ ভাৰতীৰ পৰিদৰ্শক হেমন্ত ধিং মজুমদাৰে। বিধায়ক ঠাকুৰীয়াই কলিতাৰ স'তে থকা সম্পৰ্কৰ কথা উল্লেখ কৰি ভাৰত কলিতা অকল অসমৰ নহয়, ভাৰতবৰ্ষৰ এজন ইতিহাসবিদ আছিল বুলি দোহাৰে। ৰাজনৈতিক দিশতো বিচক্ষণতাৰ পৰিচয় থকা কলিতাৰ মৃত্যু সমাজৰ বাবে যথেষ্ট ক্ষতি বুলি তেওঁ কয়। আনহাতে, মজুমদাৰে কিছুমান মানুহ পৃথিৱীৰ পৰা নোহোৱা হৈ গ'লে সমাজৰ বহুত লোকচান হয় আৰু এনে এজন ব্যক্তি ভাৰত কলিতা আছিল বুলি মন্তব্য কৰে। উন্মোচনী সভাত দিলীপ শৰ্মাই অংশগ্ৰহণ কৰি তেওঁৰ ব্যক্তিত্বক ইমান সহজে ঢুকি পোৱাটো সম্ভৱপৰ নহয় বুলি দোহাৰে।

দৈনিক
অগ্ৰদূত

গোপী-কৃষ্ণৰ ৰাস নৃত্য পৰ নাৰীৰ লগত পৰপুৰুষৰ যৌন মিলনৰ আনন্দ অনুভূতি সৰ্বস্ব যেন লাগে। ইয়াক পৰকীয়া প্ৰেম বুলিও ক'ব পাৰি। নিজৰ ধৰ্ম পত্নীক শয্যা সংগিণী কৰাটো স্বাভাৱিক সংসাৰ ধৰ্ম বুলি সমাজে গণ্য কৰে। অৱশ্যে চুৰ কৰি খোৱা বস্তু যেনে স্বাদযুক্ত ঠিক তেনেকৈ পৰপুৰুষ-নাৰীৰ লুকাই চুৰকৈ কৰা সম্ভোগ উত্তেজনা পূৰ্ণ আৰু অধিক তৃপ্তি দায়ক। ইয়াকেই আধ্যাত্মিক ব্যাখ্যাৰে বুজাব খোজা হৈছে যে মিলন আকাংক্ষাৰ সেইধৰণৰ উত্তেজনা ভক্তৰ ভগৱানৰ লগত তীব্ৰ মিলন আকাংক্ষাৰ উত্তেজনা।

বেজবৰুৱাৰ বিচাৰত ৰাস পঞ্চাধ্যায়

■ ভৱানীপ্ৰসাদ অধিকাৰী

ৰাসলীলা তত্ত্বত গোপীসকলৰ কৃষ্ণভক্তিৰ বাহ্যিক বা স্থূল ৰূপটো লৌকিক। অৰ্থাৎ শ্ৰীকৃষ্ণৰ প্ৰতি থকা প্ৰগাঢ় প্ৰেম দৈহিক জৈৱিক ক্ষুধা ৰূপে চিত্ৰিত বা বৰ্ণিত হৈছে। গোপী-কৃষ্ণৰ ৰাস নৃত্য পৰ নাৰীৰ লগত পৰপুৰুষৰ যৌন মিলনৰ আনন্দ অনুভূতি সৰ্বস্ব যেন লাগে। ইয়াক পৰকীয়া প্ৰেম বুলিও ক'ব পাৰি। নিজৰ ধৰ্ম পত্নীক শয্যা সংগিণী কৰাটো স্বাভাৱিক সংসাৰ ধৰ্ম বুলি সমাজে গণ্য কৰে। অৱশ্যে চুৰ কৰি খোৱা বস্তু যেনে স্বাদযুক্ত ঠিক তেনেকৈ পৰপুৰুষ-নাৰীৰ লুকাই চুৰকৈ কৰা সম্ভোগ উত্তেজনা পূৰ্ণ আৰু অধিক তৃপ্তি দায়ক। ইয়াকেই আধ্যাত্মিক ব্যাখ্যাৰে বুজাব খোজা হৈছে যে মিলন আকাংক্ষাৰ সেইধৰণৰ উত্তেজনা ভক্তৰ ভগৱানৰ লগত তীব্ৰ মিলন আকাংক্ষাৰ উত্তেজনা। ভাগৱতৰ ৰাসলীলাৰ অধ্যয়নে এই তত্ত্ব সহজ বোধ্য কৰি তোলে। শ্ৰীকৃষ্ণৰ নানা লীলা মায়াৰ চতুৰালি যিমানেই বাঢ়ি গৈছে গোপীসকলৰ যৌন কামনাৰ উত্তেজনাও সিমানেই তীব্ৰতৰ হৈছে। জ্যোৎস্না ধৱলিত শাৰদী নিশা যমুনা তীৰত চিকমিকাই থকা বলুকা ৰাশি আৰু বৃন্দাবনৰ জোপোহাৰ আঁৰে আঁৰে ধাৱিত আকুলিত কাম বিহ্বলা গোপী সকলৰ অৱস্থা চাওক ঃ 'সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত।।û পূৰিয়া পঞ্চম নাদ বঢ়াইলা মদন।û শুনি কামে বিমোহিত ভৈল গোপীগণ।।ûচিতক ধৰিলা। কৃষ্ণে এৰি কৰ্ম আন।û মধুৰ মূৰ্তিক মাত্ৰ কৰৈ ধ্যান।।ûকৃষ্ণক দেখিতে উত্ৰাৱল হয়া বৰ।ûধ্বনি নিৰীক্ষণে সবে দিলেক লৰৱ।।'

ঘৰ সংসাৰ এৰি কৃষ্ণ কৃষ্ণ বুলি ঢাপলি মেলা গোপীসকল সাধাৰণ দৃষ্টিত কামাতুৰী নাৰী। নিজৰ নিজৰ স্বামী আৰু সতি-সন্ততি থকা সত্ত্বেও তেওঁলোকে কৃষ্ণপ্ৰেমত মজি দেহ অৰ্পণ কৰিবলৈ উত্ৰাৱল। কৃষ্ণও সমানেই পৰকীয়া প্ৰণয়ৰ বাবে উদ্বাউল। কিন্তু দুষ্ট কৃষ্ণই একো নজনাৰ ভাও জুৰি গোপী সকলক সুধিছে ঃ 'কি ভৈল কি ভৈল কিয় আসিলা লৰৱি।। কিবা উতপাত আসি মিলিল ব্ৰজত।ûভগনীয়া যেন সবে পৰিল বনত।।û কল্যাণে আসিলা তোমাসাৰ বাৰ্তা ভাল।" কিবা প্ৰিয় কৰ্ম কৰোঁ কহিয়ো সকাল।।'

কৃষ্ণৰ কথাত গোপীসকল লজ্জিত হ'ল। মুখেৰে একো উত্তৰ দিব নোৱাৰি কেৱল মিচিকিয়াই হাঁহিলেহে আৰু যেন সেই লাজ আৰু হাঁহিৰ মাজেদি ব্যক্ত হ'ল যৌন বাসনা চাৰিতাৰ্থ কৰাৰ আকাংক্ষা। কৃষ্ণ অন্তৰ্যামী। চকুমুখৰ অভিব্যক্তি দেখিয়েই গোপীসকলৰ চিত্তচাঞ্চল্যৰ বুজ পাইছে। কৃষ্ণই অনুভৱ কৰিব পাৰিছে যে যৌন বাসনা চাৰিতাৰ্থ নকৰাকৈ গোগীসকল কোনো পথ্যে উভতি নাযায়। তথাপি গোপীসকলৰ মনোবাঞ্ছাৰ সম্ভেদ ল'বলৈ কৃষ্ণই গোপীসকলক ওভতাই পঠাবলৈ বুলি ক'বলৈ ধৰিলে ঃ 'স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।ûপুত্ৰসব পুষিব কৰিয়া গৃহকৰ্ম।।' পুনৰ কোৱা হৈছে এই বুলি ঃ 'তোমাসাক নেদেখিয়া পিতৃ-মাতৃ ভাই।û পতিপুত্ৰচয় চাই ফুটৈৰ ঠাই ঠাই।।ûলগ নাপাই মনে বৰ মিলিব সংশয়।û পালটি গুচায়ো গৈয়া তাসম্বাৰ ভয়।।' গোপীসকলে গৃহস্বামিত্ব পৰিত্যাগ কৰি শ্ৰীকৃষ্ণৰ দাসত্ব বা দাস্য বিচৰাৰ কাৰণেই হ'ল ভগৱন্তৰ সুন্দৰ ৰূপত তেওঁলোক বিমোহিত। বেজবৰুৱাই মূলৰ শ্লোকসহ শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুবাদসহ উপস্থাপন কৰি সত্যাসত্য প্ৰতিষ্ঠা কৰিছে। আমি অসমীয়া অনুবাদটোহে উদাহৰণ হিচাপে তুলি দিলোঁ। যেনে ঃ 'অলকা আবৃত তোমাৰ মুখ।û অধৰ সুধাক দেখন্ত সুখ।।ûভ্ৰুৱযুগ তযু ঈষত হাসি।û দেখি প্ৰভু তাক ভৈলোঁহো দাসী।।' তোমাৰ ৰূপত মুগ্ধ হৈ আমি ধৰ্ম ত্যাগ কৰিবলৈ প্ৰস্তুত, কাৰণ সেই ৰূপত ত্ৰিভুৱন পুলকিত। অকল এয়াই নহয়, তোমাৰ প্ৰেমত তৰু-তৃণ-লতা পল্লৱ, পশু-পক্ষী সকলো মুগ্ধ ঃ 'আছোক আন বৃক্ষ-পশু-পক্ষী।û প্ৰেমে পুলকিত তোমাক দেখি।। আমি তোমাৰ কিংকৰী। আমি জানো তুমি ব্ৰজৰ ভয় বিনাশ কৰিবৰ নিমিত্তে অৱতাৰ হৈছো ঃ 'ব্ৰজৰো তুমি দুঃখ-ভয়.....' এতেকেÐ 'জানিয়া জুৰায়ো আমাৰ প্ৰাণ।û শিৰত হস্ত-পদ্ম দিয়ো দান।।' গোপীসকলে কৃষ্ণক ক'লে ঃ হে কৃষ্ণ, পতি-পুত্ৰ সমন্বিতে সংসাৰৰ সকলোকে সেৱা কৰাটো যে তিৰোতা মানুহৰ পৰম ধৰ্ম সেইটো সকলোৱে বুজে, আমিও জানো। কিন্তু আমাৰ স্বাভাৱিক বিশ্বাস, যে তুমিয়েই আমাৰ পতি আৰু তুমিয়েই ত্ৰিজগতৰ পতি। পতি মানে কি? যি সৰ্ব প্ৰকাৰে ৰক্ষা কৰিব পাৰে, তেৱেঁই পতি। যি পতিৰ ওচৰলৈ উভতি যাবলৈ তুমি আমাক কৈছা, সেই পতিয়ে নিজকে ৰক্ষা কৰিব নোৱাৰে, তেওঁ আকৌ আমাৰ পতি বা ৰক্ষক হ'ব কেনেকৈ? সেই পতি নামতহে পতি, কাৰ্যত উপপতি হে। তুমিহে আচল পতি। যি পতিয়ে নিজকে সুখী কৰিব নোৱাৰে, তেওঁ পত্নীক সুখী কৰিব কেনেকৈ? তুমিয়েই স্বভাৱতে সকলোৰে চিৰপতি। তুমি নিত্যানন্দ পৰমানন্দ স্বৰূপ। তোমাৰ সেৱাতেহে জীৱই অনন্ত আনন্দ লাভ কৰিব পাৰেÐ ঃ 'তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্মল নিৰ্গুণ দেৱ'ûমোৰ প্ৰভু নাৰায়ণÐএ, স্বৰূপ আনন্দে সদা সুখী।' বেজবৰুৱাই আলোচনাটোৰ 'ঘোষা'টোৰে পৰিপূৰ্ণ ৰূপ দিলে। এই আলোচনাৰ অন্তৰালৰ মূল বক্তব্য হ'ল শ্ৰীকৃষ্ণৰ গাত ঈশ্বৰত্ব আৰোপ কৰাটো। তাকে প্ৰকৃতি-পুৰুষ এই দুই পদবাচ্যৰে প্ৰতিপন্ন কৰিব বিচৰা হৈছে। ব্যাখ্যাটো এনেকৈ দিছে ঃ এই জগতত পুৰুষ মাথোন এজন। 'একমেৱাদ্বিতীয়ম্'। তেওঁৰ বাহিৰে বাকী আটাইবোৰ প্ৰকৃতি। সেই অদ্বিতীয় পুৰুষ তুমিয়েই। মানুহে ভ্ৰমত পৰি যিবোৰক পতি বুলি আশ্ৰয় কৰে, বাস্তৱিকতে সেইবোৰ প্ৰকৃতিহে। প্ৰকৃতিয়ে প্ৰকৃতিৰ স'তে বিবাহ কৰি কেতিয়াও সুখী হ'ব নোৱাৰে। যেতিয়া জীৱই নিজক প্ৰকৃতি বুলি জানিব, আৰু তোমাকহে এক মাথোন পুৰুষ বুলি জানিব, তেতিয়া মায়া মুগ্ধ পাৰ্থিৱ নাম মাত্ৰ পতিক পৰিত্যাগ কৰি তোমাকে মাথোন পতিবৰণ কৰি অখণ্ড আনন্দ লাভ কৰিব। আমি সেই বাবেই তোমাৰ শৰণাপন্ন হৈ তোমাক আমাৰ পতি বুলি বৰণ কৰিছোঁ। পুত্ৰই আমাক কি নৰকৰপৰা উদ্ধাৰ কৰিব? পুত্ৰৰ নিজৰে অৱস্থা তেনেকুৱা। উদ্ধাৰকৰ্তা মাথোন তুমি। তোমাৰ সেৱাতেই পুত্ৰক লালন পালন কৰি তোলাৰ উদ্দেশ্য সম্পূৰ্ণৰূপে সাৰ্থক হয়। এতেকে আমাক 'নালাগে পতি পুত্ৰ দুঃখ হেতু। তুমিয়েই এই জগত সুহৃদ। কাৰণ তুমি নিজানন্দত পৰিপূৰ্ণ ঃ তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰম দেৱ,û প্ৰাণ প্ৰভু পীতাম্বৰ এ।û তুমিহে কেৱল আত্মা মোৰ।।' এইখিনিতে আন এটি আলোচনাৰ প্ৰসংগলৈ আনিব পাৰি। অৰ্থাৎ উল্লিখিত আলোচনাৰ পৰিপূৰক। কৃষ্ণৰ কথাত গোপীসকলে মুখেৰে একো নক'লেও চকু-মুখৰ ভাৱ-ভংগীত বা দেহ অৱয়ৱত গোপীসকলৰ সঞ্চাৰী ভাৱৰ উদ্ৰেক হৈছিল। সেই কাৰণে কৃষ্ণৰ লগত পূৰ্ণ মিলন নঘটালৈকে তেওঁলোকে সেই স্থান এৰি উলটি নাযায়। কুলস্ত্ৰীৰ ধৰ্ম সম্পৰ্কত কৃষ্ণই সকীয়াই দিছিল এই বুলি ঃ 'স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।û পুত্ৰসৱ পুষিব কৰিয়া গৃহ কৰ্ম।।' লগতেÐ 'উপপতি সমে ক্ৰীড়া কৰ্ম গৰিহিত।ûপৰ্বত প্ৰমাণ পাপ সৌকাৰ্য কিঞ্চিত।।ûইহলোকে নিন্দা পৰলোকে মহা ভয়। স্বামী যেৰে জানৈ মিলৈ পৰম সংশয়।।' এনে বুজনিতো গোপীসকল নিমাত। অন্তহীন আবেগ অনুভূতিয়ে ভিতৰি দহি মাৰিবলৈ ধৰিলে সেই সকল গোপীক। তেওঁলোকৰ অন্তৰৰ আকুল প্ৰেম বাসনা লৌকিক। মনুষ্য মাত্ৰৰে এনে দেহজ প্ৰেমানুভূতি স্বাভাৱিক। এই যে লৌকিক অথচ পৰকীয়া প্ৰেমÐ তাকেই অলৌকিক ভগৱৎ প্ৰেমলৈ ৰূপান্তৰ কৰিবলৈ কবিয়ে প্ৰয়াস কৰিছে। ভগৱদ্ গীতাৰ কৃষ্ণই নিজকে স্বয়ং ভগৱান বুলি কৈছে অৰ্থাৎ কৃষ্ণস্তু ভগৱান স্বয়ম্। এই উক্তিৰ পাছত কৃষ্ণক ভগৱানৰ আসনত বহুৱাই হিন্দুধৰ্মৰ লোকে যুগ যুগ কৃষ্ণ স্তুতি কৰি আহিছে। সেই কাৰণে কৃষ্ণই কৈছে ঃ

'আমাকেসে স্নেহে যেৰে আইলা সৱে সখী।।û কৰিলা যুগুত ইটো অনুচিত নুই।ûআনো প্ৰাণীসৱ মোক দেখি সুখী হুই।।' এইজন কৃষ্ণকে ভগৱান ৰূপে মানি অহা হৈছে। আৰু মনুষ্যজনে পাব বিচাৰে। কিন্তু কৃষ্ণক পাবলৈ তেওঁৰ ওচৰলৈ ঢপলিয়াই অহাৰ প্ৰয়োজন নাই। তেওঁ কৈছে ঃ 'আন চিন্তা এৰিয়া মনত মোক ধৰে।û সততে মহন্তে মোৰ গুণ নাম স্মৰে।। বিদূৰতে থাকি কৰে শ্ৰৱণ কীৰ্তন। ûবাঢ়ে মোত ভকতি নিৰ্মল হোৱে মন।।û দেখন্তে শুনন্তে সদা হেলা হোৱৈ মতি। জানিয়া গৃহতে থাকি কৰিয়ো ভকতি।।' শেষত যেনিবা গোপীসকলৰ মুখত মাত ফুটিল। মৰ্মভেদী বেদনাৰে কৃষ্ণৰ চিত্তত আকুল আবেদন জনাই ক'লে ঃ 'সকল গৃহ সুখ তেজি ভজিলো তোমাৰ পাৱেû ভকত বৎসল হেন জানিû কায়বাক্য মনে আমি তোমাকেসে সেৱা কৰোঁû কেনে বোলা নিদাৰুণ বাক।û ভকতক ত্যাগ প্ৰভু তোমাৰ উচিত নুই দাসী বুলি ধৰিয়ো তোমাক।।' আনহাতে 'তুমি জগতৰে আত্মা তোমাৰ সেৱাত পাইûপৃথিৱীৰ যত মহা ধৰ্ম।।' এই উপলব্ধিকে বেজবৰুৱাই বিশ্লেষণ কৰিছে কীৰ্তন ঘোষাৰ পদ উদ্ধৃতিৰে। তেওঁৰ আলোচনাত কোৱা হৈছে এইদৰে ঃ 'আত্মাৰ প্ৰতি সকলো জীৱৰে প্ৰেম স্বাভাৱিক। সেই আনন্দময় অন্তৰাত্মা তুমি আমাৰ সমুখত। তোমাক পাই আমাৰ কৰ্তব্য শেষ হ'ল। যি তোমাক আত্মা বুলি নাজানে, সি তোমাৰ উপদেশ শুনি ঘৰলৈ উভতি গৈ জড় পতিপুত্ৰাদিৰ সেৱা কৰকগৈ। আমি আৰু নাযাওঁ, কাৰণ আমাৰ তেনেকুৱাবোৰ ধৰ্মানুষ্ঠান কৰিবৰ আৰু আৱশ্যক নাই।' এই খিনিতে বেজবৰুৱাই কীৰ্তন ঘোষাৰ দুফাকি পদ তুলি দিছে ঃ 'পাইলো পাইলোৱে প্ৰাণধন মুৰাৰি।û দিলা দেখা দামোদৰজীৱন হামাৰি।।' পুনৰ কীৰ্তনৰ পদÐ 'গোপীৰ শুনিয়া আকুল বাণী। ভৈলন্ত সদয় সাৰঙ্গপাণি।।û হাসিয়া বোলন্ত এৰিয়ো তাপû গোপীক ক্ৰীড়িলা জগত বাপ।।'

যদিও যোগেশ্বৰ ঈশ্বৰৰ আত্মাৰাম, তথাপি তেওঁ ভক্তবাঞ্ছা পূৰণ কৰিবৰ মনেৰে আৰু বহিৰ্মুখ গোপীসকলক অন্তৰ্মুখ কৰিবৰ নিমিত্তে, তেওঁলোকৰ নিৰ্মল মনৰ ভাৱ জানি তেওঁলোকৰ স'তে ৰাসক্ৰীড়া আৰম্ভ কৰিলে। তেওঁ বুজিছিল যে গোপীসকলৰ দ্বিতীয় জ্ঞান বিনষ্ট হৈছে। ক্ৰীড়াৰ অন্তত অৰ্থাৎ বিহাৰ সুখ লাভ কৰি অন্তৰত থকা অহংভাৱ আহিল আৰু গৰ্বত ওফন্দি উঠিল। তেওঁলোকে ভাবিলে আমাৰ সমান ভাগ্যৱতী নাই, আমি মদন মোহনকো মোহিত কৰিলোঁÐ 'আমাৰ সমান সুভাগিনী নাই।û ভৈলন্ত অধীন যাদৱ ৰায়।' অন্তৰ্যামী কৃষ্ণই সেইটো জানিব পাৰি তৎক্ষণাৎ অন্তৰ্দ্ধান হ'লÐ 'তাসম্বাৰ দৰ্প হৰিবৰ মনে।ûভৈল অন্তৰ্দ্ধান তৈতে তেখনে।।' বেজবৰুৱাই ৰবীন্দ্ৰ নাথৰ কবিতাৰ পৰা চয়ন কৰি দাঙি ধৰিছে তলৰ স্তৱকটো ঃ 'মাঝে মাঝে তব দেখা পাই।û চিৰদিন কেন পাইনা?ûকেন মেঘ আসেûহৃদয় আকাশে,ûতোমাৰে হেৰিতে দেয়না।' তেতিয়া গোপীসকলে কৃষ্ণৰ মায়াৰ তাৎপৰ্য বুজা নাছিল। সেই কাৰণে ঃ 'কৃষ্ণক নাপাই পাছে গোপীচয়û মিলিল সন্তাপ ভৈলন্ত ভয়।' কৃষ্ণৰ অন্তৰ্দ্ধানত বিতত বিহ্বলা গোপীগণে শ্ৰীকৃষ্ণৰ 'বিচেষ্টা জগৃহুঃ অৰ্থাৎ তেওঁৰ লীলাৰ অনুকৰণ কৰি ক্ৰীড়া কৰিবলৈ ধৰিলে। তেওঁলোকে ভাবিলে 'আমিয়েই শ্ৰীকৃষ্ণ'। এই ভাৱত বিভোৰ গোপী সকলে মৃগপত্নী, পৃথিৱী, লতা, তৰু তৃণকো কৃষ্ণৰ বাতৰি সুধিলে ঃ 'সমস্ত বিহ্বল হুয়া গোপীনী।û কৰে কৃষ্ণলীলা কতো আপুনি।।' বেজবৰুৱাই ঘোষা-কীৰ্তন, গীতা, উপনিষদ আদিৰপৰা বিভিন্ন উদাহৰণ দাঙি ধৰি সমস্ত ৰাসক্ৰীড়া, ভক্ত-ভগৱন্তৰ সম্পৰ্ক আৰু জীৱাত্মা-পৰমাত্মাৰ আধ্যাত্মিক ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। ইফালে গোপীসকল কৃষ্ণভগৱন্তৰ একান্ত সেৱিকা মাথোন। তেওঁলোকে যদিও শ্ৰীকৃষ্ণক স্বামীৰূপে বৰণ কৰিছে। কৃষ্ণ বিৰহ কৃষ্ণৰ লগত মিলনৰ তীব্ৰ আকাংক্ষা বা বাসনা থকাসত্ত্বেও ভক্ত-ভগৱন্তৰ সম্পৰ্কৰ প্ৰসংগও বাৰে বাৰে টানি আনিছেÐ 'সব তেজি তোমাৰেসে চৰণ কৰিলো সাৰû মৰণ কালত গতি তুমি।।' ইয়াৰ পাছৰ অৱস্থাটো অতি আকৰ্ষণীয়û অৰ্থাৎ কৃষ্ণই লৌকিকতাৰে গোপীসকলক ৰমণ কৰি পৰিতৃপ্ত কৰিলে। চাওক ঃ 'আনন্দে গোবিন্দে গোপীকাৰ বঢ়াই কাম।û ৰমিলা শৰত ৰাতি আতি অবিশ্ৰাম।ûকৰিয়া সুৰতি সন্তোষিলা মনমথ।û নিৰন্তৰে গোপীৰ পুৰিলা মনোৰথ।।' ৰাসলীলাৰ এইজনা কৃষ্ণক স্থূলৰূপতেই চাব পাৰি। কিন্তু কবিয়ে সেই দোষ মৰিষণৰ নিমিত্তে পদ কৰিছে এইদৰে ঃ 'পৰম ঈশ্বৰ যিটো ব্ৰহ্মাৰ নমস্য।ûভৈলা ভকতিতে গোপ যুৱতীৰ বশ্য।।' গোপীসকলে যেন একান্ত ভক্তিৰেহে কৃষ্ণক স্বামীৰূপে পাবলৈ সমৰ্থ হ'ল, কৃষ্ণ তেওঁলোকৰ বশ হ'ল।

ফোন ঃ ৯৮৬৪০৭৯০১৯

ভাৰতীয় সনাতন সমাজত শ্ৰীকৃষ্ণৰ ৰাসলীলাক আধ্যাত্মিক দৃষ্টিভংগীৰে উদ্‌যাপন কৰি আহিছে। ভাগৱত, বিষ্ণুপুৰাণ, গীত গোবিন্দ, হৰিবংশ, কেলিগোপাল আদি গ্ৰন্থত শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাসনৃত্যক ভিন ভিন ভাৱত ৰূপায়িত কৰা হৈছে।

শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু ৰাস উৎসৱ

■ শ্যামসুন্দৰ জালান

'**সৰ্ব**বেদান্ত সাৰংহি শ্ৰীভাগৱত মিষ্যতে।'

শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধ অনুপম। ইয়াৰ ঊনত্ৰিংশ অধ্যায়ৰ পৰা ত্ৰয়স্ত্ৰিংশ অধ্যায়লৈকে কৃষ্ণৰ ৰাসলীলাৰ বৰ্ণনা সুন্দৰভাৱে লিপিবদ্ধ হৈছে। 'শ্ৰীকৃষ্ণৰ ৰাসলীলা জীৱ-ব্ৰহ্মৰ আলিংগনৰ অভিনয়।' মহাপুৰুষ শংকৰদেৱৰ মতে ৰাসলীলাৰ তাৎপৰ্য হ'ল জীৱাত্মাৰ স'তে পৰমাত্মা শ্ৰীকৃষ্ণৰ লীলা।

ৰাসলীলাৰ তাৎপৰ্যত গোপীসকলক পৰনাৰী ৰূপে দেখুৱাই ভগৱন্তৰ ভক্তক পাবৰ উৎকণ্ঠা দেখুওৱা হৈছে। অৰ্থাৎ জীৱৰ এনে ধৰণৰ উৎকণ্ঠা হ'লেহে জীৱই ভগৱানক পাব পাৰে। আচলতে এইবোৰৰ মাজতহে ৰাসলীলাৰ তাৎপৰ্য নিহিত হৈ আছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল যে ৰাসলীলাত সম্ভোগ নাই, ফল আছে, কামনা নাই, তৃপ্তি আছে, সম্ভোগ নাই, আনন্দ আছে।

১৯শ অধ্যায়ত 'শাৰদোৎফুল্ল মল্লিকা' দেখি কৃষ্ণৰ মধুৰ বংশী ধ্বনিৰ উদ্ভৱ হয় আৰু মোহাবিষ্টা গোপীসকলে উধাতু খাই বৃন্দাবনলৈ গমন কৰে। শ্ৰীকৃষ্ণই গোপীসকলৰ ভক্তি পৰীক্ষা কৰিবৰ উদ্দেশ্য কুলবধুৰ কৰ্তব্য সোঁৱৰাই দি ঘৰলৈ উভতি যাবলৈ নিৰ্দেশ দিয়ে—

উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম।
স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ মহা ধৰ্ম।।
যদিবা আমাক স্নেহে আইলা গোপীগণ।
মোক আৰে দেখিলা সিজিল প্ৰয়োজন।।
কীৰ্তন ঘোষা
ৰাসক্ৰীড়া-১৭

সাধাৰণ দৃষ্টিত ৰাসলীলা শ্ৰীকৃষ্ণ আৰু গোপীসবৰ দৈহিক মিলন লীলা যেন অনুভৱ হয়। কিন্তু ৰাসলীলাৰ তেনেকুৱা উদ্দেশ্য হ'লে শ্ৰীমদ্ভাগৱতৰ দৰে গভীৰ দাৰ্শনিক তত্ত্বৰে পৰিপূৰ্ণ গ্ৰন্থ এখনত ই কেতিয়াও ঠাই নাপালেহেঁতেন।

ভক্ত আৰু ভগৱানৰ মাজৰ সম্পৰ্ক পাঁচ প্ৰকাৰৰ। যেনে বাৎসল্য ভক্তি, শান্ত ভক্তি, দাস্য ভক্তি, সখ্য ভক্তি আৰু শৃংগাৰাত্মক ভক্তি। ৰাসলীলাত গোপী কৃষ্ণৰ যি সম্পৰ্ক, সেই সম্পৰ্কৰ ভক্তি হ'ল শৃংগাৰাত্মক ভক্তি। শ্ৰীমন্ত শংকৰদেৱে ৰাসলীলাৰ বিষয় বস্তুক তিনি ঠাইত বৰ্ণনা কৰিছে। কিন্তু বিষয়বস্তু একেই। মূল ভাগৱত অসমীয়ালৈ অনুবাদ ১৪টা অধ্যায়ত কৰিছে। দ্বিতীয়তে ৰাসক্ৰীড়াৰ খণ্ডৰ ১৮টা কীৰ্তনত আৰু তৃতীয়তে কেলি গোপাল নাটকত ৰাসলীলা সম্পৰ্কে বহুলভাৱে বৰ্ণনা কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ ওপৰত উল্লিখিত তিনিওখন ৰচনাতে গোপী কৃষ্ণৰ মাজৰ সম্পৰ্কক ভক্ত আৰু ভগৱানৰ মাজৰ সম্পৰ্ক বুলি শ্ৰোতা, ভক্ত আৰু দৰ্শকক বাৰে বাৰে সোঁৱৰাই দিছে। শ্ৰীমন্ত শংকৰদেৱে কেলিগোপাল নাটকত আৰম্ভণিতে কৈছে—

'কেলি গোপাল নামেদং নাটকং মুক্তি সাধকম'

শ্ৰীকৃষ্ণৰ প্ৰিয়তমা ৰাধা বয়সত ডাঙৰ আছিল আৰু বিবাহিতা আছিল। ৰাধাৰ স্বামীৰ নাম আয়ন বুলি কোৱা হয়।

শ্ৰীকৃষ্ণ অনুপম ৰূপৰ সাগৰ আছিল। ৰাধাৰ নয়নে শ্ৰীকৃষ্ণক নিজৰ হৃদয়ৰ মাজতে বিচাৰি পাইছিল। শ্ৰীকৃষ্ণৰ মুখৰ মাতত যেন লুকাই আছিল আনন্দৰে ভৰা প্ৰেমানন্দৰ প্ৰণয়ময়ী ছবি-প্ৰতিচ্ছবি। আকৰ্ষিতা ৰাধাই নিজকেই যেন হেৰুৱাই পেলাইছিল। শ্ৰীকৃষ্ণৰ মধুৰ সেউজ বাগিচাময় হৃদয়ত। লাহে লাহে শ্ৰীকৃষ্ণৰ বাঁহীৰ মনোমোহা সুৰত ৰাধা কৃষ্ণময় হৈ পৰিল। ক্ষণে প্ৰতি ক্ষণে কৃষ্ণই নৃত্যৰ জুনুকাৰ লয়লাসে ৰাধাক সাবটি কঁহুৱাৰ মাজে মাজে যেন অপসূয়মান হ'ব পাৰিছিল।

ৰাধাৰ পিতৃ বৃষভানুয়ে তেওঁৰ মিত্ৰৰ পুত্ৰ আয়নৰ লগতেই ৰাধাৰ বিয়াৰ কথা ঠিক-ঠাক কৰি দিছিল যদিও ৰাধাৰ মনত কোনোধৰণৰ আনন্দ শিহৰণ জাগি উঠা নাছিল। ৰাধা আগৰ দৰেই গীত গাই থকা চৰাই-চিৰিকটি, নাচি-বাগি ফুৰা ময়ূৰ, প্ৰস্ফুটিত ফুল, হেম্বেলিয়াই থকা গাই গৰু আদিৰ লগতেই হাঁহি-ধেমালি কৰি থকা ৰাধা মাথোঁ নিজৰ আৰু কৃষ্ণৰ মাজতেই মজি থাকে।

মাখন চোৰ কৃষ্ণই গোপী সবৰ ঘৰলৈ গৈ মাখন চুৰি কৰি খাইছিল। গোপীসবে কৃষ্ণৰ কথা মা যশোদাক বাৰে বাৰে সকীয়াবলৈ আহিছিল। কৃষ্ণই ভাবিলে যদি মই মাখন চুৰি কৰা বাদ দিওঁ আৰু পানী তুলিবলৈ যোৱা গোপী সবৰ কলহ ফুটাব নোৱাৰিলে জীয়াই থকাৰ আনন্দই দেখোন নোহোৱা হ'ব।

এনেবোৰ কথা ভাবি ভাবি কৃষ্ণই যমুনা তীৰ পালেগৈ। তাত দেখিলে গোপীসৱে দেখোন কাপোৰ-কানি খুলি বিৱস্ত্ৰা হৈ যমুনাত জলক্ৰীড়া কৰাত মগ্ন হৈ আছে। কৃষ্ণই ভাবিলে মা যশোধাৰ আগত গোপীসবে সদায় মোৰ কথা লগাই থাকে। সেয়ে তেওঁলোকক এটি শিকনি দিয়াটো উচিতেই হ'ব বুলি ভাবিলে। খুব সন্তৰ্পণে পাৰলৈ গৈ কৃষ্ণই গোপীসবৰ কাপোৰবোৰ তুলি টোপোলা বান্ধি লৈ গছৰ ওপৰ পালেগৈ। এনেদৰে পাতৰ আঁৰে আঁৰে নিজকে লুকাই ৰাখি কৃষ্ণই জলক্ৰীড়াকেই উপভোগ কৰি থাকিল।

কিছু সময় পাছত গা-পা ধুই গোপীসৱ নদীৰ পাৰত আহি নিজৰ নিজৰ কাপোৰ-কানি নেদেখি হতবাক হৈ পৰিল। ইফাল-সিফাল একোকে নেদেখি গছৰ ওপৰলৈ মূৰ তুলি কৃষ্ণক দেখি কাকূতি-মিনতি কৰিবলৈ ধৰিলে। তেতিয়া কৃষ্ণই মা যশোদাৰ আগত গৈ তেওঁৰ কথা আৰু লগাবলৈ ক'লে। গোপীসবে আৰু কোনো দিনেই মা যশোদাৰ আগত এনেবোৰ কোনো কথা নকওঁ বুলি ক'লে।

গোপ কুমাৰিকা সবে বস্ত্ৰ থৈয়া তিৰে।
বিবস্ত্ৰে নামিলা গৈয়া যমুনাৰ নীৰে।।
বস্ত্ৰ লৈয়া উঠিলাহা কদম্বৰ গাছে।
নানা উপহাস কৰি বস্ত্ৰ দিলা পাছে।
(কীৰ্তন ৭২৩)

তেতিয়াহে কৃষ্ণই গছৰ পৰাই গোপীসৱৰ বস্ত্ৰ ঘূৰাই দিলে আৰু বাঁহী বাদনেৰে ঘৰমূৱা হৈ গৈ থাকিল।

ভাৰতীয় সনাতন সমাজত শ্ৰীকৃষ্ণৰ ৰাসলীলাক আধ্যাত্মিক দৃষ্টিভংগীৰে উদ্‌যাপন কৰি আহিছে। ভাগৱত, বিষ্ণুপুৰাণ, গীত গোবিন্দ, হৰিবংশ, কেলিগোপাল আদি গ্ৰন্থত শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাসনৃত্যক ভিন ভিন ভাৱত ৰূপায়িত কৰা হৈছে।

ভক্তই যি ভাৱেই ভগৱানক স্মৰণ কৰে ভগৱানে সেইভাৱেই তেওঁৰ ভক্তৰ মনোৰম পূৰ্ণ কৰে। ভক্তিতত্ত্বৰ মূলাধাৰ হৈছে ৰাসক্ৰীড়া খণ্ড। গতিকে ৰাসলীলাৰ মূল তত্ত্বই হ'ল ভক্ত আৰু ভগৱানৰ একাকিকৰণ। পৰম আনন্দময় ব্ৰহ্ম, পৰম পুৰুষ সনাতন বিগ্ৰহ শ্ৰীকৃষ্ণ আৰু প্ৰকৃতিৰূপা বিশ্ব চৰাচৰৰ প্ৰতিনিধি গোপনাৰীসকলৰ মাজৰ নিৰ্মল প্ৰেমৰ লীলা-ৰহস্যই হ'ল ৰাসক্ৰীড়া বা ৰাসলীলা।

ফোন ঃ ৯৭০৬০৩০৬০৪

ৰাসক্ৰীড়াত আধ্যাত্মিক ঈশ্বৰ তত্ত্ব

■ প্ৰফুল্ল প্ৰাণ মহন্ত

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱত আৰু কীৰ্তনৰ সৃষ্টিয়েই প্ৰেম আৰু ভক্তিৰ এক মহানুভৱ নিদৰ্শন দাঙি ধৰি ৰাসক্ৰীড়াৰ দৰে এক অভূতপূৰ্ব কাহিনীয়ে লেখাসমূহ আমোদজনক কৰি সৃষ্টি কৰিছে। বিশ্ববিখ্যাত টলষ্টয়-ডষ্টভস্কিৰ সৰ্বকালৰ উপন্যাস সাহিত্য সম্ভাৰসমূহকে যেন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰাসলীলাই চেৰ পেলাইছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশ্ব বিখ্যাত প্ৰেম গাথাৰে সংস্পৰ্শ থকা ঐতিহ্যমণ্ডিত ৰাসলীলাৰ কাহিনীয়ে পাঁচশ বছৰৰ পূৰ্বেই বিশ্বত খলকনি লগাইছিল। সেই সময়ত বিশ্ববাসীক সৰ্বদেশী ভাষাৰে প্ৰচাৰ কৰিব নোৱৰাৰ বাবেই নিজৰ দেশতে বৰ্তি থাকিবলগীয়া হ'ল। সেয়া হৈছে ৰাসলীলাৰ দৰে মহান মানুহৰ অন্তৰ জয় কৰিব পৰা কাহিনী। ইয়াত কেৱল মানৱীয় প্ৰেমগাথাৰ কাহিনীয়েই নহয় ঈশ্বৰৰ ভক্তি ভাৱৰ মহাকাহিনীও জড়িত। মানৱ জীৱনৰ প্ৰৱৰ্তন কৰ্তা প্ৰেম আৰু ভক্তিভাৱৰ বিননিত ব্যঞ্জনাই ইয়াক বিৰল সৃষ্টি ৰূপে প্ৰতিপন্ন কৰাই আহিছে। বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱত আৰু কীৰ্তনৰ সৃষ্টিয়েই প্ৰেম আৰু ভক্তিৰ এক মহানুভৱ নিদৰ্শন দাঙি ধৰি ৰাসক্ৰীড়াৰ দৰে এক অভূতপূৰ্ব কাহিনীয়ে লেখাসমূহ আমোদজনক কৰি সৃষ্টি কৰিছে। বিশ্ববিখ্যাত টলষ্টয়-ডষ্টভস্কিৰ সৰ্বকালৰ উপন্যাস সাহিত্য সম্ভাৰসমূহকে যেন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰাসলীলাই চেৰ পেলাইছে। কালিদাসৰ মেঘদূত-ঋতু সম্ভাৰ অভিজ্ঞানম শকুন্তলাৰ প্ৰেম আৰু সাহিত্যকো যিভাৱে ভাৰতীয় সাহিত্য প্ৰাচীন আৰু অৰ্বাচীন কালতো অন্যান্য আৰু কালজয়ী হৈ পৰিছিল ঠিক তেনেদৰেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভাগৱতৰ এই কাহিনীয়ে অসম মুলুকতো প্ৰবল প্ৰভাৱী গুণবিশিষ্ট কাব্য সাহিত্য হিচাপে অসমীয়া জাতিৰ প্ৰাণ স্পৰ্শ কৰি আহিছে।

কৃষ্ণ হৈছে পৰম ব্ৰহ্ম সাকাৰ ৰূপ। ভগৱানৰ পূৰ্ণ এক অৱতাৰ স্বৰূপ। পৰম ব্ৰহ্ম ভগৱান প্ৰকৃততে নিৰ্গুণ নিৰাকাৰ নিৰাময় নিৰ্মালি স্বৰূপ। কিন্তু জগতৰ কল্যাণৰ হকে জগতৰ মনোবাঞ্ছা-কামনা পূৰ্ণ কৰাৰ অৰ্থে আকাৰ ৰূপ ধাৰণ কৰি জগতৰ লোক সমাজত সময়ে সময়ে অৱতাৰ ধাৰণ কৰি মনুষ্য জীৱনৰ লগত বিভিন্ন খেলত লিপ্ত হৈছে। মানৱৰূপী এনে অৱতাৰ শ্ৰীমন্ত শংকৰগুৰুৰ লেখাত প্ৰকাশিত হৈ উঠিছে। কৃষ্ণ নামৰ মহিমা কোটি কোটি অৱতাৰৰ মাপকাঠিৰে ৰিজনি কৰিলেও তাৰ ৰিজনি হ'ব নোৱাৰিব বুলি ভক্তি প্ৰদীপত শ্ৰীমন্ত শংকৰদেৱে প্ৰকাশ কৰিছে কৃষ্ণৰ মুখেৰেই।

'যদি হওঁ এহেন কোটি কোটি অৱতাৰ
একো নাপাওঁ নাপাওঁ অনন্ত কৃষ্ণ নামৰ মহিমা।'

এই ভগৱান স্বৰূপ শ্ৰীকৃষ্ণই তিনিবাৰকৈ নিজৰ বিশ্বৰূপ দৰ্শন কৰাইছে। এবাৰ যশোদাৰ আগত., এবাৰ কুৰুক্ষেত্ৰ যুদ্ধত অৰ্জুনৰ আগত, অন্যবাৰ নৰমনিষ বুলি উপহাস কৰোতে দুৰ্যোধনৰ আগত— তেওঁক প্ৰকৃত ভগৱানৰ অংশ বুলি চিনি পাইছিল উদ্ধৱে, চিনি পাইছিল ভীষ্মই আৰু চিনি পাইছিল নাৰদে।

এই কৃষ্ণক ঈশ্বৰৰূপে চিনি পাই প্ৰেমত আকুল হৈ ক্ৰীড়া কৰিছিল গোপীসকলে। এই কথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাট 'কেলিগোপাল'ত প্ৰকাশ কৰিছে। সেই বাবেই ভগৱান শ্ৰীকৃষ্ণৰ মহা ভক্ত গোপীসকলৰ পদধূলি শিৰত লৈ উদ্ধৱ পৰম ভক্ত হ'ব পাৰিছিল।

'হৃদয়ে চিন্তিয়া কৃষ্ণ ভক্ত মানি।
গোপী পদধূলা শিৰে লৈলা তুলি।।
কৃষ্ণৰ ভকত উদ্ধৱ বাপ।
সংসাৰক ত্যেজি মোহমায়া তাপ।।

ভাগৱত শাস্ত্ৰৰ দশম স্কন্ধৰ ২৯ৰ পৰা ৩০ পৰ্যন্ত পাঁচটা অধ্যায়ত শ্ৰীমন্ত শংকৰদেৱে ৰাসক্ৰীড়াৰ বৰ্ণনা কৰিছে। শ্ৰীমন্ত শংকৰদেৱে মূল সংস্কৃত ভাগৱতৰ পৰা আটাইতকৈ সাৰুৱা আৰু মনোগ্ৰাহী কৰি দশম স্কন্ধত ভাগৱতত এই ৰাসক্ৰীড়া বৰ্ণনা কৰি তুলিছে। গুৰুজনাই ৰচনা কৰা এই নাটকখনক ৰাসক্ৰীড়া নকৈ কেলিগোপাল বুলিহে ৰচনা কৰিছে। মূল ভাগৱতৰ দৰেই মহাপুৰুষে ৰচনা কৰা কীৰ্তন ঘোষাতো ৰাসক্ৰীড়া কাহিনীৰ পৰা ৰাধাৰ চৰিত্ৰটো সম্পূৰ্ণ আঁতৰাই ৰাখিছে। কীৰ্তনৰ ১৮টা অধ্যায়ৰ প্ৰতিটো ঘোষাৰ লগতে পদসমূহত নিহিত থকা বিষয়বস্তুৰ সম্পৰ্ক সুগভীৰ আৰু তাৎপৰ্যপূৰ্ণ ভগৱান কৃষ্ণৰ ঈশ্বৰ তত্ত্বৰ ৰূপ ব্যাখ্যা কৰা হৈছে। ৰাসক্ৰীড়াৰ আধ্যাত্মিক-আনন্দৰূপী আৰু ভগৱানৰ স'তে গোপীৰূপী জীৱৰ পিতা সম্বন্ধ অটুট আছে। গোপীসকলৰ জীৱাত্মা আৰু ভগৱানৰ স'তে গোপীৰূপী জীৱৰ পিতা সম্বন্ধ অটুট আছে। গোপীসকলৰ জীৱাত্মা আৰু ভগৱান কৃষ্ণ পৰমাত্মাৰূপে আহি পৃথিৱীৰ ক্ৰীড়া বা কেলি কৰিছে মাথোন। গোপীসকলৰ কিন্তু ভগৱত প্ৰেমত আপ্লুত নোহোৱা হ'লে তেওঁলোক ভগৱান কৃষ্ণক পূৰ্বতে কোৱাৰ দৰে পৰম ভক্ত হ'ব নোৱাৰিলেহেঁতেন।

'বিমোহিত হুয়া সবে লৰৱে গোপিনী।
হৰি ভকতক যেন উলংঘে বিঘিনি।
।
এৰি তনু তেখনে কৃষ্ণত গৈলা লীন
অনেক জন্মৰ কৰ্ম বন্ধ কৰি ক্ষীণ
'ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্ৰভু ভগৱন্ত
যাত হন্তে পাৰে মোক্ষ স্থাৱৰ পৰ্যন্ত'
নপাই হৰিৰ ভকতি নুহি বৃথা।
গোপী গোপা গণৰ আবে শুনা পাছ কথা
তাসম্বক বাক্য মুহি বনমালী।।
বিদূৰতে থাকি কৰে শ্ৰৱণ কীৰ্তন
বাঢ়ি মোত ভকতি নিৰ্মল মন।।

এনেকৈয়ে গোপীসৱে কৃষ্ণৰ ভকতিত বিমুগ্ধ হৈ পৰি শ্ৰীকৃষ্ণৰ লগত ভক্তি প্ৰেমেৰে ক্ৰীড়া কৰিছিল। কলিযুগতো শ্ৰীকৃষ্ণ জগতৰ পৰম ঈশ্বৰ বংশীধাৰী তেওঁক সাকাৰ ৰূপত সহজে দেখা পোৱা নাযায়। গোপীসকল শ্ৰীকৃষ্ণৰ পৰম ভক্তস্বৰূপ সেয়েহে তেওঁলোকে কৃষ্ণৰ সাকাৰ ৰূপ দেখা পাই একেলগে ক্ৰীড়া কৰিছিল। কিন্তু মাজে মাজে তেওঁ গোপীসকলৰ পৰা অন্তৰ্ধান হৈ ঈশ্বৰ ৰূপেৰে আঁতৰি গৈছিল। তেতিয়াই গোপীসকলৰ চেতনা বিৰাজমান হৈ ভগৱত প্ৰেমত মত্ত হৈ পৰিছিল। আধ্যাত্মিক চিন্তা-চৰ্চাৰ মাজেৰে তেওঁ নিৰ্গুণ নিৰাকাৰ নিৰঞ্জন হৈ পৰি ভাগৱততে মূৰ্তমান হৈ থাকি পৰম ভক্তসকলক দেখা দিয়ে।

'তেনং বাগ্ময়ী মূৰ্তি প্ৰতক্ষ বৰ্ষত হৰেঃ ।
সেৱনাত ভাৱনাত পাঠাৎ দৰ্শনং পাপ নাশিনী।'

গোপীসকলে যদিও যমুনাৰ বালিক শ্ৰীকৃষ্ণৰ স'তে প্ৰেমলীলাত মত্ত হৈ কৃষ্ণৰ প্ৰেমত লীন যাব খুজিছিল ভগৱান শ্ৰীকৃষ্ণই কৃষ্ণ আচল ৰূপৰ পৰা কাহানিও বিনাস হোৱা নাছিল। সেয়ে ৰাসক্ৰীড়াত গুৰুজনাৰ ভাষণত ব্যক্ত কৰিছে যে—

'নাপাৰিলে গোপীগণে মোহিছে কৃষ্ণক।
ছায়ায়ে মোহিত যেন ওমলে বালক।।
'পূৰ্ণ কাম কৰি ভৈলা ভকতৰ বশ্য
হৰি হৰি বুলি তৰা কহিলো ৰহস্য'

সচিদানন্দ কৃষ্ণ ভক্তৰ হৃদয়ত পুৰাণ পুৰুষ উপলব্ধিয়েই কৃষ্ণ। সাংসাৰিক জীৱনত কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎস্যৰ্য আদি বৰ ৰিপু আদিয়ে ক্ৰীড়া কৰি বিনষ্ট কৰিব নোৱৰাজনেই কৃষ্ণ। ভগৱৎ ভক্তিৰ উদয় হ'লেহে কৃষ্ণ ভগৱানক লাভ কৰিব পাৰি। কৃষ্ণ নাম শ্ৰৱণ কৰিলেই গোপীসকল উদ্ধাৰ হোৱাৰ দৰে কৃষ্ণৰ পৰম ভক্তসকল উদ্ধাৰ হ'ব পাৰিছে।

মুঠতে গোপীসকলে সাধাৰণ প্ৰেমৰ পৰা শ্ৰীকৃষ্ণৰ যোগেদি ঈশ্বৰত্ব প্ৰাপ্তি স্বীকাৰ নিশ্চয় ভক্তি প্ৰেমৰ আদৰ্শ দাঙি ধৰিবলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাগৱত আৰু কীৰ্তনত এক সাৱলীল বহল ব্যাখ্যা দাঙি ধৰিছে। গোপীসকল কেৱল শৃংগাৰ ৰসৰ প্ৰেমৰ প্ৰতীকীৰ উপৰি ঈশ্বৰ ভক্তৰ এক মহান পৰিচয় দাঙি ধৰিছে।

'যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত
অত্যুত্থানম অধৰ্মস্য তদাত্মানাং সৃজাম্যহম্
পৰিত্ৰাণায় সাধুনাং বিনাশশ্চ দুষ্কৃতাম্
ধৰ্ম সংস্থাপনাৰ্থয় সম্ভৱামি যুগে যুগে।।'

ফোন ঃ ৬০২৬৮৪২৬৪৩

অসমতো সীমান্তৰ পৰা ৫০

এক পৃষ্ঠাৰ পৰা ৰাজ্যসমূহৰ ভিতৰলৈ অভিযান চলোৱাৰ কৰ্তৃত্ব দি ৫০ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি কৰিছে। ১৫ৰ পৰা ৫০ কিলোমিটাৰ পৰ্যন্ত অভিযান চলোৱাৰ পৰা ক্ষমতা বৃদ্ধি কৰাৰ ফলত বি এছ এফে আন্তঃৰাষ্ট্ৰীয় সীমান্তকেন্দ্ৰিক অপৰাধ বহুখিনি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব।' এই মন্তব্য বিএছএফৰ আজাৰা পাটগাঁওস্থিত গুৱাহাটী ফ্ৰণ্টিয়াৰ মুখ্য কাৰ্যালয়ৰ আই জি সঞ্জয় সিং গেহলেটৰ। আজি মুখ্য কাৰ্যালয়ৰ সভাকক্ষত এক সংবাদমেলত এই মন্তব্য আগবঢ়াই আই জি গেহলেটে কয় যে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে শেহতীয়াকৈ জাৰি কৰা অধিসূচনা জাৰি কৰি বি এছ এফে এতিয়া সীমান্তৰ পৰা দেশৰ ভিতৰত ৫০ কিলোমিটাৰ অঞ্চললৈ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰে অবৈধ সামগ্ৰীৰ বা চোৰাং সামগ্ৰীৰ বেহা চলোৱাসকলৰ বিৰুদ্ধে অভিযান চলাবলৈ কৰ্তৃত্ব লাভ কৰিছে। ইয়াৰ ফলত তেনে লোকক গ্ৰেপ্তাৰ বা তালাচী চলাব পাৰিব আৰু পৰৱৰ্তী সময়ত তেনে লোকক সামগ্ৰীসহ ৰাজ্যিক আৰক্ষী বা তেনে কৰ্তৃত্বপ্ৰাপ্ত সংস্থাক গতাই দিব। তেওঁ কয় যে বৰ্তমান গুৱাহাটী ফ্ৰণ্টিয়াৰ মুখ্য কাৰ্যালয়ত ভাৰত-বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ৫০৯ কিলোমিটাৰ অঞ্চলত পহৰা কাৰ্যত নিয়োজিত হৈ আছে। ইয়াত তিনিটা ছেক্টৰ মুখ্য কাৰ্যালয়ৰ অধীনত ১৩৭ টা বি অ' পিত ১১ টা বেটেলিয়ন আৰু এটা জলশাখা আছে। তেনেদৰে গুৱাহাটী ফ্ৰণ্টিয়াৰে অসমৰ উপৰি পশ্চিমবংগৰ এটা বৃহৎ অঞ্চলত থকা বাংলাদেশৰ সীমান্ত পহৰা দিব লাগে। অৱশ্যে বিগত সময়ছোৱাত অসম আৰক্ষীৰ পৰা সীমান্তৰে গৰু, নিচাযুক্ত, নিষিদ্ধ সামগ্ৰীকে ধৰি চোৰাং সামগ্ৰীৰ বেহা, অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত বহুখিনি সহায় কৰা বুলিও বিষয়াজনে সদৰী কৰিছে। সংবাদমেলত গুৱাহাটী ফ্ৰণ্টিয়াৰত ডি আই জি তথা প্ৰিন্সিপাল ষ্টাফ অফিচাৰ উমেশ নায়াল আৰু ডি আই জি (সাধাৰণ) জে কে ৰুডোলা উপস্থিত থাকে।

শাসক-বিৰোধীৰ বাক-বিতণ্ডা-সদন

এক পৃষ্ঠাৰ পৰা চিলেকছন বিধেয়ক, বড়োলেণ্ড বজাৰ-দোকান বিধেয়ক আৰু বন আৰু বন্যপ্ৰাণী ৰিভলভিং ফাণ্ড বিধেয়ক ২০২১। ইপিনে, ঘণ্টাজোৰা বহু বাক-বিতণ্ডাৰে উত্তাল হৈ পৰা সদনৰ মজিয়াত বিটিআৰৰ শাসক পক্ষই পূৰ্বৰ বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ খুলশালিয়েক তথা পৰ্বতঝোৰা সমষ্টিৰ পাৰিষদ মুনমুন ব্ৰহ্মই ছ'চিয়েল মিডিয়াত কিছু আপত্তিজনক প'ষ্ট দিয়াক লৈ সৰৱ হৈ পৰে প্ৰমোদ বড়ো নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰিষদ। আনকি সদনত শাসক পক্ষৰ হৈ কাৰ্যবাহী সদস্য দাওবৈচা বড়ো, ৰঞ্জিত বসুমতাৰী আৰু গৌতম দাসে বিপিএফৰ জনপ্ৰতিনিধিগৰাকীয়ে ছ'চিয়েল মিডিয়াত বিটিআৰৰ মুখ্য কাৰ্যবাহী আৰু উপমুখ্য কাৰ্যবাহীৰ বিৰুদ্ধে সন্মান হানিকৰক প'ষ্ট দিয়াক লৈ আইনী ব্যৱস্থা গ্ৰহণৰো দাবী উত্থাপন কৰে। অৱশ্যে সদনৰ অধ্যক্ষ কাতিৰাম বড়োৱে বিপিএফৰ পাৰিষদগৰাকীক জনপ্ৰতিনিধিৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ আহ্বান জনায়। লগতে তেওঁৰ বিৰুদ্ধে নিয়ম ৫৪ অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে সামৰণি পৰা বিটিআৰৰ শীতকালীন অধিবেশনৰ আজি সামৰণিৰ দিনা বিটিআৰত পূৰ্বৰ শাসনকালত ফিক্সড পেত কৰ্মৰত ৪৯৭ গৰাকী কৰ্মচাৰীৰ চাকৰি ভৱিষ্যত, অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ প্ৰাদেশীকৰণ, বনাঞ্চলৰ ভূমি ধ্বংস-বেদখল আৰু বিটিচিৰ নেতাসকলৰ মৰ্যাদাৰ লগতে কোকৰাঝাৰ তিৱা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰসংগই স্থান লাভ কৰে। অৱশ্যে বিৰোধী দলপতি তথা বিপিএফৰ পাৰিষদ দেৰহাছৎ বসুমতাৰীয়ে সদনৰ মজিয়াত শাসকীয় পক্ষই নিৰ্দিষ্ট বচা বচা উন্নয়ন খণ্ডৰ দুজন কাম দিয়া, এজন ঠিকাদাৰক কোটি কোটি টকাৰ কামৰ নিবিদা দিয়া আদি বিভিন্ন প্ৰসংগ দাঙি ধৰি শাসক পক্ষৰ দৃষ্টিগোচৰ কৰে। প্ৰত্যুত্তৰত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিৰোধীয়ে ইচ্ছাকৃতভাৱে তেওঁলোকক শিক্ষকৰ দৰে নীতি-জ্ঞানৰ পৰামৰ্শ দিয়া বুলি প্ৰত্যুত্তৰ দিয়াত সদনত বিৰোধী দলৰ সদস্যসকলে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। এই কাৰ্যৰে বিৰোধী দলপতি বসুমতাৰীয়ে সদনত বিৰোধীৰ বাক স্বাধীনতা খৰ্ব কৰা বুলি অভিযোগ তুলি আটাইকেইজন পাৰিষদে সদন ত্যাগ কৰে। ইফালে, অধিবেশনৰ সামৰণিত সংবাদ মাধ্যমৰ আগত মুখ্য কাৰ্যবাহী সদস্য বড়োৱে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিটিআৰৰ শীতকালীন অধিবেশনত প্ৰথমবাৰৰ বাবে বিৰোধী দল বিপিএফে অংশগ্ৰহণ কৰাত শলাগ লয় আৰু কয় যে গণতান্ত্ৰিক দেশত শাসক আৰু বিৰোধীৰ ভূমিকাৰ প্ৰয়োজন আছে। দুদিনীয়া অধিবেশনত পাঁচখনকৈ বিধেয়ক গৃহীত আৰু শাসকীয় কাৰ্যবাহী সদস্যসকলে নিজৰ নিজৰ মিছন আৰু ভিজন দাঙি ধৰিছে বুলি কয়। তেওঁ বিগত ১৭ বছৰে বিটিচিত এখনো আইন হোৱা নাই বাবে এইবেলি পাঁচখনকৈ বিধেয়ক গৃহীত কৰাৰ লগতে পৰৱৰ্তী অধিবেশনতো আৰু বিল উত্থাপন কৰিব বুলি জনায়। আনহাতে, বিটিচিত হত্যাকাণ্ড আৰু দুৰ্নীতি সন্দৰ্ভত তেওঁ কয় যে মানুহৰ জীৱন, সা-সম্পত্তিৰ নিৰাপত্তা দিয়াটো চৰকাৰৰ দায়িত্ব। কিয়নো যি চৰকাৰে নহওক, ভাৰত চৰকাৰ আৰু অসম চৰকাৰেও নিজৰ চাৰিসীমা থকা ভাৰতীয় নাগৰিকক বা বিদেশীয়ে হওক, নিৰাপত্তা নিশ্চিত কৰাটো প্ৰধান দায়িত্ব বুলি কয়।

আনহাতে, বিৰোধী দলৰ দলপতি দেৰহাছৎ বসুমতাৰীয়ে প্ৰথমবাৰৰ বাবে দুদিনীয়া বিটিচিৰ অধিবেশনত ভাগ লৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক মিছলীয়া বুলি আখ্যা দিয়ে। কোকৰাঝাৰত ভুৱা সংঘৰ্ষত নিহত হোৱাজনক ব্ৰহ্মৰ পৰিয়ালক সদনৰ মজিয়াত চৰকাৰীভাৱে এক লাখ টকাৰ আৰ্থিক সাহায্য আৰু পৰিয়ালৰ নিকটাত্মীয়ক ফিক্সড পেত চাকৰি দিয়া বুলি কোৱা তথা সমূলি মিছা। কিয়নো চৰকাৰীভাৱে এক লাখ টকা দিয়াৰ তথ্য নাই আৰু পৰিয়ালটোক ফিক্সড পেৰ চাকৰি দিয়াৰ নামত কেজুৱেল ৱৰ্কাৰৰ চাকৰিহে প্ৰদান কৰি সদনত মিছা মাতিছে বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। ইপিনে, মুখ্য কাৰ্যবাহী সদস্য বড়োৱে পূৰ্বতে হাগ্ৰামা মহিলাৰী পৰিষদক ছাপ্লাই পৰিষদ বুলি টুলুঙা মন্তব্য কৰিছিল যদিও যোগানৰ নামত স্বাস্থ্য, শিক্ষা, পঞ্চায়ত আৰু ভৈয়াম জনজাতিৰ বিভাগকেইটাত কেৱল ১৬৯ কোটি টকাৰ যোগানৰ কাম দি বাকী বিভাগক এৰাই চলি কি উন্নয়ন সাধিব বুলি তেওঁ প্ৰশ্ন কৰে। একেদৰে স্বাস্থ্য বিভাগৰ নিম্ন মানৰ মাস্ক যোগান ধৰা, ওদালগুৰিৰ এটা উন্নয়ন খণ্ডৰ ১১ লাখ টকাৰ কামৰ আবণ্টন দিয়া আৰু নিবিদাৰ অজুহাত দেখুৱাই এজন ঠিকাদাৰসহ ৯২ টা আঁচনিৰ সমুলি কামৰ নিবিদা দিয়া বুলি তেওঁ কটু সমালোচনা কৰে। তদুপৰি প্ৰণৱ বড়োৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰে নিযুক্তিৰ নামত বড়ো মাধ্যমত শিক্ষানুষ্ঠানত অনা বড়ো শিক্ষক নিযুক্তি দি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰক্ৰিয়াটো বেমেজালি সৃষ্টি কৰা বুলি অভিযোগ কৰে। অৱশ্যে দুয়োদিনৰ কাৰ্যসূচীত পূৰ্বৰ বিটিচি প্ৰধান তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীক দেখা পোৱা নগ'ল।

অৰুণাচলত চীনৰ দ্বিতীয় গাঁও স্থাপন

এক পৃষ্ঠাৰ পৰা বেদখলৰ ভাৰতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চীনে সীমান্ত সংলগ্ন অঞ্চলত নিজস্ব ভূমিৰ উপৰি কে'বা দশক ধৰি অবৈধভাৱে দখল কৰি থকা ভাৰতৰ ভূমিতো বিগত বহু বছৰ ধৰি নিৰ্মাণ কাৰ্য চলাই থকা বুলি ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে ইতিমধ্যে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চীনৰ এই অবৈধ দখলক ভাৰতে কোনোপধ্যে মানি নলয় বুলিও কৈছে ভাৰত চৰকাৰে। ভাৰতৰ ভূমিত চীনৰ বেদখল আৰু অন্যায় দাবী মানি লোৱা নহ'ব বুলি হুংকাৰ দিছে ভাৰতে। ইয়াৰ পাছতে অতি শেহতীয়াভাৱে চীনৰ দ্বিতীয়টো বৃহৎ বেদখলৰ ঘটনা পোহৰলৈ আহে। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা আৰু আন্তৰ্জাতিক সীমান্তৰ মাজত ভাৰতৰ ভূমি ছয় কিলোমিটাৰ ভিতৰলৈ প্ৰৱেশ কৰি চীনে দ্বিতীয়টো বৃহৎ নিৰ্মাণ কাৰ্য সম্পন্ন কৰিছে। ভাৰতে এই অঞ্চলক সদায়ে নিজস্ব ভূখণ্ড বুলি দাবী কৰি আহিছে। এই ঘৰবোৰত মানুহৰ উপস্থিতিৰ সন্দৰ্ভত অৱশ্যে ছেটেলাইটৰ সংগৃহীত ছবিত স্পষ্ট দৃষ্টিগোচৰ হোৱা নাই।

এই বৃহৎ বেদখলৰ সন্দৰ্ভত ভাৰতীয় সেনাই কয় যে এই স্থান প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ উত্তৰে চীনা ভূখণ্ডত অৱস্থিত। অৱশ্যে সেনাই এই কথা অস্বীকাৰ কৰা নাই যে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা আৰু আন্তৰ্জাতিক সীমান্তত ভাৰতীয় ভূমিত চীনে বৃহৎ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিছে। এক কথাত ক'বলৈ গ'লে চীনে ভাৰতৰ ভূমি অবৈধ দখল কৰি এই গাঁও সাজিছে। ইপিনে, এই সন্দৰ্ভত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীকে ধৰি শীৰ্ষ কৰ্তৃত্বশীল মহলে প্ৰতিক্ৰিয়া প্ৰকাশৰ পৰা বিৰত আছে।

মনকৰিবলগীয়া যে মাৰ্কিন প্ৰতিৰক্ষা বিভাগৰ প্ৰতিক্ৰিয়াত এই কথাত স্বীকাৰ কৰিছে যে চীনে ভাৰতৰ ভূমিৰ অংশ বিশেষত নিৰ্মাণ কাৰ্য চলাই আছে। এবছৰ পূৰ্বে এক বিবৃতিত অৰুণাচল প্ৰদেশৰ বিজেপি সাংসদ টাপিৰ গাৱে চীনা বেদখল সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰিছিল। সাংসদজনে লোকসভাত এইদৰে কৈছিল, 'মই এই দেশৰ সংবাদ প্ৰতিষ্ঠানক ক'ব বিচাৰো যে চীনে অৰুণাচল প্ৰদেশত যি হাৰত দখল কৰিছে সেই পৰ্যায়ত বাতৰি প্ৰচাৰ হোৱা নাই।' ২০১৭ত ভূটান সীমান্তৰ ডোকলামত সৃষ্টি হোৱা ভাৰত-চীনৰ অচলাৱস্থা সন্দৰ্ভত সাংসদজনে সকীয়াই দিয়ে যে ডোকলাম সদৃশ পৰিস্থিতি অৰুণাচল প্ৰদেশতো হ'ব। উল্লেখ্য যে ডোকলামত কে'বামাহ ধৰি অচলাৱস্থা বিৰাজ কৰিছিল।

মনকৰিবলগীয়া যে সম্প্ৰতি উদ্ধাৰ হোৱা নিৰ্মাণ কাৰ্য অৰুণাচল প্ৰদেশৰ শ্বি-য়'মি জিলাৰ। ইয়াত বহুসংখ্যক অট্টালিকাই মাথোঁ নহয়, চীনা পতাকা উৰি থকা ঘৰো দেখা গৈছে। ঘৰটোৰ মূধচৰ ওপৰত আঁৰি থোৱা আছে বৃহৎ আকাৰৰ চীনা পতাকা। ভাৰতৰ এই ভূখণ্ড দাবী কৰি চীনে বৃহৎ পতাকা অংকন কৰা বুলি ধাৰণা কৰা হৈছে। ভাৰত চৰকাৰৰ এক অনলাইন মানচিত্ৰ সেৱা ভাৰত মেপছত নতুন নিৰ্মাণ চলা অঞ্চলৰ প্ৰকৃত অৱস্থিতি উদ্ধাৰ কৰিব পাৰি। ভাৰতৰ মহানিৰীক্ষকে প্ৰস্তুত কৰা এই ডিজিটেল মেপত নিশ্চিত কৰা হৈছে যে অঞ্চলটো ভাৰতৰ ভৌগোলিক সীমাৰ ভিতৰত অৱস্থিত। ইউৰোপৰ এজন সামৰিক বিশেষজ্ঞই কয় যে 'ছাৰ্ভে অৱ ইণ্ডিয়া'ৰ পৰা সংগ্ৰহ কৰা ভৌগোলিক তথ্য ব্যৱস্থা (জিআইএছ) অনুসৰি ভাৰতৰ ভৌগোলিক ভূখণ্ডৰ দাবীৰ ভিতৰত এই অঞ্চল অন্তৰ্ভুক্ত হৈ আছে। সশস্ত্ৰ সংঘৰ্ষ আৰু প্ৰতিৰক্ষা নীতিৰ তথ্য সংগ্ৰাহক আৰু বিশ্লেষক এই সংস্থাটোৰ মুখ্য সামৰিক বিশেষজ্ঞ ছিন টাকে কয় যে ভাৰতৰ ভূমিৰ অন্তৰ্গত এই সমতল অঞ্চলটো চীনৰ দিশতকৈ ভাৰতৰ দিশৰ পৰা অধিক সুবিধাজনক। চীনত য়াৰলুং চাংপো (ব্ৰহ্মপুত্ৰ) নৈপৰীয়া চীনা সম্প্ৰদায়ৰ লোকসকলৰ স'তে পোনপটীয়াকৈ এই সমতল ভূমিৰ যোগাযোগ আছে। ইপিনে, ভাৰতৰ ভূমিৰ পৰা যাবলৈ হ'লে অতি থিয় পৰ্বতমালা অতিক্ৰম কৰিব লাগে। আনহাতে, ভাৰতীয় বিশেষজ্ঞই এই কথা নিশ্চিত কৰি কয় যে অঞ্চলটো ভাৰত মেপ অনুসৰি আন্তৰ্জাতিক সীমান্তৰ সাত কিলোমিটাৰ ভিতৰত অৱস্থিত। ছেটেলাইট ছবিৰ প্ৰযুক্তিৰ অভিজ্ঞতালব্ধ অৰূপ দাসগুপ্তই মহানিৰীক্ষকৰ সংজ্ঞা অনুসৰি সীমাৰ পৰিধি ব্যাখ্যা কৰি কয়, 'ভাৰতৰ চৰকাৰী মানচিত্ৰতে এই ভূখণ্ডতে অন্তৰ্ভুক্ত হৈ আছে। মনকৰিবলগীয়া যে চলিত বৰ্ষৰ জুলাইত চীনৰ জিন হুৱা নিউজ এজেন্সীয়ে ভাৰতৰ ভূমিত নিৰ্মিত চীনা চৌহদৰ ছবি প্ৰকাশ কৰে। চীনৰ ৰাষ্ট্ৰ পৰিচালিত নিউজ এজেন্সীটোৱে চীনা ৰাষ্ট্ৰপতি জি জিনপিঙে এই অঞ্চলত অৰুণাচল সীমান্ত সংলগ্ন এটা নতুন আৰু ৰণকৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ ৰেলপথ পৰিদৰ্শন কৰাৰ সময়তে ছবি প্ৰকাশ কৰে। এই অঞ্চললৈ জিনপিঙৰ ভ্ৰমণৰ বাবে ব্যৱহাৰ কৰা এটা বিমানকোঠৰ দক্ষিণে ৩৩ কিলোমিটাৰ নিলগত চীনে ভাৰতৰ ভূমিত কমেও ৬০টা বৃহৎ অট্টালিকাৰে ঘেৰা অঞ্চল নিৰ্মাণ কৰিছে। ভাৰতৰ ৰণকৌশলী বিশ্লেষক ব্ৰহ্ম চেলানীয়ে কয় যে এই গাঁওখনে দেখুৱাই দিয়ে কিদৰে এঢাপ-দুঢাপকৈ চীনে ভাৰতৰ হিমালয় অঞ্চলৰ সীমান্তক গ্ৰাস কৰি আহিছে। সীমান্ত অঞ্চলত নৱনিৰ্মিত সাজসজ্জাৰে জিলিকি থকা নতুন গাঁওবিলাকে স্পষ্ট কৰিছে ইয়াৰ নৱ অৱস্থিতি আৰু কৃত্ৰিমতা। চীনে গাঁওখনৰ এটা চীনা নামো দিছে। অথচ পৰম্পৰাগতভাৱে কোনো লোকেই চীনা ভাষা নোকোৱা অঞ্চলটোত গাঁৱৰ নাম দিয়া হৈছে চীনা ভাষাত। ভাৰতৰ সীমান্তত চীনৰ ধাৰাবাহিক নিৰ্মাণ কাৰ্যৰ আঁৰত আছে ৰাষ্ট্ৰখনে নতুনকৈ গ্ৰহণ কৰা সীমান্ত ভূমি নীতি। এই সীমান্ত ভূমি নীতিৰ অধীনত সীমান্ত অঞ্চলত সাধাৰণ নাগৰিকৰ বসতি স্থাপনত ৰাষ্ট্ৰই সহযোগ আগবঢ়াবলৈ প্ৰতিজ্ঞাৱদ্ধ হৈছে। মনকৰিবলগীয়া যে আন্তৰ্জাতিক আইন অনুসৰি একোটা অঞ্চলত সাধাৰণ লোকৰ বসতি অঞ্চলটোত ৰাষ্ট্ৰখনৰ কাৰ্যকৰি নিয়ন্ত্ৰণৰ প্ৰমাণৰূপে বিবেচিত হয়। সেইবাবেই চীনে ভূখণ্ড দাবী কৰাৰ ৰণনীতি গ্ৰহণ কৰি ভাৰতৰ স'তে থকা আন্তৰ্জাতিক সীমান্ত সংলগ্ন অঞ্চলত জনবসতি স্থাপনৰ বাবে আগ্ৰাসীৰূপ ধাৰণ কৰিছে।

ভূটানৰ ভূমিত চীনৰ নিৰ্মাণ ভাৰতৰ মূৰৰ কামোৰণি

ভূটানৰ বিবদমান ভূমিত চীনা গাঁও নিৰ্মাণৰ নতুন ছেটেলাইট ছবি উদ্ধাৰ হৈছে। চীনা সামৰিক কাৰ্যকলাপৰ গৱেষণা কৰি থকা বিশ্ব সংস্থা এটাৰ ছেটেলাইট ছবি অনুসৰি চীনে নিৰ্মাণ কাৰ্য চলোৱা অঞ্চলটো ডোকলামৰ সমীপৱৰ্তী ভূটান আৰু চীনৰ এক বিবদমান অঞ্চল। ২০২০ৰ পৰা ২০২১ৰ ভিতৰত ইয়াত নিৰ্মাণ কাৰ্য কৰিছে চীনে। প্ৰায় এশবৰ্গ কিলোমিটাৰ পৰিধিৰ এটা অঞ্চলজুৰি কে'বাখনো নতুন গাঁও নিৰ্মাণ কৰা হৈছে। চীনৰ এই পদক্ষেপ ভাৰতৰ বাবে অতি উদ্বেগজনক। কিয়নো ভূটানৰ ভৌগোলিক সংহতি সুৰক্ষিত ৰখাৰ বাবে ভাৰত চৰকাৰ দায়ৱদ্ধ। অপেন ছ'ৰ্চ ইণ্টেলিজেন্স এটদ্যৰেট (@) ডিট্ৰেছফা নামৰ সংস্থাটোৱে সম্প্ৰতি টুইট কৰিছে উপগ্ৰহলব্ধ চিত্ৰ। চীনা সামৰিক কাৰ্যকলাপৰ অন্যতম গুৰুত্বপূৰ্ণ বিশ্ব গৱেষণা কেন্দ্ৰটোৱে প্ৰকাশ কৰে যে ডোকলামৰ সমীপৰ ভাৰত আৰু চীনৰ মাজৰ বিবদমান ভূমিত ২০২০ৰ পৰা ২০২১ৰ ভিতৰত নতুন নিৰ্মাণ কাৰ্য চলোৱা হৈছে। প্ৰায় এশ বৰ্গকিলোমিটাৰ অঞ্চলত কে'বাখনো নতুন গাঁও নিৰ্মাণ কৰা হৈছে। ২০২০ৰ মে'ৰ পৰা ২০২১ৰ নৱেম্বৰৰ ভিতৰত এই গাঁওসমূহ নিৰ্মাণ কৰা হৈছে। ভূটান আৰু চীনে সীমান্তক লৈ এক নতুন চুক্তি কৰাৰ সময়তে এই কথা পোহৰলৈ আহিছে। মনকৰিবলগীয়া যে নতুন চুক্তি অনুসৰি চীনৰ নতুন ভূখণ্ডৰ দাবী নেকি বুলিও প্ৰশ্ন উত্থাপন হৈছে। এই অঞ্চলত কমেও চাৰিখন গাঁও নিৰ্মাণ কৰা হৈছে। ২০০৭ত ডোকলামতে ভাৰত আৰু চীনৰ সেনাৰ তীব্ৰ সংঘৰ্ষ হৈছিল। দীৰ্ঘদিন ধৰি অচলাৱস্থা বিৰাজ কৰি আছিল। মনকৰিবলগীয়া যে ভূটানৰ স'তে চীনৰ সীমান্ত বিতৰ্ক এক দীৰ্ঘদিনীয়া বিষয়। এই সমস্যা সমাধানৰ বাবে চীনে ক্ৰমাগতভাৱে ভূটানৰ ওপৰত চাপ সৃষ্টি কৰি অহাৰ পাছত এইবাৰ ভূটানৰ ভূখণ্ডত গাঁও নিৰ্মাণ কৰাত চীন আৰু ভাৰত সীমান্তত নতুনকৈ সংঘৰ্ষ সৃষ্টিৰ আশংকা প্ৰকাশিত হৈছে। উপগ্ৰহৰ ছবিত চাৰিখন গাঁৱৰ অৱস্থিতি ধৰা পৰিলে বিশেষজ্ঞসকলে ধাৰণা কৰে যে ইয়াৰ অধিক সংখ্যক গাঁও নিৰ্মাণ কৰিছে চীনে। মাত্ৰ এয়ে নহয়, এই অঞ্চলত প্ৰচুৰ সংখ্যক সেনা নিয়োগ কৰা হৈছে। মনকৰিবলগীয় যে ভূটানৰ যি অঞ্চলত চীনে নিৰ্মাণ কাৰ্য সম্পন্ন কৰা বুলি কোৱা হৈছে সেই অঞ্চলৰ ভৌগোলিক অৱস্থান, অৰ্থনৈতিক আৰু আন্তৰ্জাতিক গুৰুত্ব বিশাল। সেয়েহে নতুন দিল্লীৰ স্বাভাৱিকতে উদ্বেগ বাঢ়িছে। ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ মুখপাত্ৰ অৰিন্দম বাগচীয়ে ইপিনে ভূটান-চীনৰ নতুন সীমান্ত চুক্তিৰ সন্দৰ্ভত কয় যে এই বিষয়টো ভাৰতে লক্ষ্য কৰিছে। চীনৰ ৰাষ্ট্ৰ পৰিচালিত সংবাদ মাধ্যমৰ এজন জ্যেষ্ঠ সাংবাদিকে প্ৰকাশ কৰা ছবি অনুসৰি ডোকলামৰ অতি নিকট ভূটানৰ সীমান্তৰ দুই কিলোমিটাৰ ভিতৰলৈ চীনৰ এই নতুন গাঁও নিৰ্মাণ কৰা হৈছে।

বজাৰত পাচলিৰ দামৰ বৃহৎ তাৰতম্য

এক পৃষ্ঠাৰ পৰা উল্লেখ্য যে যোৱা ১৬ নৱেম্বৰত যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বজাৰে বজাৰে মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে টাস্ক ফ'ৰ্চ গঠন কৰি ব্যৱস্থা লোৱা হ'ব বুলি ঘোষণা কৰিছিল। যাৰ ফলত মূল্যবৃদ্ধিয়ে কঁকাল ভঙা নিম্ন আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ গ্ৰাহকৰ মুখত হাঁহি বিৰিঙিছিল। অথচ মন্ত্ৰীৰ ঘোষণাকো কেৰেপ নকৰি ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শাক-পাচলিৰ বাবে বিখ্যাত নগাঁৱতো অসৎ ব্যৱসায়ীয়ে লুণ্ঠন অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীৰ মাজত মূল্যবৃদ্ধিৰ অঘোষিত প্ৰতিযোগিতা চলাৰো অভিযোগ উঠিছে। বিশেষকৈ খুচুৰা ব্যৱসায়ীসকলে ইচ্ছা অনুসাৰে পাচলিৰ মূল্য বিয়াগোম কৰাৰো অভিযোগ কৰিছে সাধাৰণ গ্ৰাহক তথা কৃষকসকলে। জিলা প্ৰশাসন আৰু জিলা যোগান বিভাগৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিয়েই নগাঁও চহৰকে ধৰি জিলাখনৰ অধিকাংশ পাচলিৰ বজাৰত পাচলিৰ দাম আকাংশলংঘী হৈ পৰিছে। একাংশ মধ্যভোগীয়ে এই মূল্যবৃদ্ধিত অৰিহণা যোগোৱাৰো অভিযোগ উঠিছে। জিলাখনত সম্প্ৰতি পাচলিৰ সৰ্বনিম্ন মূল্য কেজিত ৪০ টকা। এতিয়া পাচলিৰ বতৰ হোৱাৰ বাবে জিলাখনৰ বিভিন্ন খেতিপথাৰ পাচলিৰে ভৰি পৰিছে। বজাৰতো নানা তৰহৰ পাচলি দেখা গৈছে। তৎসত্ত্বেও পাচলিৰ ন্যূনতম মূল্যও নকমা বিষয়টোৱে সকলোকে আচৰিত কৰি তুলিছে। আগতে এই সময়ত জিলাখনত পাচলিৰ মূল্য ক্ৰমাৎ নিম্নগামী হয়। অথচ এইবাৰ ইয়াৰ কোনো লক্ষণেই বজাৰসমূহত দেখা নাই। পৰ্যাপ্ত পৰিমাণে শাক-পাচলি উৎপাদন হোৱা সত্বেও এইবোৰ এতিয়া অভিজাত সামগ্ৰীৰ তালিকাভুক্ত হৈ পৰিছে।

সম্প্ৰতি নগাঁও চহৰৰ শাক-পাচলিৰ খুচুৰা বজাৰ কেইখনত প্ৰতি কেজি আলুৰ দাম ২৫-৩০ টকা। সেইদৰে প্ৰতি কেজি পিঁয়াজ ৪৫ টকা, বিলাহী ৮০ টকা, পটল ৪০-৪৫ টকা, ফুলকবি ৫০-৬০ টকা, বন্ধাকবি ৪০ টকা, ওলকবি ৬০ টকা, গাজৰ ১২০ টকা, লেচেৰা মাহ ৬০ টকা, ফ্ৰেঞ্চবিন ১২০ টকা, স্কোৱাছ ৪০ টকা, বেঙেনা ৫০-৬০ টকা, তিঁয়হ ৪০-৪৫ টকা, কেঁচা জলকীয়া ১২০ টকা, তিতা কেৰেলা ৬০ টকা, মটৰ মাহ দুশ টকা, ৰঙালাউ ৪০ টকা আৰু জাতিলাউ গোটে ৪০ টকাত বিক্ৰী হৈ আছে। ইয়াৰ উপৰি প্ৰতি কেজি নহৰু ১৬০ টকা, কেপচিকাম এশ টকাত বিক্ৰী হোৱাৰ লগতে গ্ৰাহকে প্ৰতি হালি (চাৰিটা) মূলা ১০ টকাত ক্ৰয় কৰিবলগীয়া হৈছে। সেইদৰে প্ৰতি কেজি অমিতা ৪০-৫০ টকা আৰু আদা এশ টকাত বিক্ৰী হৈছে। মূল্যবৃদ্ধিয়ে এনে আকাৰ ধাৰণ কৰিছে যে ভীমকলৰ কলডিল একোটাৰ মূল্য উঠিছে এশ টকালৈ। সেইদলে এক আধি কলডিল ৫০-৬০ টকা আৰু চাৰিটা নেমু ক্ৰয় কৰিবলৈ গ্ৰাহকে ৩০ টকা ব্যয় কৰিবলগীয়া হৈছে। লক্ষ্যণীয়ভাৱে চহৰৰ ডাঙৰ খুচুৰা বজাৰসমূহৰ তুলনাত বিভিন্ন পথৰ দাঁতিত বহা পাচলিৰ অস্থায়ী বজাৰসমূহত প্ৰতিবিধ পাচলিৰ মূল্য প্ৰতি কেজিত দুই-তিনি টকা পৰ্যন্ত বেছি। চহৰৰ নতুন বজাৰ, পানীগাঁও চাৰিআলিৰ লগতে ডিমৰুগুৰি, হয়বৰগাঁও, নেহৰুবালি আদিত বহা অস্থায়ী পাচলিৰ বজাৰত সৰ্বাধিক মূল্য ভৰিবলগীয়া হৈছে গ্ৰাহকে। পাচলিৰ এনে জুই-ছাই দামৰ সন্দৰ্ভত চহৰৰ একাংশ খুচুৰা বিক্ৰেতাই দায়ী কৰিছে পাইকাৰী বজাৰখনক। খুচুৰা বিক্ৰেতাসকলৰ ভাষ্য হৈছে যে যিহেতু চহৰৰ পাইকাৰী বজাৰতে পাচলিৰ দাম বৃদ্ধি পাইছে, গতিকে তেওঁলোকেও দাম বঢ়াবলৈ বাধ্য হৈছে। মন কৰিবলগীয়া যে নগাঁৱত শাক-পাচলিৰ মূল্য যোগান বিভাগৰ পৰিৱৰ্তে পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকলে মইমতালিৰে নিজেই নিৰ্ধাৰণ কৰি আহিছে। খুচুৰা বিক্ৰেতাই মূল্যবৃদ্ধিৰ বাবে পাইকাৰী ব্যৱসায়ীৰ গাত দোষ জাপিবলৈ চেষ্টা কৰিলেও অৱশ্যে তেওঁলোকো ধোৱা তুলসীৰ পাত নহয় বুলি বিভিন্নজনে অভিযোগ কৰিছে। কিয়নো বিভিন্ন সময়ত দেখা গৈছে নগাঁৱত পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীৰ পাচলি বা অন্যান্য খাদ্য সামগ্ৰীত মূল্যৰ আকাশ-পাতাল প্ৰভেদ। ১৬ নৱেম্বৰত যোগান মন্ত্ৰী দাসে ঘোষণা কৰিছিল যে পাইকাৰী আৰু খুচুৰা মূল্যৰ ব্যৱধান অতি বেছি ছয় টকা হ'ব লাগিব। অথচ মন্ত্ৰীৰ ঘোষণাৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি জিলাখনৰ খুচুৰা বিক্ৰেতাসকলে শাক-পাচলিৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি কৰাৰ বাবেই মূল্যত এনে পাৰ্থক্য দেখা গৈছে। ফলত খুচুৰা ব্যৱসায়ীৰ কুক্ষি শকত হোৱাৰ সমান্তৰালকৈ এইসকল অসাধু ব্যৱসায়ীৰ বাবে কপালৰ ঘাম মাটিত পেলাই পৰ্যাপ্ত পৰিমাণৰ পাচলি উৎপাদন কৰা দৰিদ্ৰ কৃষকসকল কোনোপধ্যেই লাভান্বিত হোৱা নাই। উল্লেখ্য যে আজি জিলাখনৰ অন্যতম পাচলিৰ পাইকাৰী চুলুং বজাৰত বিক্ৰী হোৱা পাচলিৰ দামেই মূল্যবৃদ্ধি নিয়ন্ত্ৰণ নোহোৱাটো স্পষ্ট কৰে। চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ভূৰবন্ধাৰ এজন কৃষকে জনোৱা মতে আজি চুলুং পাইকাৰী বজাৰত স্থানীয়ভাৱে উৎপাদন কৰা ফুলকবি প্ৰতি কেজি ২০ টকাত বিক্ৰী হয়। সেইদৰে একেখন বজাৰতে আজি প্ৰতি কেজি বিলাহী ৫২ টকা, মাইক্ৰ' জলকীয়া ৪০ টকা, চৰৰ ডাঙৰ বেঙেনা ২৫ টকা, ওলকবি ৩০ টকাত বিক্ৰী হয়। সেইদৰে এমুঠি লাই শাক তিনি টকাত বিক্ৰী হয়। সেই ফুলকবিয়েই আজি চামগুৰিৰ দৈনিক বজাৰত প্ৰতি কেজিত ৬০ টকা দৰত বিক্ৰী হয়। সেইদৰে প্ৰতি কেজি মাইক্ৰ' জলকীয়া ৮০ টকা, ওলকবি ৫০ টকা, বিলাহী ৮০ টকা, বেঙেনা ৫০ টকাত বিক্ৰী হোৱাত গ্ৰাহকৰ চকু কপালত উঠে। উল্লেখ্য যে চুলুঙৰ দৈনিক পাইকাৰী বজাৰখনৰ পৰাই জিলাখনৰ বিভিন্ন বজাৰৰ লগতে তেজপুৰ, গোলাঘাট, যোৰহাট আদিলৈ শাক-পাচলি, মাছ আদিৰ ব্যাপক সৰবৰাহ হয়। লুইতৰ পাৰৰ বিস্তীৰ্ণ অঞ্চলত শাক-পাচলি উৎপাদন কৰি কৃষকে উৎপাদিত সামগ্ৰী চুলুঙৰ পাইকাৰী বজাৰত বিক্ৰী কৰে। অৱশ্যে কৃষকৰ তুলনাত পাচলিৰ ব্যৱসায়ৰ জৰিয়তে খুচুৰা বিক্ৰেতাসকলহে অত্যধিক পৰিমাণে লাভৱান হোৱা বুলি আজি একাংশ খেতিয়কে ক্ষোভ প্ৰকাশ কৰে।

পূৰ্বৰ দৰে চলিত বৰ্ষতো অবিভক্ত নগাঁও জিলাৰ বিভিন্ন পথাৰৰ লগতে জিলাখনৰ অন্তৰ্গত ৪৩টা চৰ-চাপৰিত প্ৰচুৰ পৰিমাণে হ্ৰেক তৰহৰ শাক-পাচলি খেতি পৰিলক্ষিত হৈছে। জিলাখনত পৰ্যাপ্ত পৰিমাণে শাক-পাচলি উৎপাদন হোৱাৰ পাছতো মূল্যবৃদ্ধি অব্যাহত থকাত সাধাৰণ গ্ৰাহকে ক্ৰয় কৰাৰ ক্ষমতাও হেৰুৱাই পেলাইছে। সেইদৰে জিলাখনৰ বজাৰসমূহত পাচলিৰ মূল্য ঊৰ্ধ্বমুখী হৈ থকাৰ সময়তে শাক-পাচলিৰ খেতিয়কে নিজৰ পথাৰত উৎপাদিত ফচল অতি কম মূল্যতে সংশ্লিষ্ট অঞ্চলৰ পাচলিৰ পাইকাৰী বজাৰসমূহৰ লগতে পথাৰৰ পৰাই পাচলি ক্ৰয় কৰা একাংশ অসাধু ব্যৱসায়ী তথা মধ্যভোগী দালালক বিক্ৰী কৰিবলৈ বাধ্য হৈছে। অন্যথা বৃহৎ লোকচানৰ সন্মুখীন হোৱাৰ আশংকা থাকে এই দৰিদ্ৰ কৃষকসকলৰ। অৰ্থাৎ এই দৰিদ্ৰ কৃষকসকলক প্ৰতাৰণাৰে মধ্যভোগী দালাল চক্ৰটোৱে একেখিনি শাক-পাচলিকে বিভিন্ন বজাৰত চৰা মূল্যত বিক্ৰী কৰি আহিছে। এই মধ্যভোগী দালাল চক্ৰটোৰ লগতে অসাধু পাইকাৰী তথা খুচুৰা ব্যৱসায়ীসকলে অবিভক্ত জিলাখনৰ মৈৰাবাৰী, ধিং, শান্তিজান, ডুমডুমীয়া, বলিকটীয়া, দলংঘাট, ৰাঙলু, জুৰীয়া, ৰূপহী, চামগুৰি, আমবাগান, নলতলী, চুলুং প্ৰভৃতি গ্ৰাম্য পাইকাৰী কৃষি বজাৰৰ পৰা অতি নিম্ন মূল্যত বিভিন্ন শাক-পাচলি ক্ৰয় কৰি আনি বিয়াগোম মূল্যত বিক্ৰী কৰি অসাধু প্ৰক্ৰিয়াৰে মুনাফা লুটি আছে। এই ক্ষেত্ৰত চৰকাৰ তথা যোগান বিভাগৰ কোনো নিয়ন্ত্ৰণ নথকাত এই অসাধু ব্যৱসায়ীসকলে জনসাধাৰণৰ মূৰত ৰামটাঙোন মৰা বুলি বহুজনে অভিযোগ কৰিছে। পাইকাৰী বজাৰতে দাম বঢ়া বুলি কৈ খুচুৰা বিক্ৰেতাসকলেই ইচ্ছা অনুসৰি মূল্যবৃদ্ধি কৰাৰ বিপৰীতে জিলা প্ৰশাসন আৰু যোগান বিভাগে নিৰ্লিপ্ত ভূমিকা লোৱা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিতে আজি একাংশ ক্ষুব্ধ গ্ৰাহকে যোগান মন্ত্ৰী তথা বিভাগীয় বিষয়াৰ দক্ষতাক কেন্দ্ৰ কৰি সংশয় প্ৰকাশ কৰে।

ভ্ৰাতৃত্বৰ বাণী

এক পৃষ্ঠাৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰে। বিভিন্ন ৰাজহুৱা আৰু মুকলি স্থানত নামাজ পঢ়াক লৈ সৃষ্টি হোৱা বিতৰ্কৰ বাবে এই সিদ্ধান্ত লয় গুৰুদ্বাৰ সংস্থাই। 'এয়া গুৰু ঘৰ। কোনো বৈষম্য নোহোৱাকৈ সকলো সম্প্ৰদায়ৰ বাবে মুকলি আছে। ইয়াত কোনো ৰাজনীতি হোৱা উচিত নহয়। যিসকলে জুম্মাৰ নামাজ পঢ়িব বিচৰা মুছলমান ভ্ৰাতৃসকলৰ বাবে বেছমেণ্ট এতিয়া মুকলি ৰখা হৈছে।' সদৰ বজাৰৰ গুৰুদ্বাৰ গুৰু সিং সভাৰ সভাপতি সিং ছেৰদিল সিং সিদ্ধুৱে এইদৰে কয়। তেওঁ কয়, 'যদি কৰ'বাত মুকলি স্থান আছে মুছলমানসকলক নামাজ পঢ়িবলৈ দিয়া উচিত। আমি এনে সৰু বিষয়ক লৈ যুঁজ-বাগৰ কৰা উচিত নহয়। যিসকলে মুকলি স্থানত নামাজ পঢ়িছে তেওঁলোকে প্ৰশাসনৰ অনুমতি বিচাৰিছিল আৰু যিসকলৰ সমস্যা আছে তেওঁলোকে আক্ৰমণ কৰাৰ পূৰ্বে প্ৰশাসনৰ ওচৰ চপা উচিত।' উল্লেখ্য যে ৩৭টা নিৰ্ধাৰিত স্থানৰ আঠটাৰ পৰা গুৰুগ্ৰাম প্ৰশাসনে অনুমতি প্ৰত্যাহাৰ কৰিছিল। জিলা প্ৰশাসনৰ বিবৃতি অনুসৰি স্থানীয় লোক আৰু আৰডব্লিউএৰ আপত্তিৰ বাবেই অনুমোদন প্ৰত্যাহাৰ কৰা হৈছে।

সমগ্ৰ ভাৰততে মাজুলীৰ ৰাস উৎসৱৰ

এক পৃষ্ঠাৰ পৰা দুৰ্ঘটনা আৰু ক'ভিডৰ বাবে ৰাস হ'বনে নহয় তাক লৈ দোধোৰ-মোধোৰত আছিল।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মাজুলীত শ্ৰীকৃষ্ণৰ ৰাসলীলা উপলক্ষে মাজুলীত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'ইয়াৰ মাজতে ৰাস পাতিবলৈ সংগঠকসকলৰ আৰ্থিক সমস্যা নিশ্চিতভাৱে হৈছে। সেই বিষয়ে চিন্তা কৰিয়েই ৰাজ্য চৰকাৰে সাহায্য দিয়াৰ ব্যৱস্থা কৰিছো। অহাবাৰ মাজুলীৰ ৰাসক লৈ সমগ্ৰ ভাৰততে এটা পৰিবেশ অনাৰ বাবে চেষ্টা কৰিম আৰু অহাবাৰ ডাঙৰকৈ ৰাস পাতিম। সন্দেহ নাই, সমগ্ৰ অসমৰ ৰাইজে মাজুলীৰ ৰাসলৈ বাট চাই থাকে। মাজুলীত ৰাস চোৱাৰ সৌভাগ্য আজিলৈকে মোৰ হোৱা নাছিল। এইবাৰ ভগৱানে সেই সুযোগ দিলে।'

শ্ৰীকৃষ্ণৰ ৰাসলীলা দৰ্শনৰ লগতে নিৰ্মীয়মাণ কেইখনমান আঁচনি পৰিদৰ্শনৰ বাবে আজি মাজুলীত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই উপায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হোৱা এখন সভাত ৫০খন মঞ্চৰাসৰ উদ্যোক্তাক আৰ্থিক সাহায্য প্ৰদান কৰে। মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰা, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰ, যোৰহাটৰ উপায়ুক্ত অশোক বৰ্মন, মাজুলীৰ উপায়ুক্ত পুলক মহন্ত, শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰসহ কেইজনো উচ্চ পদস্থ বিষয়া উপস্থিত থকা সভাখনত মাজুলীৰ ৫০খন মঞ্চৰাসক ৫০ হেজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰে। একেখন সভাতে যোৱা আঠ ছেপ্টেম্বৰত মাজুলী-যোৰহাট সংযোগী নিমাতী ফেৰীঘাটত সংঘটিত হোৱা ফেৰী দুৰ্ঘটনাত পতিত যাত্ৰীক অসীম সাহসেৰে উদ্ধাৰ কৰা যোৰহাটৰ ৪৫জন আৰু মাজুলীৰ পাঁচজন লোকক ২৫ হেজাৰকৈ পুৰস্কাৰ প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। আৰ্থিক পুৰস্কাৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'ফেৰী দুৰ্ঘটনাৰ শোকাবহ স্মৃতি আজিও আমি কোনেও পাহৰিব পৰা নাই। উক্ত ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহে যথেষ্ট উদ্বিগ্নতাৰে তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে পৰামৰ্শ দিয়াৰ উপৰি সহযোগিতা আগবঢ়াইছিল। উক্ত ঘটনাৰ প্ৰত্যক্ষদৰ্শী পাৰঘাটত বেহা-বেপাৰৰ বাবে থকা সাহসী লোকসকলে নিজৰ জীৱনকো তুচ্ছ কৰি ব্ৰহ্মপুত্ৰত জঁপিয়াই পৰি ৰক্ষা কৰিছিল বহুতৰ জীৱন। ইয়াৰ মাজতো আমি তিনিগৰাকীক হেৰুৱালো; কিন্তু এই লোকসকলৰ বাবেই বহুজনক হেৰুওৱাৰ পৰা বাচিলো। বৰ্তমান পৰিৱেশ স্বাভাৱিক হৈছে। নিস্বাৰ্থভাৱে সহায় কৰাসকলক আমি কৃতজ্ঞতা জনাবই লাগিব। সেয়ে যোৰহাট আৰু মাজুলী জিলা প্ৰশাসনে চিনাক্ত কৰা ৫০জনৰ ভিতৰত আজি উপস্থিত থকা ৩৫জনক ২৫ হেজাৰকৈ টকা ৰাজ্য চৰকাৰে পুৰস্কাৰ হিচাপে প্ৰদান কৰিছো। এইসকলে সহায় নকৰা হ'লে মৃত্যুৰ সংখ্যা হয়তো বৃদ্ধি পালেহেঁতেন।' একেদৰে এনডিআৰএফ আৰু এছডিআৰএফ, মাজুলী আৰু যোৰহাট প্ৰশাসন, যোৰহাট মেডিকেল কলেজৰ চিকিৎসক-কৰ্মচাৰী সকলোকে কৃতজ্ঞতা জনায় মুখ্যমন্ত্ৰী ড° শৰ্মাই। অহা ১০ দিনৰ ভিতৰত মাজুলী যোৰহাট সংযোগী দলঙৰ প্ৰথমটো খুঁটাৰ পাইলিং কৰা হ'ব বুলি মন্তব্য কৰি সেইদিনা মুখ্যমন্ত্ৰীয়ে পুনৰ মাজুলীলৈ অহাৰ কথাও প্ৰসংগক্ৰমে ব্যক্ত কৰে। ইয়াৰ পাছতে মন্ত্ৰী বৰা, মন্ত্ৰী হাজৰিকা, সাংসদ বৰুৱাসহ মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী অসামৰিক চিকিৎসালয়ত নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ সামাজিক দায়বদ্ধতাৰ অংশৰূপে নিৰ্মিত পাঁচখন বিছনাযুক্ত আইচিইউ উদ্বোধন কৰে। চিকিৎসালয়খনত উপলব্ধ বিনামূলীয়া ডায়েলাইছিছ কেন্দ্ৰটোও পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে সামগ্ৰিক কাৰ্যকলাপৰ বুজ লয়। তাৰ পৰা মুখ্যমন্ত্ৰীয়ে গড়মূৰত নিৰ্মাণৰত ক্ষুদ্ৰ সচিবালয়ৰ নিৰ্মাণ কাৰ্যৰ বুজ লোৱাৰ লগতে নিৰ্মাণ কাৰ্য সমাপ্ত হোৱা কৰ্মচাৰীৰ আবাস গৃহ পৰিদৰ্শন কৰে। নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা ক্ষুদ্ৰ সচিবালয়ৰ আৰ্হিৰ উপায়ুক্ত কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যও শীঘ্ৰে আৰম্ভ কৰিবলৈ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। একেদৰে মাজুলীৰ বৰদুৱাৰত স্থাপন হ'বলগীয়া আদৰ্শ ডিগ্ৰী মহাবিদ্যালয়ৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰি তেওঁ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত মহাবিদ্যালয়খন মাজুলীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত আন এক গুৰুত্বপূৰ্ণ নতুন সংযোজনৰূপে পৰিগণিত হ'ব বুলি ব্যক্ত কৰে। ইয়াৰ পিছতে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণ ক্ষেত্ৰ পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ শিক্ষা আৰু গৱেষণাৰ যোগেদি মাজুলী আৰু ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত কৰাত এই বিশ্ববিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত বিশ্ববিদ্যালয়খনে নদীদ্বীপ জিলাখনৰ লগতে সামগ্ৰিকভাৱে অসমৰ বাৰেবৰণীয়া ঐতিহ্য আৰু কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ তথা প্ৰচাৰ-প্ৰচাৰৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা পালন কৰিব বুলি মন্তব্য কৰে। আনহাতে, মাজুলীৰ লুইত ঘাটত খহনীয়া ৰোধৰ ক্ষেত্ৰত চলি থকা প্ৰকল্পৰ কামৰ বুজ লয়। ইয়াৰ পাছত বিয়লি মুখ্যমন্ত্ৰীয়ে বিজেপি আৰু মিত্ৰ দলৰ কৰ্মীৰ স'তে বৈঠকত মিলিত হয়। সন্ধিয়া মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ, আউনীআটী সত্ৰ, গড়মূৰ সত্ৰৰ লগতে কে'বাখনো মঞ্চৰাসত অংশ লৈ বালি জকাইবোৱাৰ কৃষক বংশীধৰ পায়েঙৰ বাসগৃহত নিশা যাপন কৰে।

GOVERNMENT OF ASSAM
FINANCE (BUDGET) DEPARTMENT
WAYS & MEANS BRANCH

PRESS COMMUNIQUE

BW.09/2021/28

Auction of 10 years Assam Government Stock (Securities)

1. Government of Assam has offered to sale the dated securities for an amount of Rs. 600.00 Crore with 10 (ten) year tenure by auction. The auction will be conducted by the Reserve Bank of India, at Mumbai Office, Fort, Mumbai-400001 on November 23, 2021.
2. The procedure of auction of the State Development Loan as under :

(a) Competitive Bids

All competitive bids shall be submitted electronically on the Reserve Bank of India Core Banking Solution (E-Kuber) System. Perhaps, other than CBS members, shall route their competitive bids through a CBS member. Competitive bids may be submitted between 10:30 A.M. and 11.30 A.M. on the day of the auction as hitherto.

(b) Non-Competitive Bids

Under the scheme, an investor can submit a single bid only in the auction of a State Development Loan, subject to a maximum of 1% of the notified amount, through a bank or a Primary Dealer. Non-Competitive Bids may be submitted only electronically on the CBS between 10:30 A.M. and 11.00 A.M. on the day of auction. No bids under the Non-Competitive Bidding Scheme shall be accepted after 11.00 A.M.

(c) Bids in Physical format

No bids shall, henceforth, be accepted in physical format in the auctions of State Development Loans, except in extra-ordinary situations as maybe specified by the Reserve Bank of India.

3. The bids may be submitted electronically to the Regional Director, Reserve Bank of India, Mumbai Office, Fort, Mumbai-400001
4. The result of auction shall be displayed by the Reserve Bank of India on its website on the same day of auction. The payment by successful bidders will be on November 24, 2021.
5. The rate of Interest, i.e., the cut-off yield determined at the auction will be the coupon rate percent per annum on the stock sold at the auction. the interest will be paid on May 24 and November 24.
6. The investment in Government Stock will be reckoned as an eligible investment in Government Securities by banks for the purpose of Statutory Liquidity Ratio (SLR) under Section 24 of the Banking Regulation Act, 1949. The Stocks will qualify for the ready forward facility.
7. For other details, please see the Notification of the Government of Assam No. BW.09/2021/27, dated 18th November, 2021.

Sd/-
Samir K. Sinha, (IAS)
Principal Secretary to the Government of Assam
Finance Department

Janasanyog/C/7920/21

No.SMC/38/2020/3

PRESS NOTICE

The Chief Engineer, P.W.D. (Buildings), Assam, on behalf of the Governor of Assam invites bids from APWD registered Class-I (A) & (B) contractors having experience in similar nature of work, for the following work. Details of the bid may be seen at e-procurement portal website i.e. www.assamtenders.gov.in. The bidders must be enrolled in www.assamtenders.gov.in

Sl. No	State/ Package	Name of Work	Approx. Value Of Work	Time of completion	Bid Security (2% for General, and 1% for Reserved category)	Bid Security to be drawn in favour of	Tender Cost
1	Gr-III & Gr-IV Staff Qtr. at Kazigaon	Construction of Grade-III and Grade-IV Staff Qtrs. Of SDO Civil Parbatijhora at Kazigaon in Kokrajhar District under GAD for the year 2019-20	Rs. 3,29,40,784.00	24 (Twenty four) Months)	Rs. 6,58,850.00 (for General) or, Rs.3,29,425.00 (for reserved Category)	E.E., PWD, Kokrajhar Building Division	Rs. 10,000/-

Chief Engineer, P.W.D. (Bldg.)
Assam, Chandmari, Guwahati-3

No.SMC/76/2021/3

PRESS NOTICE

The Chief Engineer, P.W.D. (Buildings), Assam, on behalf of the Governor of Assam invites bids from APWD registered Class-I (A) & (B) contractors having experience in similar nature of work, for the following work. Details of the bid may be seen at e-procurement portal website i.e. www.assamtenders.gov.in. The bidders must be enrolled in www.assamtenders.gov.in

Sl. No	State/ Package	Name of Work	Approx. Value Of Work	Time of completion	Bid Security (2% for General, and 1% for Reserved category)	Bid Security to be drawn in favour of	Tender Cost
1	Rep/ren - MCH Silchar	Repair/renovation of Mother and Child Hospital including construction of Attendernt's waiting hatl (Assam Type) and retaining wail cum external drain at SMCH&H, Silchar	Rs. 3,12,33,899.00	24 (Twenty four) Months	Rs. 6,24,700.00 (for General) or, Rs.3,12,350.00 (for reserved Category)	E.E., PWD, Silchar Building Division	Rs. 9,400/-

Sd
Chief Engineer, P.W.D. (Bldg.)
Assam, Chandmari, Guwahati-3

Janasanyog/C/7957/12

■ ফুটুকাৰ ফেনত পৰিণত চৰকাৰী হাইমাষ্ট লাইট ■ ৰাইজৰ দুৰ্ভোগ

সন্ধিয়া হ'লেই অন্ধকাৰত বুৰ যায় শিৱসাগৰ জেঙনিকটীয়া-ধাইআলি

বিশেষ সংবাদদাতা,

শিৱসাগৰ, ১৮ নৱেম্বৰ ঃ ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰখনক ন-ৰূপত সজাই-পৰাই তোলাৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ লগতে স্থানীয় বিধায়ক অখিল গগৈয়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে নগৰখনৰ প্ৰকৃত স্বৰূপ উদঙাই দেখুৱাইছে পৌৰসভাৰ অন্তৰ্গত এটা অঞ্চলে। শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত তথা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা এক কিলোমিটাৰ আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা মাত্ৰ পাঁচশ মিটাৰ নিলগৰ নগৰখনৰ এক নং আৰু দুই নম্বৰ ৱাৰ্ড সংযোজিত হৈ থকা জেঙনিকটীয়া অঞ্চলটো সন্ধিয়া হ'লেই ঘোপমৰা অন্ধকাৰত বুৰ যোৱাৰ ঘটনাই স্পষ্ট কৰি দিছে ঐতিহ্যমণ্ডিত নগৰখনৰ উন্নয়নৰ নামত প্ৰকৃতাৰ্থত কি চলি আছে। নগৰখনৰ মাজমজিয়াস্বৰূপ তথা ঘন জনবসতিপূৰ্ণ বাণিজ্যিক অঞ্চল জেঙনিকটীয়া আৰু ধাইআলি অঞ্চলটো শিৱসাগৰ পৌৰসভাৰ অদক্ষতা আৰু অকৰ্মণ্যতাৰ বাবেই সন্ধিয়া হ'লেই ঘোপ মৰা অন্ধকাৰত বুৰ যোৱাৰ ঘটনাক লৈ এতিয়া ৰাইজৰ মাজত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। নিয়মিতভাৱে পৌৰসভাক সকলো ধৰণৰ কৰ-কাটল আদায় দিয়াৰ পাছতো পৌৰসভাৰ অন্তৰ্গত এই অঞ্চলটোক পৌৰসভাই মাহীআইৰ দৃষ্টি নিক্ষেপ কৰাত ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। অতি ব্যস্ততাপূৰ্ণ অঞ্চলটোত পৌৰসভাৰ তৰফৰ পৰা যথোপযুক্ত পোহৰৰ ব্যৱস্থা নকৰাৰ বাবেই এতিয়া সঘনাই পথচাৰী দুৰ্ঘটনাত পতিত হোৱাৰ লগতে দুষ্টচক্ৰয়ো সুযোগ ল'বলৈ ধৰিছে। উল্লেখ্য যে, প্ৰতিদিনেই ৰাজ্য চৰকাৰৰ নেতা-মন্ত্ৰীৰ কনভয় আৱৰ্ত ভৱন তথা উপায়ুক্ত কাৰ্যালয়লৈ এই অঞ্চলকেইটাৰ মাজেদি যোৱা পথটোৰেই অহা-যোৱা কৰে। পৌৰসভাৰ অন্তৰ্গত এই অঞ্চলটোত পথৰ কাষে কাষে এসময়ত স্থাপন কৰা হৈছিল ষ্ট্ৰিট লাইট। শিৱসাগৰ নগৰখনলৈ 37 নম্বৰ ঘাইপথৰ পশ্চিম দিশৰ পৰা প্ৰৱেশ কৰা অন্যতম গুৰুত্বপূৰ্ণ এই পথটোৰ দুয়োপাৰে পৌৰসভাই সংস্থাপিত কৰা ষ্ট্ৰিট লাইটসমূহ আজিও থিয় হৈ আছে। আনহাতে, এই অঞ্চলটোত থকা ব্যস্ততম চাৰিআলিটোৰ কাষত স্থাপন কৰা হৈছিল কিছুদিনৰ পূৰ্বে এটা হাইমাষ্ট লাইট। কিন্তু সংস্থাপনৰ কেইদিনমানৰ পাছতেই বিকল হৈ পৰা হাইমাষ্ট লাইটটো আজি পৰ্যন্ত পুনৰ ভাল হৈ নুঠিল। স্থানীয় ৰাইজে পৌৰ কৰ্তৃপক্ষৰ মুখ্য কাৰ্যবাহী বিষয়াক এই সন্দৰ্ভত অৱগত কৰিছিল যদিও কেৰালাৰ পৰা অভিযন্তা আনিহে এই হাইমাষ্ট লাইট মেৰামতি কৰিব পাৰিব বুলি ৰাইজক আশ্বাস দিছিল। অৱশ্যে সুদীৰ্ঘ দিনৰ পাছতো কেৰালাৰ মিস্ত্ৰি আহি শিৱসাগৰ পোৱাহি নাই। ইফালে, উক্ত অঞ্চলটোত থকা ষ্ট্ৰিট লাইটকেইটাও বিকল হোৱা বহুদিন হ'ল, কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে শিৱসাগৰ পৌৰসভা কৰ্তৃপক্ষক এই সন্দৰ্ভত বাৰম্বাৰ আবেদন জনোৱাৰ পাছতো অঞ্চলটোৰ বিকল ষ্ট্ৰিট লাইট কেইটা মেৰামতি হৈ নুঠিল। অঞ্চলটোত পোহৰৰ অভাৱৰ বাবেই পথচাৰী সঘন দুৰ্ঘটনাত পতিত হোৱা আৰু দুষ্টচক্ৰৰ দুষ্কাৰ্য এক সাধাৰণ ঘটনাত পৰিণত হৈছে। সচেতন মহলে এই ক্ষেত্ৰত তাৎক্ষণিকভাৱে পৌৰসভাৰ কৰ্তৃপক্ষৰ ইতিবাচক পদক্ষেপ কামনা কৰিছে।

ডিব্ৰুগড়ৰ হৰিচন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয়ত হাতে লিখা আলোচনী উন্মোচন, বৃহস্পতিবাৰে।

কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰৰ উদ্যোগত কৃষকৰ দ্বাৰা ধানৰ জাতৰ মূলাংকন সম্পন্ন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ১৮ নৱেম্বৰ ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰৰ উদ্যোগত যোৱা ১৫ নৱেম্বৰত কৃষকৰ দ্বাৰা ধাননি পথাৰত বিভিন্ন জাতৰ ধানৰ মূল্যাংকনৰ জৰিয়তে শ্ৰেষ্ঠজাতসমূহৰ নিৰ্বাচন সম্পন্ন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰে ৰূপায়ণ কৰা অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত বিহপুৰীয়াৰ গোসাঁইছুক পথাৰত শালি ধানৰ ১০টা বিভিন্ন জাতৰ 'কাফেটেৰিয়া' প্ৰস্তুত কৰা হৈছিল। এই ধানসমূহৰ বিভিন্ন বৈশিষ্ট্যসমূহ নিৰীক্ষণ কৰি কৃষকৰ উপযোগী জাতসমূহৰ শ্ৰেষ্ঠতা বিচাৰ কৰিবলৈ কৃষকসকলক উক্ত দিনটোত এক সুন্দৰ সুযোগ প্ৰদান কৰা হয়। এই উদ্দেশ্যে জিলাখনৰ বিভিন্ন অংশৰ পৰা উপস্থিত হোৱা কৃষকসকলক কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰৰ মুৰব্বী আৰু জ্যেষ্ঠ বিজ্ঞানী ড° প্ৰশান্ত কুমাৰ পাঠকে আদৰণি ভাষণত কৃষকসকলক উত্তম জাত সমূহৰ মূল্যাংকনৰ জৰিয়তে শ্ৰেষ্ঠজাতসমূহ নিৰ্বাচিত কৰিবলৈ আহ্বান জনায়। ধানৰ পোখা, উচ্চতা, থোকৰ দৈৰ্ঘ্য, থোকত ধানৰ সংখ্যা, ধান পৰি নোযোৱা বৈশিষ্ট্য বা বান সহনশীলতা জাতসমূহ কৃষকৰ নিজৰ দৃষ্টিভংগীৰে নিৰ্বাচিত কৰিলে কৃষি বিজ্ঞানী আৰু কৃষি বিভাগসমূহে সেই জাতসমূহৰ উৎপাদন আৰু সম্প্ৰসাৰণ কৰিবলৈ অধিক সুবিধা হয় বুলি উল্লেখ কৰে। আনহাতে, কৃষি বিজ্ঞান কেন্দ্ৰ লখিমপুৰৰ শস্য বিজ্ঞানী লক্ষীকান্ত নাথ, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ লখিমপুৰৰ বিজ্ঞানী ড° নৃপেন গগৈ আৰু ড° য়াতেৰ দাসে কৃষকসকলক ধানৰ জাত মূল্যাংকনৰ পদ্ধতিসমূহ সুন্দৰভাৱে বুজাই দিয়ে।

চাপৰত অবৈধ বালি খননেৰে চলাইছে ৰেলপথ নিৰ্মাণৰ কাম

■ কুম্ভকৰ্ণ নিদ্ৰাত বন বিভাগ

অগ্ৰদূত বাৰ্তা

চাপৰ, ১৮ নৱেম্বৰ ঃ ৰেলপথ নিৰ্মাণত নিয়োজিত ঠিকাদাৰী প্ৰতিষ্ঠান 'এন, চি দাস এণ্ড কোঃ'এ ৰেলপথ নিৰ্মাণৰ গইনা লৈ ধুবুৰী জিলাৰ বৃহত্তৰ চাপৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ বনাঞ্চল আৰু পাহাৰৰ মাটি অবৈধ খনন কৰাৰ পাছত এইবাৰ অবৈধভাৱে নদীৰ বালি খননতো লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ঠিকাদাৰী কোম্পানীটোৱে এইদৰে বহলপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ প্ৰায় গাতে লাগি থকা চম্পা নৈৰ ঘাটৰ পৰা অবৈধভাৱে বালি খনন কৰি থকা প্ৰত্যক্ষ কৰি স্থানীয় যুৱকৰ দল এটাই বহলপুৰস্থিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে। পাছত বনাঞ্চলিক বিষয়া উত্তম সেনাপতি বনকৰ্মীৰ দলসহ ঘটনাস্থলীত উপস্থিত হৈ কোম্পানীটোৰ এএছ-০১ বিচি-৭৩৭৫ নম্বৰৰ ডাম্পাৰ এখন আৰু এএছ-০১ ডি-৯৫৬৩ নম্বৰৰ 'এক্সকেভেটৰ' এখন জব্দ কৰি বন কাৰ্যালয়লৈ লৈ আহে। উল্লেখ্য যে ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি ৰাজহ ফাকিৰে অবৈধ মাটি আৰু বালি খননৰ অভিযোগ উত্থাপিত হৈ থকাৰ পাছতো বনবিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰি একপ্ৰকাৰ কুম্ভকৰ্ণ নিদ্ৰাত থকা ঘটনাই ৰাইজৰ মাজত ৰহস্যৰ সৃষ্টি হৈছে।

শিক্ষানুষ্ঠানত ৰাজনীতিকক অন্তৰ্ভুক্ত নকৰাৰ দাবী

■ জিলা উপায়ুক্তক আছুৰ স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৮ নৱেম্বৰ ঃ সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক আৰু সাধাৰণ সম্পাদক অক্ষয় ডেকা উপ-সভাপতি ফণীধৰ বৰুৱা সহকাৰী সম্পাদক নিৰোজ উদ্দিন আহমেদৰ নেতৃত্বত এটা সঁজাতী দলে যোৱা ১৭ নৱেম্বৰত নলবাৰী জিলাৰ উপায়ুক্তক লগ কৰি নলবাৰী জিলাৰ শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সমিতিৰ পৰা ৰাজনৈতিক ব্যক্তিক অন্তৰ্ভুক্তি নকৰাৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰে। জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে কয় যে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই দীৰ্ঘদিনৰে পৰা শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সমিতিৰ পৰা ৰাজনৈতিক ব্যক্তিক অন্তৰ্ভুক্ত নকৰিবলৈ দাবী জনাই আহিছে। ইয়াৰ বিপৰীতে নলবাৰী জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত ৰাজনৈতিক ব্যক্তিক অন্তৰ্ভুক্ত কৰিবলৈ এচাম চক্ৰ উঠি পৰি লাগিছে। আমাৰ স্পষ্ট মত শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সমিতিত স্থানীয় প্ৰকৃত শিক্ষাবিদৰ অন্তৰ্ভুক্ত হওঁক। সুস্থ শৈক্ষিক পৰিবেশৰ স্বাৰ্থতে দলীয় ৰাজনীতিৰ বাহিৰত থকা স্থানীয় শিক্ষাবিদৰ দ্বাৰা শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিসমূহ গঠন কৰাৰ বাবে দাবী জনায়। অন্যথা ৰাইজৰ সহযোগত তীব্ৰ আন্দোলন গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে।

হোজাইত বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তিৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

হোজাই, ১৮ নৱেম্বৰ ঃ হোজাইৰ ডবকা পশ্চিম জাৰুণী নিবাসী বয়োজেষ্ঠা আৰু ধৰ্মপ্ৰাণ ব্যক্তি আলহাজ ক্বাৰী আব্দুৰ নুৰ বৰভূঞা(৯৫)ৰ যোৱা পৰহি নিশা মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত দীৰ্ঘদিন ধৰি গুৰুতৰভাৱে অসুস্থ হৈ আছিল লোকজন। কালি পশ্চিম জাৰুণী কবৰস্থানৰ সন্মুখত কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত সাত পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ লগতে নাতি-নাতিনীসহ বহু গুণমুগ্ধ ইহসংসাৰত এৰি যায়। মৃত্যুৰ সময়লৈকে জমিয়তৰ সদস্য হিচাপে সমাজৰ বিভিন্ন কাম-কাজত জড়িত আছিল লোকজন। তেওঁৰ মৃত্যুত নীলবাগান প্ৰেছ ক্লাবৰ হৈ সভাপতি বাচিত আলাম চৌধুৰী, সম্পাদক মাহমুদ আলী, যমুনাভেলী প্ৰেছ ক্লাব, যমুনামুখৰ বিধায়ক চিৰাজুদ্দিন আজমল, আজমল ফাউণ্ডেচনৰ ডিৰেক্টৰ ড° খচৰুল ইছলাম, প্ৰৱন্ধক এম আৰ এইছ আজাদ, মৰ্কজুল মা-আৰিফ, হাম হাস্পতালৰ হৈ মানিক তালুকদাৰ, নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মোহাম্মদ বৰভূঞা, মৌলানা মছদ্দৰ আলী বিদ্যাপীঠ, আমছুৰ হৈ মনোৱাৰ হুছেইন, কবিৰ আহমেদ লস্কৰ, অধিবক্তা ৰোহিনা ৰাৰিছ, অমৰজ্যোতি শইকীয়া, যমুনাপৰীয়া শাখা সাহিত্য সভা, হোজাই প্ৰেছ ক্লাব, লংকা প্ৰেছ ক্লাব তথা বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

মনেৰেহে জ্যেষ্ঠতা জুখিব লাগে, বয়সেৰে নহয়

■ মৰাণৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৮৩ সংখ্যক বৈঠক সম্পন্ন

অগ্ৰদূত বাৰ্তা

মৰাণ, ১৮ নৱেম্বৰ ঃ বৃহত্তৰ মৰাণ অঞ্চলৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৮৩ সংখ্যক বৈঠক কালি সন্ধিয়া মৰাণ নগৰৰ শান্তিপুৰত মুকলি আকাশৰ তলত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰাণু গগৈৰ পৰিয়ালে আতিথ্য আগবঢ়োৱা বৈঠকখনত বৰমেলুৱৈৰ আসন অলংকৃত কৰে বিশিষ্ট চিকিৎসক ডাঃ বিৰিঞ্চি কুমাৰ গগৈয়ে। জোনাকী মেলৰ মুখ্য উদ্যোক্তা বাছা বৰাই আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰা বৈঠকখনত আলোচ্য বিষয় হিচাপে লোৱা হৈছিল 'জ্যেষ্ঠ নাগৰিকৰ সমস্যা আৰু কৰণীয়'। ৰাণু গগৈয়ে আদৰণি ভাষণ আগবঢ়োৱা বৈঠকৰ আৰম্ভণিতে জোনাকী মেলৰ স্থায়ী গীতটো পৰিৱেশন কৰে শান্তিপুৰ মহিলা সমাজে। আলোচ্য বিষয়টোৰ ওপৰত মুখ্য আলোচক হিচাপে ভাগ লয় মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° যতীন চুতীয়াই। আলোচকজনে জ্যেষ্ঠ নাগৰিকসকলৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা আগবঢ়াই কয় যে জ্যেষ্ঠ নাগৰিকসকলে স্বাস্থ্য ৰক্ষাৰ লগতে নিয়মানুৱৰ্তিতা আৰু আধ্যাত্মিক দিশৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰাই বয়সস্থ লোকৰ শৰীৰত দেখা দিব পৰা বিভিন্ন ৰোগ সম্পৰ্কে অৱগত কৰাৰ লগতে স্বাস্থ্য ৰক্ষাৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। একেটা বিষয়ৰ ওপৰত মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰী ফুকনে কয় যে চৰকাৰী নিয়মানুযায়ী ৬০ বছৰ সম্পূৰ্ণ হ'লেই জ্যেষ্ঠ নাগৰিক বুলি কোৱা হয় যদিও সেই জ্যেষ্ঠসকলে নিজকে বুঢ়া হৈছে বুলি ভাবিলে স্বাস্থ্যৰ অৱনতি ঘটিব। সেয়েহে জ্যেষ্ঠসকলে নিজকে সুস্বাস্থ্যবান বুলি ভাবি সমাজত বসবাস কৰি থাকিব লাগিব। বক্তাজনে কয় যে সুস্বাস্থ্যবান আৰু দীৰ্ঘায়ু হ'বলৈ হ'লে জ্যেষ্ঠতা মনেৰেহে জুখিব লাগে, বয়সেৰে নহয়। তদুপৰি নিজকে বিভিন্ন কামত ব্যস্ত ৰাখি বয়সৰ কথা পাহৰি থাকিলেহে সুস্বাস্থ্যবান আৰু দীৰ্ঘায়ু হৈ থাকিব পাৰিব বুলি ফুকনে কয়। বিষয়টোৰ ওপৰত শিক্ষক নবীন হাজৰিকা, মাহমৰা ৰাজহ চক্ৰ কাৰ্যালয়ৰ উচ্চবৰ্গৰ কৰ্মচাৰী ৰশ্মিৰেখা গগৈ, মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক নবীন গগৈ, অৱসৰপ্ৰাপ্ত অভিযন্তা প্ৰবীৰ শৰ্মা, বাল্য বিকাশ বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° স্বপন কুমাৰ চুতীয়াকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে আলোচনাত ভাগ লয়। ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোহনলাল উপাধ্যায়ে কৌতুক পৰিৱেশন কৰি ৰসাল কৰি তোলা বৈঠকখনত কবিতা পাঠ কৰে শিক্ষয়িত্ৰী অঞ্জু বৰুৱা, নীলাক্ষী বৰুৱা, শিক্ষক দ্বীজেন্দ্ৰ নাথ দত্ত আৰু লাৱণ্য কলিতাই।

সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান
জোনাকী মেল

নগাঁও জিলা তিৱা সাহিত্য সভাৰ অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৮ নৱেম্বৰ ঃ তিৱা সাহিত্য সভা (তিৱা মাথনলাই তখ্ৰা)ৰ নগাঁও জিলা সমিতিৰ চতুৰ্থ ত্ৰৈবাৰ্ষিক অধিবেশন যোৱা ১৪ নৱেম্বৰত কামপুৰৰ নিজ জৰাবাৰীৰ স্বৰ্গীয় লহং পাটৰ সমন্বয় ক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই অধিবেশন উপলক্ষে মূল দ্বাৰ উদ্বোধন কৰে ঘনকান্ত দেউৰীয়ে। তখ্ৰাৰ জিলা সভাপতি বীৰেণ লালুঙে পতাকা উত্তোলনৰ পাছত সম্পাদক বলীন্দ্ৰ ডেকাৰজাই স্মৃতি তৰ্পণৰ পাছত প্ৰতিনিধিৰ নাম পঞ্জীয়ন আৰু অজিত পাটৰে প্ৰতিনিধি সভাৰ দ্বাৰ উদ্বোধন কৰে। পাছত প্ৰতিনিধি সভা উদ্বোধন কৰে চিত্ৰ দেউৰীয়ে। বিয়লি বীৰেণ লালুঙৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে তিৱা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ড° বিদ্যুৎ বিকাশ সেনাপতিয়ে আৰু আদৰণি ভাষণ দিয়ে শৰৎ চন্দ্ৰ পাটৰে। মুকলি সভাত তিৱা মাথনলাই তখ্ৰাৰ সভাপতি লালসিং মাদাৰে মুখপত্ৰ 'খুৰাং' উন্মোচন কৰাৰ পাছতে তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙে স্মৃতিগ্ৰন্থ 'কোবানে খুৰাং' উন্মোচন কৰে। সভাত তিৱা মাথানলাই তখ্ৰাৰ উপ-সভাপতি শৰৎ পাটৰ আমচি, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্যদ্বয় সৰোজ কোঁৱৰ আৰু বিতু বৰদলৈ, নগাঁও জিলা ট্ৰাইবেল সংঘৰ সভাপতি প্ৰহ্লাদ মছৰঙ, সম্পাদক পংকজ দেউৰী, নগাঁও জিলা তিৱা ছাত্ৰ সন্থাৰ সভাপতি প্ৰশান্ত কোঁৱৰ, মৰিগাঁও জিলা তিৱা মাথনলাই তখ্ৰাৰ সম্পাদক মৃণাল কুমাৰ দেউৰৰাজা আৰু নগাঁও জিলা তিৱা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেশ্বৰ বৰদলৈ আদি বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। মুকলি সভাৰ মাজে মাজে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিল্পী দলে তিৱা নৃত্য-গীত পৰিবেশনো কৰে। উল্লেখ্য যে অধিবেশনৰ প্ৰতিনিধি সভাত পুনৰ বীৰেণ লালুঙক সভাপতি আৰু বলীন্দ্ৰ ডেকাৰজাক সম্পাদৰূপে লৈ আগন্তুক কাৰ্যকালৰ বাবে তখ্ৰাৰ নগাঁও জিলা কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হৈছে।

নাজিৰা মহাবিদ্যালয়লৈ নাকৰ বি প্লাছ গ্ৰেড

অগ্ৰদূত বাৰ্তা

নাজিৰা, ১৮ নৱেম্বৰ ঃ নাজিৰাৰ আগশাৰীৰ শিক্ষানুষ্ঠান নাজিৰা মহাবিদ্যালয়লৈ নাকে বি প্লাছ গ্ৰেড প্ৰদান কৰিছে। উল্লেখ্য যে যোৱা ১২ আৰু ১৩ নৱেম্বৰত নাকৰ এটা তিনিজনীয়া দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। নাকৰ দলটোৱে পৰিদৰ্শন কালত কলেজখনৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশৰ লগতে আন্তঃগাঁথনিকে আদি কৰি আন সকলো দিশ পৰ্যবেক্ষণ কৰে। কলেজৰ শিক্ষকসমূহৰ সামাজিক দায়বদ্ধতাৰো শলাগ লয় দলটোৱে। পৰ্যবেক্ষণৰ অন্তত যোৱা ১৭ নৱেম্বৰত কলেজখনলৈ বি প্লাছ গ্ৰেড প্ৰদান কৰে দলটোৱে। ইয়াৰ লগে লগেই কলেজ চৌহদত এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। কলেজৰ এই সফলতাত কলেজখনৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা শুভাকাংক্ষী সকলোৰে ত্যাগ আৰু অৱিহণাৰ শলাগ লৈছে অধ্যক্ষ ড° ৰাজু ফুকনে।

দোকানত শুই থাকোতে ট্ৰাকৰ খুন্দাত মহিলাৰ মৃত্যু

দেৰগাঁও, ১৮ নৱেম্বৰ ঃ দেৰগাঁৰৰ বালিজানত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত জ্যোতি বৰুৱা (৬০) নামৰ এগৰাকী মহিলাৰ মৃত্যু হয়। এ এছ-০১ এল চি-৬৬৮৫ নম্বৰৰ ট্ৰাকখনে ৩৭ নম্বৰ ঘাইপথৰ এখন হোটেলত নিয়ন্ত্ৰণ হেৰুৱাই সোমাই যোৱাত শুই থকা অৱস্থাতে মহিলাগৰাকীৰ মৃত্যু হয়। উল্লেখ্য যে মহিলাগৰাকীয়ে দীৰ্ঘদিন ধৰি ঘাইপথৰ কাষতে দোকান দি জীৱন নিৰ্বাহ কৰাৰ লগতে দোকানখনতে বসবাস কৰিছিল।

আমগুৰি মহাবিদ্যালয় আছু গোটৰ প্ৰতিনিধি সভা

অগ্ৰদূত বাৰ্তা

আমগুৰি, ১৮ নৱেম্বৰ ঃ আমগুৰি মহাবিদ্যালয় আছু গোটৰ বাৰ্ষিক প্ৰতিনিধি সভাখন যোৱা ১৭ নৱেম্বৰত অনুষ্ঠিত হয়। আমগুৰি মহাবিদ্যালয়ত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ৰাজদ্বীপ কাকতিয়ে। ৰোহিত ছেত্ৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অম্লানজ্যোতি মহন্ত আৰু আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ঋতুপল্লৱ হাজৰিকা উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ নীতি আৰু আদৰ্শৰ ওপৰত বক্তব্য ৰাখে। সভাৰ শেষত অনুষ্ঠিত হোৱা বিষয় বাছনি সভাত সৰ্বসন্মতিক্ৰমে আগন্তুক কাৰ্যকালৰ বাবে ৰোহিত ছেত্ৰীক সভাপতি আৰু ডিম্পু শইকীয়াক সাধাৰণ সম্পাদক হিচাপে লৈ ৬১ জনীয়া এখন সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাত আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি কৌশিক দত্ত আৰু সহকাৰী সাধাৰণ সম্পাদক গৌৰৱ গগৈ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে।

নদুৱাৰৰ বাঁহীবাদক শিল্পী নৱজিত বৰাক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৮ নৱেম্বৰ ঃ ৰাসৰ এটি বাঁহীৰ সুৰ। যিটো সুৰ বাজি উঠাৰ লগে লগে ৰাসৰ গোপ-গোপীসকল আপোন পাহৰা হৈ উঠে আৰু নৃত্যত মগন হৈ পৰে। তিনি বছৰ পূৰ্বেই ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা আৰু সকলোৰে আদৰি লোৱাৰ উপৰি আজিও জনপ্ৰিয় সেই বাঁহীৰ সুৰ সৃষ্টিকাৰী নগাঁৰৰ বাঁহীবাদক নৰজিৎ বৰা নামঘৰনগৰী জামুগুৰিহাটৰ কে'বাখনো ভাওনা গৃহত অলপতে আহি উপস্থিত হোৱাত উৎফুল্লিত হৈ পৰে লোকসকল। বিশেষকৈ বাৰেচহৰীয়া ভাওনাৰে গৰিমামণ্ডিত নামঘৰনগৰী জামুগুৰিহাটত এতিয়া গাঁৱে গাঁৱে অনুষ্ঠিত হৈ আছে গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি ভাওনা। শতাধিক গাঁও থকা জামুগুৰিহাটত প্ৰতিখন গাঁৱতেই আছে একো একোটি নামঘৰ। য'ত গাঁওবাসী লোকসকলে একতাৰ বন্ধোন মজবুত কৰি ৰাখিবৰ বাবেই প্ৰতি বছৰে অনুষ্ঠিত কৰে ভাওনা। বিগত বৰ্ষসমূহত ক'ভিড পৰিস্থিতিৰ বাবে এই ভাওনা অনুষ্ঠিত কৰিব পৰা নাছিল যদিও এইবেলি ক'ভিড পৰিস্থিতি কিছু শাম কটাত পুনৰ অঞ্চলটোলৈ ঘূৰি আহিছে এক সাংস্কৃতিক পৰিৱেশ। তাৰ মাজতেই বাঁহীবাদক তথা সকলোৰে আপোন বাঁহীবাদক, শিল্পী নৰজিৎ বৰাক কাষত পাই ভাওনা গৃহলৈ অহা ভক্তপ্ৰাণ লোকসকলৰ লগতে অন্যান্য কলা-কুশলীসকলো আনন্দিত হৈ পৰে। বিশেষ কামলৈ জামুগুৰিহাটলৈ অহা বাঁহীবাদকজন এইদৰে সাংস্কৃতিক নগৰী জামুগুৰিহাটৰ ভাওনা স্বচক্ষে প্ৰত্যক্ষ কৰি উপভোগ কৰিবলৈ আহিছিল যদিও সকলোৰে বাবেই পৰিচিত শিল্পীজনক হঠাৎ প্ৰত্যক্ষ কৰি উদ্যোক্তাসকলো আনন্দিত হৈ সম্বৰ্ধনা জনায়। অঞ্চলটোৰ বাহদোঙা বৰাচুক, বৰভগীয়া গাঁৱৰ ভাওনাথলীত শিল্পীজনক সম্বৰ্ধনা জনোৱাৰ লগতে বাঁহীৰ অমিয়া সুৰেৰে ৰাজ্যবাসীক মুগ্ধ কৰা শিল্পীজনৰ বাঁহীৰ সুৰো শুনিবলৈ সাৰ্থক হয় উপস্থিত লোকসকল। জামুগুৰিবাসীৰ পৰা এইদৰে মৰম পাই আপ্লুত হৈ পৰাৰ লগতে উঠি অহা প্ৰজন্মৰ বাঁহীৰ সুৰৰ প্ৰতি আগ্ৰহী সকলোকে একান্তচিত্তে এই বাদ্যৰ প্ৰতি মনোযোগ দি এগৰাকী সুনিপুণ বাঁহীবাদক হৈ উঠিবৰ বাবেও আহ্বান জনায় বাঁহীবাদক শিল্পী নৰজিৎ বৰাই।

ঐতিহাসিক বৰবৰী শিবিৰৰ ৭৫ বৰ্ষপূৰ্তি

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৮ নৱেম্বৰ ঃ দৰং দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত 'বিংশ শতিকাৰ শৰাইঘাটৰূপে খ্যাত ঐতিহাসিক মঙলদৈৰ 'বৰবৰী শিবিৰৰ ৭৫ বৰ্ষপূৰ্তি অহা ২০ নৱেম্বৰত দিনজোৰাকৈ দৰং জিলা সাহিত্য সভাৰ সভাগৃহত অনুষ্ঠিত হ'ব। উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ অনিল প্ৰিয়ৰঞ্জন শৰ্মাই সদৰী কৰা মতে, পুৱা সংস্কৃত পণ্ডিত গোৱিন্দ আচাৰ্যই মংগলাচৰণ পাঠ কৰাৰ পাছত ১০-৩০ বজাত বৰবৰী শিবিৰত অংশগ্ৰহণকাৰীৰ পৰিয়ালবৰ্গই বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব। পুৱা ১১ বজাত ডাঃ শৰ্মাৰ পৌৰোহিত্যে অনুষ্ঠিতব্য নিৰ্দিষ্ট বক্তাৰূপে প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, অধিবক্তা প্ৰেমেশ্বৰ শৰ্মা, বিশিষ্ট অতিথিৰূপে বিধায়কদ্বয় ড° পৰমানন্দ ৰাজবংশী, বসন্ত দাস আৰু বিশেষভাৱে দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন ডেকা, মুখ্য কাৰ্যবাহী বিষয়া হৰেশ্বৰ মালাকাৰ, ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতা, দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী আৰু দৰং 'ডায়েট'ৰ অধ্যক্ষ মাধৱ শৰ্মাই অংশগ্ৰহণ কৰিব।

তিতাবৰত নিশা ব্যৱসায়িক প্ৰতিষ্ঠানত দুৰ্বৃত্তৰ অগ্নি সংযোগ

অগ্ৰদূত বাৰ্তা

তিতাবৰ, ১৮ নৱেম্বৰ ঃ তিতাবৰ আৰক্ষী থানাৰ পৰা প্ৰায় তিনিশ মিটাৰ দূৰত্বত অৱস্থিত একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানত যোৱা ১৬ নৱেম্বৰত কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰাৰ অভিযোগ পোহৰলৈ আহিছে। তিতাবৰ গড়আলি পথৰ কাষৰ বৰএৰা অঞ্চলৰ একাধিক স্থানৰ মুঠ প্ৰায় চাৰিখনকৈ সৰু-বৰ দোকানত দুৰ্বৃত্তই পুৱতি নিশা অগ্নিসংযোগ কৰে। ঘটনাত চাৰিখন সৰু-বৰ দোকানৰ ভিতৰত দুখন দোকান সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হোৱাত বহু হেজাৰ টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন হয়। উল্লেখ্য যে কিছুদিনৰ পৰা তিতাবৰৰ বিভিন্ন অঞ্চলত এনে কেতবোৰ অসামাজিক কাৰ্যকলাপ ক্ৰমাৎ বৃদ্ধি পাইছে। স্থানীয় আৰক্ষীক সমগ্ৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সচেতন ৰাইজে আহ্বান জনাইছে।

অভিনেতা-সমাজকৰ্মী অম্বেশ্বৰ শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

আমগুৰি, ১৮ নৱেম্বৰ ঃ আমগুৰি দেওৰজা অভয়পুৰীয়া গাঁৱৰ সমাজকৰ্মী তথা সুদক্ষ অভিনেতা অম্বেশ্বৰ শইকীয়া(৮২)ৰ যোৱা ১৬ নৱেম্বৰৰ মৃত্যু হয়। তথ্য অনুসৰি, অভয়পুৰীয়া অঞ্চলৰ বিভিন্ন সামাজিক-ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থকা অম্বেশ্বৰ শইকীয়া উচ্চ ৰক্তচাপজনিত কাৰণত নিজা বাসগৃহত আকস্মিকভাৱে মৃত্যু হয়। শইকীয়াই মৃত্যুৰ সময়ত পত্নীসহ একমাত্ৰ পুত্ৰ দিগন্ত শইকীয়া আৰু দুগৰাকী বিবাহিতা কন্যাসহ বহু আত্মীয় ইহসংসাৰত এৰি গৈছে। শইকীয়াৰ মৃত্যুত অসম নৱ নিৰ্মাণ সমিতি, অভয়পুৰীয়া সম্প্ৰাতি সংগ, শংকৰ জন্মোৎসৱ উদ্‌যাপন সমিতি (অভয়পুৰীয়া) আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে।

শালমাৰা প্ৰাথমিক বিদ্যালয়ত ব্যাপক অনিয়ম

■ উপায়ুক্তক ৰাইজৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৮ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ লক্ষীপুৰ প্ৰথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ১০১৮ নম্বৰ শালমাৰা প্ৰাথমিক বিদ্যালয়ত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত একাংশ অভিভাৱকে যোৱা দুই নৱেম্বৰত জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। অভিযোগপত্ৰত উল্লেখ কৰা মতে বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকাল সমাপ্ত হোৱাত বিভাগীয় নীতি-নিয়ম মতে বিদ্যালয় চৌহদত জাননী যোগে এখন সাধাৰণ সভা অনুষ্ঠিত কৰি উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ সহযোগত বিগত কাৰ্যকালৰ হিচাপ-নিকাচ প্ৰদান কৰি পুৰণি কমিটীখন ভংগ কৰি প্ৰস্তাৱ আৰু সমৰ্থন মৰ্মে নতুনকৈ কমিটী গঠন কৰিব লাগে। কিন্তু বিদ্যালয়ৰ প্ৰধান শিক্ষক নজমাল আলীয়ে বিভাগীয় নীতি-নিয়ম উলংঘন কৰি অভিভাৱক আৰু স্থানীয় ৰাইজক অন্ধকাৰত ৰাখি নিজ ইচ্ছা মতে কমিটী গঠন কৰি বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে অনুমোদন কৰি লয়। উল্লেখ্য যে পুৰণি কমিটীখনৰ সভাপতি কিতাব আলীক পুনৰ সভাপতি হিচাপে লৈ নতুনকৈ কমিটী গঠন কৰিছে যদিও তেওঁৰ কোনো ল'ৰা-ছোৱালী বিদ্যালয়ত নাই বুলি অভিযোগত প্ৰকাশ। প্ৰধান শিক্ষকজনে সভাপতিৰ লগত বিশেষ বুজাবুজিৰে তেওঁক সভাপতি হিচাপে নিযুক্তি দিবলৈ বিভাগীয়ভাৱে অনুমোদন লৈছে। শৈক্ষিক দিশত কোনো যোগ্যতা নাথাকিলেও ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱশালী হোৱাৰ বাবেই দুৰ্নীতিগ্ৰস্ত লোকজনক সভাপতি হিচাপে নিযুক্তি কৰে বুলি অভিযোগত প্ৰকাশ। ৰাজনৈতিক ক্ষমতাত বলীয়ান হৈ বিভিন্নধৰণৰ ভাবুকি প্ৰদান কৰি বিদ্যালয়ৰ একাউণ্টৰ পৰা ভালেসংখ্যক টকা উঠাই লৈ আত্মসাৎ কৰে বুলি অভিযোগত প্ৰকাশ। তদুপৰি গুৱাহাটীৰ বাসিন্দা এইজন প্ৰধান শিক্ষকে কিতাব আলীক সভাপতি পাতি মাহৰ শেষত এদিন বিদ্যালয়ত উপস্থিত হৈ ওৰে মাহৰ চহী কৰি দৰমহা ভোগ কৰাৰ বাবেই কিতাব আলীক সভাপতি পতাৰ বাবে প্ৰধান শিক্ষকজনে উঠিপৰি লাগিছে বুলি অভিযোগ উঠিছে। আনহাতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমাৱেশত আৰু মধ্যাহ্ন ভোজনৰ নামতো ব্যাপক লুণ্ঠন ৰাজ চলোৱা বুলি অভিযোগত প্ৰকাশ। সেয়ে তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে স্থানীয় অভিভাৱক তথা ৰাইজে। ইপিনে, একেদিনাই জিলা প্ৰাথমিক শিক্ষা বিষয়াকো সুকীয়াকৈ এখন লিখিত অভিযোগ দাখিল কৰিছে। প্ৰধান শিক্ষকজনৰ মন্তব্য জানিব পৰা হোৱা নাই।

আঠটা দাবী লৈ কটন বিশ্ববিদ্যালয়

এক পৃষ্ঠাৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে উপাচাৰ্যৰ কাৰ্যালয়ৰ সন্মুখত মূল আঠটা দাবী লৈ এই প্ৰতিবাদ সাব্যস্ত কৰে।

ছাত্ৰ-ছাত্ৰীসকলে কটনত 'বহু কালচাৰ নচলিব', 'কৰ্তৃপক্ষৰ মইমতালি নচলিব', 'আমাৰ প্ৰাপ্য আমাৰ অধিকাৰ', 'ছাত্ৰ ঐক্য জিন্দাবাদ' ইত্যাদি শ্ল'গানেৰে বিশ্ববিদ্যালয় চৌহদ কঁপাই তোলে। প্ৰতিবাদত নেতৃত্ব প্ৰদান কৰা কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হীৰক পাটোৱাৰীয়ে কয়, 'এখন শিক্ষানুষ্ঠানৰ প্ৰধান চালিকাশক্তি হৈছে ইয়াৰ শিক্ষাৰ্থীসকল। যেতিয়াই শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই শিক্ষাৰ্থীৰ সমস্যাক আওকাণ কৰিব, তেতিয়াই প্ৰতিবাদৰ জোৱাৰ উঠিব। বিগত দিনত আমি আমাৰ সমস্যাসমূহ লৈ যেতিয়াই উপাচাৰ্যৰ ওচৰলৈ গৈছো, তেতিয়াই তেওঁ আমাক নিৰাশ কৰিছে। তেওঁ আমাক সাক্ষাৎ নিদিয়ে, আমাৰ সন্মুখীন নহয়। ছাত্ৰ-ছাত্ৰীয়ে কি সমস্যাৰ সন্মুখীন হৈ আহিছে, তাৰ তেওঁৰ কাণসাৰ নাই। নিজৰ ইচ্ছামতে তেওঁ বিশ্ববিদ্যালয়খন পৰিচালনা কৰি গৈছে। তেওঁ যি ভাল বুলি ভাবে তাকেই কৰি গৈছে।' তেওঁ পুনৰ কয়, 'কটনক ঐতিহ্যমণ্ডিত বুলি কোৱা হয়; কিন্তু তেওঁৰ বাবে হোৱা নাই।' উপাচাৰ্যই ইয়াৰ ঐতিহ্য অক্ষুণ্ণ ৰখাৰ চেষ্টা কৰা উচিত বুলি মন্তব্য কৰি ছাত্ৰনেতাজনে পুনৰ কয়, 'বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে কিমান সমস্যাৰ সন্মুখীন হৈ আহিছে সেয়া হয়তো বাহিৰৰ পৰা চালে ধৰিব নোৱাৰি। অনুষ্ঠান পাতিলে কৰ'না নহয়, কিন্তু ক্লাছ কৰিলে কৰ'না হ'ব। সেইটো কেনেকুৱা কথা? প্ৰায় এমাহৰ আগৰ পৰাই অফলাইন ক্লাছ আৰম্ভ হৈছে যদিও স্নাতক দ্বিতীয় বৰ্ষৰ বাবে ছাত্ৰী নিবাসসমূহ খুলি দিয়া নাই। তেনেস্থলত ক্লাছ কৰিবলৈ হ'লে ছাত্ৰীসকলে ৰুম ভাড়া কৰি থাকিব লাগিব; কিন্তু সকলো শিক্ষাৰ্থীৰ বাবে ইমান পইচা খৰচ কৰাটো সম্ভৱ নহয়। ইপিনে, অনলাইন ক্লাছৰ নামতো ছাত্ৰ-ছাত্ৰীসকলে হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে।' তেওঁ আকৌ কয়, 'এটা যাণ্মাসিক সমাপ্ত হ'বলৈ ছমাহ লাগে; কিন্তু আমাৰ তিনি-চাৰিমাহতেই পৰীক্ষা পাতি যাণ্মাসিক সমাপ্ত কৰি আহিছে। ছমাহৰ বাবে প্ৰস্তুত কৰা ছিলেবাছ কেনেকৈ সময়তকৈ পূৰ্বে সমাপ্ত কৰিব পাৰে ? ক'ভিডৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১১ বৰ্ষৰ প্ৰথম যাণ্মাসিকৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে, তেওঁলোকৰ বাবে কোনোধৰণৰ বিশেষ পৰীক্ষাৰ ব্যৱস্থা কৰা নাই কৰ্তৃপক্ষই। আমি বিচাৰো পৰীক্ষা নিয়ন্ত্ৰণ বিভাগৰ সংস্কাৰ সাধন হওক। কিয়নো পৰীক্ষাৰ ফলাফল ঘোষণা হওঁতে বহু পলম হয়। পৰীক্ষা নিয়ন্ত্ৰকৰ ব্যৱহাৰে আমাক অতিষ্ঠ কৰি আহিছে। কোনো কথাৰ বাবে তেওঁলোকৰ ওচৰত আমাৰ বাবে পোনপটীয়া উত্তৰ কেতিয়াও নাথাকে। বিশ্ববিদ্যালয়ৰ শৌচাগাৰ-প্ৰস্ৰাৱগাৰৰ আন্তঃগাঁথনিও অত্যন্ত দুৰ্বল। ইপিনে হোষ্টেলসমূহৰো একেই অৱস্থা। বহিবলৈ চকী-মেজ নাই , খোৱাপানীৰ ব্যৱস্থাও উন্নত নহয়।' তেনেদৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে মোটা অনুদান আগবঢ়োৱাৰ পাছতো বিশ্ববিদ্যালয়ৰ আন্তঃদ্বাৰ ষ্টেডিয়ামত কিয় অত্যাধুনিক সা-সৰঞ্জামৰ অভাৱ হৈ আছে বুলিও প্ৰতিবাদকাৰীসকলে প্ৰশ্ন উত্থাপন কৰে।

ইপিনে, অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট ঘোষণা কৰি প্ৰতিবাদ সাব্যস্ত কৰা শিক্ষাৰ্থীসকলৰ উত্তাল প্ৰতিবাদৰ ওচৰত সেও মানি অৱশেষত উপাচাৰ্যই শিক্ষাৰ্থীসকলৰ দাবীসমূহ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই সন্দৰ্ভত ছাত্ৰ একতা সভাৰ সভাপতি পাটোৱাৰীয়ে কয়, 'আমাৰ ৮০ শতাংশ দাবী শীঘ্ৰে পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছে কৰ্তৃপক্ষই। অফলাইন ক্লাছসমূহ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব। ছাত্ৰাবাস-ছাত্ৰীনিবাসসমূহ খুলি দিব। কাইলৈৰ পৰা শৌচালয়- প্ৰস্ৰাৱগাৰৰ আন্তঃগাঁথনিৰ কাম আৰম্ভ কৰিব। তেনেদৰে পৰীক্ষাৰ ক্ষেত্ৰত থকা কেৰোণসমূহ দূৰ কৰিবলৈ তেওঁলোকে আলোচনাৰ মাধ্যমেৰে শীঘ্ৰে এক সিদ্ধান্ত গ্ৰহণ কৰিব বুলি আমাক প্ৰতিশ্ৰুতি দিয়ে।'

চৰকাৰে জনজাতিৰ ভূমি সুৰক্ষাৰ নামত

এক পৃষ্ঠাৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে চিৰাং জিলা ট্ৰাইবেল সংঘৰ ষষ্ঠ ত্ৰিবাৰ্ষিক অধিবেশনৰ আজি সামৰণি অনুষ্ঠানত উপস্থিত থাকি খাখলাৰীয়ে গোৰ্খা জনগোষ্ঠীৰ সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ কয়, 'সমগ্ৰ গোৰ্খা জনগোষ্ঠীক সংৰক্ষিত বুলি জাননী জাৰি কৰা হৈছে। এই কথাটো আমি মানি ল'ব নোৱাৰো। আগতে খেতিয়ক আৰু শ্ৰমজীৱী নেপালীক সংৰক্ষিত কৰা হৈছিল। সংখ্যাধিক্য তথা আগবঢ়া জনগোষ্ঠীৰ পৰা ৰক্ষা কৰিবলৈহে জনজাতীয় আবেষ্টনী কৰা হৈছিল; কিন্তু যদি আইনগতভাৱে শিথিলতা কৰা হয় তেন্তে পিছপৰা জনগোষ্ঠীৰ ভূমি ৰক্ষা নকৰিব।' ট্ৰাইবেল সংঘৰ উপদেষ্টাজনে কয় যে কামৰূপ মহানগৰ আৰু গ্ৰাম্য জিলাত অসম ভূমি নীতি ২০১৯ৰ ১৭.৫ অনুচ্ছেদ বাতিল কৰি উপায়ুক্তক ক্ষমতা দিয়া হৈছে। যদি উপায়ুক্তজন জনজাতিপ্ৰেমী নহয় তেন্তে কিদৰে জনজাতীয় ভূমি সুৰক্ষিত হ'ব বুলিও তেওঁ প্ৰশ্ন কৰে। 'সেয়েহে চৰকাৰী অনুমোদন নিদিয়াকৈ উপায়ুক্তই যাতে কাম কৰিব নোৱাৰে সেয়া আমি বিচাৰো। এই বিষয়টো বাতিলৰ বাবে চৰকাৰকো দাবী জনাইছো।' এইদৰে উল্লেখ কৰি তেওঁ কয় যে এই দাবীৰ সমৰ্থনত জনজাতীয় সমন্বয় সমিতিৰ উদ্যোগত অহা ২২ ডিচেম্বৰত সমগ্ৰ ৰাজ্যজুৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আনহাতে, সমগ্ৰ গোৰ্খা লোকক সংৰক্ষিত কৰাৰ বিৰোধিতা কৰাৰ লগতে তেওঁ কয় যে আহোম, মৰাণ, মটকসকলক সংৰক্ষিত কৰাৰ সময়সীমা ২০১১ক ধাৰ্য কৰিছে যদিও সেয়া ১৯৫১হে কৰাৰ দাবী জনায়। ইফালে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা অমান্য কৰি চৰকাৰে জনজাতীয় আবেষ্টনীত উচ্ছেদ নকৰিলে বুলিও তেওঁ অভিযোগ কৰে।

আনহাতে, বিটিচিৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী সদস্য তথা বিপিএফ নেতা খাম্পা বৰগয়াৰী বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৰ বিৰুদ্ধে সৰৱ হৈ পৰে। তেওঁ কয় যে বড়োৱে বিটিচিত দুৰ্নীতিৰ কথা কৈছে, কিন্তু উন্নয়নৰ কথা কোৱা নাই। বিটিচিত কি অৱস্থা আছিল বিটিচি গঠনৰ পূৰ্বে আৰু আজি কি আছে সেয়া সকলোৱে জানে বুলি উল্লেখ কৰি তেওঁ কয়, 'ইউ পি পি এলৰ নেতৃত্বই নিৰ্বাচনৰ পূৰ্বে পৰিৱৰ্তনৰ কথা কৈছিল; কিন্তু আজি পৰিৱৰ্তনৰ কাম নকৰি মাথোঁ এইবোৰহে কৰি আছে। পৰিৱৰ্তন এৰি বিপিএফৰ দোষ বিচাৰি থাকিলে উন্নয়ন কেতিয়া কৰিব?' আনহাতে, বিগত পৰিষদীয় নিৰ্বাচনত অধিক আসন পোৱা বিপিএফক পৰিষদ গঠনৰ সুবিধাই নিদিলে বাবে আজি বিটিচিত বিৰোধীৰ ভূমিকা দুৰ্বল হৈছে বুলি তেওঁ কয়। বৰগয়াৰীয়ে কয়, 'শেহতীয়া সিদ্ধান্ত অনুসৰি, পৰিষদীয় অধিবেশনত অংশ লোৱাৰ সিদ্ধান্ত লৈছো। বিটিচি গঠন হোৱাৰ সময়ত আমি ৩৯ টা বিভাগ পাইছিলো; কিন্তু ইউপিপিএলে ১৬ টা বিভাগ উপায়ুক্তক দিলে। অৰ্থাৎ অসম চৰকাৰক ঘূৰাই দিলে। গতিকে প্ৰমোদ বড়োৰ পৰিষদখনে জনজাতিৰ কি সুৰক্ষা দিব তাৰ উত্তৰ ৰাইজক দিয়া উচিত।' একেদৰে ইউপিপিএলে জনজাতিৰ ভূমি সুৰক্ষা প্ৰদানতো ব্যৰ্থ হোৱা বুলি তেওঁ অভিযোগ কৰে। ষষ্ঠ অনুসূচীৰ নীতি উলংঘাৰো অভিযোগ কৰি বৰগয়াৰীয়ে কয়, 'বিগত সময়ত আমি জনজাতিৰ ভূমিৰ সুৰক্ষা দিছিলো; কিন্তু আজি প্ৰমোদ বড়োৰ নেতৃত্বত পৰিষদীয় নেতৃত্বই ভূমিৰ ক্ষেত্ৰত সমঅধিকাৰৰ কথা কৈ আছে। এই সিদ্ধান্তৰ জনজাতিৰ ভূমি সুৰক্ষা দিব নে ধ্বংস কৰিব সেয়া জনসাধাৰণে ভাবিব।'

উল্লেখ্য যে কালিৰে পৰা অনুষ্ঠিত হোৱা জিলা ট্ৰাইবেল সংঘৰ আজি সামৰণি অনুষ্ঠানত ছিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ লগতে সংঘৰ কে'বাজনো নেতা-কৰ্মী উপস্থিত থাকে। ভূটান সীমান্তৰ দাদাগিৰি হাতীসাৰৰ খাগ্ৰাবাৰী খেলপথাৰত অনুষ্ঠিত অধিবেশনৰ আজি দ্বিতীয় দিনা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হয়। আজিৰ এই অধিবেশনতে সুকেল বসুমতাৰীক সভাপতি আৰু থানেশ্বৰ ব্ৰহ্মক সম্পাদক হিচাপে লৈ ট্ৰাইবেল সংঘৰ ৪৪ জনীয়া চিৰাং জিলা সমিতি গঠন কৰা হয়। অধিবেশনত কে'বাটাও বিষয়ত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

যিকোনো মুহূৰ্তত হতাহত হ'ব পাৰে

এক পৃষ্ঠাৰ পৰা কৰি পৃথিৱীৰ কক্ষপথত থকা চাৰি দশক পুৰণি এটা ৰুছ গুপ্তচৰ উপগ্ৰহ ধ্বংস কৰিছিল। ক্ষেপণাস্ত্ৰৰ আঘাতত চূৰ্ণ-বিচূৰ্ণ হৈছিল ৰুছ কৃত্ৰিম উপগ্ৰহ কছমছ-১৪০৮। এই ঘটনাৰ ফলত পৃথিৱীৰ কক্ষপথত সম্প্ৰতি অসংখ্য বৃহৎ আৰু মধ্যমীয়া আকাৰৰ টুকুৰা জমা হৈ আছে। কৃত্ৰিম উপগ্ৰহৰ এইসমূহ ধ্বংসপ্ৰাপ্ত টুকুৰা পৃথিৱীৰ কক্ষপথত থকাৰ ফলত আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰসহ মহাকাশযান, কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশচাৰীৰ বাবে বিপজ্জনক হৈ উঠিছে। ভাৰতীয় মূলৰ ৰাজা চাৰিয়ে এই ঘটনাৰ সন্দৰ্ভত জানিবলৈ দি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয়, 'উক্ত ক্ষেপণাস্ত্ৰৰ আঘাতৰ পাছতে মহাকাশ কেন্দ্ৰত থকা সাতজন মহাকাশচাৰীলৈ প্ৰতি মুহূৰ্ততে হিউষ্টনৰ অভিযান নিয়ন্ত্ৰণ কক্ষৰ পৰা নিৰ্দেশ প্ৰেৰণ কৰা হৈছে। মহাকাশচাৰীকেইজনক অৱগত কৰোৱা হৈছিল মহাকাশ কেন্দ্ৰটোৰ কোন কোন অংশৰ 'হেছ' অৰ্থাৎ এক বিশেষ ধৰণৰ দুৱাৰ অনিৰ্দিষ্ট কালৰ বাবে বন্ধ ৰাখিব লাগিব। মহাকাশচাৰীসকলে সম্ভাব্য বিপদৰ পৰা ৰক্ষা লাভৰ বাবে কোন কোন স্থানত আশ্ৰয় ল'ব লাগিব সেই কথাও হিউষ্টনৰ নিয়ন্ত্ৰণ কক্ষৰ পৰা আমাক অৱগত কৰোৱা হৈছিল।'

কি আৰু কেনে ধৰণৰ বিপদৰ শংকাত মহাকাশ কেন্দ্ৰ-মহাকাশচাৰী ?

দিনে-নিশাই প্ৰায় ডেৰ ঘণ্টাৰ বিৰতিত এবাৰকৈ পৃথিৱীক প্ৰদক্ষিণ কৰি আহিছে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই। অৰ্থাৎ ২৪ ঘণ্টাত আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই ১৫ৰ পৰা ১৬ বাৰকৈ পৃথিৱীক প্ৰদক্ষিণ কৰে। এই প্ৰদক্ষিণ পথতে সৃষ্টি হৈছে বিশাল মেঘৰ। ৰাছিয়াই নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰৰ আঘাতত চূৰ্ণ-বিচূৰ্ণ হোৱা কৃত্ৰিম উপগ্ৰহৰ ছিন্ন-ভিন্ন অংশৰ পৰাই তৈয়াৰ হৈছে এই মেঘৰ। মহাকাশচাৰী ৰাজাই প্ৰকাশ কৰা অনুসৰি, পৃথিৱীৰ কক্ষপথত সম্প্ৰতি কমেও ডেৰৰ পৰা দুহেজাৰ টুকুৰা কৃত্ৰিম উপগ্ৰহৰ ছিন্ন-ভিন্ন টুকুৰা জমা হৈ আছে। ভূপৃষ্ঠৰ পৰা চাৰিশ কিলোমিটাৰ উচ্চতাত ভৰশূন্য অৱস্থাত এই টুকুৰাসমূহে সম্প্ৰতি প্ৰতিঘণ্টাত চাৰে ২৭ হেজাৰ কিলোমিটাৰ গতিৰে অগ্ৰসৰ হৈছে। এইসমূহ টুকুৰাৰ একাংশ হৈছে যথেষ্ট বৃহৎ আকাৰৰ। ইয়াৰ মাজতে আছে মধ্যমীয়া আৰু ক্ষুদ্ৰ আকাৰৰ অগণন টুকুৰা। মহাকাশ বিজ্ঞানৰ ভাষাত কৃত্ৰিম উপগ্ৰহৰ এইসমূহ ধ্বংসপ্ৰাপ্ত টুকুৰাক 'স্পেচ ডেব্ৰি' বা 'স্পেচ জাংক' বুলি অৰ্থাৎ মহাকাশৰ আৱৰ্জনা বুলি কোৱা হয়। এইসমূহ টুকুৰাই যদিহে পৃথিৱীক প্ৰদক্ষিণ কৰাৰ সময়ত আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰক আঘাত হানে তেন্তে ভয়াৰহ দুৰ্ঘটনা সংঘটিত হ'ব পাৰে। এনে টুকুৰাৰ আঘাতত সৃষ্টি হ'ব পাৰে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত প্ৰকাণ্ড ফাট বা ফুটা। তদুপৰি কৃত্ৰিম উপগ্ৰহৰ চূৰ্ণ-বিচূৰ্ণ টুকুৰাৰ আঘাতত মৃত্যুও হ'ব পাৰে মহাকাশ কেন্দ্ৰৰ মূল কেপচুলৰ পৰা নানা ধৰণৰ মেৰামতিৰ কামত অথবা মহাকাশ ভ্ৰমণলৈ ওলোৱা মহাকাশচাৰীৰ। আনকি এনে টুকুৰাৰ আঘাতত মহাকাশচাৰী এজন আহত হৈ চিৰজীৱনৰ বাবে পংগু হ'ব পাৰে।

যিকোনো কৃত্ৰিম উপগ্ৰহ বা মহাকাশলৈ প্ৰেৰণ কৰা মহাকাশযানৰ কাৰ্যকালৰ ম্যাদ উকলি গ'লে সেইসমূহ পৰিণত হয় মহাকাশৰ আৱৰ্জনাত। উল্কা খণ্ড বা ক্ষুদ্ৰ গ্ৰহাণুসহ নানা ধৰণৰ মহাজাগতিক সামগ্ৰীৰ আঘাতত মহাকাশৰ এই ধৰণৰ আৱৰ্জনাসমূহ ভাঙি বৃহৎ, মধ্যমীয়া আৰু ক্ষুদ্ৰ আকাৰৰ টুকুৰাত পৰিণত হয়। এইসমূহ টুকুৰাই নিজৰ মাজত হোৱা সংঘৰ্ষ বা কোনো অচল হোৱা মহাকাশযান অথবা কৃত্ৰিম উপগ্ৰহৰ স'তে খুন্দা মৰাৰ ফলত মহাকাশত আৱৰ্জনাৰ পৰিমাণ বৃদ্ধি পায়। দুটুকুৰা হোৱা আৱৰ্জনা ১০ টুকুৰাত পৰিণত হ'ব পাৰে। ইয়াৰ ফলতে মহাকাশত বিপদ বৃদ্ধি পায় মহাকাশযানসমূহৰ। লগতে বিপদ বাঢ়ে পৃথিৱীৰ কক্ষপথত থকা কৃত্ৰিম উপগ্ৰহসমূহৰ। ভাৰতীয়মূলৰ মহাকাশচাৰী ৰাজাই প্ৰকাশ কৰা অনুসৰি, ১৯৫৭ বৰ্ষৰ পৰা মহাকাশ অভিযানে পাতনি মেলাৰ সময়ৰে পৰা বৰ্তমানলৈকে কমেও ১৩ হেজাৰৰো অধিক কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ ভিতৰত এতিয়াও আঠ হেজাৰ কৃত্ৰিম উপগ্ৰহ পৃথিৱীৰ বিভিন্ন কক্ষপথত বিচৰণ কৰি আছে। সেই আঠ হেজাৰ কৃত্ৰিম উপগ্ৰহৰ পাঁচ হেজাৰ বৰ্তমানে সক্ৰিয় হৈ আছে। বাকী তিনি হেজাৰ কৃত্ৰিম উপগ্ৰহ বৰ্তমানে বিকল হৈ মহাকাশত আৱৰ্জনাত পৰিণত হৈছে। কৃত্ৰিম উপগ্ৰহৰ লগতে পৃথিৱীৰ কক্ষপথত আছে বিকল মহাকাশযান আৰু ইয়াৰ অংশ বিশেষ। তদুপৰি আছে মহাকাশচাৰীয়ে এৰি থৈ অহা নানা ধৰণৰ সা-সামগ্ৰী। ৪০০ কিলোমিটাৰ উচ্চতাৰ পৰা এইসমূহ সামগ্ৰী পৃথিৱীলৈ ওভতাই অনাটো কেতিয়াও সম্ভৱ নহয়। মহাকাশচাৰী ৰাজাই এই সন্দৰ্ভত কয়, 'ইউৰোপীয়ান স্পেচ এজেন্সীৰ সাম্প্ৰতিক হিচাপ অনুসৰি মহাকাশত পৃথিৱীৰ বিভিন্ন কক্ষপথত বৰ্তমানে মহাকাশ আৱৰ্জনাৰ সংখ্যা প্ৰায় ৩৯ হেজাৰ। এইসমূহ আৱৰ্জনাৰ প্ৰতিটোৰে আকাৰ কমেও চাৰি ইঞ্চি বা ১০ ছেণ্টিমিটাৰ। ইয়াৰ বাদেও এনে ১০ লাখ মহাকাশ আৱৰ্জনা আছে যিসমূহৰ আকাৰ ০.৪ ইঞ্চিৰ পৰা চাৰি ইঞ্চি বা একৰ পৰা ১০ ছেণ্টিমিটাৰৰ ভিতৰত। তদুপৰি আছে ৩৩ কোটি আৱৰ্জনা যিসমূহৰ আকাৰ ০.৪ৰ পৰা ০.০৪ ইঞ্চিৰ ভিতৰত।' এই বিপদসমূহৰ শংকা বহন কৰিয়ে ইমানদিনে পৃথিৱীৰ কক্ষপথত প্ৰদক্ষিণ অব্যাহত ৰাখিছে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই; কিন্তু ৰাছিয়াই ক্ষেপণাস্ত্ৰৰে কছমছ-১৪০৮ কৃত্ৰিম উপগ্ৰহটো হঠাতে গোপনে ধ্বংস কৰাত এইবাৰ আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ বাবে পৃথিৱীৰ প্ৰদক্ষিণ কক্ষত বিপদ বৃদ্ধি পালে।

খবৰ লাভৰ পাছত কি কৰিছিল নাছাই

যোৱা সোমবাৰে ৰাছিয়াই ক্ষেপণাস্ত্ৰৰে মহাকাশত এই অঘটন সংঘটিত কৰাৰ পূৰ্বে এই বিষয়ত অৱগত নাছিল আমেৰিকাৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান নাছা। ইউৰোপীয় স্পেচ এজেন্সীসহ পৃথিৱীৰ আন কোনো দেশৰ মহাকাশ গৱেষণা সংস্থাই ৰাছিয়াৰ এই পদক্ষেপৰ কথা জনা নাছিল। নাছাই ৰুছ ক্ষেপণাস্ত্ৰই কছমছ-১৪০৮ কৃত্ৰিম উপগ্ৰহটো ধ্বংস কৰাৰ খবৰ লাভৰ লগে লগে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত থকা ৰাজা চাৰিসহ আমেৰিকাৰ চাৰিজন, ৰাছিয়াৰ দুজন আৰু জাৰ্মানীৰ এজন মহাকাশচাৰীৰ নিদ্ৰা ভংগ কৰে। তৎকালীনভাৱে সাত মহাকাশচাৰীক মহাকাশ কেন্দ্ৰৰ চৌহদত থকা পৃথিৱীলৈ উভতি অহাৰ বাবে প্ৰস্তুত দুখন মহাকাশযান ক্ৰমে ছয়ুজ এম এছ ১৯/৬৫ এছ আৰু ক্ৰু ড্ৰেগনত আশ্ৰয় ল'বলৈ নিৰ্দেশ দিছিল নাছাই। বৰ্তমানেও নাছাই সঘনে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ সাত মহাকাশচাৰীৰ স'তে যোগাযোগ অব্যাহত ৰাখি সম্ভাব্য বিপদৰ পৰা হাত সৰাৰ নানা দিহা-পৰামৰ্শ দিছে। আগন্তুক দিনত যিকোনো মুহূৰ্ততে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই ভয়াৱহ বিপদৰ সন্মুখীন হ'ব পাৰে। কিয়নো ধ্বংসপ্ৰাপ্ত কৃত্ৰিম উপগ্ৰহৰ টুকুৰাৰে পৃথিৱীৰ কক্ষপথত যি মেঘৰ সৃষ্টি হৈছে সেয়া সহজে আঁতৰ হোৱাৰ সম্ভাৱনা তেনেই ক্ষীণ। এইসমূহ টুকুৰাই আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ লগতে মহাকাশচাৰীৰ ক্ষতি কৰাৰ শংকাও যথেষ্ট আছে বুলি জানিবলৈ দিয়ে মহাকাশচাৰী ৰাজাই। কিমানদিনলৈ এই পৰিস্থিতি বাহাল থাকিব সেয়া অনিশ্চিত হোৱা হেতুকে মহাকাশ কেন্দ্ৰৰ কাম-কাজ বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। সম্প্ৰতি এক অনিশ্চিত ভৱিষ্যৎ লৈ বৃহৎ অঘটনৰ শংকাৰে আপাতত পৃথিৱীক প্ৰদক্ষিণ অব্যাহত ৰাখিছে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই। প্ৰাণহানিৰ শংকা লৈয়ে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত এতিয়া সময় অতিবাহিত কৰিছে ভাৰতীয় বংশোদ্ভূত ৰাজা চাৰিসহ সাতজন মহাকাশচাৰীয়ে।

মৰিগাঁৱত দুৰ্নীতি নিবাৰক

এক পৃষ্ঠাৰ পৰা নাথ। উল্লেখ্য যে মৰিগাঁও জিলাৰ মায়ঙৰ গৰঙা বিলৰ বাবে এখন ছ'চাইটিৰ হৈ ৰাম প্ৰসাদ সৰকাৰসহ কেইজনমান লোকে নিবিদাৰ বাবে আবেদন কৰিছিল। ছ'চাইটিখনে নিবিদাত বিলখন নোপোৱাত নিবিদাৰ অন্তত আমানতৰ এক লাখ ৭৫ হেজাৰ টকাৰ পাবলৈ আবেদন কৰে। অথচ বিগত পাঁচমাহে কাৰ্যালয়লৈ অহা-যোৱা কৰিও ছ'চাইটিখনে আমানতৰ ধন লাভ কৰিবলৈ সক্ষম নহ'ল। অৱশেষত ছ'চাইটিখনৰ উক্ত আমানতৰ ধন মোকলাই দিয়াৰ নামত মৰিগাঁও উপায়ুক্ত কাৰ্যালয়ৰ ব্যক্তিগত বিভাগৰ উচ্চবৰ্গৰ সহায়ক নাথে পাঁচ হেজাৰ টকা উৎকোচ হিচাপে বিচৰাৰ অভিযোগ উঠে। সেইমৰ্মে ছ'চাইটিখনৰ বিষয়ববীয়া সৰকাৰৰ লগত দৰদাম কৰি উপায়ুক্ত কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়কজনে উৎকোচৰ চাৰি হেজাৰ টকাৰ পাঁচশ টকা আগধন লয়। ইয়াৰ পাছতে ঘটনাৰ সন্দৰ্ভত ভুক্তভোগী সৰকাৰে মৰিগাঁৱৰ আৰক্ষী অধীক্ষকক অৱগত কৰে। আৰক্ষী অধীক্ষকৰ মধ্যস্থতাত দুৰ্নীতি নিবাৰক শাখাত ভুক্তভোগী সৰকাৰে দিয়া অভিযোগৰ ভিত্তিত আজি মৰিগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ত বাকী থকা ৩৫শ টকা উৎকোচ লৈ থকা অৱস্থাতেই দুৰ্নীতি নিবাৰক শাখাৰ এটা অভিযানকাৰী দলে আটক কৰে অভিযুক্ত নাথক। ইফালে, মৰিগাঁৱৰ মূল প্ৰশাসন পৰিচালনাৰ হৃৎপিণ্ডস্বৰূপ উপায়ুক্ত কাৰ্যালয়তেই দুৰ্নীতি আৰু উৎকোচৰ বজাৰ চলি থাকিলে জিলাখনৰ আন আন চৰকাৰী কাৰ্যালয়ত কি হৈ আছে, তাক লৈও সৰ্বসাধাৰণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ যে ভুক্তভোগী সৰকাৰ হৈছে ভাৰতীয় জনতা পাৰ্টিৰ মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক। ছ'চাইটিখনে ঘূৰাই পাবলগীয়া ধনখিনি মোকলাই দিবলৈ উপায়ুক্তই ধৃত কৰ্মচাৰীজনক কৈছিল যদিও ধৃত কৰ্মচাৰীজনে উপায়ুক্তৰ কথাকো আওকাণ কৰাৰ কথা আজি সংবাদ মাধ্যমৰ আগত সৰকাৰে প্ৰকাশ কৰে।

ইপিনে, মৰিগাঁও উপায়ুক্ত কাৰ্যালয়তে থকা মীন বিভাগৰ জ্যেষ্ঠ সহায়ক নাথক সম্প্ৰতি দুৰ্নীতি নিবাৰক শাখাই আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। ৰাজ্য চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে দৃঢ় স্থিতি লোৱাৰ পিছতো এই দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীজনে দুৰ্নীতিৰ বজাৰ গঢ়ি তুলিছিল খোদ উপায়ুক্ত কাৰ্যালয়তে। তাৎপৰ্যপূৰ্ণ বিষয় যে মৰিগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ কে'বাটাও বিভাগত আজি পৰ্যন্ত ব্যাপক উৎকোচৰ বজাৰ চলি থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছে।

২৬ নৱেম্বৰত দেশজোৰা প্ৰতিবাদী

এক পৃষ্ঠাৰ পৰা দেশজোৰা প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছে। আজি ঘোষিত প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰতি সঁহাৰি জনাই অসম ৰাজ্যিক কৃষক সভায়ো উক্ত দিনা সমগ্ৰ ৰাজ্যতে জিলা, আঞ্চলিক ভিত্তিত বিক্ষোভ, সভা-সমাৰেশ-সমদল আদি সংগঠিত কৰাৰ কথা ঘোষণা কৰিছে।

অসম ৰাজ্যিক কৃষক সভাৰ সম্পাদক টিকেন দাসে কয়, 'সংযুক্ত কিষাণ মৰ্চাৰ ন্যায়সংগত দাবীৰ প্ৰতি সন্মান জনাই আৰু গণতান্ত্ৰিক আন্দোলনক অধিক শক্তিশালী কৰিবলৈ অসমৰ শ্ৰমিক সমাজৰ লগতে ছাত্ৰ, যুৱক, মহিলা আৰু সমূহ জনসাধাৰণক অহা ২৬ নৱেম্বৰত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আগবাঢ়ি আহিবলৈ আমি আহ্বান জনাইছো।'

উল্লেখ্য যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা কৃষক বিৰোধী কৃষি আইন তিনিখন বাতিল কৰাৰ দাবীত যোৱা বছৰৰ ২৬ নৱেম্বৰত দেশৰ প্ৰায় আঢৈশ কৃষক সংগঠনৰ যৌথ নেতৃত্বই দিল্লী চলো আন্দোলনৰ আহ্বান জনাইছিল। প্ৰতিবাদকাৰী কৃষকসকলক দিল্লীত প্ৰৱেশ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান নকৰাৰ সমাৰেশলৈ অহা প্ৰতিবাদী কৃষকসকলে দিল্লীৰ পাঁচটা প্ৰৱেশদ্বাৰত অৱস্থান কৰে আৰু কৃষক বিৰোধী কৃষি আইন বাতিল নকৰা পৰ্যন্ত অৱস্থান প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰে।

তাৎপৰ্যপূৰ্ণ যে যোৱা এবছৰৰ অৱস্থান কালত ছশৰো অধিক কৃষকে মৃত্যুবৰণ কৰিছে। অসম ৰাজ্যিক কৃষক সভাৰ সম্পাদক দাসে আন্দোলনত কৃষকৰ মৃত্যু সন্দৰ্ভত ক্ষোভ প্ৰকাশ কৰি কয়, 'কৰ্প'ৰেট মালিকৰ স্বাৰ্থত গ্ৰহণ কৰা কৃষি আইন তিনিখনৰ ক্ষেত্ৰত দেশৰ কৃষক সমাজৰ দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ অৱজ্ঞাসূচক মনোভাৱ প্ৰদৰ্শন কৰে আৰু কৃষকসকলৰ মনোবল ভাঙিবলৈ আৰু তেওঁলোকৰ মাজত বিভাজন সৃষ্টি কৰিবলৈ সকলো ধৰণৰ অপচেষ্টা চলায়। প্ৰতিবাদী কৃষক আৰু কৃষক নেতৃত্বৰ দৃঢ়তা আৰু ঐক্যবদ্ধ সংগ্ৰামে চৰকাৰৰ সকলো ষড়যন্ত্ৰ ব্যৰ্থ হৈছে।' দাসে লগতে কয় যে আৰম্ভণিতে কৃষক আন্দোলনৰ মাত্ৰা পঞ্জাব, হাৰিয়ানা, ৰাজস্থান আদি ৰাজ্যত বেছি আছিল যদিও অতি সম্প্ৰতি এই আন্দোলন উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, কেৰালাকে ধৰি দক্ষিণ ভাৰতৰ আন আন ৰাজ্যতো ব্যাপক সঁহাৰি লাভ কৰিছে আৰু কম সময়ৰ ভিতৰত দেশৰ সকলো ৰাজ্যত এই কৃষক আন্দোলনে জনজাগৰণলৈ ৰূপান্তৰিত হ'ব।

দিল্লীৰ কৃষক আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা সংযুক্ত কিষাণ মৰ্চাৰ পতাকাৰ তলত বৰ্তমানে পাঁচশৰো অধিক কৃষক সংগঠন সংগঠিত হৈছে বুলিও দাসে লগতে উল্লেখ কৰে।

প্ৰবীণ সাংবাদিক আপকুৰ

এক পৃষ্ঠাৰ পৰা গুৱাহাটীৰ আজাৰা নিবাসী ভবেশ বৰুৱা (৮৪)ৰ যোৱা নিশা মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত কিছুদিন ধৰি শয্যাগত হৈ আছিল বৰুৱা। আজাৰাৰ গোসাঁইপাৰাৰ প্ৰয়াত বিপিন চন্দ্ৰ বৰুৱা আৰু হৰোজনী বৰুৱাৰ পুত্ৰ ভবেশ বৰুৱাই কমিউনিষ্ট আদৰ্শত আকৃষ্ট হৈ সৰুৰে পৰা দুখীয়া-নিছলাৰ হকে বিভিন্ন কামত জড়িত হৈ পৰিছিল। স্থানীয় ৰিক্সা চালক, ঠেলা চালক, বিভিন্ন বিভাগৰ কৰ্মৰত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলক সুসংগঠিত কৰি বিভিন্ন শ্ৰমিক ইউনিয়ন গঠন কৰিছিল। বেচৰকাৰী বাছৰ চালক-হেণ্ডিমেনসকলক লগত লৈ সদৌ অসম মটৰ শ্ৰমিক যুটীয়া পৰিষদ গঠন কৰিছিল। সাংবাদিকৰূপে তেওঁ পলাশবাৰীৰ পৰা প্ৰকাশিত অধুনালুপ্ত 'পযেকীয়া স্বাধীনতা' নামৰ পযেকীয়া বাতৰি কাকত এখনৰ নিজেই সম্পাদকৰ দায়িত্বত আছিল। ইয়াৰ পাছতে 'নতুন দৈনিক' নামৰ কাকতখনত আজাৰাৰ পৰা সাংবাদিকতা আৰম্ভ কৰিছিল। 'নতুন দৈনিক' বন্ধ হোৱাৰ পাছত গুৱাহাটীৰ পৰা প্ৰকাশিত 'দৈনিক অগ্ৰদূত' কাকতত আজাৰাৰ পৰা সাংবাদিকতা কৰে। অসমৰ মফচলীয়া সাংবাদিকক একত্ৰিত কৰি গঠন হোৱা 'সদৌ অসম সাংবাদিক সন্থা' প্ৰতিষ্ঠা কালৰ সময়ত তেওঁৰ যথেষ্ট অৱদান আছিল। পৰৱৰ্তী সময়ত ৰাজ্যখনৰ মফচলীয়া অঞ্চলৰ চৰকাৰী চাকৰিবিহীন সংবাদকৰ্মীসকলক লৈ ১৯৯৩ৰ ৩০ এপ্ৰিলত গুৱাহাটীৰ গৌৰী সদনত প্ৰতিষ্ঠা হোৱা 'আছাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন' (আপকু)ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। উক্ত ইউনিয়ন গঠন কৰাৰ পাছৰে পৰা তেওঁ ৰাজ্যৰ মফচলীয়া সাংবাদিকসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত সৰৱ হৈ পৰে। ১৯৯৩ৰ পৰা ২০০৫লৈ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক, ২০০৫ৰ পৰা ২০০৭লৈ সভাপতি আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে সংগঠনটোৰ উপদেষ্টা পদত আছিল। মফচলীয়া সাংবাদিকসকলৰ জীৱনৰ নিৰাপত্তা, আৰ্থিক নিৰাপত্তা আৰু প্ৰেছৰ স্বাধীনতাৰ হকে আজীৱন কলমৰ যুঁজ চলাই গৈছিল বৰুৱাই। তদুপৰি দৰমহাৰ লগতে জীৱনৰ অন্তিম সময়ছোৱালৈ চৰকাৰক সাংবাদিকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আবেদন-নিবেদন জনাই আহিছিল। আনকি মফচলীয়া সাংবাদিকসকলৰ দৰমহা ঘোষণা নকৰালৈকে সাংবাদিক পেঞ্চন গ্ৰহণ নকৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

আনহাতে, আপকুৰ প্ৰতিষ্ঠাপক বৰুৱাই এজন হোমিঅ' চিকিৎসক ৰূপেও প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁৰ হোমিঅ' ফাৰ্মাচীৰ এক বিশেষ সূত্ৰ আছিল মাথোঁ দুটকাৰ দৰব । দুখীয়া-নিছলাক এনেদৰে চিকিৎসা কৰা বৰুৱাই অসম সাহিত্য সভাৰ আজীৱন সদস্যৰ লগতে আজাৰা সাহিত্য সভাৰ সদস্য আছিল। বিভিন্ন কাকত-আলোচনীত তথ্যগধুৰ প্ৰবন্ধ লিখা বৰুৱা আজাৰাৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰো প্ৰতিষ্ঠাপক সম্পাদক আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে বাসভৱনত গুণমুগ্ধসকলে উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। সদৌ অসম সাংবাদিক সন্থাৰ উপদেষ্টা মনোৰঞ্জন ভট্টাচাৰ্য আৰু আপকুৰ সভাপতি আব্দুল খালেকে উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। পুৱাৰ ভাগত আপকুৰ কেন্দ্ৰীয় সভাপতিৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধিৰ দলে বৰুৱাৰ নশ্বৰদেহত সংগঠনটোৰ পতাকা, ফুলাম গামোচা, বেজ আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰে। তদুপৰি কেন্দ্ৰীয় সমিতিৰ সম্পাদক শৰৎ শেনচোৱাই জাৰি কৰা এক নিৰ্দেশনা অনুসৰি আজি আপকুৰ সকলো জিলা আৰু মহকুমা সমিতিয়ে ৰাজহুৱা স্থানত আপকুৰ পতাকাৰ তলত আজিৰ দিনটো 'শোক দিৱস'ৰূপে পালন কৰে। 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সম্পাদক কনকসেন ডেকাৰ লগতে কাকতৰ সমূহ সংবাদকৰ্মীয়ে বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীকে ধৰি বিভিন্নজনৰ শোক প্ৰকাশ

ইফালে, আপকুৰ প্ৰতিষ্ঠাপক সম্পাদকজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক বিবৃতিত ৰাজ্যখনৰ সংবাদ ক্ষেত্ৰৰ এগৰাকী নমস্য ব্যক্তি বৰুৱাৰ মৃত্যু অসমৰ সংবাদ ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে। লগতে প্ৰয়াত সাংবাদিকজনৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। একেদৰে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকায়ো তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত মন্ত্ৰী হাজৰিকাই বৰ্ষীয়ান সাংবাদিক তথা ৰাজ্যৰ সংবাদ ক্ষেত্ৰখনৰ এজন সন্মানীয় ব্যক্তি বৰুৱাৰ মৃত্যু এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। একেদৰে অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহনেও তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। বৰুৱাৰ বিয়োগে আপকুৰ মজিয়াখন উকা কৰি পেলালে বুলি তেওঁ উল্লেখ কৰে। আনহাতে, আপকুৰ প্ৰতিষ্ঠাপক সভাপতি তথা প্ৰবীণ সাংবাদিক ভবেশ শইকীয়া, কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা মনোজ সিং, সভাপতি আব্দুল খালেক, কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই তেওঁৰ মৃত্যুত আপকুৰ প্ৰতিগৰাকী সদস্যক ব্যথিত কৰি তুলিছে বুলি কয়।

বিলাসীপাৰাৰ পৰা আলফাত

এক পৃষ্ঠাৰ পৰা মাত্ৰ কেইদিনমান পূৰ্বে পাঁচগৰাকীকৈ যুৱতী আলফা (স্বাঃ)ত যোগদানৰ পাছত সংগঠনটোত যোগদান কৰিবলৈ যোৱা এজন যুৱকক ভাৰতীয় সেনাই আটক কৰে। আটকাধীন যুৱকজন ধুবুৰী জিলাৰ বিলাসীপাৰা বৰগাঁও তিনি নম্বৰ ৱাৰ্ডৰ বাপু দাস (২৮)। এক বিশেষ সূত্ৰৰ পমখেদি তিনিচুকীয়া জিলাৰ জাগুনত সেনাই আলফা (স্বাঃ)ত যোগদান কৰিবলৈ অহা যুৱকজনক গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে যুৱকজনক ঘৰলৈ নিবলৈ বিলাসীপাৰাৰ পৰা মাতৃ আৰু ভ্ৰাতৃ জাগুনত আহি উপস্থিত হৈছে। কি পৰিস্থিতিত যুৱকজনে ধুবুৰীৰ পৰা আহি আলফাত যোগদান কৰিবলৈ অগ্ৰসৰ হৈছিল সেয়া স্পষ্ট হোৱা নাই। ইপিনে, আলফা সদস্য জান অসমৰ লগত হোৱা যোগাযোগ সূত্ৰে যুৱকজনে জাগুনলৈ আহিছিল বুলি প্ৰকাশ পাইছে।

দুটা চাকৰিৰ দৰমহা ভোগ কৰি অহা ৭০

এক পৃষ্ঠাৰ পৰা বিভাগে। পূৰ্বতে বেংকৰ জৰিয়তে দৰমহা লাভ কৰা এইসকল শিক্ষকে শেহতীয়াকৈ তিনিমাহৰ দৰমহা নোপোৱাৰ পাছত কোষাগাৰৰ জৰিয়তে অনলাইন দৰমহা প্ৰদানৰ ব্যৱস্থাৰ কৰাৰ পাছতে যোৱা ২৭ অক্টোবৰত এই সকল শিক্ষকে কোষাগাৰৰ জৰিয়তে দৰমহা লাভ কৰি অহাৰ তথ্য ফাদিল হয়। ফলত এজন চাকৰিয়ালে দুটাকৈ দৰমহা লাভ কৰি অহা এই ঘটনা পোহৰলৈ অহাৰ পাছতে এইসকল শিক্ষকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু হৈছে শিক্ষা বিভাগ। শিক্ষাগুৰুৰ দৰে পবিত্ৰ বৃত্তিত জড়িত হৈ আইন বিৰোধী কাম কৰা অভিযোগ উঠা এইসকল শিক্ষক হৈছে ক্ৰমে বৰপেটাৰ আব্দুৰ ৰহিম আহমেদ, চন্দন পাটগিৰী, দীপক কুমাৰ বায়ন, ডলি কলিতা, লাটিফা হেলেন, পুলক তালুকদাৰ, ৰিমী ভূঞা, বঙাইগাঁও জিলাৰ বন্তি দাস ৰয়, প্ৰণীতা চৌধুৰী, চুকলা দাস, কাছাৰৰ এইছ অনিতা সিংহা, জানকী দে, লচী ভৌমিক, পুষ্পিতা দাস, চৰিফউদ্দিন লস্কৰ, সুপ্ৰিয়া চক্ৰৱৰ্তী, দৰঙৰ জুমা সাহ, তুলিকা বৰদলৈ, দৰচৰং ব্ৰহ্ম, ডিব্ৰুগড়ৰ চুম্পি বৰুৱা, যাদৱ হাজৰিকা, নিলাক্ষী মহন্ত, উৎপল বৰুৱা, ডিমা হাছাওৰ ইস্তাক এ হক, মধুমিতা পল, ৰজমেৰী আনগামী, গোৱালপাৰাৰ অক্ষয় ৰাজ মহেশ্বৰী, বিনয় বসুমতাৰী, দিপাঞ্জলী ৰয়, জেহাদুল ইছলাম আহমেদ, জিতেন্দ্ৰ নাথ, ক্ষীৰাজ দৈমাৰী, চাফিকুল ইছলাম, চৰিফুল ইছলাম, চহিদুল ইছলাম মোগল, গোলাঘাটৰ সুৰজ কুমাৰ দত্ত, যোৰহাটৰ চেতনা বৰগোহাঁই বৰা, দেৱজ্যোতি বৰা, হেমন্ত দেউৰী, জ্যোস্না পেগু, স্মৃতি ৰেখা বড়া, কামৰূপ মহানগৰৰ চন্দনা তালুকদাৰ, কামৰূপ গ্ৰাম্যৰ নয়নজ্যোতি গোস্বামী, প্ৰণামী মেধি, কাৰ্বি আংলঙৰ ৰঞ্জন কুমাৰ সিং, ৰঞ্জন বৰ্মা, সুব্ৰত দেৱনাথ, কৰিমগঞ্জৰ মৌচুমি দে, লখিমপুৰৰ মন্টু গগৈ, চুমি হাজৰিকা নেওগ, নগাঁৱৰ বেনাৰ্জী কুচাৰ, গায়ত্ৰী সাহ ৰয়, জুবলী হাজৰিকা, প্ৰাঞ্জল কুমাৰ বৰা, তুলিস্মিতা শৰ্মা, নলবাৰীৰ হাচনাৱাৰা বেগম, শিৱসাগৰৰ বিপ্লৱ বৰুৱা, দ্বীপজ্যোতি ফুকন, মনালিছা বৰুৱা শইকীয়া, ৰাজা চেতিয়া, শোণিতপুৰৰ কবিতা শইকীয়া, লিম্পী বৰুৱা, মীৰা বৰা, পৰী ভূঞা বৰা, ৰুণজুন বৰা আৰু তিনিচুকীয়াৰ মনমী গগৈ।

অভিনেত্ৰী কংগনা ৰণৌটৰ বিৰুদ্ধে প্ৰদেশ

এক পৃষ্ঠাৰ পৰা দিয়া এক বিতৰ্কিত মন্তব্যৰ প্ৰতিবাদত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি মহানগৰীৰ দিছপুৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰে।

বিতৰ্কিত অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ পাছত দলৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ মুখপাত্ৰ মনজিৎ মহন্তই কয় যে অভিনেত্ৰী কংগনা ৰণৌটে যি ধৰণৰ অদ্ভুত অপৰিপক্ক আৰু জ্ঞানশূন্য মন্তব্য কৰিছে তাক কেৱল কংগ্ৰেছে প্ৰতিবাদ কৰিছে তেনে নহয়, বৰঞ্চ শাসকীয় বিজেপিৰেই বহু জ্যেষ্ঠ নেতাই অসন্তোষ প্ৰকাশ কৰাৰ লগতে বিৰুদ্ধাচৰণ কৰিছে। 'গতিকে এনে এগৰাকী বিতৰ্কিত অভিনেত্ৰীৰ ওপৰত অতি শীঘ্ৰে আইনী ব্যৱস্থা ল'বলৈ আমি দাবী জনাইছো।' মহন্তই এইদৰে কয়।

উল্লেখ্য যে সামাজিক মাধ্যমকে ধৰি দেশৰ বিভিন্ন সংবাদ মাধ্যমত ইতিমধ্যে প্ৰকাশ পোৱা অনুসৰি, অভিনেত্ৰী কংগনা ৰণৌটে '২০১৪তহে দেশে স্বাধীনতা লাভ কৰিছিল', '১৯৪৭ৰ স্বাধীনতা ভিক্ষা কৰি পোৱা স্বাধীনতা', 'এখন গাল পাতি দিলে চৰ পায় আনখন পাতি দিলে ভিক্ষা পায়' বুলি মন্তব্য কৰিছিল যাক লৈ দেশজুৰি তুমুল বিতৰ্কৰ সূত্ৰপাত হৈছে।

প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ মহন্তই কয় যে কংগনা ৰণৌটকে ধৰি দেশৰ যিকোনো এজন ব্যক্তিয়েই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, শাসকীয় দল বিজেপি অথবা হিন্দুত্ববাদৰ অনুগত হ'ব পাৰে তাত আচৰিত হ'বলগীয়া একো নাই। তেওঁ কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দীঘলীয়া ইতিহাসক অংগুষ্ঠ দেখুওৱাৰ যি অপচেষ্টা তাক কোনো সচেতন অথবা দেশৰ প্ৰতি ন্যূনতম দায়বদ্ধতা থকা মানুহে সহজভাৱে ল'ব নোৱাৰে।

মহন্তই কয়, 'এনে মস্তিস্কৰ এগৰাকী ব্যক্তিক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে পদ্মশ্ৰী সন্মান প্ৰদান কৰা কাৰ্য অত্যন্ত দুৰ্ভাগ্যজনক। কংগনাৰ দৰে এগৰাকী অভিনেত্ৰীক পদ্মশ্ৰী সন্মানৰ বাবে নিৰ্বাচন কৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'পদ্ম' সন্মানৰ গৰিমা আৰু মৰ্যাদা মাটিত মিহলাই দিলে। আমি ভাৰতৰ ৰাষ্ট্ৰপতিক দাবী জনাইছো, কংগনা ৰণৌটৰ পৰা 'পদ্মশ্ৰী' সন্মান ঘূৰাই আনিব লাগে।'

এনে মন্তব্যৰ দ্বাৰা অভিনেত্ৰীগৰাকীয়ে কেৱল জাতিৰ পিতা মহাত্মা গান্ধীৰ লগতে দেশৰ ইতিহাসকেই অশ্ৰদ্ধা কৰিলে তেনে নহয়, অসমৰ স্বাধীনতা সংগ্ৰামী কনকলতা, মণিৰাম দেৱান আদি বীৰ-বীৰাংগণাসকলকো তুচ্ছ-তাচ্ছিল্য কৰিলে বুলিও কংগ্ৰেছ নেতাজনে কয়।

তেওঁ লগতে কয়, 'এনে মন্তব্যৰ দ্বাৰা স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ, আত্মবলিদান আৰু চিন্তা-চেতনাক একপ্ৰকাৰ নস্যাৎ কৰিলে যি গৰিহণাৰ যোগ্য।'

ভাঙি যোৱা শিক্ষা

এক পৃষ্ঠাৰ পৰা ডাক্তৰৰ হাতত ৰোগীৰ মৃত্যু হয়, ইঞ্জিনীয়াৰৰ হাতত অট্টালিকা আৰু দলং ভাঙি পৰে, অৰ্থনীতিবিদৰ হাতত বিত্ত ব্যৱস্থা ভাঙি পৰে, হিচাপ পৰীক্ষকৰ হাতত হিচাপ হেৰাই যায়, মানৱতাৰ মৃত্যু হয় ধাৰ্মিক পণ্ডিতৰ হাতত, ন্যায়াধীশৰ হাতত ন্যায়ৰ মৃত্যু হয়, শাসকৰ হাতত ন্যায়ৰ মৃত্যু হয়, শাসকৰ হাতত সুশাসন ব্যৱস্থাৰ মৃত্যু হয়, প্ৰশাসকৰ হাতত সুপ্ৰশাসন ব্যৱস্থাৰ মৃত্যু হয়। এখন দেশৰ শিক্ষা ব্যৱস্থাৰ মৃত্যু মানেই দেশখনৰ মৃত্যু।

অলপতে টেলিভিছনৰ আলোচনা এটাত ভাগ লৈছিলো। প্ৰসংগ আছিল, কে'বা হেজাৰো ভুৱা প্ৰমাণপত্ৰৰে নিযুক্তি লাভ কৰা শিক্ষকৰ কেলেংকাৰি। আলোচনাত ভাগ লোৱা ৰাজনৈতিক নেতা এজনে মন্তব্য কৰিলে— যদি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কেলেংকাৰিৰ বাবে নিলম্বিত বা বৰ্খাস্ত হয়, যদি অধ্যাপক নিলম্বিত হয়, যদি অধ্যক্ষৰ কেলেংকাৰি হয়, তেনেহ'লে শিক্ষক নিযুক্তিৰ কেলেংকাৰি হোৱাটো স্বাভাৱিক। তেওঁ ক'লে ইয়াৰ বাবে কেৱল চৰকাৰ দায়ী নহয়, সমাজখনো দায়ী। তেওঁ ক'লে, এতিয়া সমাজখনেই বেয়া হৈছে।

সমাজখন বেয়া হৈছে সেইটো কথা আজিকালি বহুতে কয়। সমাজখন যদি বেয়া হৈছে তেনেহ'লে কিয় বেয়া হৈছে? কোনে বেয়া কৰিছে? সেই কথা নিৰ্ণয় কৰাটো কাৰ দায়িত্ব? সমাজখন কোনে চলায়? দেশখন, ৰাজ্যখন কোনে চলায়? সমাজখন বেয়া হ'লে, দেশখনৰ মানুহবিলাক বেয়া হ'লে তেওঁলোকে ভাল কৰিব লাগে, ভাল কৰাটো তেওঁলোকৰ দায়িত্ব; কিন্তু তেওঁলোক, যি সকলক দেশখন চলোৱাৰ দায়িত্ব দিয়া হয়, তেওঁলোক ভালনে? তেওঁলোক কিমান ভাল? বহুতে কয়, ভাল মানুহ ৰাজনীতিলৈ নাযায়, যাব নোৱাৰে। অৰ্থাৎ বেয়া মানুহেহে ৰাজনীতিলৈ যায়। তেওঁলোক যদি সঁচাকৈ বেয়াই, তেওঁলোকক ৰাইজে নেতা নিৰ্বাচিত কৰে কিয়? তাৰ মানে কথাটো এনেকুৱা নেকি? ৰাইজখন বেয়া বাবেই তেওঁলোকে বেয়া মানুহ নিৰ্বাচিত কৰি তেওঁলোকৰ হাতত শাসন ভাৰ দিছে? নে কথাটো ওলোটা বেয়া মানুহবিলাক নেতা হ'বলৈ ৰাইজখনকো বেয়া কৰি লৈছে? প্ৰশ্নটো এতিয়া তাতেই ওলমি আছে। শিক্ষা ব্যৱস্থাটো বেয়া বাবেই যে শিক্ষিত মানুহবিলাক বেয়া হৈছে সেইটো সত্য। যুগে যুগে এই কথা কৈ আহিছে মনীষাসকলে। এটা ভাল শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ দেশৰ পণ্ডিত-মনীষাসকলে চেষ্টাৰ ত্ৰুটি কৰা নাই; কিন্তু ৰাজনৈতিক মেৰপাকত এই চেষ্টা অৰ্থহীন হৈ পৰে।

আজিকালি প্ৰায় সকলো ধৰণৰ সাংবিধানিক নিযুক্তি ৰাজনৈতিকভাৱে হয়। দেশ আৰু ৰাজ্যৰ মুৰব্বীসকল স্বাভাৱিকভাৱেই ৰাজনৈতিক। তেওঁলোকৰ তলত থকা সাংবিধানিক বহু নিযুক্তি শিক্ষা আৰু দক্ষতাৰ মাপকাঠিৰে নহয়, কেৱল ৰাজনৈতিক আনুগত্যৰ মাপকাঠিৰেহে হয়। ৰাজনৈতিক ক্ষমতাৰ প্ৰতি যাৰ যিমান আনুগত্য তাৰ ভিত্তিতেই নিযুক্তি হয়। যদি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰো ৰাজনৈতিক আনুগত্য থাকিব লাগে, যদি কলেজৰ অধ্যক্ষৰো ৰাজনৈতিক আনুগত্য থাকিব লাগে, যদি শিক্ষকসকল তথা শিক্ষক সংগঠনসমূহেও ৰাজনৈতিক আনুগত্য প্ৰদৰ্শন কৰি ভাল পায়, তেনেহ'লে সমাজখনো তেনেদৰেই চলে। চলিবলৈ বাধ্য। সমাজ মানেই মানুহৰ সমষ্টি। মানুহৰ চৰিত্ৰই সমাজৰো চৰিত্ৰ। মানুহক মানৱীয় চৰিত্ৰ প্ৰদান কৰিব পাৰে সুশিক্ষা ব্যৱস্থা এটাইহে। যদি শিক্ষা ব্যৱস্থাটোৱেই ভাল নহয়, অমানৱীয় হয়, মূল্যবোধহীন হয়, তেনেহ'লে সমাজখনো ভাল নহ'ব, মানৱীয় নহ'ব, মূল্যবোধসম্পন্ন নহ'ব। তেনেহ'লে দক্ষিণ আফ্ৰিকাৰ বিশ্ববিদ্যালয়খনৰ পদূলিতে লিখা থকা কথাটোৱেই আচল কথা। শিক্ষা ব্যৱস্থাটো বেয়া হ'লে ডাক্তৰৰ হাতত ৰোগীৰ মৃত্যু হয়। এইটো এটা কম ডাঙৰ কথানে? এইটো এতিয়া আমাৰ সমাজত হৈয়ে আছে। ডাক্তৰ যেন ডাক্তৰৰ বাবেহে, ৰোগীৰ বাবে নহয়, তেনেকুৱা এটা মনোভাব আমাৰ সমাজত ইতিমধ্যে গঢ়ি উঠিছে। আনহাতে, দক্ষিণ আফ্ৰিকাৰ বিশ্ববিদ্যালয়খনৰ পদূলিতে আঁৰি থোৱা সেই ফলকখনত আৰু এটা বৰ ডাঙৰ কথা কৈছে, শিক্ষা ব্যৱস্থাটো বেয়া হ'লে, ন্যায়াধীশৰ হাতত ন্যায় ব্যৱস্থাৰ মৃত্যু হয়। এই কথাও আমাৰ সমাজত চৰ্চিত হৈছে। দেশৰ উচ্চতম ন্যায়ালয়ৰ চাৰিজনকৈ ন্যায়াধীশে ন্যায়ালয়ৰ বাহিৰলৈ আহি ৰাইজৰ সমুখত থিয় হৈ ক'লে— দেশৰ গণতান্ত্ৰিক ব্যৱস্থাটো বিপদাপন্ন হৈছে। যদি স্বয়ং উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশেই এই কথা কয়, তেনেহ'লে নিশ্চয় গণতন্ত্ৰ বিপদাপন্ন হৈছে। গণতন্ত্ৰত ৰাইজেই ৰজা বুলি কোৱা হয়। সঁচাকৈ বৰ্তমানৰ গণতান্ত্ৰিক ব্যৱস্থাত ৰাইজেই ৰজানে? ৰাইজে গণতন্ত্ৰক প্ৰকৃত ৰূপত জীয়াই ৰাখিব পাৰিছেনে? এই প্ৰশ্নটো যদি ৰাইজক সোধা যায় ৰাইজৰ বেছিভাগেই ক'ব প্ৰকৃত গণতন্ত্ৰৰ মৃত্যু হৈছে। প্ৰকৃত শিক্ষা ব্যৱস্থা বিপদাপন্ন, প্ৰকৃত গণতন্ত্ৰ বিপদাপন্ন, তেনেহ'লে কি চলি আছে দেশত। এজন শিক্ষক হিচাপে, এজন লেখক হিচাপে মই নিজে নিজক চিকুটি চাওঁ। ময়ো অনুভৱ কৰো, শিক্ষা ব্যৱস্থাটোক ভাল কৰি ৰাখিবলৈ মই কি কৰিব লাগিছিল, যিমান কৰিব লাগিছিল সেয়া একো কৰিব নোৱাৰিলো। মোৰ সহকৰ্মীসকলেও নোৱাৰিলে। এটা মূল্যবোধহীন, এটা মানৱীয় প্ৰমূল্যহীন, এটা বৌদ্ধিক চৰিত্ৰহীন শিক্ষা ব্যৱস্থাৰ অংশীদাৰ হৈ মই জীয়াই আছো, আমি সকলো শিক্ষক তেনেকৈ জীয়াই আছো।

আজিৰ তাৰিখত শিক্ষকৰ বেতন ভাল। কলেজ-বিশ্ববিদ্যালয়ৰ বেতন অতি উন্নত। বহুত বহুত দৰমহা পায় শিক্ষকসকলে। শিক্ষকসকলক দৰমহা দিয়ে ৰাইজে। দুখীয়া-দৰিদ্ৰ ৰাইজৰ জেপৰ পইচাৰে শিক্ষকসকলে ভাল দৰমহা পায়। যাৰ জেপৰ ধনেৰে শিক্ষকসকলে দৰমহা পায়, তেওঁলোকে ৰাইজৰ কথা ভাবেনে? ৰাইজৰ ইমান দুখ, ইমান দুৰ্গতি, ইমান অন্যায়, ইমান অত্যাচাৰ সেই কথা অনুভৱ কৰেনে শিক্ষকসকলে। আজিকালি শিক্ষকৰ বহুত কাম— অফলাইন-অনলাইন ক্লাছ কৰিব লাগে, পৰীক্ষা ল'ব লাগে, পৰীক্ষাৰ বহী চাব লাগে, গৱেষণা কৰিব লাগে, গৱেষণা গ্ৰন্থ লিখিব লাগে, ছেমিনাৰত যোগদান কৰিব লাগে ইত্যাদি। শিক্ষকৰ বহুত কাম; কিন্তু এইবিলাক কামে ৰাইজক কিবা দিব পাৰিছেনে? এইবিলাক কামৰ দ্বাৰা এটা ভাল শিক্ষা ব্যৱস্থা চলি আছেনে? শিক্ষকসকলে তেনেকুৱা এখন শিক্ষানুষ্ঠান চলাই ৰাখিব পাৰিছেনে, যিখন শিক্ষানুষ্ঠানৰ পৰা শিক্ষা লাভ কৰি ওলাই যোৱা ছাত্ৰ এজন গণতান্ত্ৰিক তথা মানৱীয় মূল্যবোধসম্পন্ন হৈছে। সেইখন শিক্ষানুষ্ঠানৰ পৰা ডাক্তৰ হৈ ওলাই যোৱা ডাক্তৰৰ হাতত ৰোগীৰ অপমৃত্যু হোৱা নাই। শিক্ষানুষ্ঠানৰ পৰা তেনেকুৱা কোনো ইঞ্জিনীয়াৰ ওলাই গৈছে নে যি ইঞ্জিনীয়াৰে সাজি উলিওৱা অট্টালিকা ভাঙি পৰা নাই, দলং ভঙা নাই, বাট বেয়া হোৱা নাই, শিক্ষানুষ্ঠানৰ পৰা তেনেকুৱা কোনোবা ন্যায়াধীশ ওলাই গৈছে নে, যি ন্যায়াধীশৰ হাতত ন্যায় ব্যৱস্থাৰ অপমৃত্যু হোৱা নাই। আমি প্ৰশ্নবোৰ নিজে নিজক সোধোচোন। প্ৰায় এবছৰ ধৰি কৃষকসকলে ৰাজপথত থাকি দেশৰ কৃষি আইনৰ বিৰুদ্ধে আন্দোলন কৰিছে। সেই আন্দোলনৰ ন্যায্যতা আছে নে নাই সেই কথা বিচাৰ কৰি চৰকাৰ আৰু কৃষকৰ মাজত মধ্যস্থতা কৰিবলৈ কোনোবা তেনেকুৱা কৃষি বিজ্ঞানী বা কৃষি অৰ্থনীতিবিদ ওলাইছে নে?

দেশখনত লাখ লাখ কৃষকে আত্মহত্যা কৰিছে। কি কৰিলে কৃষকৰ আত্মহত্যা বন্ধ হ'ব, সেই কথা গৱেষণা কৰি কোনোবা কৃষি গৱেষকে, অৰ্থনীতিবিদে কিবা ব্যৱস্থা লৈছেনে? কৃষকৰ আত্মহত্যা যোৱা তিনিটা দশক ধৰি অব্যাহত আছে। এতিয়া দেশৰ কৃষি অৰ্থনীতিৰ বৰ বেয়া অৱস্থা কৃষকৰ অৱস্থা অতি দুখ লগা। অকল কৃষকেই নহয় সকলো সাধাৰণ শ্ৰেণীৰ মানুহ, খাটি খোৱা মানুহ, গাঁৱৰ মানুহ, শ্ৰমিক, ক্ষুদ্ৰ ব্যৱসায়ী সকলোৰে অৱস্থা। অতি বেয়া। দেশৰ শিক্ষিত লোকসকলে ৰাইজৰ এই দুৰৱস্থাৰ কথা ভাবিছেনে? ৰাইজৰ ধনেৰে গঢ়া শিক্ষানুষ্ঠানত শিক্ষা লাভ কৰা শিক্ষিতসকলে এই সমস্যাবিলাক সমাধান কৰিবলৈ আগবাঢ়ি আহিছেনে?

যোৱা কেইটামান বছৰত ভাৰতবৰ্ষৰ অৰ্থনীতি বিপদাপন্ন হৈছে। বিপদাপন্ন হৈছে দুখীয়া ৰাইজ। যোৱা কেইটামান বছৰত দেশত দৰিদ্ৰৰ সংখ্যা বাঢ়িছে। যোৱা তিনিটা বছৰত দৰিদ্ৰৰ সংখ্যা দুগুণলৈ বৃদ্ধি হৈছে। যোৱা তিনিটা বছৰত আধাতকৈও বেছি ভাৰতীয় মধ্যবিত্ত দৰিদ্ৰৰ পৰ্যায়লৈ নামি আহিছে। মূল্যবৃদ্ধিয়ে আকাশ চুইছে। সাধাৰণ মানুহৰ ক্ৰয় ক্ষমতা সাংঘাতিক ধৰণে কমি গৈছে। একপ্ৰকাৰৰ আকালৰ সৃষ্টি হৈছে। ক্ষুধাতুৰ মানুহৰ সংখ্যা বৃদ্ধি হৈছে। আনহাতে, বৃদ্ধি হৈছে মিলিয়নাৰ-বিলিয়নাৰৰ সংখ্যা। বিশ্বৰ শ্ৰেষ্ঠ ধনীজন ভাৰতবৰ্ষতেই সৃষ্টি হৈছে। ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্য বৃদ্ধি হৈছে। ধনী অধিক ধনী হৈছে। দুখীয়া অধিক দুখীয়া হৈছে।

ইমানবিলাক সমস্যাত এতিয়া দেশৰ মানুহ জুৰুলা হৈছে। দেশৰ শিক্ষিত লোকসকলে এই সমস্যাবিলাকৰ সমাধানৰ বাবে একলগ হৈ কিবা কৰা উচিত আছিল; কিন্তু কৰা হোৱা নাই। তেনেহ'লে আমাৰ শিক্ষা ব্যৱস্থাটো ভয়ানকভাৱে বিধ্বস্ত হৈছে। ইয়াৰ দায়িত্ব আমি শিক্ষকসকলে, শিক্ষা প্ৰশাসকসকলে মূৰ পাতি ল'ব লাগিব। আমি লোৱা নাই।

ফোন : ৯৮৬৪০-২০১১২

শোণিতপুৰৰ পৌৰসভা অঞ্চলৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১৮ নৱেম্বৰ ঃ অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ অধিসূচনা আৰু ১৯৫৬ৰ অসম পৌৰ আইনৰ ১৪ নম্বৰ ধাৰা অনুসৰি শোণিতপুৰৰ চাৰিখন পৌৰসভা অঞ্চলৰ খচৰা ভোটাৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰা হৈছে। এই পৌৰসভা অঞ্চলৰ সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটাৰ ৰাইজৰ পৰ্যবেক্ষণৰ বাবে খচৰা ভোটাৰ তালিকাসমূহ জিলাখনৰ কিছু স্থানত ৰাইজৰ সুবিধাৰ্থে ৰখা হৈছে। সেই অনুসৰি তেজপুৰ পৌৰসভা অঞ্চলৰ বাবে উপায়ুক্তৰ কাৰ্যালয়, তেজপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু তেজপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়ত এই তালিকা ৰখাৰ লগতে ঢেকিয়াজুলি পৌৰসভাৰ ভোটাৰৰ বাবে ঢেকিয়াজুলি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ঢেকিয়াজুলি পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয় আৰু ঢেকিয়াজুলি আৰক্ষী থানাত উপলব্ধ হ'ব। একেদৰে জামুগুৰিহাট পৌৰসভা অঞ্চলৰ বাবে পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়, চতিয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু জামুগুৰি আৰক্ষী থানাৰ লগতে ৰঙাপৰাৰ বাবে ৰঙাপৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়, ৰঙাপৰা আৰক্ষী থানা, চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ৰাইজৰ বাবে উপলব্ধ হ'ব। ইচ্ছুক ভোটাৰ ৰাইজে তেওঁলোকৰ নাম খচৰা ভোটাৰ তালিকাত অন্তৰ্ভুক্তি নিশ্চিতকৰণ সন্দৰ্ভত এই কাৰ্যালয়সমূহত পৰ্যবেক্ষণ কৰিব পাৰিব। আনহাতে, কোনো ব্যক্তিৰ যদি ভোটাৰ তালিকাত কোনো বিসংগতিৰ দাবী বা আপত্তি থাকে সেই দাবী, আপত্তিসমূহ অহা ২৬ নৱেম্বৰৰ ভিতৰত সংশ্লিষ্ট বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব বুলি এক বিবৃতিত প্ৰকাশ কৰিছে।

ওদালগুৰি জিলা সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিৰ যুৱ সমাৰোহৰ আয়োজন

অগ্ৰদূত বাৰ্তা

টংলা, ১৮ নৱেম্বৰ ঃ সাহিত্য সংস্কৃতি সৃষ্টিৰ সুস্থ পৰিৱেশ ৰচনা কৰা, ছাত্ৰ-ছাত্ৰী বা যুৱ সমাজ ধ্বংসমুখিতাৰ বিপৰীতে সৃষ্টিশীল কৰ্মত ব্ৰতী কৰোৱাৰ উদ্দেশ্যে ওদালগুৰি জিলা সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিয়ে এইবেলি ধূপতল গাঁও উন্নয়ন সমিতি আৰু ৰিমজিম যুৱ সংঘৰ সহযোগত অহা ২১ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰিমজিম যুৱ সংঘৰ প্ৰাংগণত যুৱ সমাৰোহৰ আয়োজন কৰিছে। কাৰ্যসূচী মতে, পুৱা আঠ বজাত গছপুলি ৰোপণ কৰিব কুলেন ডেকা, সুশীল দাস আৰু তৰুণ দাসে। আনহাতে, ৮-৩০ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব ওদালগুৰি জিলা সাহিত্য সভাৰ উপ-সভাপতি আদিত চন্দ্ৰ কলিতাই। তদুপৰি স্মৃতি তৰ্পণ কৰিব টংলা শদলত সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে। পুৱা ৯-৩০ বজাত শিশু চেমনীয়া যুৱকৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব কনক চন্দ্ৰ ৰাভাই। ইপিনে, পুৱা ১০ বজাত খোলা কিতাপ আৰু চিত্ৰ প্ৰদৰ্শনী উন্মোচন কৰিব নাট্যশিল্পী অৰূপজ্যোতি ৰাভাই। 'সাহিত্য সমাজ নিৰ্মাণত যুৱ সমাজৰ ভূমিকা' শীৰ্ষক বক্তৃতা আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব পানেৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ নাৰায়ণ বৰাই। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাই সভাপতিত্ব কৰিব লগা অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব নৃপেন্দ্ৰ শৰ্মাই। আনহাতে, উক্ত সমাৰোহতে আন্তঃৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভা, যুৱ চিত্ৰশিল্পী কুইন জি তালুকদাৰ, যুৱ সাহিত্যিক সুশান্ত মোছাহাৰী আৰু নৃত্যশিল্পী পূৰ্বাশ্ৰী বণিয়াক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি যুৱ সংসদে অনুষ্ঠিত কৰা অনলাইন স্বৰচিত কবিতা লিখা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী ক্ৰমে ওৰাঙৰ চয়নিকা কাকতি, টংলাৰ পাৰ্থপ্ৰতিম পাঠক আৰু ভেৰগাঁৱৰ দীপশিখা শৰ্মাকো উক্ত অনুষ্ঠানতে বঁটা প্ৰদান কৰা হ'ব বুলি যুৱ সংসদৰ সম্পাদক অৰূপ বড়োৱে সদৰী কৰিছে।

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ আহ্বান মৰ্মে
নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত
বিজেপি দল আৰু চৰকাৰৰ ভুল নীতিৰ ফলত বিধ্বস্ত দেশৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ
জনজাগৰণ অভিযান
অসম প্ৰদেশ কংগ্ৰেছ কমিটি

নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত তিতাবৰত কংগ্ৰেছৰ জনজাগৰণ সভা।

আমগুৰি মহাবিদ্যালয় আছু গোটৰ প্ৰতিনিধি সভা

অগ্ৰদূত বাৰ্তা

আমগুৰি, ১৮ নৱেম্বৰ ঃ আমগুৰি মহাবিদ্যালয় আছু গোটৰ বাৰ্ষিক প্ৰতিনিধি সভাখন যোৱা ১৭ নৱেম্বৰত অনুষ্ঠিত হয়। আমগুৰি মহাবিদ্যালয়ত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ৰাজদ্বীপ কাকতিয়ে। ৰোহিত ছেত্ৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক অম্লানজ্যোতি মহন্ত আৰু আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ঋতুপল্লৱ হাজৰিকা উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ নীতি আৰু আদৰ্শৰ ওপৰত বক্তব্য ৰাখে। সভাৰ শেষত অনুষ্ঠিত হোৱা বিষয় বাছনি সভাত সৰ্বসম্মতিক্ৰমে আগন্তুক কাৰ্যকালৰ বাবে ৰোহিত ছেত্ৰীক সভাপতি আৰু ডিম্পু শইকীয়াক সাধাৰণ সম্পাদক হিচাপে লৈ ৬১ জনীয়া এখন সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাত আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি কৌশিক দত্ত আৰু সহকাৰী সাধাৰণ সম্পাদক গৌৰৱ গগৈ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে।

■ ব্যৰ্থ জনস্বাস্থ্য কাৰিকৰী বিভাগ ■ ৫৬ লাখ টকাৰেও নহ'ল সম্পূৰ্ণ

আঠ বছৰ পাছতো ৰাইজে নাপালে বিশুদ্ধ পানী

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৮ নৱেম্বৰ ঃ যি সময়ত ৰাজ্য চৰকাৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে বিশুদ্ধ খোৱাপানী প্ৰকল্প স্থাপন তথা মেৰামতিৰ নামত লাখ লাখ টকা শৰাধ কৰি আহিছে ঠিক তেনে সময়ত নলবাৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, নলবাৰী সংমণ্ডলৰ অধীনস্থ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ভালেসংখ্যক পানী যোগান আঁটনি ভেঁকোভাওনাত পৰিণত হোৱাৰ লগতে ঘগ্ৰাপাৰৰ গুৱাকুছিস্থিত এক নম্বৰ চুবুৰি পানী যোগান প্ৰকল্পটো নিৰ্মাণৰ আঠ বছৰ অতিক্ৰম কৰাৰ পাছতো এটুপিও বিশুদ্ধ খোৱাপানী গঞা ৰাইজে নোপোৱাটো বিভাগটোৰ কাৰণে চূড়ান্ত ব্যৰ্থ তথা অৱহেলিত বুলি চৰ্চিত হৈছে। উল্লেখ্য যে নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অঞ্চল গুৱাকুছিৰ উক্ত স্থানত নলবাৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, নলবাৰী সংমণ্ডলে ঠিকাদাৰৰ জৰিয়তে প্ৰায় ৫৬ লাখ টকা ব্যয়ৰে প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পন্ন কৰে যদিও আজি ছবছৰে প্ৰকল্পটোৰ চকৰী নুঘুৰিল বুলি ৰাজহুৱা অভিযোগ উঠিছে। সম্প্ৰতি প্ৰকল্পটো হাবি-জংঘলৰে আৱৰি ধৰিছে যদিও বিভাগে চকু মুদা কুলিৰ ভাও লৈছে। উল্লেখ্য যে ২০১২-১৩ তে নিৰ্মাণ কৰা এই আঁচনিখন গুৱাকুছি ৰাইজৰ সেৱাত মুকলি কৰি বিশুদ্ধ খোৱাপানী যোগানৰ বাবে বহুবাৰ বিভাগৰ ওচৰত আবেদন-নিবেদন কৰি আহিছে যদিও কোনো সুফল নোপোৱাত ৰাইজ ক্ষোভিত হৈ পৰিছে। প্ৰাপ্ত তথ্য মতে, আঁচনিৰ নদী পানী, টেংক, ভূগৰ্ভৰ ৰিজাৰ্ভাৰ, বালি টেংক পৰিশুদ্ধ ব্যৱস্থা, পাম্পঘৰ, বিদ্যুৎ সংযোগ, বহিঃপাইপ লাইন আদি নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগে সম্পূৰ্ণ হোৱা বুলি বিভাগীয় ফাইলত দেখুৱাইছে যদিও গুৱাকুছি অঞ্চলটোৰ জনসাধাৰণে আজি পৰ্যন্ত এটুপিও বিশুদ্ধ খোৱাপানী খাবলৈ নাপালে। যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ ৰাইজে খাল, বিল, নাদ, পুখুৰী, দমকল আদিৰ আৰ্চেনিকযুক্ত পানী সেৱন কৰি আহিছে। যাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সময়ত বিভিন্ন ৰোগত আক্ৰান্ত হৈছে গঞা ৰাইজ।

ইফালে, চৰকাৰী ধন লাখ লাখ টকা অপচয় হোৱাৰ পাছতো জনপ্ৰতিনিধিয়ে ৰহস্যজনক নীৰৱতা অৱলম্বন কৰাটোও ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। লগতে ৰাইজে এই প্ৰকল্পটো শীঘ্ৰে ৰাইজৰ বাবে মুকলি কৰিবলৈ গুৱাকুছিবাসী ৰাইজে চৰকাৰ তথা বিভাগৰ ওচৰত দাবী জনাইছে। অন্যথা ৰাইজে আগন্তুক দিনত গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ প্ৰদান কৰে।

আছাৰ উদ্যোগত টংলাত বাৰ্ষিক কৰম পৰৱ বীৰ বীৰছা মুণ্ডাৰ জয়ন্তী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

টংলা, ১৮ নৱেম্বৰ ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছা, টংলা আৰু হৰিশিঙা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু কে'বাটাও প্ৰাথমিক শাখাৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত বাৰ্ষিক কৰম পৰৱ উৎসৱ আৰু বীৰ বিৰছা মুণ্ডাৰ ১৪৬ সংখ্যক জয়ন্তীৰ কালি সামৰণি পৰে। সামৰণি উৎসৱত আদিবাসী সমাজৰ লোকে লোকাৰণ্য হৈ পৰে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কালি আবেলি অনুষ্ঠিত মুকলি সভাত নিৰঞ্জন বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা সভাত সভাপতিত্ব কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি সুৰেশ লোমগাই। বিটিআৰৰ কাৰ্যবাহী সদস্য উইলচন হাসদাই মুখ্য অতিথি হিচাপে অলংকৃত কৰা সভাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ নাগ, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ শান্তিউছ কুজুৰ, ওদালগুৰি জিলা আছাৰ সম্পাদক ৰবিৰাম বাস্কে উপস্থিত থকা সভাত আছাৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক নুৰাছ বাৰলা, আদিবাসী মহাসভাৰ সভাপতি বীৰ সিং মুণ্ডাই উপস্থিত থাকে। দুয়োটা দিনতে চাফাই অভিযান, আছাৰ পতাকা উত্তোলন, আদিবাসী জাতীয় উৎসৱ কৰম আৰু বীৰ বিৰছা মুণ্ডাৰ ধ্বজা উত্তোলন কৰাৰ লগতে বীৰ ছহিদসকলৰ পৱিত্ৰ স্মৃতিত মৌন প্ৰাৰ্থনা কৰাৰ লগতে ছহিদ তৰ্পণ কৰে টংলা আঞ্চলিক আছাৰ সভাপতি প্ৰবীণ লাকৰা, সম্পাদক পাৱান লাকৰা, হৰিশিঙা আঞ্চলিকৰ সভাপতি-সম্পাদক গোবিন্দ সিং গৌড়, অমল চুণ্ডি, অভ্যৰ্থনা সমিতিৰ মুখ্য উপদেষ্টা শান্তিয়েল খালখোই। গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে পুৰন্দীয়া ভিচিডিচিৰ চেয়াৰমেন অলংগবাৰ বড়ো, কেথলিক চাৰ্চৰ পালক পাউল মিঞ্জ, এফ্ৰেম জজৱাৰ আৰু লাট গাঁওবুঢ়া মুকুন্দ ডেকাই। বৰ্ণিল শোভাযাত্ৰাৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে জাতীয় কৰম নৃত্য, কুইজ প্ৰতিযোগিতা, কৰম আখৰা, কৰম ডালি ৰোপণ আদি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা আদিবাসী জাতীয় উৎসৱ আৰু বীৰ বিৰছা মুণ্ডা জয়ন্তীত ঝুমুৰ, ডমকাইছ, ছান্থালি, ডাণ্ডিয়া, মুণ্ডাৰী, কুড়ুখ আৰু কাৰমা নৃত্য প্ৰদৰ্শনৰ লগতে বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীৰে সামৰণি পৰে।

আজি পূব কামৰূপ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

কমলপুৰ, ১৮ নৱেম্বৰ ঃ কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ অগ্ৰণী শিক্ষানুষ্ঠান পূব-কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ৪৯ বছৰ ইতিমধ্যে অতিক্ৰম কৰিছে। সেয়ে ৫০ বছৰৰ এই প্ৰাকক্ষণত মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ যো-জা চলোৱা হৈছে। তদুপলক্ষে কাইলৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সোণালী জয়ন্তী উদ্‌যাপনৰ পূৰ্ণাংগ সমিতি আৰু প্ৰয়োজনীয় উপ-সমিতিসমূহ গঠন কৰিবলৈ এখন সাধাৰণ সভা আহ্বান কৰা হৈছে। উক্ত দিনা এই সভাত সমূহ ৰাইজ, শুভকাংক্ষী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ণ গোস্বামীয়ে আন্তৰিকতাৰে কামনা কৰিছে।

টিহু-নাথকুছিৰ নাৰায়ণ চন্দ্ৰ দেৱশৰ্মাক মৰণোত্তৰভাৱে 'বিপ্ৰ চূড়ামণি' উপাধি প্ৰদান

অগ্ৰদূত বাৰ্তা

টিহু, ১৮ নৱেম্বৰ ঃ টিহুৰ নাথকুছি অঞ্চলৰ দুই নম্বৰ নাথকুছি নিবাসী সদ্য প্ৰয়াত বিশিষ্ট সংস্কৃত পণ্ডিত নাৰায়ণ চন্দ্ৰ দেৱশৰ্মাক অখিল ভাৰত ব্ৰাহ্মণ ফ্ৰণ্টৰ অসম ৰাজ্যিক সমিতিৰ উদ্যোগত আৰু সাংস্কৃতিক মহাসভা অসমৰ সহযোগত মৰণোত্তৰভাৱে 'বিপ্ৰ চূড়ামণি' উপাধি প্ৰদান কৰা হয়। এই উপলক্ষে সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাৰ সঞ্চালনাত যোৱা ১৫ নৱেম্বৰত দুই নম্বৰ নাথকুছিত অনুষ্ঠিত সভাত এই বঁটা প্ৰদান কৰে। উল্লেখ্য যে জীৱিত কালতে এই বঁটা দিয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলাৰ সময়তে যোৱা তিনি নৱেম্বৰত সংস্কৃত পণ্ডিত নাৰায়ণ চন্দ্ৰ দেৱশৰ্মাৰ ১০৪ বছৰ বয়সত পৰলোকপ্ৰাপ্তি হয়। সাংস্কৃতিক মহাসভা আৰু ব্ৰাহ্মণ ফ্ৰণ্টৰ কে'বাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰা সভাখনত উপাধি প্ৰদানৰ লগতে দেৱশৰ্মাৰ স্মৃতিত প্ৰতিবছৰে এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। দিলীপ শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱা আৰু যুৱ বিজ্ঞানী সৌৰভজ্যোতি শৰ্মাই ককাকৰ স্মৃতিত এটি কবিতা পাঠ কৰা সভাখনত প্ৰেমকান্ত চৌধুৰী, পদ্মনাথ শৰ্মা, শচীন্দ্ৰ শৰ্মা, দিলীপ শৰ্মা, গৌৰী শংকৰ তালুকদাৰ, পদ্মকান্ত দেৱশৰ্মা, হৰেন্দ্ৰ নাথ শৰ্মা, বশিষ্ঠ কলিতা, জগত চন্দ্ৰ গোস্বামী আদিয়ে প্ৰয়াত দেৱশৰ্মাৰ কালোত্তীৰ্ণ কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে।

চাহবাগান, পাহাৰীয়া অঞ্চলত টিকাকৰণত গুৰুত্ব আৰোপৰ নিৰ্দেশ স্বাস্থ্য মন্ত্ৰীৰ

বিশেষ সংবাদদাতা

নগাঁও, ১৮ নৱেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ 'হৰ ঘৰ দস্তক' টিকাকৰণ অভিযানৰ অধীনত অসম চৰকাৰে সমগ্ৰ ৰাজ্যত এই পৰ্যন্ত ৰৈ যোৱা সকলো যোগ্য হিতাধিকাৰীসকলক প্ৰথম পালি ক'ভিড প্ৰতিষেধক টিকা প্ৰদানৰ লক্ষ্য স্থিৰ কৰিছে। এই উদ্দেশ্যে আজি অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই নগাঁও জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ ক'ভিড টিকাকৰণৰ শেহতীয়া স্থিতিকে প্ৰমুখ্য কৰি এখন পৰ্যালোচনা সভাত মিলিত হয়। উক্ত সভাত মন্ত্ৰী মহন্তই বিশেষভাৱে টিকাকৰণ অভিযানৰ তিনিটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ভোটাৰ তালিকাৰ ভিত্তিত এই পৰ্যন্ত টিকা গ্ৰহণ কৰিবলৈ ৰৈ যোৱা সকলো যোগ্য হিতাধিকাৰীক যাতে প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হয় সেই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ চাহ বাগান, পাহাৰীয়া অঞ্চলসমূহত টিকাকৰণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। টিকাকৰণ সন্দৰ্ভত সকলো যাৱতীয় তথ্য আৰু নথিপত্ৰসমূহ প্ৰস্তুত কৰি ৰাখিবলৈ আৰু জনসাধাৰণৰ মাজত ধাৰ্মিক দ্বিধাসমূহ আঁতৰ কৰিবলৈও প্ৰশাসনক নিৰ্দেশ দিয়ে। উক্ত সভাত উপস্থিত থাকি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যবাহী পৰিচালক ডাঃ মনোজ চৌধুৰীয়ে টিকাকৰণৰ সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। উক্ত সভাত বিধায়ক ৰূপক শৰ্মা, নগাঁৱৰ উপায়ুক্ত নিসৰ্গ হিৱৰেকে প্ৰমুখ্যে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া, স্বাস্থ্য আৰু আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

মাজুলীৰ বিভিন্ন ৰংগমঞ্চত মিচিং শিল্পীৰ দ্বাৰা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৮ নৱেম্বৰ ঃ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনত মাজুলীৰ প্ৰতিটো জনগোষ্ঠীৰে সম্প্ৰীতিৰে কাম কৰাটো মাজুলীৰ এক সাংস্কৃতিক ঐতিহ্য। যিটো এতিয়াও আদৰ্শৰূপে এতিয়াও বৰ্তি আছে। বিপ্লৱী ধৰ্ম গুৰুত পীতাম্বৰ দেৱগোস্বামীৰ একান্ত অনুগামী লোক সংস্কৃতিৰ গৱেষক অসম সাহিত্য সভাৰ উপ-সভাপতি প্ৰয়াত তৰুণ চন্দ্ৰ পামেগামৰ প্ৰচেষ্টাত ৭০ দশকত খাৰাজান পাৰ কৃষ্টি সংঘ প্ৰতিষ্ঠা কৰি মিচিং শিল্পীসকল আৰু স্থানীয় বিভিন্ন জনগোষ্ঠীৰ শিল্পীসকলক লৈ আৰম্ভ কৰিছিল শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা। ইয়াৰ পাছত মাজুলীৰ মিচিং শিল্পীসকলে নিজাববীয়াকৈ ৰাসলীলা উদ্‌যাপনৰ প্ৰয়াস কৰাত সৃষ্টি মাজুলীত সাতখন ৰংগমঞ্চ। আৰম্ভ হ'ল সত্ৰীয়া সংস্কৃতিৰ জয়যাত্ৰা। এই বছৰো তাৰ ব্যতিক্ৰম হোৱা নাই। আনহাতে, দুই এটা ৰংগমঞ্চত মিচিং ভাষাতো শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা উদ্‌যাপনৰ চিন্তা-চৰ্চা চলিল। ক'ভিড-১৯ সংক্ৰমণৰ বাবে এই বছৰ বহুকেইটা মাজুলীৰ ৰংগমঞ্চত ৰাস স্থাপিত হৈছে। খহনীয়াত পাঁচবাৰকৈ স্থানান্তৰৰ হোৱা চুমৈমাৰী দঞিও পল কৃষ্টি সংঘত হেমচন্দ্ৰ কুটুমৰ পৰিচালনাৰে এইবাৰো তিনিদিনীয়াকৈ ৰাসলীলা উদ্‌যাপন কৰিব। একেদৰে চিতাদাৰ চুক, নদুৱাৰ, ডাম্বুকিয়াল, ৰতনপুৰ মিৰি অঞ্চলতো তিনিদিনীয়াকৈ ৰাসোৎসৱ অনুষ্ঠিত কৰিব। ইয়াৰে ৰতনপুৰত মিচিং ভাষাত ৰাসলীলা অভিনয় কৰিব। ২০১৯ৰ পৰা ই তৃতীয় কেৱল মহিলা শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত কৰি আহিছে। এই বাৰো ২১ নৱেম্বৰৰ দিনটোত মহিলাসকলৰ দ্বাৰা ৰাসলীলা মঞ্চায়নৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। পৰিচালনা কৰিছে নিতুল শইকীয়া আৰু প্ৰদীপ বৰাই।

আমগুৰিত সদ্যোজাত নৱজাতক উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

আমগুৰি, ১৮ নৱেম্বৰ ঃ মানৱতাক ভুলণ্ঠিত কৰি সদ্যোজাত মানৱ শিশুক বাঁহনিৰ মাজত পেলাই থৈ যোৱাৰ এক নিৰ্মম ঘটনা সংঘটিত হৈছে শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত নামতি বঙালী গায়ন গাঁৱত। নিষ্ঠুৰ পিতৃ-মাতৃৰ অমানৱীয় কাৰ্য নে কোনো অবৈধ সম্পৰ্কৰ পাপৰ প্ৰতিফলন জানিব পৰা হোৱা নাই যদিও এই ঘটনাকে লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি পুৱাই নামতি বঙালী গায়েন গাঁৱৰ এখন বাহনিত উদ্ধাৰ হয়। এটি সদ্যোজাত নৱজাতক। কোনো হৃদয়হীন পিতৃ-মাতৃৰ অমানৱীয় কাণ্ডৰ ফলত নিৰ্দয়ভাৱে সদ্যোজাত নৱজাতক শিশুক পেলাই গ'ল বাহনিৰ মাজত। পুৱা বাঁহ কাটিবলৈ যোৱা সুশীল কালিন্দী নামৰ ব্যক্তিজনে উদ্ধাৰ কৰে সদ্যোজাত কন্যা শিশুটিক। বাহনিৰ মাজত কাপোৰেৰে মেৰিয়াই থোৱা অৱস্থাত উদ্ধাৰ কৰা শিশুটি দেখা পাই স্থানীয় লোকক খবৰ দিয়ে। পাছত সদ্যোজাত কন্যা শিশুটি বুধ কালিন্দীৰ গৃহত তত্ত্বাৱধানত ৰাখে। শিশুটিক উদ্ধাৰ কৰাৰ পাছতেই হালোৱাটিং আৰক্ষীয়ে আমগুৰি চিকিৎসালয়লৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। চিকিৎসকে শিশুটি সুস্থ অৱস্থাত আছে বুলি প্ৰকাশ কৰিছে। নামতি বঙালী গায়েন গাঁৱৰ স্থানীয় লোকে এনে কাণ্ডক গৰিহণা দিয়াৰ লগতে দোষী পিতৃ-মাতৃক চিনাক্ত কৰি শাস্তি বিহিবলৈ দাবী জনাইছে।

নাজিৰাত ভুৱা ৰছিদেৰে লাচিত সেনা বৃহত্তৰ অসমীয়া যুৱমঞ্চৰ নামত ধন সংগ্ৰহ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৮ নৱেম্বৰ ঃ বীৰ লাচিত সেনা আৰু বৃহত্তৰ অসমীয়া যুৱমঞ্চৰ নামত ভুৱা ৰছিদ প্ৰস্তুত কৰি নাজিৰাৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে বিহুবৰ শিলনীৰ পৰা ধন সংগ্ৰহ কৰা পাঁচজন যুৱকক কালি নাজিৰা আৰক্ষীৰ সহযোগত বিহুবৰ আৰক্ষীয়ে আটক কৰে। আটকাধীন যুৱককেইজন ক্ৰমে ইমতাদ আলী, টনবিৰ আহমেদ লস্কৰ, প্ৰাঞ্জল কোঁৱৰ, জাভেদ ৰহমান আৰু বিশাল। ইয়াৰে বিশাল নামৰ যুৱকজনে ঐক্য সেনা অসমৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগত পূৰ্বেই আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰিছিল। আজি টনবিৰ আহমেদ লস্কৰক বিহুবৰ আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰাৰ লগতে বাকীসকলক জেৰা অব্যাহত ৰাখিছে। ইফালে, বীৰ লাচিত সেনাৰ নামত ভুৱা ৰছিদ প্ৰস্তুত কৰি ধন সংগ্ৰহ কৰা কাৰ্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে এই কাৰ্যত জড়িতসকলক কঠোৰ শাস্তিৰ দাবী জনাইছে বীৰ লাচিত সেনা আৰু বৃহত্তৰ অসমীয়া যুৱমঞ্চৰ শিৱসাগৰ জিলা সমিতিয়ে।

সভাপতিৰ নেতৃত্বৰ বিৰুদ্ধে ক্ষুণ্ণ হৈ নাৰায়ণপুৰত বিজেপিৰ চাৰি বুথ সভাপতিৰ পদত্যাগ

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ১৮ নৱেম্বৰ ঃ সমগ্ৰ ৰাজ্যজুৰি বিজেপিৰ জয় জয়কাৰ অৱস্থা হৈ থকাৰ সময়তে লখিমপুৰ জিলাৰ নাৰায়ণপুৰত বিজেপিৰ চাৰিজনকৈ বুথ সভাপতিৰ লগতে এগৰাকী সম্পাদকে নিজ পদবীৰ পৰা পদত্যাগ কৰিছে। যোৱা ১৭ নৱেম্বৰত নাৰায়ণপুৰ প্ৰেছ ক্লাবত এখন সংবাদমেল আয়োজন কৰি নাৰায়ণপুৰ নগৰ মণ্ডলৰ সভাপতি বিৰাজ ভূঞাৰ নেতৃত্বৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি চাৰি বুথ সভাপতি হীৰা ভূঞা, ৰূপান বৰা, ব্ৰজেন ভূঞা, পংকজ বৰুৱাৰ লগতে এগৰাকী সম্পাদক চাও প্ৰদীপ মুংলা দলীয় দায়িত্বৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। ইতিমধ্যে কেউজন বুথ সভাপতিৰ লগতে একমাত্ৰ সম্পাদকজনে স্বাক্ষৰ কৰি বিজেপিৰ লখিমপুৰ জিলা সমিতিৰ উপ-সভাপতি লক্ষীকান্ত বৰাৰ জৰিয়তে সভাপতি ফণীধৰ বৰুৱালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। আনহাতে, দলীয় পদবীৰ পৰা পদত্যাগ কৰিছে যদিও আটাইকেইজন কৰ্মী দলৰ আজীৱন সদস্য হৈ থাকিব বুলি উল্লেখ কৰে। উল্লেখ্য যে নাৰায়ণপুৰ পৌৰসভা অঞ্চলত পাঁচখন বুথ সমিতি আছে। ইফালে, সমাগত পৌৰসভাৰ নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত চাৰিজনকৈ সভাপতিয়ে বিজেপিৰ দলীয় পদবীৰ পৰা পদত্যাগ কৰাৰ ঘটনাই নাৰায়ণপুৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ ২০১৪ত প্ৰায় পাঁচ কোটি টকা ব্যয় সাপেক্ষে বজাৰ গৃহৰ ভৱন নিৰ্মাণকাৰ্য আৰম্ভ কৰা হৈছিল

গোসাঁইগাঁৱত নৱনিৰ্মিত বজাৰ ভৱনৰ কোঠা আৱণ্টনত অনিয়ম

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ১৮ নৱেম্বৰ ঃ গোসাঁইগাঁও পৌৰসভাৰ অধীনত গোসাঁইগাঁও বজাৰৰ দলগাঁও পথত নৱনিৰ্মিত দুই মহলীয়া বজাৰৰ কোঠা আৱণ্টনৰ ক্ষেত্ৰত পৌৰসভাই ব্যাপক অনিয়মৰ লগতে বৈষম্যমূলক নীতি গ্ৰহণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ উত্থাপন কৰিছে বজাৰখনত কোঠা লাভ কৰিবলগীয়া স্বয়ং একাংশ দোকানীয়ে। যোৱা ১৬ নৱেম্বৰত দুপৰীয়া স্থানীয় কমল নাথ ক্লাব কাম লাইব্ৰেৰীত এক সংবাদমেল পাতি পৌৰসভাৰ কোঠা আৱণ্টনৰ বিৰুদ্ধে ক্ষোভ উজাৰি ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ হস্তক্ষেপ দাবী কৰে তেওঁলোকে। সমবেত দোকানীসকলে পৌৰসভাৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে দুৰ্নীতিৰ আশ্ৰয় লৈ পূৰ্বে আগফালে থকা দোকানীক পাছফালে আৰু পাছফালৰ দোকানীক আগফালে দোকানীক কোঠা আৱণ্টন দিয়াৰ লগতে কিছু সংখ্যক ব্যৱসায়ীক প্ৰথম মহলাত কোঠা আৱণ্টন দিয়াৰ অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰি পূৰ্বে বেছি ঠাই আগুৰি থকা দোকানীক তুলনামূলকভাৱে সৰু কোঠা আৱণ্টন দিয়া বুলি দোকানীসকলে অভিযোগ কৰাৰ লগতে পূৰ্বে দোকান নথকা বহিৰাগত দোকানীক কেৱল ধনৰ বিনিময়ত অনিয়মেৰে কোঠা আৱণ্টন দিয়াৰো অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ২০১৪ত প্ৰায় পাঁচ কোটি টকা ব্যয় সাপেক্ষে বজাৰ গৃহৰ ভৱন নিৰ্মাণকাৰ্য আৰম্ভ কৰা হৈছিল যদিও নিৰ্মাণৰ নিৰ্ধাৰিত সময় উকলি যোৱাৰ পাছত সুদীৰ্ঘ প্ৰায় ছয় বছৰৰ অন্তত যোৱা ২০১৯ত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হয়। নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পাছতো বিভিন্ন কাৰণত কোঠাসমূহৰ আৱণ্টন কাৰ্য বন্ধ কৰি ৰখা হৈছিল। শেষত বিগত ছেপ্টেম্বৰত বিটিচি প্ৰধান প্ৰমোদ বড়োৱে বজাৰ ভৱনটো উদ্বোধন কৰে। দীৰ্ঘকাল ধৰি ব্যৱসায়ীসকলে দুখ-কষ্টেৰে যিয়ে যি ফালে পাৰে তাতে ব্যৱসায় চলাই থকাৰ পাছত নৱনিৰ্মিত বজাৰ গৃহ উদ্বোধন হোৱাত ব্যৱসায়ীসকল উৎফুল্লিত হৈ পৰে যদিও কোঠা বিতৰণৰ ক্ষেত্ৰত ব্যাপক পৌৰসভাই কোঠা আৱণ্টনৰ ক্ষেত্ৰত ব্যাপক ব্যৱসায়ীসকল স্বাভাৱিকতে ক্ষুব্ধ হৈ পৰিছে। পৌৰসভাৰ এনে কাৰ্যকলাপৰ বিৰুদ্ধে ব্যৱসায়ীসকলে সংবাদিকৰ আগত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে নিগমৰ এনে বৈষম্যমূলক নীতি কোনো কাৰণতে মানি লোৱা নহ'ব। সমগ্ৰ ঘটনাৰ সঠিক তদন্ত কৰি নিগমৰ প্ৰক্ৰিয়াটোত জড়িত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ প্ৰশাসন তথা বিটিচি প্ৰধান প্ৰমোদ বড়োৰ ওচৰত দাবী জনাইছে ক্ষুব্ধ ব্যৱসায়ীসকলে। ইপিনে, উত্থাপিত অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে পৌৰসভা কৰ্তৃপক্ষই। উত্থাপিত অভিযোগসমূহ ভুৱা আৰু মনেসজা বুলি প্ৰকাশ কৰি পৌৰপতি প্ৰফুল্ল ইছলাৰীয়ে কয় যে সৰ্বমুঠ ১৮২ জন দোকানীক কোঠা আৱণ্টন দিব লাগিছিল যদিও বজাৰ ভৱনটো নিৰ্মাণৰ পাছত তলত মুঠ ১৬৪ টা কোঠাহে হৈছে। তেনে ক্ষেত্ৰত উক্ত ১৬৪ টা কোঠা পূৰ্বে নিৰ্ধাৰণ কৰা অনুসৰি ব্যৱসায়ীসকলক আৱণ্টন দিয়া হৈছে। অৱশিষ্ট ১৮ জন দোকানীক প্ৰথম মহলাত কোঠা আৱণ্টন দিয়া হৈছে। ইয়াৰ উপৰি পূৰ্বৰ দৰে আৱণ্টনত কোনো ধৰণৰ বৈষম্যমূলক নীতি বা পৌৰপতিজনে। অভিযোগসমূহ চালি-জাৰি চোৱাৰ ক্ষেত্ৰত উৰ্ধ্বতন কৰ্তৃপক্ষক হস্তক্ষেপ বিচাৰিছে গোসাঁইগাঁৱৰ সচেতন ৰাইজে।

‘বীৰ লাচিত সেনা, অসম’ৰ নামত ভুৱা ৰছিদেৰে ধন সংগ্ৰহ ঃ ধৃত তিনি

অগ্ৰদূত বাৰ্তা

নাজিৰা, ১৮ নৱেম্বৰ ঃ ‘বীৰ লাচিত সেনা, অসম’ৰ নামত ভুৱা ৰছিদ ছপা কৰি নাজিৰা আৰু শিমলুগুৰি অঞ্চলৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে শৈল নগৰী বিহুবৰ অঞ্চলৰ পৰা অবাধে ধন সংগ্ৰহ কৰি অৱশেষত ৰঙাঘৰৰ আলহী হৈছে। নাজিৰা মহকুমাৰ তিনিজনকৈ যুৱক। দুদিনৰ পূৰ্বে শৈল নগৰী বিহুবৰ অঞ্চলত ‘বীৰ লাচিত সেনা, অসম’ নামৰ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিভিন্ন বিষয়ববীয়া বুলি পৰিচয় দি চাৰিজনীয়া যুৱকৰ দল এটাই ক্ৰেছাৰ মিল, শিলষ্টকৰ মালিক আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত ধন সংগ্ৰহ কৰে। স্থানীয় কেইজনমান সচেতন যুৱকে সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ বিষয়ববীয়াক খবৰ দিয়াত এটা সঁজাতী দল গৈ উপস্থিত হৈ বিষয়টো অনুসন্ধান কৰি ধন সংগ্ৰহ কৰা যুৱককেইজন সংগঠনটোৰ কোনো সদস্য নহয় বুলি নিশ্চিত হয় আৰু এই সন্দৰ্ভত নাজিৰা আদৰ্শ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। লগে লগে নাজিৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া খগেশ্বৰ ৰাভাৰ তৎপৰতাত বিহুবৰ আৰক্ষীয়ে নাজিৰা লিগিৰী পুখুৰীৰ নগা গাঁৱৰ তনবীৰ আহমেদ লস্কৰ, নাজিৰা বৰতলৰ প্ৰাঞ্জল কোঁৱৰ আৰু জাভেদ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যদিও *১৩ পৃষ্ঠাত চাওক*

হাউলীত বৰপেটা জিলা কংগ্ৰেছৰ জনজাগৰণ অভিযান

অগ্ৰদূত বাৰ্তা

হাউলী, ১৮ নৱেম্বৰ ঃ আকাশলংঘী মূল্যবৃদ্ধি আৰু বিত্তীয় ব্যৱস্থাপনাৰ ভুল পৰিচালনাৰ বিৰুদ্ধে কংগ্ৰেছে সমগ্ৰ দেশজুৰি ‘জন জাগৰণ অভিযান’ কাৰ্যসূচী আৰম্ভ কৰিছে। ইয়াৰে অংশ হিচাপে আজি বৰপেটা জিলাৰ হাউলীত বৰপেটা জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত ‘জন জাগৰণ সজাগতা অভিযান আৰু পদযাত্ৰা’ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত বৰপেটাৰ সাংসদ আব্দুল খালেক, বৰপেটা সদৰ সমষ্টিৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ, বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি আব্দুৰ ৰহিম খান, অসম প্ৰদেশ যুৱ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক হাবিব আহমেদৰ লগতে দলীয় বিভিন্ন স্তৰৰ নেতা-কৰ্মী উপস্থিত থাকি ‘বিজেপি চৰকাৰ হায় হায়, হিমন্ত হটাও, অসম বচাও, মূল্যবৃদ্ধি ৰোধ কৰক, বিজেপি হুচিয়াৰ, বিজেপি মুৰ্দাবাদ, অত্যাৱশ্যকীয় মূল্যবৃদ্ধি ৰোধ কৰক’ আদি বিভিন্ন শ্ল’গান দিয়ে। কাৰ্যসূচীত প্ৰায় তিনি শতাধিক দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

চিকিৎসকৰ অৱহেলাত ছাত্ৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৮ নৱেম্বৰ ঃ কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ বিশাল সাহা (১৬)ৰ কালি পুৱা গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আজি এই সন্দৰ্ভত কোকৰাঝাৰ চহৰৰ ১০ নম্বৰ ৱাৰ্ডৰ বাসিন্দা আ কোকৰাঝাৰ আৰু চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক বিপ্লৱ সাহাই কয় যে যোৱা চাৰি নৱেম্বৰত সন্ধিয়া অসুস্থ হোৱাত বমি কৰিবলৈ লোৱা বিশাল পিতৃ-মাতৃয়ে প্ৰথমে কোকৰাঝাৰৰ এখন চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱৰ আন এখন চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বঙাইগাঁৱতো ছাত্ৰজনৰ শাৰীৰিক অৱস্থা উন্নতি নোহোৱাত পুনৰ গুৱাহাটীৰ মালিগাঁওস্থিত স্বাগত নাৰ্ছিং হোমলৈ নিয়ে। যোৱা ছয় নৱেম্বৰত ছাত্ৰজনৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰে। পিতৃ-মাতৃৰ মতে ছাত্ৰজনৰ আচলতে কি ৰোগৰ বাবে অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছিল সেই সম্পৰ্কে স্পষ্টকৈ অৱগত কৰা হোৱা নাছিল। ইফালে আইচিইউত থকা অৱস্থাতো ছাত্ৰগৰাকীয়ে সুন্দৰকৈ কথা-বতৰা পাতিব পাৰিছিল। ছাত্ৰজন আইচিইউৰ পৰা কেবিনলৈ নিয়া হয় যদিও আইচিইউত থকা সময়ত নাকত লগাই দিয়া পাইপ খুলি দিয়া হয়। পাইপ খোলাৰ ২০ ঘণ্টাৰ পাছত কালি পুৱা ন বজাত ছাত্ৰজনৰ চিকিৎসালয়খনতে মৃত্যু হয়। ছাত্ৰজনৰ পিতৃয়ে ভুল চিকিৎসাৰ ফলত একমাত্ৰ সন্তানৰ মৃত্যু হোৱা বুলি অভিযোগ উত্থাপন কৰিছে।

অসুস্থ সত্ত্বেও মহিলাক বলপূৰ্বক প্ৰতিষেধক প্ৰদান

অগ্ৰদূত ব্যুৰ’

বঙাইগাঁও, ১৮ নৱেম্বৰ ঃ ক’ভিড প্ৰতিষেধকৰ নামত বলপূৰ্বক এগৰাকী অসুস্থ মহিলাক প্ৰতিষেধক প্ৰদানৰ পাছতে গুৰুতৰভাৱে অসুস্থ হৈ আই চি ইউত চিকিৎসাধীন হৈ থকাৰ অভিযোগ উঠিছে। তথ্য মতে, বঙাইগাঁও জিলাৰ বইটামাৰী প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনত ধলাগাঁৱত যোৱা ১২ নৱেম্বৰত দুগৰাকী মহিলাক অসুস্থতা স্বত্বেও স্বাস্থ্য বিভাগৰ কৰ্মচাৰীয়ে বলপূৰ্বক ক’ভিডৰ প্ৰতিষেধক প্ৰদান কৰে। ইয়াৰ ফলত বিনীতা সিংহ (৩৭) নামৰ মহিলাগৰাকীয়ে সম্প্ৰতি বঙাইগাঁৱৰ এছ এম হাস্পতাল এণ্ড ডায়’গনষ্টিক চেণ্টাৰৰ আই চি ইউত চিকিৎসাধীন হৈ আছে। ইয়াকে লৈ দুৰ্ভগীয়া পৰিয়ালটোৰ লগতে আত্মীয়-স্বজনে চিন্তিত হৈ পৰিছে। উল্লেখ্য যে ঘটনাৰ দিনা বলি নাৰায়ণ সিংহৰ পত্নী বিনীতা সিংহ আৰু মাতৃ ডায়বেটিছ ৰোগী দয়ামতী সিংহ (৮৩)ক স্থানীয় আশাকৰ্মীৰ স’তে চিকিৎসা কৰ্মীৰ দলে বিয়লি ৩-৩০ বজাত ঘৰলৈ গৈ অসুস্থতাৰ পাছতো বিভিন্ন অজুহাত আৰু ভয় দেখুৱাই জোৰজুলুমকৈ প্ৰতিষেধক প্ৰদান কৰে। সেই সময়ত ঋতুকালীন অৱস্থাত থকা বিনীতাই চিকিৎসা কৰ্মীৰ দলটোক প্ৰতিষেধক প্ৰদান নকৰে বুলি আহ্বান জনোৱাৰ পাছতো প্ৰতিষেধক দিয়াৰ পাছৰে পৰা গুৰুত্বৰভাৱে অসুস্থ হৈ পৰে। পাছত ১৪ নৱেম্বৰত মুমূৰ্ষ অৱস্থাত পৰিয়ালৰ লোকে ১০৮ এম্বুলেন্স সেৱাৰে চিকিৎসালয়ত ভৰ্তি কৰাত আই চি ইউত ভৰ্তি কৰে। বিনীতাৰ শাহুৱেকেও অসুস্থ হৈ পৰে যদিও পাছত সুস্থ হৈ উঠে। ইপিনে, চিকিৎসা কৰ্মীৰ ভুলৰ বাবে পত্নীক চিকিৎসালয়ত ৰাখিব লগা হোৱাত আৰ্থিকভাৱে দুৰ্বল তথা অট’ চালক স্বামীয়ে চিকিৎসাৰ বাবে ধন বিচাৰি হাঁহাকাৰ কৰিবলগীয়া হৈছে। এই ঘটনাৰ সন্দৰ্ভত স্বামী বলী নাৰায়ণে ১৬ নৱেম্বৰত জিলা উপায়ুক্তলৈ ঘটনাৰ বিষয়ে অৱগত কৰি মহিলাগৰাকীক উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছিল। পাছত স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্তই বঙাইগাঁও জিলা স্বাস্থ্য যুটীয়া সঞ্চালকালয়লৈ দায়িত্ব সামৰিছে বুলি অভিযোগ উঠিছে।

■ চালক-হেণ্ডিমেনৰ পলায়ন ■ বাঘবৰৰ বজাৰৰ পৰা ক্ৰয় কৰাৰ দাবী ব্যৱসায়ীৰ

গোৱালপাৰাৰ মৰনৈত ১২ টা গৰু ভৰ্তি দুখন বাহন জব্দ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৮ নৱেম্বৰ ঃ গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত কোদালধোৱাৰ পৰা আজি পুৱতি নিশা আৰক্ষীয়ে দুখন গৰু ভৰ্তি বলেৰ’ পিকআপ ভান জব্দ কৰে। এ এছ-১৮ এ চি-৩২১৮ আৰু এ এছ-২৫ চি চি-৮৩৯৯ নম্বৰৰ বলেৰ’ পিকআপ ভানখনেৰে ১২ টাকৈ গৰু কঢ়িয়াই নিয়াৰ সময়তে কোদালধোৱাত টহলদাৰী আৰক্ষীৰ স’তে মুখামুখি হোৱাত বাহন দুখনৰ চালক-কৰ্মচাৰীয়ে পলায়ন কৰে। পাছত আৰক্ষীয়ে গৰুভৰ্তি বাহন দুখন জব্দ কৰি মৰনৈ থানালৈ লৈ আহে। ইপিনে, মৰনৈ থানাৰ অন্তৰ্গত ভাটিপাৰা গাঁৱৰ জমেৰ আলীৰ পুত্ৰ উস্মান গণিয়ে কালি গৰুসমূহ বৰপেটা জিলাৰ বাঘবৰ বজাৰৰ পৰা ৰছিদযোগে ক্ৰয় কৰি আনি আজি মাটিয়াৰ সূতাৰপাৰ সাপ্তাহিক বজাৰত বিক্ৰী কৰাৰ উদ্দেশ্যে পিকআপ ভান দুখনেৰে নি থকাৰ সময়ত আৰক্ষীয়ে জব্দ কৰা বুলি দাবী কৰিছে। বাঘবৰৰ বজাৰত কৰ্তৃপক্ষক নিয়ম মতে কৰ আদায় দিয়াৰ কে’বাখনো ৰছিদ তেওঁৰ হাতত মজুত থকা বুলিও বণিয়ে দাবী কৰিছে। ইপিনে, নিয়ম বৰ্হিভূতভাৱে বাহন দুখনেৰে গৰু সৰবৰাহ কৰাৰ কাৰণে আৰক্ষীয়ে জব্দ কৰা বুলি প্ৰকাশ কৰিছে এটা সূত্ৰই।

লামডিং বনাঞ্চলৰ মাটি বিক্ৰীত জড়িত যৌথ বন পৰিচালনা সমিতিৰ সদস্যক আদালতত হাজিৰ

অগ্ৰদূত বাৰ্তা

কাকী, ১৮ নৱেম্বৰ ঃ লামডিং সংৰক্ষিত বনাঞ্চলৰ ভূমি বেদখলত জড়িত আৰু এজন লোকক আজি হোজাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। যৌথ বন পৰিচালনা সমিতিৰ সদস্য আফাজ উদ্দিন নামৰ লোকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে যদিও সদস্যজন নিৰ্দোষী বুলি একাংশ উচ্ছেদিত বেদখলকাৰীয়ে দাবী কৰি প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে নখুটি পহৰা চকী ঘেৰাও কৰি আফাজুদ্দিনক মুক্তি দিবলৈ দাবী জনায়। ইপিনে, আজি আফাজুদ্দিনৰ লগতে দুই বন পৰিচালনা সমিতিৰ সদস্য ক্ৰমে আফজল হুছেইন আৰু আবুল হুছেইনক হোজাইৰ শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰাত দুদিনৰ বাবে আৰক্ষীৰ জিম্মাত দিয়ে। উল্লেখ্য যে যোৱা ১৫ নৱেম্বৰৰ পুৱতি নিশা নখুঁটিৰ পৰা গ্ৰেপ্তাৰ কৰা লামডিঙত সংৰক্ষিত বনাঞ্চলৰ বেদখলকাৰীসকলক মাটি বিক্ৰী কৰা চক্ৰৰ মূল দালাল নজৰুল ইছলামৰ লগতে আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰিছিল হোজাই আৰক্ষীয়ে। কালি পুনৰ যৌথ বন পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আফজল হুছেইনসহ সদস্য আবুল হুছেইনক গ্ৰেপ্তাৰ কৰিছিল। ধৃত নজৰুলৰ স্বীকাৰোক্তিৰ ভিত্তিত আফজল আৰু আবুলক গ্ৰেপ্তাৰ কৰিছিল। এই পৰ্যন্ত লামডিং বনাঞ্চলৰ মাটি বিক্ৰীত জড়িত থকা পাঁচজন দালালক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে।

■দুই-তিনি ডিচেম্বৰত কাম নকৰে শ্ৰমিকে ■

নলবাৰীত চিটুৰ কাৰ্যালয়ত শ্ৰমিক ইউনিয়নৰ সভা

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৮ নৱেম্বৰ ঃ নলবাৰীত চিটুৰ অন্তৰ্ভুক্ত নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ নলবাৰী জিলা কমিটীৰ উদ্যোগত আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। নলবাৰী চিটু কাৰ্যালয়ত অনুষ্ঠিত নিৰ্মাণ শ্ৰমিকৰ জিলা সভাপতি মহেশ্বৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত অহা দুই আৰু তিনি ডিচেম্বৰত হ’বলগীয়া ধৰ্মঘট সফল কৰাৰ বাবে নিৰ্মাণ শ্ৰমিকৰ মাজত বক্তব্য ৰাখে চিআইটিইউৰ ৰাজ্যিক সম্পাদক তপন শৰ্মা আৰু চিআইটিইউৰ জিলা সভাপতি নৃপেন কলিতাই। চিটুৰ নেতাদ্বয়ে কয় যে বিজেপি চৰকাৰখনে নিৰ্মাণ শ্ৰমিকসকলক দিয়া প্ৰতিশ্ৰুতি পালন কৰা নাই। বিজেপি চৰকাৰখন মিছলীয়া চৰকাৰ। নিৰ্মাণ শ্ৰমিকসকলক মাহিলি পেঞ্চন ৭,৫০০ টকা আদায়, নিৰ্মাণ শ্ৰমিকৰ মজুৰি বৃদ্ধি, মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। চৰকাৰখনে নিৰ্মাণ শ্ৰমিক কল্যাণ আইনখন ধ্বংস কৰিব বিচৰা কাৰ্যক ধিক্কাৰ দিয়ে। বিজেপি চৰকাৰৰ বিৰুদ্ধে অহা দুই আৰু তিনি ডিচেম্বৰত দেশজোৰা ধৰ্মঘট পালন কৰিবলৈ নিৰ্মাণ শ্ৰমিকে সিদ্ধান্ত লয়। সকলো নিৰ্মাণ শ্ৰমিকে দুয়োদিনে কামৰ পৰা বিৰত থাকিব। সভাত উদ্দেশ্য ব্যাখ্যা কৰে নিৰ্মাণ শ্ৰমিকৰ জিলা সম্পাদক অনিল মহন্তই।

■ কপিকুলৰ আহাৰৰ বাবে ফলমূলৰ বৃক্ষৰোপণ

শুৱালকুছিত শ্ৰীশ্ৰী কাৰ্তিক পূজা উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৮ নৱেম্বৰ ঃ শুৱালকুছি সাৰ্বজনীন শ্ৰীশ্ৰী কাৰ্তিক পূজা পৰিচালনা কমিটীৰ উদ্যোগত কালি শ্ৰীশ্ৰী কাৰ্তিক পূজা অনুষ্ঠিত হয়। সদৌ শুৱালকুছি সাৰ্বজনীন শ্ৰীশ্ৰীকাৰ্তিক পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত শুৱালকুছি অশোকাষ্টমী ক্ষেত্ৰৰ শ্ৰীশ্ৰী কাৰ্তিক মন্দিৰত দিনজোৰা কাৰ্যসূচী অনুসৰি পুৱা মন্দিৰৰ দুৱাৰ মুকলি, পূজা আৰম্ভ, আইসকলৰ নাম-প্ৰসংগ, *১৩ পৃষ্ঠাত চাওক*

শংকৰী সংস্কৃতিৰ সাধক পুতুল চন্দ্ৰ বৰাৰ বিয়োগ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/বেবেজীয়া, ১৮ নৱেম্বৰ ঃ বিশিষ্ট শংকৰী সংস্কৃতিৰ সাধক পুতুল চন্দ্ৰ বৰা (৮৪)ৰ যোৱা নিশা মৃত্যু হয়। তেওঁ উচ্চ ৰক্তচাপজনিত কাৰণত কিছুদিন গুৰুতৰভাৱে অসুস্থ হৈ আছিল। শতবৰ্ষ গৰকা কুজীডাঁহ যুৱীয়া নামঘৰৰ ৰাসোৎসৱত সুদীৰ্ঘ কাল ধৰি তেওঁ বৰ গোপীৰ অভিনয় কৰিছিল। তদুপৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া ভাওনাৰ লগতে অন্যান্য ভাওনাতো তেওঁ অভিনয় কৰিছিল। বিশেষকৈ নাৰীৰ চৰিত্ৰত বৰাই কৰা অনবদ্য অভিনয়ে সকলোকে মুগ্ধ কৰিছিল। ভাওনাৰ পয়াৰ, বিলাপ, লেচেৰী, মুক্তাৱলী আদি পৰিৱেশন কৰাত তেওঁ নিপুণ আছিল।

চাপাগুৰিত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

জালাহ, ১৮ নৱেম্বৰ ঃ বাগ্‌সা জিলাৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান চাপাগুৰি ককলাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাপে কৰ্মজীৱন সমাপ্ত কৰি অৱসৰ গ্ৰহণ কৰা হৰিহৰ দাসক যোৱা ১৭ নৱেম্বৰত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিদায় সম্বৰ্ধনা জনায়। ১৯৯৩ৰ ১৩ জানুৱাৰীৰ পৰা বিদ্যালয়খনৰ বড়ো মাধ্যমত বিজ্ঞানৰ শিক্ষক হিচাপে কৰ্ম জীৱন আৰম্ভ কৰি ২০২১ৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰা শিক্ষকজনে *১৩ পৃষ্ঠাত চাওক*

কাতিৰ অন্তিম দিনত হয়গ্ৰীৱ মাধৱ মন্দিৰত অগণন ভক্তৰ সমাগম

অগ্ৰদূত বাৰ্তা

হাজো, ১৮ নৱেম্বৰ ঃ তীৰ্থনগৰী হাজোৰ ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰত তুলসী মালা দিবলৈ কালি পবিত্ৰ কাতিৰ অন্তিম দিনাখন ভক্তৰ সমাগ মৰে মুখৰিত হৈ পৰে। পৱিত্ৰ কাতিৰ অন্তিমটো দিনতেই হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত অসমৰ বিভিন্ন প্ৰান্তৰ অগণন ভক্তৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত ভক্ত দৰ্শনাৰ্থীৰে এক লোকেলোকাৰণ্য পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। লোকবিশ্বাস মতে হাজোৰ পবিত্ৰ তীৰ্থস্থান হয়গ্ৰীৱ মাধৱ মন্দিৰত কাতিত এপাহ তুলসী আগবঢ়াই সেৱা ল’লে সকলো অপায় অমংগল দূৰ হোৱাৰ লগতে মনৰ আশাও পূৰ্ণ হয় আৰু ৰোগ নিৰাময় হয়। *১৩ পৃষ্ঠাত চাওক*

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত মত বিনিময় অনুষ্ঠান

বিশেষ সংবাদদাতা

নগাঁও, ১৮ নৱেম্বৰ ঃ ‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক উন্নতমানৰ বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগিব। এই সপোন মোৰ আছে।’ এই মন্তব্য নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ। আজি বিশ্ববিদ্যালয়খনৰ সভাগৃহত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাৰ স’তে হোৱা এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক ৰূপক শৰ্মাই এই মন্তব্য কৰি লগতে আৰু কয়, মোৰ বিধায়কৰ কৰ্ম সূচীত প্ৰথম নাম থাকিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নাম। তেওঁ বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি সকলো ব্যৱস্থাৰ উত্তৰণ কৰাৰ আশ্বাস প্ৰদান কৰে। তেওঁ লগতে নগাঁও চহৰৰ পৰা ধিংলৈকে গড়কাপ্তানী পথটো আহল-বহল আৰু সুন্দৰভাৱে নিৰ্মাণ কৰা হ’ব বুলি ঘোষণা কৰে। যাতে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱালৈ যাতায়াত ব্যৱস্থা সুচল হয়। সভাৰ আৰম্ভণিতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডেকাই অনুষ্ঠানত অংশগ্ৰহণ কৰা শিক্ষাবিদ, কে’বাখনো মহাবিদ্যালয়ৰ অধ্যক্ষ, দল-সংগঠনৰ প্ৰতিনিধি, সাংবাদিক আদিক আদৰণি জনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে ব্যাখ্যা দাঙি ধৰি কয়, ‘মহাপুৰুষজনাৰ সৃষ্টিৰাজি সমাজৰ সকলো স্তৰৰ লোকৰ মাজলৈ লৈ যাব লাগিব। গুৰুজনাৰ আদৰ্শৰে আজি আমি প্ৰতিষ্ঠিত হৈছো।’ তেওঁ লগতে কয়, ‘বিশ্ববিদ্যালয়খনৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান আছে। নগাঁৱৰ সমাজখনৰ লগত সেতুবন্ধন স্থাপন কৰি বিশ্ববিদ্যালয়খনৰ উন্নতি কৰিব পৰা যাব।’ অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ কাৰণে সংঘৰ সেই সময়ৰ পদাধিকাৰ কৰুণাকান্ত কলিতাই আঁচনি ঘোষণা কৰাৰ পৰা ব্যক্তিগত বিশ্ববিদ্যালয় আইন চৰকাৰে কিদৰে প্ৰণয়ন কৰে, কিদৰে বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হ’ল, বিদ্যায়তনিক দিশ , আৰ্থিক দিশ আদিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। মত বিনিময় অনুষ্ঠানত শিক্ষাবিদ মহেন্দ্ৰ আহোম, গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিৱৰঞ্জন মহন্ত , খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথ, গল্পকাৰ শিৱানন্দ কাকতি, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমনি বৰা, সম্পাদক প্ৰাগজ্যোতিষ বণিয়া, সাংবাদিক কনক হাজৰিকা, নগাঁও ক্ৰীড়া সন্থাৰ সম্পাদক প্লাৱন বৰুৱাৰ লগতে যুক্তিনাথ খাউণ্ড, পাৰভেজ হুছেইন আদিয়ে ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক সামাজিক দায়বদ্ধশীল হোৱাৰ পাঠ দিয়া, অসমৰ সাংস্কৃতিক জ্ঞান দান কৰা, গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা, নামভৰ্তি মাচুল যুক্তিসংগত কৰা, কেম্পাচ প্লেচমেণ্ট, কাউঞ্চেলিং চেণ্টাৰ, শংকৰদেৱ-মাধৱদেৱ চৰ্চাৰ সকলো সমলপ্ৰাপ্ত গ্ৰন্থগাৰ গঢ়ি তোলা , চিত্ৰকলা-চিনেমা সত্ৰীয়া নৃত্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শংকৰদেৱ সংঘই অসমৰ সকলোতে বিশ্ববিদ্যালয় বাৰ্তাৰ প্ৰসাৰ কৰা, শংকৰদেৱ কেন্দ্ৰিক পুস্তিকা প্ৰসাৰ আৰু বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মত প্ৰকাশ কৰে। তদুপৰি আলোচনাচক্ৰ, ডিজিটেল শ্ৰেণী কোঠাৰ ব্যৱস্থা কৰা আদিৰ বিষয়ে পৰামৰ্শ দিয়ে।

স্বাধীনতা সংগ্ৰামী গোলাপলতা তালুকদাৰৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৮ নৱেম্বৰ ঃ নলবাৰী জিলাৰ স্বাধীনতা সংগ্ৰামী, অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষয়িত্ৰী গোলাপলতা তালুকদাৰ (৮৮)ৰ বাৰ্ধক্যজনিত কাৰণত কালি নিজ গৃহত মৃত্যু হয়। উল্লেখ্য যে উপৰ বৰভাগ মৌজাৰ মৌজাদাৰ প্ৰয়াত বিজয় চৰণ তালুকদাৰৰ সহধৰ্মিণী স্বাধীনতা সংগ্ৰামীগৰাকীৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। ১৯৩৪ত জন্মগ্ৰহণ কৰা কৃতী শিক্ষয়িত্ৰীগৰাকীয়ে স্বাধীনতা সংগ্ৰামত মহিলাসকলক সংগঠিত কৰি আন্দোলনত নামি পৰিছিল। তাৰ বাবে তেওঁ কাৰাবাস খাটিবলগীয়া হৈছিল। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, দুগৰাকী কন্যা এৰি যায়। সমাজসেৱীগৰাকীৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক নামঘৰ, উদয়পুৰ, নলবাৰী জিলা সাহিত্য সভা, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থা, জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, বাউসী উদয়পুৰ গাঁও উন্নয়ন সমিতি, গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী শাখা সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

জগদ্ধাত্ৰী পূজাত মুকলিভাৱে মদ-জুৱাৰ আড্ডা

■ উৎখাত কৰিবলৈ যোৱা আৰক্ষীৰ ওপৰত আক্ৰমণ জুৱাৰীৰ

অগ্ৰদূত বাৰ্তা

কাজলগাঁও, ১৮ নৱেম্বৰ ঃ চিৰাঙৰ পানবাৰীত জুৱা উচ্ছেদ কৰিব যোৱা আৰক্ষীৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চিৰাঙৰ পানবাৰী থানাৰ অন্তৰ্গত দুই নম্বৰ দৈলংঝাৰত অনুষ্ঠিত জগদ্ধাত্ৰী পূজা উপলক্ষে মেলাৰ আয়োজন কৰিছিল পূজা কমিটীয়ে। অভিযোগ মতে, মেলাত মুকলিভাৱে ঝাণ্ডি-মুণ্ডাৰ জুৱা আৰু মদৰ আড্ডা পাতিছিল। স্থানীয় লোকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত পানবাৰী থানাৰ আৰক্ষীয়ে যোৱা ১৬ নৱেম্বৰৰ নিশা ১১ বজাত জুৱাৰ ঘাটি উৎখাত কৰিবলৈ যোৱাত জুৱাৰীসকলে আৰক্ষীৰ ওপৰতে আক্ৰমণ কৰি আৰক্ষীৰ বাহন ভাঙি দিয়াৰ লগতে শিলাবৰ্ষণ কৰে। স্থানীয় *১৩ পৃষ্ঠাত চাওক*

তেজপুৰত বিহু কৃষ্টি পৰিষদ অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১৮ নৱেম্বৰ ঃ বিহু কৃষ্টি পৰিষদ অসমৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা যোৱা ১৪ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে তেজপুৰ বালিকা মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। বিহু কৃষ্টি পৰিষদ অসমৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি মোহন বৰাই পতাকা উত্তোলন কৰাৰ পাছতে বন্তি প্ৰজ্বলন কৰে জিলা সমিতিখনৰ উপদেষ্টা জগন্নাথ বৰাই। বৰঢুলীয়া গোলাপ বৰাৰ ঢোলবাদনেৰে তথা দিলীপ কুমাৰ কাকতিৰ পৰিচালনাত বিহু প্ৰদৰ্শনৰ পাছতে বিহু কৃষ্টি পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতি ড° শুকদেৱ অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত হয় কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা। বিহু কৃষ্টি পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল দাস আৰু সম্পাদক উত্তম দাসে আঁতধৰা কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু সদস্যই অংশ লোৱা সভাখনত সংস্থাটোৰ *১৩ পৃষ্ঠাত চাওক*

দৰঙত ন-খোৱা, কাতিমহীয়া বন্তি নিৰ্বাপণ উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৮ নৱেম্বৰ ঃ গৃহস্থৰ ভৰাঁললৈ সোণগুটি আগমনৰ লগে লগে দৰং জিলাৰ সৰ্বত্ৰে ন-খোৱা উৎসৱৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছে। সমান্তৰালভাৱে এমাহে গাঁৱৰ মন্দিৰে মন্দিৰে পুথি পাঠৰ অন্তত কাতিমহীয়া বন্তি নিৰ্বাপণ উৎসৱো আৰম্ভ হৈছে। তাৰে ভিতৰত মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত মহিমামণ্ডিত ধৌৱাপাৰা ভিতৰপুখুৰী বিষ্ণুমন্দিৰত ৰাজহুৱাভাৱে এই দুয়োটা উৎসৱ অহা ২০ আৰু ২১ নৱেম্বৰত আয়োজন কৰা হৈছে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি বীৰেশ্বৰ ডেকাই সদৰী কৰা মতে, প্ৰথম দিনা মহিলাৰ নাম প্ৰসংগ, অন্তৰংগ আলাপ আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ’ব। দ্বিতীয় দিনা পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, নৈবেদ্য পঞ্জীয়নৰ পাছত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব ব্ৰজেশ্বৰ ডেকাই। দুপৰীয়া ভোগ বিতৰণ আৰু নৱান্ন গ্ৰহণ কাৰ্যসূচীৰ পাছত সন্ধিয়া মহিলাৰ পাল নাম প্ৰদৰ্শন উদ্বোধন কৰিব ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেণ ডেকাই। ইপিনে, ডাউকাপাৰাত অহা ২৬ নৱেম্বৰত ৩৪ তম নখোৱা উৎসৱৰ *১৩ পৃষ্ঠাত চাওক*

বৰপেটা জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ১৭ লক্ষাধিক পালি ক’ভিড প্ৰতিষেধক প্ৰদান

বিশেষ সংবাদদাতা

বৰপেটা, ১৮ নৱেম্বৰ ঃ অতিমাৰী ক’ভিড-১৯ প্ৰতিৰোধৰ ক্ষেত্ৰত ফলপ্ৰসূৰূপে চিহ্নিত হোৱাত ক’ভিড প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত বৰপেটা জিলা স্বাস্থ্য বিভাগে নিৰন্তৰ প্ৰচেষ্টাৰে ১৭ লক্ষাধিক পালি ক’ভিড প্ৰতিষেধক প্ৰদানৰ সীমা অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত বৰপেটা আৰু বজালী জিলা প্ৰশাসনৰ লগতে শিক্ষা, গ্ৰামোন্নয়ন, সমাজ কল্যাণ, গৃহ (আৰক্ষী), সামাজিক সংগঠন তথা সংবাদ মাধ্যমৰ যৌথ প্ৰচেষ্টাত ইতিমধ্যে বৰপেটা জিলা স্বাস্থ্য বিভাগে ১৭ লাখ পাঁচ হেজাৰ ১৩ পালি ক’ভিড-১৯ প্ৰতিষেধক (১৬ নৱেম্বৰলৈ) প্ৰদান কৰা হৈছে বুলি বৰপেটা জিলা স্বাস্থ্য সমিতিৰ জিলা মিডিয়া বিশেষজ্ঞ ময়েজ উদ্দিন আহমেদে এক বিবৃতিত উল্লেখ কৰিছে। ইয়াৰ ভিতৰত ১১ লাখ ১৪ হেজাৰ ১৫৯ জনক প্ৰথম পালি আৰু পাঁচ লাখ ৯০ হেজাৰ ১৩ জনক দ্বিতীয় পালি অৰ্থাৎ (সম্পূৰ্ণ টিকাকৰণ) কৰা হৈছে। উল্লেখ্য যে বৰপেটা জিলা স্বাস্থ্য বিভাগে, দেশত প্ৰদান কৰি থকা দুয়োবিধ ক’ভিড-১৯ ৰ টিকা ক’ভাক্সিন আৰু কভিশ্বিল্ড প্ৰদান কৰি থকা হৈছে। যাৰ ভিতৰত ক’ভাক্সিনৰ প্ৰথম পালি চাৰি লাখ ৪৩ হেজাৰ ২৮৬ পালি আৰু দ্বিতীয় পালি তিনি লাখ ৩৪ হেজাৰ ৭৩১ পালিৰ লগতে ক’ভিশ্বিল্ডৰ প্ৰথম পালি ছয় লাখ ৭০ হেজাৰ ৮৭৩ জনৰ বিপৰীতে দ্বিতীয় পালি দুই লাখ ৫৬ হেজাৰ ১২৩ জনক *১৩ পৃষ্ঠাত চাওক*

লখিমপুৰৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ বদান্যতা

সমাজহিতৈষী প্ৰয়াত ব্যক্তিৰ নামত নগৰৰ মাজত দান কৰিলে পথ

বিশেষ সংবাদদাতা

লখিমপুৰ, ১৮ নৱেম্বৰ ঃ লখিমপুৰ নগৰৰ ১০ নম্বৰ ৱাৰ্ডৰ এটি সম্ভ্ৰান্ত পৰিয়ালে দেখুৱাইছে বদান্যতা। উল্লেখ্য যে লখিমপুৰ নগৰৰ ১০ নম্বৰ ৱাৰ্ড নিবাসী প্ৰয়াত সমাজকৰ্মী, আদৰ্শবান ব্যক্তি আব্বাছ আলী হাজৰিকাৰ নামত তেওঁৰ পৰিয়ালবৰ্গই ৰাইজলৈ এটা পথ উৎসৰ্গা কৰে। নগৰৰ মধ্যস্থল মালপানী চাৰিআলিৰ দাঁতি কাষৰে পৰা গোপী নগৰৰ সমীপলৈকে প্ৰায় দুবিঘা মাটি অন্তৰ্ভুক্ত হোৱা এই পথটো আজি পৰিয়ালবৰ্গই প্ৰয়াত *১৩ পৃষ্ঠাত চাওক*

আব্বাচ নগৰ
JSW Neoste
TMT Bars

দক্ষিণ কামৰূপ মহাবিদ্যালয়ত বিশেষ কাৰ্যসূচী সম্পন্ন

ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ সজাগতা

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ১৮ নৱেম্বৰ ঃ কামৰূপ জিলাৰ ১৮ বছৰ শেষ কৰা সকলো নাগৰিককে যোৱা পহিলা নৱেম্বৰৰ পৰা অহা ৩০ নৱেম্বৰলৈ চলিবলগীয়া বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াৰ যোগেদি ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে সজাগ আৰু উৎসাহিত কৰাৰ অৰ্থে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অনুসৰি জিলাখনৰ বিভিন্ন ঠাইত ভোটাৰ তালিকা সংশোধনী সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। ইয়াৰে অংশ হিচাপে কামৰূপ নিৰ্বাচনী *১৩ পৃষ্ঠাত চাওক*

আজি চাপৰত প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বিবাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

বহলপুৰ, ১৮ নৱেম্বৰ ঃ অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধীনস্থ চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৩২ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন চাপৰ টাউন শিক্ষক কেন্দ্ৰৰ আতিথ্যত কাইলৈ চাপৰ জে বি স্কুলত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ’ব। এই উপলক্ষে কাইলৈ সন্মিলনীৰ পতাকা উত্তোলন কৰিব চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল হাসেমে। ছহিদ তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিল্টন নাৰায়ণ ৰায়ে। গছপুলি ৰোপণ কৰিব জ্যেষ্ঠ প্ৰধান শিক্ষক সাহজাহান আলী সেখে। প্ৰতিনিধি পঞ্জীয়ন মুকলি কৰিব জ্যেষ্ঠ শিক্ষক বাণীকান্ত ৰায়ে। প্ৰতিনিধি শিবিৰ আৰু প্ৰতিনিধি সভা মুকলি কৰিব জ্যেষ্ঠ শিক্ষক মেহবুব ইছলামে। পাছত বিষয় বাছনি সভা আৰু বিয়লি মুকলি সভা অনুষ্ঠিত হ’ব। সন্মিলনীৰ সভাপতি আব্দুল হাসেমৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া মুকলি সভাত বিলাসীপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আবুল হুছেইন আহমেদ, সম্পাদক ইমান আলী, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য উদ্ধৱ বৰ্মন, চাপৰ-শালকোচাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সম্ৰাট ব্ৰহ্ম, সহ পৰিদৰ্শক জিন্না আলম, খণ্ড সমল ব্যক্তি উৎপল কলিতা, বিলাসীপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ বৰ্মন, প্ৰাক্তন সম্পাদক আব্দুল্লা শেখ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। ইতিমধ্যে অধিবেশন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মেহবুব ইছলামক সভাপতি, আমিৰ আলীক সম্পাদক, তিমিৰ কান্তি ৰায়ক সহকাৰী সম্পাদক আৰু তালেবুল ইছলামক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

বালিজুৰিৰ ইডেন বাৰীত বড়ো সাহিত্য সভাৰ অধিবেশনৰ সামৰণি

বড়ো অধ্যুষিত অঞ্চলৰ শৈক্ষিক উন্নয়নত ভূমিকা গ্ৰহণৰ প্ৰস্তাৱ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৮ নৱেম্বৰ ঃ নদুৱাৰৰ অন্তৰ্গত ইটাখোলাৰ বালিজুৰিস্থিত ইডেন বাৰীত বড়ো সাহিত্য সভাৰ নদুৱাৰ আঞ্চলিক সমিতিৰ ৪৮ সংখ্যক বাৰ্ষিক অধিবেশন যোৱা ১৬ নৱেম্বৰত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ইডেনবাৰী প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে বড়ো সাহিত্য সভাৰ নদুৱাৰ আঞ্চলিক সভাপতি কমল সিং বসুমতাৰীয়ে আৰু স্মৃতি তৰ্পণ কৰে সম্পাদক দানচেৰাং দৈমাৰীয়ে। এদিনীয়াকৈ আয়োজিত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰ অন্তত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়া প্ৰতিযোগিতাৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। বাৰ্ষিক অধিবেশনৰ মূল কাৰ্যসূচী হিচাপে দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হয় প্ৰতিনিধি সভা। নদুৱাৰ আঞ্চলিক বড়ো সাহিত্য সভাৰ সভাপতি কমল সিং বসুমতাৰীৰ পৌৰোহিত্যত আৰু বিশিষ্ট শিক্ষক বিদ্যুৎ বড়োৱে উদ্বোধন কৰা প্ৰতিনিধি সভাত বৃহত্তৰ অঞ্চলটোৰ ৯৪টা শাখা সাহিত্য সভাৰ গোটে অংশগ্ৰহণ কৰে। সভাত বৃহত্তৰ অঞ্চলৰ বিভিন্ন সামাজিক দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে বড়ো জনগোষ্ঠী অধ্যুষিত অঞ্চলত শৈক্ষিক দিশত অগ্ৰণী ভূমিকা গ্ৰহণ, বৰ্তমানেও শোণিতপুৰ জিলাৰ নদুৱাৰ বড়ো সাহিত্য সভাক বিশ্বনাথ জিলা কৰাৰ লগতে নদুৱাৰ অঞ্চলৰ বড়ো মাধ্যম শিক্ষানুষ্ঠানসমূহত বড়ো ভাষা শিক্ষাদানৰ বাবে বড়ো ভাষাৰ শিক্ষক নিযুক্তি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক প্ৰস্তাৱ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰি অঞ্চলটোত সমাজৰ হকে কাম কৰা বিশেষ আদৰ্শবান লোকক সন্মান যঁচাৰ লগতে অৱসৰপ্ৰাপ্ত বিশিষ্ট শিক্ষক গজেন নাৰ্জাৰীকো সভাত নদুৱাৰ আঞ্চলিক সাহিত্য সভাই আৰনাই আৰু প্ৰশস্তিৰে সন্মান প্ৰদান কৰে। প্ৰতিনিধি সভাত বিশ্বনাথ বড়ো ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক খৰেন গৰায়ী, উপ-সভাপতি নাৰায়ণ বসুমতাৰী, নদুৱাৰ বড়ো ছাত্ৰ সন্থাৰ সভাপতি ৰঞ্জন ৰামচিয়াৰীসহ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অধিবেশনস্থলীত বড়ো নৃত্যৰ লগতে বাগুৰুম্ব নৃত্য প্ৰদৰ্শন কৰি উপস্থিত প্ৰতিনিধি তথা দৰ্শকক আপ্লুত কৰে।

হাইস্কুল শিক্ষান্ত বিশেষ পৰীক্ষাত ওদালগুৰিত উত্তীৰ্ণৰ হাৰ ৯২.৬০ শতাংশ

বিশেষ সংবাদদাতা

ওদালগুৰি, ১৮ নৱেম্বৰ ঃ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত বিশেষ পৰীক্ষাত ওদালগুৰি জিলাখনত উত্তীৰ্ণৰ হাৰ হৈছে ৯২.৬০ শতাংশ। উক্ত পৰীক্ষাত জিলাখনৰ ৫৫১ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত চাৰিগৰাকীয়ে ষ্টাৰ মাৰ্ক, ১৯ গৰাকীয়ে প্ৰথম বিভাগত, ২২১ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ৩০৭ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। জিলাখনৰ ১৪টাকৈ পৰীক্ষা কেন্দ্ৰৰ ভিতৰত অম্বাগাঁও বড়ো হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৬২.৯৬ শতাংশ, ভোলাবাৰী হাইস্কুল কেন্দ্ৰত এশ শতাংশ, দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশ শতাংশ, জেবি হাগজেৰ মেম'ৰিয়েল হাইস্কুলত ৮৪.৯০ শতাংশ, কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯০.৪২ শতাংশ, খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশ শতাংশ, ওৰাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৮৬.৬৬ শতাংশ, পানেৰী হাইস্কুলত এশ শতাংশ, শেখৰ শংকৰদেৱ মিছন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশ শতাংশ, টংলা ছোৱালী হাইস্কুলত ৮৫ শতাংশ, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯৩.৭৫ শতাংশ, টংলা আদৰ্শ হাইস্কুলত এশ শতাংশ, ওদালগুৰি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯৭.৬৭ শতাংশ, ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশ শতাংশ উত্তীৰ্ণ হয়।

শিৱসাগৰৰ পলাশনীত অসম শক্তি প্ৰতিষ্ঠানৰ প্ৰথমখন দীক্ষান্ত সমাৰোহ সম্পন্ন

বিশেষ সংবাদদাতা

শিৱসাগৰ, ১৮ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ পলাশনীত থকা ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰতিষ্ঠানৰ চৌহদত আজি শিক্ষানুষ্ঠানখনৰ প্ৰথম দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। সমাৰোহত কেমিকেল ইঞ্জিনিয়াৰিং, মেকানিকেল ইঞ্জিনিয়াৰিং, পেট্ৰ'লিয়াম ইঞ্জিনিয়াৰিং আদি বিভিন্ন কাৰিকৰী পাঠ্যক্ৰমৰ 210 গৰাকী শিক্ষাৰ্থীক পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। উক্ত সমাৰোহত পেট্ৰ'লিয়াম মন্ত্ৰী ৰামেশ্বৰ তেলী মুখ্য অতিথিৰূপে উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী তেলীয়ে ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম ইনষ্টিটিউটে ভাৰতবৰ্ষৰ পেট্ৰ'লিয়াম খণ্ডত প্ৰয়োজন হোৱা মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব বুলি কয়। তেওঁ অনাগত দিনত শৈক্ষিক প্ৰতিষ্ঠানখনত আসনৰ সংখ্যা বৃদ্ধি কৰিবলৈ চেষ্টা চলাব বুলি আশ্বাস দিয়ে। অইল আৰু অ' এন জি চিক ব্যক্তিগতকৰণৰ কোনোধৰণৰ সিদ্ধান্ত লোৱা হোৱা নাই আৰু এয়া এক উৰা-বাতৰিহে বুলি তেওঁ কয়। ড০ এছ শ্যাম সুন্দৰমৰ সঞ্চালনাত অনুষ্ঠিত সমাৰোহত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক সুশান্ত বৰগোহাঁই, অ' এন জি চি আৰু অইল ইণ্ডিয়া লিমিটেডৰ উচ্চপদস্থ বিষয়ববীয়াসকল উপস্থিত থাকে।

জাগীৰোডত শিশু আলোচনী 'ল'ৰালি' উন্মোচন

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ১৮ নৱেম্বৰ ঃ অসমীয়া মাহেকীয়া আলোচনী 'শব্দৰ' ৰ উদ্যোগত 'ল'ৰালি' নামেৰে এখন শিশু আলোচনী এই মাহৰ পৰা প্ৰকাশিত হৈছে। যোৱা ১৪ নৱেম্বৰত শিশু দিৱসৰ স'তে সংগতি ৰাখি অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা প্ৰাপক বিশিষ্ট ঔপন্যাসিক, কবি ৰুমী লস্কৰ বৰাই 'ল'ৰালি' নামৰ আলোচনীখন উন্মোচন কৰে। জাগীৰোডৰ চগ্ৰাছালত অনুষ্ঠিত উন্মোচনী সভাৰ আৰম্ভণিতে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে জুবীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লক্ষেশ্বৰ কাকতিয়ে। এই আলোচনী উন্মোচনী অনুষ্ঠানত জাগীৰোড স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি হৰমোহন কলিতা, 'ল'ৰালি'ৰ সম্পাদক তথা লেখিকা-শিক্ষয়িত্ৰী তৃষ্ণা গগৈ, শিক্ষয়িত্ৰী পূৰালী পাটৰ, মনোজ্যোতি বৰুৱা, শিক্ষক, কবি ৰাজীৱ চহৰীয়া, বিশিষ্ট ব্যক্তি জয়ন্ত শইকীয়া, অনিৰুদ্ধ ডেকা, কবি ভবেন চন্দ্ৰ নাথ আদি উপস্থিত থাকে।

ছয়গাঁৱৰ বালিসিদ্ধিত কলহী নৈত যুৱকৰ মৃত্যু

ছয়গাঁও, ১৮ নৱেম্বৰ ঃ পশ্চিম কামৰূপ বন সংমণ্ডলৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত বালাসিদ্ধিৰ সমীপৰ আন্ধেৰীত এক শোকাৱহ ঘটনা সংঘটিত হয়। ঘটনাটো কালি যদিও একাংশ দুষ্ট চক্ৰই এই নিৰ্মম ঘটনাটো গাপ দিয়াৰ চেষ্টা কৰিছিল। কলহী নৈৰ সাতেকোণা বালি মহলত বালি তুলি থকা অৱস্থাত দ পানীত পৰি উক্ত গাঁৱৰে অজন্ত বড়ো (৩০) নামৰ যুৱক এজনৰ সলিল সমাধি ঘটে। জনৈক ৰাভা নামৰ এজন বালি মাফিয়াই উক্ত বালি মহলত অবৈধভাৱে মেচিনেৰে বালি তুলি আহিছে। যিটো আইন বিৰুদ্ধ। পিছে এই ঘটনা সকলো জানি শুনিও ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰি আছে বন বিভাগে। পানীত পৰি নিখোজ হৈ থকা যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰা হয় যদিও আচৰিত ধৰণে বালি মাফিয়া একাংশই সকলো পক্ষকে মেনেজ কৰি ঘটনাটো গাপ দিয়াৰ চেষ্টা চলাইছে। ঘটনাটোক লৈ এতিয়া অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

পঞ্চৰত্ন সাহিত্য সভাৰ উদ্যোগত সাহিত্য মেলৰ আয়োজন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৮ নৱেম্বৰ ঃ পঞ্চৰত্ন শাখা সাহিত্য সভা, গোৱালপাৰাৰ উদ্যোগত অহা ২৩ নৱেম্বৰৰ বিয়লি ১.৩০ বজাত গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত এটি গীত-মাত কবিতা (সাহিত্যৰ মেল) অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পঞ্চৰত্ন শাখা সাহিত্য সভাৰ সভাপতি মহম্মদ ইছমাইলে জনোৱা মতে, অনুষ্ঠানত অসম চৰকাৰৰ শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়াৰ উপস্থিতিত তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হ'ব। ইয়াৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে ডাঃ ভানু শইকীয়াৰ স্বৰচিত কবিতা পুথি 'মোৰ মনৰ মৌ কোঁহ', অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই ৰঞ্জন কুমাৰ নাথৰ স্বৰচিত কবিতা পুথি 'সন্ধিয়াৰ শেৱালি' আৰু গোৱালপাৰাৰ উপায়ুক্ত মিনাক্ষী দাস নাথে মহম্মদ ইছমাইলৰ শিশু গ্ৰন্থ 'অকণিৰ মেল' উন্মোচন কৰিব। উক্ত অনুষ্ঠানত উপস্থিত থাকি সাহিত্য জগতখনক উৎসাহিত কৰিবলৈ শাখা সাহিত্য সভাৰ সম্পাদকজনে সাহিত্য অনুৰাগী ৰাইজৰ প্ৰতি আহ্বান জনাইছে।

ভাৰত জনবিজ্ঞান যাত্ৰাৰ ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী

■উৎফুল্লিত ছাত্ৰ-ছাত্ৰীৰ ভিৰ

বৰমা, ১৮ নৱেম্বৰ ঃ ছাইন্স কমিউনিকেটৰছ ফ'ৰাম, বৰমাৰ উদ্যোগত আৰু বৰমা ছোৱালী হাইস্কুলৰ সহযোগত কালি দিনজোৱা কাৰ্যসূচীৰে বৰমা ছোৱালী হাইস্কুলত বিজ্ঞান প্ৰদৰ্শনী মেলা অনুষ্ঠিত হয়। ভাৰত জনবিজ্ঞান যাত্ৰাৰ ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনীৰ গাড়ীত সংলগ্ন থকা বিভিন্ন বিজ্ঞান প্ৰকল্প আৰ্হি, ৰবট, ৰবট মেকিং, ডিজাইনিং আদিত বৃহত্তৰ অঞ্চলটোৰ ১০খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে হাতে-কামে বিজ্ঞানত ভাগ লোৱাৰ উপৰি বিজ্ঞানৰ যাদু, মুকলি কুইজ প্ৰতিযোগিতা আদিত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি উৎফুল্লিত হৈ পৰে। প্ৰদৰ্শনীৰ আৰম্ভণিতে দ্বাৰ উন্মোচন কৰে শিক্ষাবিদ বিদ্যাসাগৰ ৰামছিয়াৰীয়ে। অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰাছিয়াৰীয়ে। ৰবট মেকিং আৰু ডিজাইনিঙত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ইডুকেটৰ দীপজ্যোতি কুমাৰ আৰু সুদৰ্শন শইকীয়া, বিজ্ঞানৰ যাদু আৰু কুইজ পৰিচালনা কৰে শিক্ষাবিদ হিতেশ মেধি, দিপুল ঠাকুৰীয়া, চম্পম কলিতাই। নিৰেন তালুকদাৰে আঁত ধৰা সামৰণি অনুষ্ঠানত শিক্ষক সুভাষ শৰ্মা, কেমব্ৰিজ একাডেমীৰ অধ্যক্ষা হেমলতা মেধিকে ধৰি কে'বাজনেও ভাষণ প্ৰদান কৰে।

টিহুত অসমীয়া লোককৃষ্টিৰ অন্যতম মহোহো উৎসৱ পালন

অগ্ৰদূত বাৰ্তা

টিহু, ১৮ নৱেম্বৰ ঃ অসমৰ লোককৃষ্টিৰ এটি অন্যতম অংগ হৈছে মহোহো উৎসৱ বা মহ খেদা উৎসৱ। সম্প্ৰতি পশ্চিমীয়া সংস্কৃতিৰ আগ্ৰাসনৰ কবলত পৰি বিলুপ্তি হোৱাৰ উপক্ৰম হৈছে যদিও নামনি অসমত এই উৎসৱ এতিয়াও চলি আছে। সামাজিক সমন্বয় বৃদ্ধি আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল কৰা বুলি বিশ্বাস থকা অসমৰ লোককৃষ্টিৰ অন্যতম অংগস্বৰূপ অ হো হো মহোহো উৎসৱ প্ৰতিবছৰে আঘোণৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। নামনি অসমত অধিক প্ৰচলিত মহোহো টিহু অঞ্চলতো প্ৰতিবছৰে পালন কৰা হয়। এইবেলিও টিহুৰ গাঁৱে-ভূঞে চেমনীয়াসকলে পালন কৰাৰ উপৰি টিহুৰ একাংশ জ্যেষ্ঠ নাগৰিকে প্ৰতীকী ভলুকা সাজি বাঁহৰ থেকেৰা আদি বজাই মহখেদা উৎসৱ পালন কৰি নৱপ্ৰজন্মক আদৰ্শৰ বাট দেখুৱায়। সমাজকৰ্মী তথা নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি হৰেকৃষ্ণ মেধিৰ নেতৃত্বত ফাৰ্মাচিষ্ট মদন শৰ্মা, অৱসৰী প্ৰাপ্ত অভিযন্তা কুলেশ শৰ্মা, অৱসৰী প্ৰাপ্ত শিক্ষক সতীশ চন্দ্ৰ শৰ্মা, সৰ্বেশ্বৰ ডেকা আৰু দ্বীজেন পাঠক, নাট্য সংগঠক তাৰা হুছেইন, কুমুদ চন্দ্ৰ ডেকা, সঞ্জয় পাঠক, নৃপেন তালুকদাৰ, সুধন কলিতা, নাৰায়ণ বৰ্মন আদিয়ে টিহু নগৰৰ বিভিন্ন ঠাইত 'অ হো হো মহো হো..... মহ খেদবা যাউ যো... মহে বুলে মইল্লু দে..... টেপৰ পুৱা খালু দে' আদি সুৰ লগাই গাই মহ খেদা উৎসৱ পালন কৰে।

ধুৰকুছি সিদ্ধি শৰ্মা হাইস্কুলত বিদায় সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৮ নৱেম্বৰ ঃ নলবাৰী জিলাৰ ধুৰকুছিত অৱস্থিত সিদ্ধি শৰ্মা হাইস্কুলত বুধবাৰে এখন বিদায় সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ তিনিজন সহকাৰী শিক্ষক আৰু এজন উচ্চ বৰ্গৰ সহায়ক চাকৰিৰ পৰা অৱসৰ হোৱাত বুধবাৰে তেওঁলোকক বিদায় সম্ভাষণ জনায়। তদুপলক্ষে বিদ্যালয় প্ৰাংগণত প্ৰধান শিক্ষক কাৰ্তিক শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত তিনিজন শিক্ষক আৰু উচ্চবৰ্গৰ সহায়কজনক ফুলাম গামোচা, ফুলাম জাপি, প্ৰশস্তিপত্ৰ, কিতাপৰ টোপোলা, একোটিকৈ ঘড়ী, বটা, একোজোৰকৈ পোছাক আদিৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী দিপিকা দেৱী আৰু উচ্চবৰ্গৰ সহায়ক ধৰণী বৰুৱা যোৱা ২০২০ৰ ৩১ ডিচেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইয়াৰ পাছত যোৱা ২০২১ৰ ২৮ ফেব্ৰুৱাৰীত সহকাৰী শিক্ষক অজিত কুমাৰ শৰ্মা আৰু ছৈয়দ ফজলুৰ ৰহমান ২০২১ৰ ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰে। বুধবাৰে উক্ত অৱসৰপ্ৰাপ্ত চাৰিগৰাকীয়ে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী মিলি বিদায় সম্ভাষণ জনায়। উক্ত বিদায় সভাত প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী কমলা ডেকা, প্ৰাক্তন প্ৰধান শিক্ষক ফণীৰাম দাস আৰু লক্ষ্মীকান্ত শৰ্মাই আটাইকেইজনৰে কৰ্মময় জীৱনৰ গুণানুকীৰ্তন কৰি বক্তব্য ৰাখে। ইয়াৰ উপৰি সভাত কৃতী শিক্ষক থানেশ্বৰ গোস্বামী আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰেমদা গোস্বামী আৰু বিদায়ী শিক্ষক-কৰ্মচাৰী সকলৰ কৰ্মময় জীৱনৰ আলোকপাত কৰে। সভাৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত আৰু কবিতা আবৃত্তি কৰে।

বৰপেটা জিলা স্বাস্থ্য সমিতিৰ

১২ পৃষ্ঠাৰ পৰা প্ৰদান কৰা হৈছে। যিটো প্ৰক্ৰিয়া প্ৰতিদিনে দুই শতাধিক ক'ভিড প্ৰতিষেধক প্ৰদান কেন্দ্ৰৰ উপৰি প্ৰয়োজন তথা পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি গাঁৱে গাঁৱে কিম্বা গৃহত গৈ স্বাস্থ্যকৰ্মীৰ গোটে টিকাকৰণ প্ৰক্ৰিয়া প্ৰতিদিনে অব্যাহত ৰাখিছে।

'বীৰ লাচিত সেনা, অসম'ৰ

১২ পৃষ্ঠাৰ পৰা হোজাইৰ ইমতাদ আলী নামৰ যুৱকজন পলায়ন কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে যোৱা ১৫ নৱেম্বৰৰ নিশা তনবীৰ আহমেদ লস্কৰক গ্ৰেপ্তাৰ কৰি জেৰা কৰাত তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত জাভেদ ৰহমান আৰু প্ৰাঞ্জল কোঁৱৰক গ্ৰেপ্তাৰ কৰে। আনহাতে, হোজাইৰ পৰা আহি নাজিৰাত থিতাপি লোৱা ইমতাজ আলী বৰ্তমানলৈকে পলাতক অৱস্থাত আছে। ইফালে, বীৰ লাচিত সেনা, অসমৰ নামত ভুৱা ৰছিদ ছপা কৰি ধন সংগ্ৰহ কৰা কাৰ্যক সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক অনুপম সন্দিকৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে এই কাৰ্যত জড়িতসকলক কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে।

কাতিৰ শেষৰটো দিনত হাজোৰ

১২ পৃষ্ঠাৰ পৰা তীজৰে পৰা চলি অহা এই লোক বিশ্বাসৰ বাবেই পবিত্ৰ কাতিত দূৰ-দূৰণিৰে পৰা সেৱা জনাবলৈ অগণন লোক আহে হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ। পুৱাৰে পৰা হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত তুলসী মালা, ধূপ, নৈবেদ্য হাতত লৈ ভক্তসকলে শাৰী পাতি ৰৈ থকা দৃশ্যই অতি মনোৰম আছিল। সমান্তৰালকৈ পবিত্ৰ কাতিৰ শেষৰটো দিনত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত ভক্তৰ সমাগমত বিৰাজ কৰে এক নান্দনিক তথা আধ্যাত্মিক পৰিৱেশ।

জগদ্ধাত্ৰী পূজাত মুকলিভাৱে

১২ পৃষ্ঠাৰ পৰা প'ৰ্টেলৰ সাংবাদিক এজনৰ নেতৃত্বত আৰক্ষীৰ এই আক্ৰমণ হোৱাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে পানবাৰী থানাত এই সন্দৰ্ভত গোচৰ পঞ্জীয়ন কৰি বিজনী মহকুমা আৰক্ষী বিষয়া শেখৰজ্যোতি ৰায় আৰু পানবাৰী চক্ৰ আৰক্ষী বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই উক্ত অবৈধ মেলাত ব্যৱহৃত বহু সামগ্ৰী জব্দ কৰি আৰক্ষীয়ে কমিটীৰ লোকক বিচাৰি অভিযান আৰম্ভ কৰিছে। স্থানীয় বিভিন্ন দল-সংগঠনে এই ঘটনাক গৰিহণা দি কঠোৰতম ব্যৱস্থা ল'বলৈ দাবী জনাইছে জিলা আৰক্ষী অধীক্ষকৰ ওচৰত। এই সন্দৰ্ভত চিৰাং জিলা সদৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিয়ে জনায় যে গোচৰ পঞ্জীয়ন হৈছে পানবাৰী থানাত আৰু আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। বিজনী মহকুমা প্ৰশাসনৰ অনুমতি নোহোৱাকৈ পূজাৰ নামত মেলা অনুষ্ঠিত কৰি জুৱা খেল পতাক লৈ কমিটীৰ লোকক আৰক্ষীয়ে বিচাৰি আছে। আৰক্ষীয়ে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি জনায় আৰক্ষী বিষয়াজনে।

দৰঙত ন-খোৱা, কাতিমহীয়া

১২ পৃষ্ঠাৰ পৰা স'তে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা 'জাতীয় লোককৃষ্টিবোৰে এটা জাতিৰ ভেটি নিৰ্মাণ কৰে' শীৰ্ষক বিষয় আলোচনা অনুষ্ঠিত হ'ব। ইপিনে, বিয়লি মহাপ্ৰসাদ বিতৰণ আৰম্ভ হ'ব। একেদৰে কেওটপাৰা, হোদাপাৰা, লখনাঝাৰ আদি গাঁৱত নখোৱাৰ আয়োজন চলাৰ লগতে মঙলদৈ চহৰতো কাতিমহীয়া নাম-প্ৰসংগ অব্যাহত আছে। আনহাতে, জিলাখনৰ প্ৰায় সকলো পৰিয়ালে ব্যক্তিগতভাৱে নতুবা সমূহীয়াকৈ মিলি ন-ভাত খোৱাৰ বাবে প্ৰস্তুতি চলাইছে। একাংশই চয়াবিন আৰু শাক-পাচলিৰে নিৰামিষ নখোৱাৰ বিপৰীতে আনসকলে পুখুৰীৰ মাছ বুঢ়াকোমোৱাৰ স'তে নোদোকা হাঁহৰ মাংসৰ ব্যঞ্জনেৰে ন-ভাত খাব।

সমাজহিতৈষী প্ৰয়াত ব্যক্তিৰ

১২ পৃষ্ঠাৰ পৰা লোকজনৰ স্মৃতিত উৎসৰ্গা কৰে। এই পথটোত তিনিখনকৈ ফলক স্থাপন কৰা হয়। বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক শৃংখল চলিহাকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে এই ফলক কেইখন স্থাপন কৰে। এই উদ্দেশ্যে এখন সভাও অনুষ্ঠিত কৰা হয়। মাহৰা সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত তথা সমাজকৰ্মী ছাজাদ হাজৰিকাই আঁত ধৰা সভাখনত উপস্থিত সকলোৱে প্ৰয়াত সমাজহিতৈষী লোকজনৰ জীৱনদৰ্শ সোঁৱৰণ কৰাৰ লগতে তেওঁৰ স্মৃতিত পথ উৎসৰ্গা কৰা কাৰ্যৰ বাবে পৰিয়ালবৰ্গৰ মানসিকতা, বদান্যতাৰ শলাগ লয়। সভাত হাবনুল ৰছিদ, ইৰছাদ আলী হাজৰিকা, শৃংখল চলিহা, হাবিছ হক বৰুৱা, ৰেবত গগৈ, অজিত বুঢ়াগোহাঁই, চিৰাজুল ইছলাম হাজৰিকা, আজাদ হাজৰিকা, মোছেলিম হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়।

নেহৰু-ইন্দিৰা-আধুনিক ভাৰত আৰু আন্দোলন প্ৰসংগ

(আজি জন্মদিন উপলক্ষে)

নৰেন প্ৰসাদ শৰ্মা

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতবাসীৰ মনত অবিসম্বাদী নেতা মহাত্মা গান্ধীৰ পাছতে যিজন নেতাৰ স্থান আছিল তেওঁ হ'ল পণ্ডিত জৱাহৰলাল নেহৰু। তেওঁ আছিল স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী। স্বাধীনতাৰ পাছৰে পৰা 1964ত মৃত্যু পৰ্যন্ত সুদীৰ্ঘ 17 বছৰ তেওঁ ভাৰতক নেতৃত্ব দিছিল আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক এক সন্মানজনক স্থানত অধিষ্ঠিত কৰাইছিল।

দুশ বছৰ পৰাধীনতাৰ পাছত ভাৰতৰ গণতান্ত্ৰিক ভেটি সুদৃঢ় কৰা কৃষি, উদ্যোগ, শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, বৈদেশিক নীতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত শুই থকা জাতি এটাক জগাই প্ৰগতিৰ পথত থিয় কৰাবলৈ নেহৰুৱে অশেষ কষ্ট কৰিবলগীয়া হৈছিল। তেওঁ জনসাধাৰণৰ পৰা বিশ্বাস অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল আৰু যথাৰ্থভাৱে তেওঁক আধুনিক ভাৰতৰ স্থপতিবিদ বুলি অভিহিত কৰা হয়। উক্ত কাৰ্যসমূহৰ উপৰি তেওঁৰ দ্বাৰা ৰচিত 'ডিস্ক'ভাৰী অব্ ইণ্ডিয়া' 'বিশ্ব ইতিহাসৰ জিলিঙনি' আদি গ্ৰন্থৰ বাবে তেওঁ বহুকাললৈ স্মৰণীয় হৈ ৰ'ব।

ইন্দিৰা গান্ধী আছিল আছিল নেহৰুৰ একমাত্ৰ কন্যা। 1917ৰ 19 নৱেম্বৰত ইন্দিৰা গান্ধীৰ জন্ম হয়। স্বাধীনতা আন্দোলনত ব্যস্ত থকাৰ বাবে আৰু এই কামৰ বাবে দীৰ্ঘদিন কাৰাগাৰত থাকিবলগীয়া হোৱাত নেহৰুৱে শিশু ইন্দিৰাৰ প্ৰতি মনোযোগ দিব পৰা নাছিল। যদিও পণ্ডিত নেহৰু, জ্ঞানৰ সাগৰ আছিল, তথাপি এই জ্ঞান তেওঁ ইন্দিৰাক দিব পৰা নাছিল। তেওঁ কাৰাগাৰৰ পৰাই ইন্দিৰালৈ কিছুমান জ্ঞানগভীৰ চিঠি লিখিবলৈ আৰম্ভ কৰিছিল, যিখন পাছত কিতাপ আকাৰত বিশ্ব ইতিহাসৰ জিলিঙনি (Glimpses of the World History) বুলি জনাজাত।

পণ্ডিত নেহৰুৰ ১৭ বছৰীয়া শাসনৰ পাছত লালবাহাদুৰ শাস্ত্ৰীৰ হাতলৈ প্ৰধানমন্ত্ৰীৰ দায়িত্ব আহিছিল যদিও আকস্মিকভাৱে টাছখণ্ড চুক্তিৰ পাছতে তেওঁ আকস্মিক মৃত্যুৰ সন্মুখীন হ'ল। তাৰ পিছতে দুবাৰকৈ মুঠ ১৬ বছৰ বিশ্বৰ এক সপ্তাংশ লোকৰ বসতিস্থান ভাৰতবৰ্ষৰ প্ৰধান নেতাস্বৰূপে 1966ৰ 24 জানুৱাৰীত ইন্দিৰা গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। ভাৰতৰ দৰিদ্ৰ জনসাধাৰণৰ নাড়ীৰ স্পন্দন বুজি পোৱা ইন্দিৰা গান্ধীয়ে এইটো ভালদৰেই বুজিছিল যে সংখ্যাগৰিষ্ঠ দুখীয়া জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নৰ বাবে কোনো ব্যৱস্থা নকৰি কেৱল শাসনৰ বাবেই দেশ শাসন কৰিলে পৰিৱৰ্তন আহিব হিংসাক আশ্ৰয় কৰি। সেয়ে শান্তিপূৰ্ণ পদ্ধতিৰে সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন তথা সমাজবাদৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছেই অৰিহণা যোগাব লাগিব। এই আদৰ্শ আগত ৰাখিয়েই সমাজবাদৰ প্ৰথম পদক্ষেপ হিচাপে বেংক ৰাষ্ট্ৰীয়কৰণ, ৰাজন্যবৰ্গৰ মাননি বিলোপ আৰু পাছত মাটি আৰু সম্পত্তিৰ চিলিং আইন আৰু কুৰিদফীয়া আঁচনিৰ দ্বাৰা এক সামাজিক আৰু অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছিল।

1970-71ত ভাৰতৰ ওপৰত পাকিস্তানৰ আক্ৰমণ তেতিয়াৰ পূব পাকিস্তানত হোৱা আন্দোলন আৰু তাৰেই ফলত স্বাধীন বাংলাদেশ সৃষ্টি আদিত দেখুৱাবলৈ সক্ষম হৈছিল।

বৈদেশিক ক্ষেত্ৰতো তেওঁ ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰৰ লগত সম্ভাৱ সৃষ্টিৰ চেষ্টা কৰিছিল আৰু 1974ৰ 18 মে'ত ৰাজস্থানৰ পোখৰানত শান্তিপূৰ্ণ উদ্দেশ্যত কৰা আণৱিক বিস্ফোৰণে ভাৰতক এক নৱযুগত প্ৰৱেশ কৰোৱাৰ লগতে, বিশ্বত ভাৰতৰ ভাৱমূৰ্তি উজ্জ্বল কৰি তোলে।

অসমত 1978ত জনতা দলৰ সংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত যেতিয়া লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কথা আহিল, তেতিয়া প্ৰতিবাদ হ'ল যে ভোটাৰ তালিকাত বহুতো বিদেশীৰ নাম আছে। গতিকে অসমৰ অন্যান্য সমষ্টিতো আছে আৰু অসমত বিদেশী বিতাৰণৰ আন্দোলন আৰম্ভ হ'ল। একেখন ভোটাৰ তালিকাৰে নিৰ্বাচিত হোৱা অসমৰ জনতা দলৰ চৰকাৰ বৈধ, পিছৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় যোগেন হাজৰিকা বৈধ আৰু তাৰ পিছৰ একেখন বিধান সভাৰে কংগ্ৰেছ মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰ অবৈধ। 1983ৰ নিৰ্বাচিত কংগ্ৰেছ চৰকাৰ অৰ্থাৎ হিতেশ্বৰ শইকীয়াৰ চৰকাৰৰো অবৈধ। সেই সময়ত ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ আছিল ছমাহৰ কিন্তু আন্দোলনকাৰীয়ে ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ বৃদ্ধিৰ প্ৰস্তাৱতো বিৰোধিতা কৰিছিল আৰু নিৰ্বাচনৰো বিৰোধিতা কৰিছিল।

প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে আগবঢ়োৱা বিদেশী বিতৰণৰ সময় সীমা 1965 বৰ্ষ আন্দোলনকাৰীয়ে মানি লোৱা হ'লে সকলো সুকলমে হ'লহেতেন আৰু পিছৰ দুৰ্ভাগ্যজনক ঘটনাসমূহ নঘটিলহেতেন। সেই বিষয়ে বহুতো আলোচনা-সমালোচনা হৈ গৈছে এতিয়া আৰু বিশেষ বহলাব নোখোজো, প্ৰয়োজন হ'লে কম বা লিখিম।

লেখক প্ৰাক্তন সাধাৰণ সম্পাদক
অসম প্ৰদেশ কংগ্ৰেছ কমিটি
ফোন ঃ 94351 12149

শুৱালকুছিত শ্ৰীশ্ৰীকাৰ্তিক পূজা উদ্‌যাপন

১২ পৃষ্ঠাৰ পৰা দুপৰীয়া হোমাগ্নি আৰু পুষ্পাঞ্জলি প্ৰদান কৰে বৃহত্তৰ ৰাইজে। অগণন ভক্তৰ সমাগমে পূজাথলীত ভিৰ কৰা পূজাই অনন্য মাত্ৰা প্ৰদান কৰে। নিশা মধুস্মিতা দাসৰ নাগাৰা নামেৰে পূজাৰ কাৰ্যসূচী সমাপ্ত হয়। পূজাৰ আগদিনা কপিকুলৰ পৰা ৰক্ষা পোৱাৰ পৰিকল্পনাৰে এলানি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কপিকুলৰ আহাৰ যোগানৰ উদ্দেশ্য আগত ৰাখি অঞ্চলটোত শতাধিক ফলমূলৰ বৃক্ষৰোপণৰ কাৰ্যসূচী মুকলি কৰে যুৱ সমাজকৰ্মী চন্দন কলিতাই। তেওঁ কয় যে সম্প্ৰতি কপিকুলৰ বাবে খাদ্য সংকটে দেখা দিছে। যাৰ বাবে বনাঞ্চল এৰি সিহঁতে জনাঞ্চলত থিতাপি লৈছে। আনকি বান্দৰে অনেক লোকক আঘাতো কৰিছে। ইয়াৰ পৰিত্ৰাণৰ বাবে সহস্ৰাধিক ফলমূলৰ গছপুলি ৰোপণৰ উদ্দেশ্য আগত ৰখা বুলি বক্তব্যত প্ৰকাশ কৰে। বৃক্ষৰোপণৰ পাছতে বিভিন্ন সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক, দলীয় কৰ্মীয়ে বৃক্ষৰোপণ কৰে। এনে পদক্ষেপৰ বাবে উদ্‌যাপন সমিতিৰ সভাপতি ধীৰাজ কলিতা, সম্পাদক দেৱজিৎ কলিতাকে ধৰি সমিতিক ৰাইজে প্ৰশংসা কৰিছে।

তেজপুৰত বিহু কৃষ্টি পৰিষদ অসমৰ

১২ পৃষ্ঠাৰ পৰা কেন্দ্ৰীয় উপ-সভাপতি নৰহৰি চুতীয়াৰ প্ৰবন্ধ সংকলন কথামালাৰ লগতে ক্ষিৰমাই দত্ত বৰাৰ 'ঔকুঁৰবী' নামৰ আন এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে সমিতিৰ আন এজন উপ-সভাপতি উপেন নেওগ আৰু সভাপতি মোহন বৰাই। এই সভাতে অভিনেত্ৰী তথা লোকশিল্পী কল্পনা কলিতা, বৰঢুলীয়া গোলাপ বৰা, সুদক্ষ অভিনেতা উত্তম কুমাৰ দাস, প্ৰবীণ খেলুৱৈ মামু বায়ন, উদীয়মান গায়িকা কৃষ্টি বৰঠাকুৰ আৰু কৃতী শিক্ষয়িত্ৰী ক্ষিৰমাই দত্ত বৰাক সম্বৰ্ধনা জনোৱাৰ লগতে সমাজকৰ্মী তথা এগৰাকী ক'ভিডযোদ্ধা তৰুণ দাসক সমিতিয়ে অসম গৌৰৱ ক'ভিডযোদ্ধা সন্মান আগবঢ়োৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি, এই সভাতে বিহু কৃষ্টি পৰিষদৰ শোণিতপুৰ জিলা সমিতিয়ে অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ বিজয়ী কৃষ্টি বৰঠাকুৰ আৰু মেঘনা শিৰমক বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে সমিতিৰ শোণিতপুৰ জিলাৰ সাংগঠনিক সম্পাদক অনুপ অসমীয়াই। কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক দেৱজিৎ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ ড° দীপেন দাস পত্ৰিকা সম্পাদক ব্ৰজেন দাসসহ বহুকেইজন সদস্যই সমিতিৰ বিভিন্ন দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। এই সভাতে সমিতিৰ খচৰা সংবিধান আৰু বিহু প্ৰতিযোগিতাসমূহক মানিবলগীয়া সম্ভাব্য দিশৰ ওপৰত প্ৰস্তুত কৰা বিষয়সমূহ পাঠ আৰু গ্ৰহণ কৰা হয়। উল্লেখ্য যে সমিতিৰ মুখ্য কাৰ্যালয়টো তেজপুৰতে স্থাপন কৰাতো একাংশ সদস্যই গুৰুত্ব আৰোপ কৰে।

চাপাগুৰিত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায়

১২ পৃষ্ঠাৰ পৰা ১৯৮৭ৰ এক জানুৱাৰীত নিকাছি হাইস্কুলত এজন বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰিছিল। উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত বিদ্যালয়খনৰ অধ্যক্ষ নাৰায়ণ বসুমতাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিদায়ী শিক্ষক হৰিহৰ দাসে তেওঁৰ শিক্ষক জীৱনৰ অভিজ্ঞতা বৰ্ণনা কৰি এগৰাকী শিক্ষকৰ থাকিব লগা গুণাৱলীৰ চমু ব্যাখ্যা কৰে। তেওঁ ছাত্ৰ-শিক্ষকৰ মানসিক ব্যৱধান আঁতৰাই অনুপ্ৰেৰণাদায়ক পাঠদানেৰে শিক্ষকসকলক মানৱ সম্পদ গঢ়াত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাত প্ৰাক্তন শিক্ষক উমাকান্ত দাস, দেৱেন্দ্ৰজিৎ বসুমতাৰী, প্ৰাক্তন বিধায়ক থানেশ্বৰ বসুমতাৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অমৃতানন্দ দাস, শিক্ষকসকলৰ হকে জ্যেষ্ঠ শিক্ষক টিকেন্দ্ৰজিৎ বসুমতাৰীয়ে বিদায়ী শিক্ষকজনৰ গুণানুকীৰ্তনৰ লগতে দীৰ্ঘায়ু কামনা কৰি বক্তব্য আগবঢ়ায়। বিদায়ী শিক্ষকজনক সম্বৰ্ধনা চিন স্বৰূপে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে আৰণাই, ফুলাম গামোচা, অসমীয়া আৰু বড়ো ভাষাৰ দুখন মানপত্ৰ, এখন শৰাই, এখন ধৰ্মগ্ৰন্থ, এটি কাপোৰৰ টোপোলা, কলম, ছাতি আদি প্ৰদান কৰি সম্বৰ্ধনা জনায়। সভাত বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলে সমবেত সংগীত আৰু কে'বাগৰাকী ছাত্ৰীয়ে বড়ো আধুনিক নৃত্য, বিহু নৃত্য, আদিবাসী আৰু নেপালী নৃত্য পৰিবেশন কৰে।

ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত

১২ পৃষ্ঠাৰ পৰা জিলাৰ অন্তৰ্গত পলাশবাৰীৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত যোৱা ১৭ নৱেম্বৰত সজাগতামূলক কাৰ্যসূচী এলানি অনুষ্ঠিত কৰা হয়। প্ৰথমে মহাবিদ্যালয় প্ৰাংগণত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। সংশোধনী প্ৰক্ৰিয়াৰ ওপৰত যুগুতোৱা বাটৰ নাটখন উপভোগ কৰি উপস্থিত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু আন লোকসকল উপকৃত হয় আৰু সংশোধনী প্ৰক্ৰিয়া সম্পৰ্কত অৱগত হয়। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ সভাকক্ষত ছাত্ৰ-ছাত্ৰী, শিক্ষক, বিএলঅ', এইআৰঅ'সকলৰ উপস্থিতিত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পলাশবাৰীৰ চক্ৰ বিষয়া ধ্ৰুৱজ্যোতি পাঠকে সকলোকে আদৰণি জনায়। সভাত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিকৰণ আৰু সংশোধনী প্ৰক্ৰিয়া সম্পৰ্কত বাৰ্তালাপ কৰি কামৰূপ জিলা উন্নয়ন আয়ুক্ত নৰসিং বেয়ে উপস্থিত লোকসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান দিয়ে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মানস প্ৰতিম বৰুৱাই পৰিচালনা কৰা প্ৰতিযোগিতাত নিৰ্বাচন আয়োগ আৰু সংশোধনী প্ৰক্ৰিয়া সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰা হয় আৰু বিজয়ীসকলক থিতাতে পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত বিশেষ সংক্ষিপ্ত সংশোধনী সম্পৰ্কীয় ভিডিঅ' প্ৰদৰ্শন কৰা হয়।

কামৰূপৰ ভাৰপ্ৰাপ্ত নিৰ্বাচনী বিষয়া জলি দাস, পলাশবাৰী সংলগ্ন চক্ৰ বিষয়া দিপা তালুকদাৰ, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি দাস, সহকাৰী অধ্যাপক শ্ৰৱণ কুমাৰ দিহিদাৰ উপস্থিত থকা অনুষ্ঠানৰ আঁত ধৰে জিলা তথা আৰু জনসংযোগ বিষয়া মঞ্জু ৰাণী ডেকাই।

উল্লেখ্য যে এই বিশেষ সংক্ষিপ্ত সংশোধনীৰ দাবী আৰু আপত্তিসমূহ অহা ২০ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰি অহা পাঁচ জানুৱাৰী, ২০২২ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

অসম চৰকাৰ

মাননীয় কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ,
উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ আৰু বস্ত্ৰ মন্ত্ৰী

শ্ৰী পীয়ুষ গোৱেলক

অসমে আদৰণি জনাইছে

শ্ৰী পীয়ুষ গোৱেল
কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ, উপভোক্তা পৰিক্ৰমা,
খাদ্য আৰু ৰাজহুৱা বিতৰণ আৰু বস্ত্ৰ মন্ত্ৰী

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

অন্যান্য কাৰ্যসূচীৰ লগতে মাননীয় কেন্দ্ৰীয় মন্ত্ৰীয়ে
উদ্যোগজগতৰ নেতৃবৃন্দৰ সৈতে **মত বিনিময় আৰু ইথানল উদ্যোগৰ**
(অসমত ৭টা ইউনিটৰ দ্বাৰা ১১৫৪ কোটি টকাৰ বিনিয়োগ)
সৈতে **বুজাবুজি চুক্তি স্বাক্ষৰৰ** তত্বাৱধান কৰিব

স্থান
শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ, গুৱাহাটী
১৯ নৱেম্বৰ, ২০২১ দিনৰ ১২.১৫ বজা

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ
অসম চৰকাৰ

জনসংযোগ/ডি/৯৯২১/২১

দৈনিক
অগ্ৰদূত

ডাবলছৰ ফাইনেলত, এককৰ ছেমিত অসমৰ কৃষ্টি

আই টি এফ জুনিয়ৰ টেনিছ প্ৰতিযোগিতাত উজলিছে অসম কন্যা

গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসমৰ কৃষ্টি বড়োৱে চলিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত নিজৰ সফলতাৰ গৌৰৱময় যাত্ৰা অব্যাহত ৰাখি খিতাপ জয়ৰ আশা সজীৱ কৰি তুলিছে। উল্লেখ্য যে অসম টেনিছ সন্থাৰ উদ্যোগত তথা ষ্টেট বেংক অব ইণ্ডিয়াৰ সহযোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অসম কন্যা কৃষ্টিয়ে অপ্ৰতিৰুদ্ধ জয়যাত্ৰা অব্যাহত ৰাখি একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ লগতে ডাবলছ শাখাৰ ফাইনেললৈ অগ্ৰসৰ হৈছে। আজি কৃষ্টিয়ে একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পুনৰ অঘটন ঘটাই 6-1, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ষষ্ঠ বাছনিৰ আৰ্ণি ৰেড্ডীক। স্মৰ্তব্য যে আৰ্ণি হ'ল কৃষ্টিৰ ডাবলছ সংগী। চলিত 18 বছৰ অনূৰ্ধ্ব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অসম কন্যা কৃষ্টিয়ে বাছনি বিহীন খেলুৱৈ হিচাপে অংশ লৈয়ো অনবদ্য খেলেৰে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। ইফালে, পুৱা একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা কৃষ্টিয়ে আবেলি সতীৰ্থ আৰ্ণি ৰেড্ডীৰ লগত যুটি বান্ধি খেলে ডাবলছ শাখাৰ ছেমিফাইনেল। কৃষ্টি-আৰ্ণি যুটিয়ে আমেৰিকাৰ ছাইনা দেশপাণ্ডে আৰু ভাৰতৰ সোনাল পাটিল যুটিক ছেমিফাইনেলত 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়।

শৃংখলা দখলৰ লক্ষ্যৰে নিউজিলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় টি-২০ খেলিব ভাৰতে

আজি কিৱিৰ মৰণপণ মেচ

ৰাঞ্চি, ১৮ নৱেম্বৰ ঃ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয় মেচ কাইলৈ ৰাঞ্চিত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰথম মেচত জয় অৰ্জন কৰাৰ পাছত টীম ইণ্ডিয়াৰ লক্ষ্য হ'ল কাইলৈ জয়ৰে শৃংখলা দখল কৰা। ভাৰতে প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডক পাঁচ উইকেটত পৰাস্ত কৰি তিনিখনীয়া টি-20 শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। জয়পুৰত অনুষ্ঠিত হোৱা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম মেচত পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেটত 164 ৰাণ কৰে। কিবি দলৰ হৈ গুপটিলে কৰে 70 ৰাণ। আনহাতে, চেম্পমেনে 63 ৰাণৰ অবদান আগবঢ়ায়। ভাৰতৰ হৈ দুটাকৈ উইকেট পায় অশ্বিন আৰু ভুৱনেশ্বৰ কুমাৰে। প্ৰত্যুত্তৰত ভাৰতে দুটা বল বাকী থাকোতে পাঁচ উইকেটত 166 ৰাণ কৰি জয় অৰ্জন কৰে। ভাৰতৰ হৈ সূৰ্যকুমাৰ যাদৱে 62 আৰু ৰোহিত শৰ্মাই 48 ৰাণ কৰে। উল্লেখ্য যে এই শৃংখলাত নতুন প্ৰশিক্ষক আৰু নতুন অধিনায়কৰে খেলিছে টীম ইণ্ডিয়াই। ৰোহিত শৰ্মা দলৰ নতুন অধিনায়ক হোৱাৰ লগতে এই শৃংখলাৰ পৰাই ৰাহুল দ্ৰাৱিড়ে প্ৰশিক্ষকৰ দয়িত্ব লৈছে ভাৰতীয় দলৰ। আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত ব্যৰ্থ হোৱাৰ পাছত ঘৰত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া টি-20 শৃংখলা ভাৰতীয় দলৰ বাবে আত্মবিশ্বাস ঘুৰাই অনাৰ সুযোগ। ভাৰতীয় দলটো হ'ল ঃ ৰোহিত শৰ্মা (অধিনায়ক), লোকেছ ৰাহুল (সহঃ অধিনায়ক), ৰিতুৰাজ গাইকোৱাড, শ্ৰেয়াছ আয়াৰ, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, ইষাণ কিষান, ভেংকটেশ আয়াৰ, যুজবেশ চাহাল, ৰবীচন্দ্ৰন অশ্বিন, অক্ষৰ পেটেল, অভেশ খান, ভুৱনেশ্বৰ কুমাৰ, দীপক চাহাৰ, হাৰ্ষল পেটেল আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ অন্তিমখন মেচ 21 নৱেম্বৰত অনুষ্ঠিত হ'ব।

আজি ছোৱালীৰ ডাবলছৰ খিতাপৰ যুঁজত কৃষ্টি-আৰ্ণিৰ সন্মুখত ৰুমা-ৰিয়া

গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসম টেনিছ সন্থাৰ উদ্যোগত তথা ষ্টেট বেংক অব ইণ্ডিয়াৰ সহযোগত গুৱাহাটীৰ চচল ক্ৰীড়া প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ ডাবলছ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে অসমৰ কৃষ্টি বড়ো আৰু তেওঁৰ সংগী আৰ্ণি ৰেড্ডী। কৃষ্টি-আৰ্ণি যুটিয়ে আমেৰিকাৰ ছাইনা দেশপাণ্ডে আৰু ভাৰতৰ সোনাল পাটিল যুটিক ছেমিফাইনেলত 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। কাইলৈ হ'বলগা ফাইনেলত কৃষ্টি-আৰ্ণি যুটি মুখামুখি হ'ব ৰুমা গাইকাইৱাৰি আৰু ৰিয়া সহদেৱা যুটিৰ। উল্লেখ্য যে আনখন ছেমিফাইনেলত ৰুমা-ৰিয়া যুটিয়ে 6-3, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হেটভী চৌধুৰী আৰু ৰিয়া ডাগৰক। উল্লেখ্য যে চলিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত কৃষ্টিয়ে আৰম্ভণিৰ দিনাই পৰাই গৌৰৱময় সফলতাৰে চমক সৃষ্টি কৰি আহিছে। অঘটন সৃষ্টি কৰি ছোৱালীৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল কৃষ্টি। 18 বছৰ অনূৰ্ধ্বৰ প্ৰতিযোগিতাখনত বাছনি বিহীন খেলুৱৈ হিচাপে খেলা অসম কন্যা কৃষ্টিয়ে প্ৰথম ৰাউণ্ডৰ মেচত তিনিটা ছেটৰ অন্তত 3-6, 6-3, 6-0 ৰ ব্যৱধানত পৰাস্ত কৰিছিল চতুৰ্থ বাছনিৰ খেলুৱৈ হেটভী চৌধুৰীক। আনহাতে, ডাবলছ শাখাত কৃষ্টি আৰু আৰ্ণি যুটিয়ে তিনিটা ছেটৰ অন্তত 6-2, 4-6, 10-8 ৰ ব্যৱধানত তেজস্বী ডাবাছ আৰু নন্দিনী দিক্ষিতক হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। তাৰপাছত কালি হোৱা একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কৃষ্টিয়ে 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত খুশালী মোদীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। আনহাতে, ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত কৃষ্টিয়ে সতীৰ্থ আৰ্ণি ৰেড্ডীৰ লগত যুটি বান্ধি খেলি 6-4, 6-4 ৰ পোনপটীয়া ব্যৱধানত ৰাধিকা মহাজন আৰু ভূমিকা ত্ৰিপাঠি যুটিক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

আমেৰিকাৰ ছাইনাক হৰুৱাই ছোৱালীৰ এককৰ অন্তিম চাৰিত ভাৰতৰ সোনাল

গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসম টেনিছ সন্থাৰ উদ্যোগত তথা ষ্টেট বেংক অব ইণ্ডিয়াৰ সহযোগত গুৱাহাটীৰ চচল ক্ৰীড়া প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে শীৰ্ষ বাছনিৰ বৈষ্ণৱী আদকাৰ। কোৱাৰ্টাৰ ফাইনেলত বৈষ্ণৱীয়ে 6-3, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে আম'দিনি নাইকক। ইফালে, তৃতীয় বাছনিৰ ৰুমা গাইকাইৱাৰিয়ে কোৱাৰ্টাৰ ফাইনেলত 6-3, 6-2 ৰ পোনপটীয়া ব্যৱধানত নিয়াতি কুক্ৰেতিক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। আনহাতে, ভাৰতৰ পঞ্চম বাছনিৰ সোনাল পাটিলে কোৱাৰ্টাৰ ফাইনেলত অঘটন ঘটাই দ্বিতীয় বাছনিৰ আমেৰিকাৰ ছাইনা দেশপাণ্ডেক 6-3, 6-0 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি অন্তিম চাৰিত প্ৰৱেশ কৰে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত পুনৰ অঘটন ঘটাই অসমৰ কৃষ্টি বড়োৱে 6-1, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ষষ্ঠ বাছনিৰ আৰ্ণি ৰেড্ডীক। এই জয়ৰে প্ৰতিযোগিতাত ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে কৃষ্টি।

আই টি এফ টেনিছত আজি একক শাখাৰ ছেমিফাইনেল

গুৱাহাটী, ১৮ নৱেম্বৰ ঃ অসম টেনিছ সন্থাৰ উদ্যোগত তথা ষ্টেট বেংক অব ইণ্ডিয়াৰ সহযোগত গুৱাহাটীৰ চচল ক্ৰীড়া প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত শীৰ্ষ বাছনিৰ যুৱান নান্দলে 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত ৰথীন প্ৰনৱ কুমাৰক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে প্ৰণৱ কাৰ্তিকক কোৱাৰ্টাৰ ফাইনেলত 6-2, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে বুছান হাঅ'বামে। আন এখন কোৱাৰ্টাৰ ফাইনেলত আদিত্য নান্দলে 6-3, 6-2 ৰ পোনপটীয়া ব্যৱধানত ছাহেব শোধীক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে তিনিটা ছেটৰ অন্তত কোৱাৰ্টাৰ ফাইনেলত জৈষ্ণৱ সিন্ধে 2-6, 7-5, 6-2 ৰ ব্যৱধানত পৰৱ নাগক পৰাস্ত কৰি ছেমিফাইনেললৈ উত্তৰণ কৰে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি কাইলৈ দুপৰীয়া এক বজাত ল'ৰা আৰু ছোৱালীৰ ডাবলছ শাখাৰ ফাইনেল মেচ অনুষ্ঠিত হ'ব। আনহাতে, ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ ছেমিফাইনেল মেচ অনুষ্ঠিত হ'ব পুৱা 9.30 বজাৰ পৰা। উল্লেখ্য যে 18 বছৰ অনূৰ্ধ্বৰ চলিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখন অহা 20 নৱেম্বৰত সামৰণি পৰিব।

ছিনিয়ৰ ৰাষ্ট্ৰীয় ছেপাক টাক্ৰ' প্ৰতিযোগিতালৈ আজি ৰাওনা হোৱা অসম দলটো।

তৃতীয় স্থানত বেটিং কৰাটো মোৰ বাবে নতুন নহয় ঃ সূৰ্যকুমাৰ

জয়পুৰ, ১৮ নৱেম্বৰ ঃ 'তৃতীয় স্থানত বেটিং কৰাটো মোৰ বাবে কোনো নতুন কথা নহয়। আই পি এলত মুম্বাই ইণ্ডিয়ানছৰ হৈ মই তৃতীয় নম্বৰতে বেটিং কৰো।' এই মন্তব্য ভাৰতীয় দলৰ বেটছমেন সূৰ্যকুমাৰ যাদৱৰ। উল্লেখ্য যে ভাৰতে প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডক পাঁচ উইকেটত পৰাস্ত কৰি তিনিখনীয়া টি-20 শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। দ্বিতীয় মেচখন কাইলৈ ৰাঞ্চিত অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰথম মেচত জয় অৰ্জন কৰাৰ পাছত টীম ইণ্ডিয়াৰ লক্ষ্য হ'ল কাইলৈ জয়ৰে শৃংখলা দখল কৰা। প্ৰথম মেচত ভাৰতৰ জয়ৰ নায়ক বেটছমেন সূৰ্যকুমাৰ যাদৱ। মেচত পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেটত 164 ৰাণ কৰে। কিবি দলৰ হৈ গুপটিলে কৰে 70 ৰাণ। আনহাতে, চেম্পমেনে 63 ৰাণৰ অবদান আগবঢ়ায়। প্ৰত্যুত্তৰত ভাৰতে দুটা বল বাকী থাকোতে পাঁচ উইকেটত 166 ৰাণ কৰি জয় অৰ্জন কৰে। ভাৰতৰ হৈ সূৰ্যকুমাৰ যাদৱে 62 আৰু ৰোহিত শৰ্মাই 48 ৰাণ কৰে। মেচৰ শ্ৰেষ্ঠ হয় সূৰ্যকুমাৰ।

ৰংধৰ-ফুলেশ্বৰী শইকীয়া ফুটবল

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৮ নৱেম্বৰ ঃ ডাঁহী আঞ্চলিক ক্ৰীড়া সন্থা আৰু বিষ্ণুজ্যোতি সংঘই আয়োজন কৰা ৰংধৰ শইকীয়া আৰু ফুলেশ্বৰী শইকীয়া ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে চাপাই যুৱ কল্যান কেন্দ্ৰ আৰু ছিপাঝাৰ এফ চি। উল্লেখ্য যে ছেমিফাইনেলত চাপাই যুৱ কল্যান কেন্দ্ৰই 3-2 গ'লত সাতখলি এফ চিক আৰু ছিপাঝাৰ এফ চিয়ে 4-0 গ'লত আঠিয়াবাৰী এফ চিক পৰাস্ত কৰে।

বড়ো ছহিদ ফুটবলৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৮ নৱেম্বৰ ঃ লাংহিন তিনিআলি ক্ৰীড়া সন্থাই বড়ো ছহিদ ন্যাসৰ সহযোগত অহা 26 নৱেম্বৰৰ পৰা আয়োজন কৰিব 24 সংখ্যক বড়ো ছহিদ ফুটবল প্ৰতিযোগিতা। এইবাৰৰ বড়ো ছহিদ ফুটবল প্ৰতিযোগিতাত নটা দলে অংশ লৈছে।

প্ৰশিক্ষক হিচাপে দ্ৰাৱিড়ৰ মূল্যায়ন এতিয়াই নহয় ঃ ৰবি

ৰাঞ্চি, ১৮ নৱেম্বৰ ঃ 'প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাৱিড়ৰ মূল্যায়ন এতিয়াই কৰিব নোৱাৰি। এখন মেচ বা এখন শৃংখলা ইয়াৰ বাবে একমাত্ৰ সমল নহয়। অন্তত এবছৰ সকলোৱে অপেক্ষা কৰিব লাগিব।' এই মন্তব্য ভাৰতীয় দলৰ জ্যেষ্ঠ সদস্য স্পীনাৰ ৰবীচন্দ্ৰন অশ্বিনৰ। উল্লেখ্য যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয় মেচ কাইলৈ ৰাঞ্চিত অনুষ্ঠিত হ'ব। প্ৰথম মেচত জয় অৰ্জন কৰাৰ পাছত টীম ইণ্ডিয়াৰ লক্ষ্য হ'ল কাইলৈ জয়ৰে শৃংখলা দখল কৰা। ভাৰতে প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডক পাঁচ উইকেটত পৰাস্ত কৰি তিনিখনীয়া টি-20 শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে এই শৃংখলাত নতুন প্ৰশিক্ষক আৰু নতুন অধিনায়কৰে খেলিছে টীম ইণ্ডিয়াই। ৰোহিত শৰ্মা দলৰ নতুন অধিনায়ক হোৱাৰ লগতে এই শৃংখলাৰ পৰাই ৰাহুল দ্ৰাৱিড়ে প্ৰশিক্ষকৰ দয়িত্ব লৈছে ভাৰতীয় দলৰ। আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত ব্যৰ্থ হোৱাৰ পাছত ঘৰত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা তিনিখনীয়া টি-20 শৃংখলা ভাৰতীয় দলৰ বাবে আত্মবিশ্বাস ঘুৰাই অনাৰ সুযোগ। জয়পুৰত অনুষ্ঠিত হোৱা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম মেচত পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেটত 164 ৰাণ কৰে। প্ৰত্যুত্তৰত ভাৰতে দুটা বল বাকী থাকোতে পাঁচ উইকেটত 166 ৰাণ কৰি জয় অৰ্জন কৰে।

ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতা

এককৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ সিন্ধু, শ্ৰীকান্ত, প্ৰণয়

নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ পি ভি সিন্ধু, কিদাম্বি শ্ৰীকান্ত আৰু এইছ এছ প্ৰনয়। মহিলাৰ একক শাখাৰ এখন মেচত ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদকজয়ী কৰা সিন্ধুই প্ৰথম ছেটত পৰাস্ত কৰাৰ পাছতো 17-21, 21-7, 21-12 ৰ ব্যৱধানত জয়ী হৈ ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে, প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে প্ৰথম ছেটত পৰাস্ত কৰাৰ পাছতো 13-21, 21-18, 21-15 ৰ ব্যৱধানত জয়ী হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, পুৰুষৰ একক শাখাৰ আন এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ এইছ এছ প্ৰনয়ে 14-21, 21-19, 21-16 ৰ ব্যৱধানত জয়ী হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

আজি উপেন্দ্ৰ নাথ ব্ৰহ্ম ফুটবলৰ ফাইনেল

বিশেষ সংবাদদাতা

ওদালগুৰি, ১৮ নৱেম্বৰ ঃ চলিত উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাত ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে খিতাপৰ যুঁজত কাইলৈ গোহাইগাওঁ গ্লোৰেল স্পৰ্টছ একাডেমীয়ে খেলিব 2019 ৰ চেম্পিয়ন ওদালগুৰিৰ ইডেন এফ চিৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত অসম পুলিচ দল মুখামুখি হৈছিল গোহাইগাঁৱৰ গ্লোৰেল স্পৰ্টছ একাডেমীৰ। মেচত প্ৰথমে অসম পুলিচে গ'ল কৰে যদিও সফল প্ৰত্যাৱৰ্তন কৰি গোহাইগাওঁ গ্লোৰেল স্পৰ্টছ একাডেমীয়ে 2-1 গ'লৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ওদালগুৰিৰ ইডেন এফ চিয়ে 3-2 গ'লত পৰাস্ত কৰিছিল চিৰাং দুৱাৰ ইউনাইটেড এফ চিক। উল্লেখ্য যে গোহাইগাঁৱৰ গ্লোৰেল স্পৰ্টছ একাডেমী দলে উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল ৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ওদালগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা 27 সংখ্যক সৰ্বভাৰতীয় উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত গ্লোৰেল স্পৰ্টছ একাডেমী দল মুখামুখি হয় ওদালগুৰিৰ নিউ মডেল স্পৰ্টছ ক্লাবৰ। মেচখনত গ্লোৰেল স্পৰ্টছ একাডেমীয়ে 2-1 গ'লত পৰাস্ত কৰে নিউ মডেল স্পৰ্টছ ক্লাবক। আনহাতে, চতুৰ্থটো দল হিচাপে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল ইডেন এফ চিয়ে। কোৱাৰ্টাৰ ফাইনেলত ইডেন এফ চিয়ে 4-0 গ'লত পৰাস্ত কৰিছিল বৰৌচা এফ চিক। উল্লেখ্য যে এইবাৰৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাত মুঠ 12 টা দলে অংশ লৈছিল। কাইলৈ সামৰণি অনুষ্ঠানত সাংস্কৃতিক অনুষ্ঠানো আয়োজন কৰিব আয়োজকে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ১৯ নৱেম্বৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা ১৬

বিলাসনন্দন চ'ৰা



চাইনাৰ ধন আমাৰ মাটি

খবৰটো পোৱাৰ পাছতেই দিল্লীৰ দৰবাৰত মহাস্ফূৰ্তিৰ বিস্ফোৰণ ঘটিছে। দৰবাৰৰ বাহিৰত একান্ত ভক্তসকলে ঢাক-ঢোল পিটি নাচোন আৰম্ভ কৰিছে। কিছুমানে আকাশলৈ থু পেলাই নিজৰ মুখতে পেলোৱাৰ নিচিনাকৈ ফুল ছটিয়াই ছটিয়াই নিজৰ ওপৰতে পুষ্পবৃষ্টি কৰাইছে। আটায়ে আনন্দ-স্ফূৰ্তিবোৰৰ ১০ মিনিটীয়া ইণ্টাৰভেল ডিক্লেয়াৰ কৰি বাদশ্বাহৰ নামত জিন্দাবাদ গাইছে। দৰবাৰৰ ভিতৰতো একেই অৱস্থা। কোনো ধৰণৰ কনচেছন নিবিচৰাকৈ চেলিব্ৰেছন কৰাৰ মানসেৰে এটা মস্ত কেক অনা হৈছে। কেকটোত কেৱল এটা শব্দই লিখা আছে ছাকচেছ। বাদশ্বাহেও হাত জোকাৰি জোকাৰি যুদ্ধজয়ৰ উল্লাস প্ৰকাশ কৰি দৰবাৰত এণ্ট্ৰি মাৰিছে, ছুৰীখন এনেকৈ হাতত তুলি লৈছে যেন সকলো সমস্যাকে কাটি-মেলি খণ্ড-বিখণ্ড কৰি নদীত পেলাই দিব। সেই ছুৰীখনেৰে কেকটো কাটিছে আৰু কেকৰ এপিচ হাতত তুলি লৈ ওচৰে-পাঁজৰে খাড়া হৈ থকা ৰাজসভাৰ সমূহ সভাসদক সম্বোধি কৈছে—'আজিৰ পাছত সমগ্ৰ বিশ্বই উমান পাই গ'ল আমাৰ শক্তি কিমান। আটায়ে বুজি গ'ল যে আমি বিশ্বগুৰু হ'বলৈ আৰু বৰ বেছি পৰ নাই।'

এইধৰণৰ আকস্মিক চেলিব্ৰেচনে প্ৰথম অৱস্থাত প্ৰজাগণক চক্ খুৱাইছিল যদিও আজিকালি এডজাষ্ট কৰি ল'ব পৰা হৈছে। এইবাৰৰ চেলিব্ৰেচনৰ কাৰণটো অৱশ্যে প্ৰজাগণে ভাবি একো পাৰ পোৱা নাই। বহু সোধা-পোছা কৰাৰ অন্তত প্ৰজাগণে খবৰ পালে—এই চেলিব্ৰেচনৰ কাৰণ এটাই। এই কাৰণটো হ'ল—চাইনা। চাইনা? চাইনাক লৈ আকৌ বাদশ্বাহ আৰু তেওঁৰ ভক্তসকলে চেলিব্ৰেট কৰিব লগা কি হ'লনো? কথাটো সঁচাই আচৰিত নহয় নে? প্ৰজাগণো আচৰিত হ'ল। এই আশ্চৰ্যৰ জাল ভেদ কৰি উমান পোৱা গ'ল যে চাইনাক লৈ বিয়পি পৰা এটা খবৰেই দিল্লীৰ দৰবাৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছে। এই খবৰটো হ'ল—চাইনা বিশ্বৰ ভিতৰতে ধনী দেছ হৈ গ'ল।

আমেৰিকাতকৈও ধনী। দিল্লীৰ ৰাজসভাৰ সভাসদসকলে এই কথাটোতে বৰ স্ফূৰ্তি পাইছে। তেওঁলোকে আই টি চেল অথবা হোৱাটছ এপ বিশ্ববিদ্যালয়ৰ বিদ্যাৰ্থীৰ জৰিয়তেও এই কথাটো প্ৰচাৰ কৰিছে যে চাইনাই বিশ্বৰ ভিতৰত ধনী দেছ হোৱাত কাৰোবাৰ যদি আটাইতকৈ বেছি অৱদান আছে তেওঁ হ'ল দিল্লীৰ বাদশ্বাহ। তেওঁলোকৰ মতে, দিল্লীৰ বাদশ্বাহৰ কাৰণেই চাইনাই আজি ধনী দেছ হ'ব পাৰিছে। কিন্তু কেনেকৈ? চাইনাই ধনী দেছ হোৱাৰ ক্ষেত্ৰত বাদশ্বাহেনো কি অৱদান দিলে? প্ৰজাগণে ভাবি ভাবি একো পাৰ পোৱা নাই। কি কানেকচন থাকিব পাৰে? অৱশেষত দুজনমান সভাসদে চেলিব্ৰেচনৰ কাৰণটো বুজাই দিলে—'শুনা শুনা! কথাবোৰ ভালকৈ বুজিবলৈ চেষ্টা কৰা। এইবাৰ চাইনাৰ লগত ইণ্ডিয়াই যুদ্ধ কৰাৰ নিচিনা পৰিৱেশ হোৱা নাছিল জানো? যুদ্ধ হ'লেতো চাইনাৰ বহু টকা খৰচ হ'লহেঁতেন। সেই টকাখিনি খৰচ হৈ গ'লে আজি চাইনা আমেৰিকাতকৈ ধনী হ'ব নোৱাৰিলেহেঁতেন। কিন্তু আমাৰ বাদশ্বাহে যুদ্ধ নকৰি চাইনাৰ খৰচ হ'ব লগা টকাখিনি বচাই দিলে, যাৰ কাৰণে ই আজি আটাইতকৈ ধনী দেছ হ'ব পাৰিছে।'

কিন্তু চাইনা আটাইতকৈ ধনী হোৱাক লৈ বাদশ্বাহে কৰা আনন্দৰ কাৰণটো অলপ বেলেগ। দুজনমানক বাদশ্বাহে কৈছে—'বৰ ভাল হ'ল বুজিছা!'

ঃ কি ভাল হ'ল জাহাপনা?

ঃ চাইনা আটাইতকৈ ধনী হোৱাটো বৰ ভাল হৈছে।

ঃ কি ভাল হৈছে?

ঃ আমাৰ কামত আহিব।

ঃ কি কামত আহিব জাহাপনা?

বাদশ্বাহে বুজাই দিলে—'চাইনাই আমাৰ সীমাৰ মাটি নিও নিওকৈ আছে!'

ঃ জানো জাহাপনা।

ঃ মই ভাবিছো—বাকী সৱ বেচা শেষেই হ'ল যেতিয়া এই সীমাৰ মাটিখিনিও মনে মনে বেচি দিওঁ। চাইনা আটাইতকৈ ধনী বুলি প্ৰচাৰ হৈ গৈছে। গতিকে মাটিৰ দামক লৈ অযথা বাৰ্গেইনিং কৰিবলৈ লাজ পাব। আমি যি দাম কওঁ, মুখলজ্জাৰ খাতিৰত চাইনাই তাতেই ৰাজী হৈ যাব। আমাৰ হাতলৈ দুটামান পইচা আহিব। ৰাজকোষৰ কলহটো ভাঙিলে কমচে কম সেইকেইটা পইচা পোৱা যাব।

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

ফকিৰাগ্ৰামত কমতাপুৰী কোঁচ ৰাজবংশী শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

ফকিৰাগ্ৰাম, ১৮ নৱেম্বৰ ঃ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি, আৰ্থ-সামাজিক দিশ প্ৰতিফলিত হোৱাকৈ এক আটক-ধুনীয়া, সুশৃংখল পৰিৱেশত ফকিৰাগ্ৰামত অনুষ্ঠিত হ'ব কমতাপুৰী কোঁচ ৰাজবংশী শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱস আৰু মিউজিক ফেষ্টিভেল। কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰামৰ ময়নাৰতল গাঁৱৰ খেলপথাৰত অহা পাঁচ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিতব্য প্ৰতিষ্ঠা দিৱস আৰু মিউজিক ফেষ্টিভেলটি সম্পন্ন কৰাৰ বাবে ১০ লাখ টকাৰ বাজেট নিৰ্ধাৰণ কৰা হয়। আজি কমতাপুৰী কোঁচ ৰাজবংশী শিল্পী সমাজ আৰু অভ্যৰ্থনা সমিতিৰ যৌথ বৈঠকত উক্ত সিদ্ধান্ত গ্ৰহণ কৰি মন্ত্ৰী বিমল বৰা, কোকৰাঝাৰৰ অভিভাৱক মন্ত্ৰী অশোক সিংহাল, বিধায়ক জয়ন্ত মল্ল বৰুৱা, কে অ' চিৰ মুখ্য কাৰ্যবাহী সদস্যকে ধৰি সকলো কাৰ্যবাহী সদস্য, বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য, স্থানীয় পৰিষদীয় সদস্য তথা কাৰ্যবাহী সদস্যৰ উপৰি পশ্চিমবংগৰ সাংসদ জয়ন্ত ৰায় আদিক আমন্ত্ৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হোৱাকৈ আটক ধুনীয়া মঞ্চ, অতিথি গৃহ, কোঁচ ৰাজবংশী জনগোষ্ঠীৰ থলুৱা খাদ্য-সম্ভাৰেৰে ভৰপূৰ ষ্টল, গ্ৰন্থ, পুখুৰীৰ পানীৰ মাজত জিৰণি চ'ৰা, গছৰ ওপৰত চাংঘৰ ইত্যাদি মনোমোহা ৰূপত অনুষ্ঠানৰ চৌপাশ দৃষ্টিনন্দন ৰূপত সজাই-পৰাই তোলা হ'ব বুলি আদৰণি সমিতিৰ সভাপতি তথা কমতাপুৰ স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ে কয়। আদৰণি সমিতিৰ সম্পাদক কংকন ৰায়ে আঁতধৰা সভাত কমতাপুৰী কোঁচ ৰাজবংশী শিল্পী সমাজৰ সাধাৰণ সম্পাদক দেৱজিৎ ৰায়, ডিজেল কোঁচ, উপদেষ্টা ভৃগু মুনি ৰায়, কুশল ৰায়, সদস্য মহানন্দ ওৰফে গান্ধী, জয়মতী ৰায়ৰ লগতে আক্ৰাছুৰ উপদেষ্টা বিষ্ণু জ্যোতি ৰায় উপস্থিত থাকে।



অসম চৰকাৰ

ৰাসোৎসৱ

ৰাসোৎসৱৰ এই পবিত্ৰ ক্ষণত অসমবাসীলৈ আন্তৰিক শুভ কামনা যাচিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

জনসংযোগ/ডি/৯৭৭৭/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us @diprassam https://diprassam.gov.in/

অসম চৰকাৰ

"বিশ্ব ঐতিহ্য সপ্তাহ, ২০২১"

১৯ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ

উদ্বোধনী অনুষ্ঠান

স্থান ঃ চৰাইদেউ মৈদাম প্ৰত্নতাত্ত্বিক স্থান, চৰাইদেউ

তাৰিখ ঃ ১৯ নৱেম্বৰ, ২০২১ ■ সময় ঃ দিনৰ ১১ বজাৰ পৰা

Theme : Heritage at the Service of Humanity

খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ
প্ৰত্নতত্ত্ব সঞ্চালকালয়, অসম, আমবাৰী, গুৱাহাটী

মুখ্য অতিথি ঃ
শ্ৰীযুত যোগেন মহন
মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য উন্নয়ন, খনি আৰু খনিজ বিভাগ

সন্মানীয় অতিথি ঃ
শ্ৰীযুত তপন কুমাৰ গগৈ
মাননীয় সাংসদ, যোৰহাট লোকসভা সমষ্টি

বিশিষ্ট অতিথি ঃ
শ্ৰীযুত ধৰ্মেশ্বৰ কোঁৱৰ
মাননীয় বিধায়ক, সোণাৰি বিধানসভা সমষ্টি

আমন্ত্ৰিত অতিথি ঃ
পদ্মশ্ৰী ড° যোগেন্দ্ৰ নাথ ফুকন
বিশিষ্ট ইতিহাসবিদ

"আমাৰ ঐতিহ্য আমাৰ গৌৰৱ, সংৰক্ষণ কৰোঁ আহক"
"Our heritage, our Pride, let us preserve it".

জনসংযোগ/ডি/৯৮০১/২১